জী

# বিমলা প্ৰসাদ চলিহা মহাবিদ্যালয় আলোচনী

৭
২০০২-০৩



সম্পাদক

গৌতম মেধী

Scanned with CamScanner

# বিমলা প্ৰসাদ চলিহা মহাবিদ্যালয় আলোচনী

## বিমলা প্ৰসাদ চলিহা মহাবিদ্যালয়,

নগৰবেৰা, কামৰূপ, (অসম)

## নৱম সংখ্যা (২০০২-২০০৩)




| সভাপতি | তত্বাৱধায়ক | সম্পাদক |
|---|---|---|
| নিবোদবৰণ দাস | শ্বাহ জামাল মোল্লা | গৌতম মেধী |

Scanned with CamScanner

বিমলা প্ৰসাদ চলিহা মহাবিদ্যালয় আলোচনী, নৱম সংখ্যা ( ২০০২-২০০৩), মহাবিদ্যালয়ৰ বাৰ্ষিক প্ৰকাশ, বি,প্ৰ,চ,ম, 'ছাত্ৰ আৰু শিক্ষকৰ অৱসৰ বিনোদন কেন্দ্ৰ'ৰ তত্বাৱধানত 'ছাত্ৰ একতা সভা'ৰ দ্বাৰা প্ৰকাশিত আৰু সৰ্বস্বত্ব সংৰক্ষিত।
বিমলা প্ৰসাদ চলিহা মহাবিদ্যালয়, নগৰবেৰা, কামৰূপ (অসম)।

## সম্পাদনা সমিতি

| | |
|---|---|
| উপদেষ্টা | : উমেশ চন্দ্ৰ দাস |
| সভাপতি | : নিৰোদ বৰণ দাস |
| তত্বাৱধায়ক | : শ্বাহ জামাল মোল্লা |
| সম্পাদক | : গৌতম মেধী |
| শিক্ষক সদস্য | : নগেন্দ্ৰ নাৰায়ণ দেৱান |
| | : দীপ্তিৰেখা পাঠক মজুমদাৰ |
| | : নিৰ্মল চন্দ্ৰ ভেৰাই |
| ছাত্ৰ সদস্য | : আব্দুছ ছুমান আহমেদ |
| | : ৰিপুঞ্জয় কলিতা |

### 'ছাত্ৰ আৰু শিক্ষকৰ অৱসৰ বিনোদন কেন্দ্ৰ'

| | |
|---|---|
| বিপুল শৰ্মা বৰপূজাৰী | : উপ-সভাপতি |
| শ্বাহ জামাল মোল্লা<br>বসন্ত কলিতা | : যুটীয়া আহ্বায়ক |
| দীনেশ কলিতা | : সদস্য |
| তপন গোস্বামী | : সদস্য |
| অংশুমান শইকীয়া | : সদস্য |
| অৰুণ কুমাৰ সৰকাৰ | : সদস্য |
| সত্যজিৎ কলিতা | : সদস্য |
| বীৰেন্দ্ৰ কুমাৰ বৰা | : সদস্য |
| অনিতা কেওট | : সদস্যা |
| উপেন সাহা | : সদস্য |

| | |
|---|---|
| প্ৰকাশ | : চেপ্টেম্বৰ, ২০০৪ ইং |
| বেটুপাত | : মহাবিদ্যালয়ৰ আলোক চিত্ৰ |
| অলংকৰণ | : ডঃ এ, বাসাৰ |
| মুদ্ৰণ | : [illegible]<br>নগৰবেৰা- ৭৮১ ১২৭, কামৰূপ (অসম)<br>ফোন নং- [illegible] |
| ডি.টি.পি. ছেটিং | : [illegible] |

# উছৰ্গা



সুবোধ কলিতা

জন্মঃ ১ আগষ্ট, ১৯৫৩ খৃঃ মৃত্যুঃ ৯ চেপ্টেম্বৰ, ২০০৩ খৃঃ

বিমলা প্ৰসাদ চলিহা মহাবিদ্যালয়ৰ প্ৰাক্তন ছাত্ৰ তথা মহাবিদ্যালয় কাৰ্য্যালয়ৰ মুখ্য সহায়ক আমাৰ সকলোৰে প্ৰিয় সুবোধ কলিতাৰ অকাল বিয়োগত আমি মহাবিদ্যালয়ৰ আটায়ে শোকাভিভূত।

আলোচনীৰ এই সংখ্যাটি তেখেতৰ নামত আন্তৰিকতাৰে উছৰ্গা কৰিলোঁ।

সম্পাদনা সমিতি

Scanned with CamScanner

# অশ্ৰু- অঞ্জলি

আনৰ দুঃখ-বেদনা, আনৰ বিপদ-আপদক গভীৰভাৱে উপলব্ধি কৰি তাৰ সমিধান দিয়া, আনক বুজি পোৱা, নিজকে মুজিয়লৈ দিয়াজনেই আছিল সুবোধ কলিতা। ২০০৩ চনৰ ৯ চেপ্টেম্বৰ তাৰিখে আমাক কন্দুৱাই অকালতে তেখেত গুচি গ'ল। আমি প্ৰয়াত সুবোধ কলিতাৰ আত্মাৰ শান্তি কামনা কৰিছোঁ।

*সম্পাদনা সমিতি।*

সুবোধক মই খুব ভাল পাইছিলোঁ। তাৰ অকাল বিয়োগে মোক ব্যথিত কৰিছে। তাৰ অবৰ্তমানত কলেজখনে প্ৰতি খোজতে উজুটি খাব লগীয়া হৈছে। তাৰ অভাৱ অপূৰণীয়। ভগৱানে সুবোধৰ আত্মাক শান্তি দান কৰক।

শ্ৰী নিৰোদ বৰণ দাস
*অধ্যক্ষ (ভাৰপ্ৰাপ্ত)*

সুবোধ আৰু মই সমবয়সীয়া। ১৯৭৬ চনত কলেজত মোৰ নিযুক্তিৰ পূৰ্বৰ পৰাই তেওঁ মোৰ সুপৰিচিত। পদবীৰ ভিন্নতাই আমাৰ দুয়োৰে বন্ধুত্বত সামান্যতম আঁচোৰও পেলাব পৰা নাছিল। মহাবিদ্যালয়ৰ আভ্যন্তৰিণ অনেক কথাত তেওঁ মোক জড়িত কৰিছিল। দুয়ো মহাবিদ্যালয়ৰ বহু ঘটনা পৰিঘটনাৰ নায়ক তথা সাক্ষী। নগৰবেৰাৰ প্ৰতিটো সামাজিক অনুষ্ঠানত মোৰ স্বেচ্ছা জড়িতকৰণত তেওঁৰ দাবীও যুক্ত হৈ আছে। মহাবিদ্যালয়ৰ ঘাটি মঞ্জুৰী প্ৰাপ্তিকালত প্ৰয়োজনীয় যাৱতীয় তথ্যপাতি যুগুত কৰণত, বিজ্ঞান শাখাৰ শুভাৰম্ভ ও পৰিচালনা কাৰ্যত প্ৰয়াত অধ্যক্ষ দেৱপ্ৰসাদ শইকীয়া আৰু প্ৰয়াত সুবোধ কলিতাৰ লগত ৰাতিক দিন কৰি বহু কষ্ট কৰিছিলোঁ। একেলগে কিমানবাৰ যে কলেজৰ কামত গুৱাহাটী যোৱা অহা কৰিছোঁ। সেই সময়বোৰত কেতিয়াবা ৰাতি আয়োজিত খানা (feast) ৰ তাৰিখও সুবোধে মোৰ উপস্থিতি নিশ্চিতকৰণৰ স্বাৰ্থত সলনি কৰিছিল। এইবোৰ অন্তৰত সাঁচি ৰখা এক অলিখিত দীঘলীয়া ইতিহাস। তেওঁৰ বিয়োগ মোৰ বাবে সহ্যাতীত। সুবোধ কলিতাৰ আত্মাই চিৰশান্তি লাভ কৰক - দুটোপাল অশ্ৰু-অঞ্জলিৰে ভগৱানৰ ওচৰত এয়া মোৰ আন্তৰিক প্ৰাৰ্থনা।

শ্ৰী উৎসৱানন্দ দাস।
*প্ৰৱক্তা, অৰ্থ বিজ্ঞান বিভাগ।*

---

ভাতৃপ্ৰতীম প্ৰিয় সুবোধ যে আমাৰ মাজত নাই; এই নিদাৰুণ ও মৰ্মান্তিক কথাষাৰ মনলৈ আহিলেই মনটো বিষাদগ্ৰস্থ হৈ ভাৰাক্ৰান্ত হৈ পৰে। তেওঁৰ কাৰ্য্যদক্ষতা, দুৰদৰ্শী দৃষ্টিভঙ্গী, কষ্ট সহিষ্ণুতা আৰু সহানুভূতিশীল মনোভাৱৰ কথা কলেজৰ প্ৰতিজন শিক্ষক কৰ্মচাৰী ও নগৰবেৰা বাসীৰ মানস পটত চিৰদিন জিলিকি থাকিব।

তেওঁৰ বিদেহী আত্মাই চিৰশান্তি লাভকৰক অশ্ৰু-অঞ্জলিৰে ভগৱানৰ ওচৰত এই নিবেদন জনালোঁ।

শ্ৰী দয়ানন্দ কুমাৰ দাস।
*বিভাগীয় মুৰব্বী, ৰাজনীতি বিজ্ঞান বিভাগ*

সুবোধৰ কথা মনত পৰিলে মোৰ অত্যন্ত দুখ লাগে। সকলো বিষয়তে মই সুবোধৰ পৰা সহায় পাইছিলোঁ। তেওঁৰ কৰ্মনিপুণতা অতুলনীয়, সকলোকে সু-পৰামৰ্শ দান কৰি উপকাৰ কৰিছিল। সুবোধৰ অকাল বিয়োগ মোৰ বাবে অসহনীয়। তেওঁৰ আত্মাই শান্তি পাওঁক - ইয়াকে কামনা কৰিছোঁ।



নুৰুন নাহাৰ বেগম
প্ৰৱক্তা, ৰাজনীতি বিজ্ঞান বিভাগ।

জীৱন পথত এনে কিছুমান সহযাত্ৰী আছিল যিসকলৰ মৃত্যুৰ নিষ্ঠুৰ বাস্তৱতা অবুজ মনটোৱে কোনোপধ্যেই মানি লব নোখোজে। বন্ধুবৰ শ্বাহ আলম আৰু পূজনীয় সুবোধ দা তেনে দুটি নাম। কিমান কামতযে সুবোধদাৰ পৰা দিহা পৰামৰ্শ ও সহায় লৈছিলোঁ। এতিয়াও যেন প্ৰয়োজনৰ তাগিদাত অজানিতে কেতিয়াবা সুবোধ দাৰ বাবে বাট চাওঁ, কিন্তু তেখেততো আৰু কোনো দিনেই ফিৰি নাহে। আল্লাই তেখেতৰ ৰূহ (আত্মা)ক মাগফিৰাৎ (সদগতি) দান কৰক এয়ে প্ৰাৰ্থনা।

আব্দুছ ছালাম
*প্ৰৱক্তা, আৰবী বিভাগ।*

Scanned with CamScanner

অধুনালুপ্ত 'মানব বিকাশ সংঘ' নামৰ আঞ্চলিক স্বেচ্ছাসেবী অনুষ্ঠানটোৰ সহকৰ্মীৰূপে সুবোধদাক প্ৰথম অতি কাষৰ পৰা লগ পাইছিলোঁ। কলেজত নিযুক্তি লোৱাৰ দিনৰে পৰাই তেখেতক জ্যেষ্ঠ ভাতৃ দৰে মান দিছিলোঁ। কলেজত আমাৰ চ'ৰাত নবহি আন কেইজনমান কৰ্মচাৰীৰ সৈতে সদায় সুবোধ দাৰ কাৰ্য্যালয় কক্ষত বহিছিলোঁ। কৰ্মব্যস্ত থাকিও তেখেতে আমাৰ আলোচনাবোৰত ভাগ লৈছিল। হিচাপ নিকাচৰ আদিপাঠ মই সুবোধদাৰ পৰাই লৈছিলোঁ। যিয়ে মোক পৰৱৰ্তী জীৱনত বহু উপকাৰ কৰিছে। তেখেতৰ অকাল বিয়োগত কলেজে এজন নিষ্ঠাবান কৰ্মী হেৰুৱালে। তেখেতৰ বিদেহী আত্মাৰ চিৰশান্তি কামনা কৰিলোঁ।

টিকেন চন্দ্ৰ পাটোৱাৰী
*প্ৰৱক্তা, গণিত বিভাগ।*

কলেজত নাম লিখা দিনৰ পৰাই সুবোধদাৰ লগত চিনাকি। শিক্ষক ৰূপে যোগদান কৰাৰ পিছত এই চিনাকিয়েই আমাৰ পাৰস্পৰিক শ্ৰদ্ধা ও মৰমৰ পৰশত ঘনিষ্ঠতা লাভ কৰে। সুবোধদাই মোৰ মনৰ কথা বুজি পাইছিল। মোৰ বহু সমস্যাৰ সমাধান ও আৰ্থিক সংকটৰ মোচন সুবোধদাই কৰিছিল। তেখেত বহল অন্তৰৰ অধিকাৰী আছিল। তেখেতৰ আত্মাই বৈকুণ্ঠ লাভ কৰক এয়ে কামনা।

নূৰ আলম
*প্ৰৱক্তা, ৰাজনীতি বিজ্ঞান বিভাগ।*

সুবোধ কলিতাক আমি খুব সম্মান কৰিছিলোঁ। তেওঁ আমাৰ সুখ-দুখৰ কথা অনুভৱ কৰিছিল। বিপদৰ সময়ত তেওঁৰ পৰা বহু সহায় পাইছিলোঁ। তেওঁ অফিচৰ কাম- কাজ সম্পৰ্কে খুবেই বিজ্ঞ ও কৰ্মদক্ষ আছিল। নবীয়া দেহাৰে বিচনাত পৰি থাকিও অফিচৰ কাম কৰিছিল। তেওঁৰ আত্মাই শান্তি লাভ কৰক।

অমৰেন্দ্ৰ দাস।
*কাৰ্য্যালয়ৰ চতুৰ্থ বৰ্গৰ কৰ্মচাৰী।*

কৰ্মসূত্ৰে নগাঁৱৰ পৰা আহি নগৰবেৰাতমোৰ জীৱনৰ সোনালী দিনবোৰ অতিবাহিত কৰিলোঁ। কৰ্ম জীৱন ও ব্যক্তিগত জীৱনত লাভ কৰা সুবোধদাৰ সান্নিধ্য, উপদেশ-পৰামৰ্শবোৰ সদায়েই মোৰ জীৱনৰ পাথেয় হৈ ৰব। তেখেতৰ বিদেহী আত্মাই পৰমপদ লাভ কৰক।

বিপুল শৰ্মা বৰপূজাৰী। (প্ৰৱক্তা)

সুবোধদাৰ লগত মোৰ সম্পৰ্ক ঘৰুৱা আৰু ব্যক্তিগত। ছাত্ৰাবস্থাৰ পৰা কৰ্মজীৱনৰ প্ৰতিটো পদক্ষেপতে তেওঁৰ পৰা পোৱা পৰামৰ্শ আৰু ডাবি ধমকিয়ে মোৰ জীৱনৰ মহৎ উপকাৰ সাধন কৰিছে। আজিও সমস্যাৰ চাকনৈয়াত পৰি ভাবাক্ৰান্ত হোৱা মনটোৱে সুবোধদাক সোঁৱৰে। তেওঁৰ আত্মাই শান্তি পাওঁক।

নিৰ্মল চন্দ্ৰ কলিতা।
*প্ৰৱক্তা, অৰ্থবিজ্ঞান বিভাগ।*

শ্ৰদ্ধাৰ সুবোধদা আমাৰ সকলোৰে প্ৰিয় আছিল। তেওঁ আমাৰ সুখ-দুখৰ কথা হৃদয়েৰে অনুভৱ কৰিব পাৰিছিল। আমাৰ যিকোনো বিপদৰ সময়ত সহায়ৰ হাত আগবঢ়াইছিল। তেওঁৰ আত্মাৰ শান্তি কামনা কৰিছোঁ।

লতিকা মেধী।
*গ্ৰন্থাগাৰ কৰ্মী।*

সুবোধ কলিতা আছিল নীতি- কঠোৰ অথচ অন্তৰ-কোমল ব্যক্তি। তেওঁৰ অবিহনে কলেজখন 'ঘাট-মাউৰা' সদৃশ হৈছে বুলি মোৰ অনুভৱ। তেওঁৰ আত্মাই শান্তি পাওঁক।



ডঃ আবুল বাসাৰ।
*প্ৰৱক্তা, ৰসায়ন বিভাগ।*

সুবোধদাৰ লগত মোৰ সম্পৰ্ক আশৈশৱ আৰু ঘৰুৱা। ছাত্ৰাবস্থাৰ পৰা তেখেতৰ উপদেশ আৰু দিহা পৰামৰ্শক পাথেয় হিচাপে লৈছিলোঁ। সুবোধদা আজিও মোৰ অন্তৰত সজীৱ। তেওঁ মৰিও মোৰ মনৰ দাপোনত অমৰ হৈ আছে।

শ্যামাচৰণ ঠাকুৰীয়া।
*প্ৰৱক্তা, অসমীয়া বিভাগ।*

Scanned with CamScanner

মহাবিদ্যালয়ৰ মুখ্য সহায়ক প্ৰয়াত সুবোধ কলিতাৰ কৰ্মদক্ষতা আৰু ছাত্ৰ ছাত্ৰী সকলৰ প্ৰতি থকা ততোধিক সহযোগী মনোভাৱ পৰৱৰ্তীসময় সংশ্লিষ্ট ব্যক্তি সকলৰ বাবে অনুকৰণীয় হওক।

দীনেশ চক্ৰৱৰ্তী
*প্ৰৱক্তা, ৰসায়ন বিজ্ঞান বিভাগ*

সুবোধ কলিতা আছিল মোৰ কৰ্মজীৱনৰ সহকৰ্মী আৰু ব্যক্তিগত জীৱনৰ বন্ধু। কৰ্মজীৱনত কলেজৰ বহু সমস্যা আৰু চিন্তনীয় বিষয়ৰ আমি সুস্থিৰভাৱে আলোচনা কৰি সমাধান সূত্ৰ উলিয়াইছিলোঁ। তেখেতৰ বিয়োগত কলেজে হেৰুৱালে এজন অক্লান্ত কৰ্মী, মই হেৰুৱালোঁ এজন সুহৃদ বন্ধু। সদায় নিজকে সংগীহীন অনুভৱ কৰোঁ।

নৃপেন কলিতা।
*মুখ্য সহায়ক, কলেজ কাৰ্যালয়।*

সুবোধদা- যাৰ দুচকুত অনবৰত জিলমিলাইছিল কলেজৰ উন্নতিৰ সপোন, যাৰ দুবাহুত আছিল অসীম কৰ্মশক্তি, দৰদী হৃদয়ৰ সেই সুবোধদা এতিয়াও আমাৰ মাজত সজীৱ হৈ আছে। তেওঁ অমৰ হওঁক।

যতীন্দ্ৰ নাথ তালুকদাৰ।
*প্ৰৱক্তা, পৰিসংখ্যা বিজ্ঞান বিভাগ।*

সমস্যাই ভাৱাক্ৰান্ত কৰিব নোৱাৰা ব্যক্তিজন আছিল প্ৰয়াত সুবোধ কলিতা। কৰ্মজীৱনৰ পাতনিৰ পৰাই তেখেতৰ লগত মোৰ মধুৰ সম্পৰ্ক গঢ়ি উঠিছিল। তেখেত আছিল কৰ্মদক্ষ, সহিষ্ণু, দূৰদৃষ্টি সম্পন্ন আৰু সহানুভূতিশীল। সকলো সমস্যাৰ সমাধানৰ এটাই ভাষা তেখেতৰ আপ্তবাক্যশাৰী 'হ'ব দিয়ক' আজিও মোৰ অন্তৰত দোলা দি যায়। তেখেতৰ আত্মাই চিৰশান্তি লাভ কৰক। ভগৱানৰ ওচৰত এয়ে প্ৰাৰ্থনা।

কুশল দত্ত
*প্ৰৱক্তা, ইতিহাস বিভাগ।*

সকলোকে আপোন কৰি লব পৰা গুণ আৰু আনৰ বিপদত প্ৰথম সহায়ৰ হাত আগবঢ়াই দিয়াৰ উদাৰতা সম্পন্ন সুবোধদাৰ অকাল বিয়োগত মই ব্যথিত। তেখেতৰ আত্মাই চিৰশান্তি লাভ কৰক।

ৰনেন্দ্ৰ কুমাৰ দাস
*প্ৰৱক্তা, উদ্ভিদ বিজ্ঞান বিভাগ।*

সুবোধ কলিতাৰ কথা মনত পৰিলে দুখত অন্তৰ ফাটি যোৱা যেন অনুভৱ হয়। তেওঁ অত্যন্ত কৰ্মদক্ষ আৰু দয়ালু স্বভাৱৰ ব্যক্তি আছিল। অইনক সহায় কৰি তেওঁ আনন্দ অনুভ কৰিছিল। কলেজৰ শিক্ষক কৰ্মচাৰীৰ লগতে সমাজৰ যিকোনো বিপদগ্ৰস্থ ব্যক্তিক সহায় কৰিবলৈ তেওঁ স্বতঃস্ফূৰ্তভাৱে আগবাঢ়ি গৈছিল। আমি দুয়ো একেলগে ডাঙৰ দীঘল হৈছোঁ, একেলগে কাম কৰিছোঁ অথচ জীৱনত এদিনৰ বাবেও আমাৰ মাজত কাজিয়া পেচাস হোৱা নাই। তেওঁৰ আত্মাই শান্তি পাওঁক- ভগৱানৰ ওচৰত এয়ে প্ৰাৰ্থনা।

ধীৰেণ তালুকদাৰ।
*গ্ৰন্থাগাৰিক।*

মহাবিদ্যালয়ৰ মুখ্য সহায়ক বহুল অন্তৰৰ প্ৰয়াত সুবোধ কলিতাক ছাত্ৰ অৱস্থাৰ পৰাই সহপাঠী হিচাপে লগ পাইছিলোঁ। প্ৰয়াত কলিতা আছিল এজন কৰ্মযোগী ব্যক্তি যিজনে দিনে নিশাই আনকি মৃত্যু শয্যাত পৰিও মহাবিদ্যালয়ৰ বিভিন্ন কাম কাজ চোৱা-চিতা কৰিছিল। তেখেত আছিল আমাৰ কাৰণে সহায়ৰ এখন হাত। পৰম বন্ধু কলিতাৰ আত্মাই চিৰশান্তি লাভ কৰক এয়ে ভগৱানৰ ওচৰত কামনা কৰিছোঁ।

আব্দুল হাকিম।
*প্ৰৱক্তা, ৰাজনীতি বিজ্ঞান বিভাগ।*

আনৰ ভাল-বেয়া, কৃত-অকৃত কৰ্মৰ কথা চিন্তা নকৰি নিজৰ কৃত বা অকৃত কাৰ্যৰ প্ৰতিহে চকু দিয়া উচিত। -ত্ৰিপিটক
আৰোগ্য শ্ৰেষ্ঠ লাভ, সন্তুষ্টি শ্ৰেষ্ঠ ধন, অতি বিশ্বাসীজন শ্ৰেষ্ঠ জ্ঞাতি, (মোক্ষ) নিৰ্বান (মুক্তি) পৰম সুখ। -বুদ্ধদেৱ

Scanned with CamScanner

# শ্ৰদ্ধাঞ্জলি



"জন্মৰ পিছত মৃত্যু" এই চিৰসত্যক স্বাগতম জনাই কামৰূপ জিলাৰ নগৰবেৰা মৌজাৰ অন্তৰ্গত টুপামাৰী গাঁৱৰ বিশিষ্ট সমাজ সেৱক মৰহুম নৈমুদ্দিন মুন্সী চাহাবৰ যোৱা ১২/০৮/০৪ ইং তাৰিখে বাৰ্দ্ধক্যজনিত কাৰণত তেখেতৰ নিজ বাসভৱনত পৰলোক প্ৰাপ্তি ঘটে। মৃত্যুৰ সময়ত তেখেতৰ বয়স আছিল ১০৮ বছৰ।

১৮৯৬ ইং চনত অবিভক্ত ভাৰতৰ বৰ্তমান বাংলাদেশৰ মৈমনসিংহ জিলাৰ বেল্তা গাঁৱৰ এটি অতি দুখীয়া কৃষক পৰিয়ালত তেখেতৰ জন্ম হৈছিল। তেখেতৰ দেউতাকৰ নাম আছিল কিফাং উল্লাহ আৰু মাকৰ নাম আছিল নছিৰন নেছা। অভাৱৰ তাড়ণা আৰু মাটি বাৰীৰ অন্বেষণত মাথোঁ ৯ বছৰ বয়সত মোমায়েকৰ লগত ১৯০৫ চনত কামৰূপ জিলাৰ নগৰবেৰা পাহাৰৰ ওচৰত অটক্ক হাবিলে- পূৰ্ণ বজেশ্বৰী গাঁৱত বসতি স্থাপন কৰে। কেইবছৰ মান পিছত উপযুক্ত মাটিৰ সন্ধান পাই টুপামাৰী গাঁৱলৈ আহি নিগাজিকৈ থাকিবলৈ লয়।

টুপামাৰী গাঁৱত কোনো শিক্ষানুষ্ঠান নথকাত তেখেত নিৰক্ষৰ হৈ থাকিল। অঞ্চলবাসী বাইজ যাতে তেখেতৰ দৰে নিৰক্ষৰী জীৱন যাপন কৰিব নালাগে তাৰ বাবে তেখেতে ১৯৩১ চনত ৪৬৫ নম্বৰ টুপামাৰী প্ৰাথমিক বিদ্যালয় স্থাপন কৰি সামাজিক কামৰ পাতনি মেলে। তাৰ পিছত তেখেত নাৰী শিক্ষাৰ বাবে বজেশ্বৰী টুপামাৰী নামেৰে বালিকা প্ৰাথমিক বিদ্যালয় স্থাপন কৰে। উচ্চ শিক্ষাৰ বাবে তেখেতে টুপামাৰীত এম. ই. স্কুল, বজেশ্বৰী টুপামাৰী হাই স্কুল স্থাপন কৰি এই অঞ্চলত আধুনিক শিক্ষাৰ পোহৰ পেলাইছিল। দুখীয়া ৰোগীৰ চিকিৎসাৰ বাবে তেখেতে টুপামাৰীত প্ৰাথমিক চিকিৎসালয় স্থাপন কৰাৰ ক্ষেত্ৰত আগভাগ লৈছিল। টুপামাৰী বজাৰখন তেখেতৰ প্ৰচেষ্টাতে জন্ম লয়। ১৯৫৯ চনত গ্ৰাম্য অঞ্চলৰ যুৱক-যুৱতী সকলৰ অধ্যয়নৰ আগ্ৰহ বঢ়াবলৈ নিজ গাঁৱত "নৱজাগৰণ" পুথিভঁৰাল স্থাপন কৰি শিক্ষাপ্ৰেমী হিচাপে পৰিচয় দিছিল।

১৯৪০ চনত তেখেতে সক্ৰিয়ভাৱে সমাজৰ কামত আত্ম নিয়োগ কৰে। মহাত্মা গান্ধীৰ 'বিদেশী বস্ত্ৰ বৰ্জন' আন্দোলনত নেতৃত্ব দিয়া বাবে নগৰবেৰা সাপ্তাহিক বজাৰৰ সংঘৰ্ষত তেখেতে ৭ দিন কাৰাগাৰত থাকিব লগা হৈছিল। তেখেতে ১৯৫০ চনৰ সাম্প্ৰদায়িক সংঘৰ্ষৰ সময়ত নগৰবেৰাৰ সেই সময়ৰ বিশিষ্ট ব্যক্তি 'পদ্মলোচন চৌধুৰী, 'গজেন্দ্ৰ নাৰায়ণ ঠাকুৰীয়া, উমেশ পাঠক, উত্তম ঠাকুৰীয়া, ভুপেন দাস, শৰৎ চৌধুৰী, হৰেণ পাঠক, হেৰম্বৰ কমলা মেনেজাৰ আদি বৰেণ্য ব্যক্তিৰ লগত লগ লাগি গেৰুৱা চাহবাগানৰ ওচৰত বাহৰ পাতি থাকি কোনো ধৰণৰ সাম্প্ৰদায়িক সংঘৰ্ষ নগৰবেৰাত হ'বলৈ দিয়া নাছিল। পঞ্চায়ত ব্যৱস্থা প্ৰৱৰ্তন হোৱাত তেখেত Rural পঞ্চায়তৰ দুবাৰ আৰু ১৯৭৭ চনত পঞ্চায়তী ৰাজ ব্যৱস্থাৰ পিছত এবাৰ টুপামাৰী গাঁও পঞ্চায়তৰ সভাপতি নিৰ্বাচিত হৈ মুঠ ১৫ বছৰ নিঃস্বাৰ্থভাৱে ৰাইজৰ হকে কাম কৰি গৈছিল।

কেৱল টুপামাৰীয়েই নহয় নগৰবেৰা অঞ্চলৰ যাৱতীয় অনুষ্ঠান-প্ৰতিষ্ঠানৰ লগত ওতঃপ্ৰোতভাৱে জৰিত আছিল তেখেত। নগৰবেৰা হাইস্কুলৰ প্ৰধান শিক্ষক স্বনামধন্য 'কৃষ্ণকান্ত শৰ্মাৰ সু-পৰামৰ্শত যি সকল ব্যক্তিয়ে নগৰবেৰাৰ উন্নয়ণৰ হকে যাৱতীয় কাম কৰিছিল তাৰে ভিতৰত প্ৰয়াত শ্ৰীযুত উদয় ঠাকুৰীয়া আৰু মৰহুম নৈমুদ্দিন মুন্সী অন্যতম। দুয়োজন আছিল অন্তৰঙ্গ বন্ধু। টুপামাৰী বা নগৰবেৰাত যিকোনো ডাঙৰ সমস্যাই দেখা দিলে দুয়োজন বন্ধুক একেলগে সমস্যাৰ মোকাবিলা কৰা দেখা গৈছিল। এই দুজন বন্ধুৱেই আছিল নগৰবেৰা বিমলা প্ৰসাদ চলিহা মহাবিদ্যালয়ৰ প্ৰতিষ্ঠাপক সভাপতি আৰু সম্পাদক। শান্তি-সম্প্ৰীতি আৰু সংহতি বজাই যেন আছিল বন্ধু দুজনৰ জীৱনৰ ব্ৰত। নগৰবেৰা তক্ষণ সংঘৰ সন্মুখত প্ৰয়াত উদয় শংকৰ ঠাকুৰীয়াই বন্ধুত্ব আৰু হিন্দু মুছলিমৰ ভাতৃত্ব ৰক্ষাৰ চানেকি স্বৰূপে মৰহুম নৈমুদ্দিন মুন্সীক এপোৱা মাটি মুক্ত হস্তে উপহাৰ স্বৰূপে দিছিল। বিধিৰ অপাৰ লীলা একেদিনাই মাথোঁ ৩ ঘন্টা ৪০ মিনিটৰ আগ পিছকৈ দুয়োজন বন্ধুক আল্লা/ভগৱানে ইহসংসাৰৰ কৰ্মব্যস্ত জীৱনৰ সামৰণি মাৰি তেখেতসকলৰ আচল ঘৰলৈ মাতি নিয়ে।



আধুনিক নগৰবেৰাৰ ৰূপকাৰ প্ৰয়াত উদয় শংকৰ ঠাকুৰীয়াৰ জন্ম হয় ১৯২৮ চনৰ অক্টোবৰ মাহৰ ৩১ তাৰিখে। নিৰহংকাৰী আৰু অমায়িক ব্যৱহাৰৰ প্ৰয়াত ঠাকুৰীয়া এক নিভাঁজ ভাৱমূৰ্তিৰ সমাজ সেৱক আছিল। পঞ্চায়তীৰাজ ব্যৱস্থা প্ৰৱৰ্ত্তনৰ সময়ত প্ৰথম বছৰ পঞ্চায়তৰ সদস্য নিৰ্বাচিত হৈ সক্ৰিয়ভাৱে সমাজসেৱাত আত্মনিয়োগ কৰে। পৰৱৰ্তী নিৰ্বাচনত গাঁও পঞ্চায়তৰ সভাপতি আৰু তাৰ পৰৱৰ্তী নিৰ্বাচনত তেখেতে আঞ্চলিক পঞ্চায়তৰ সভাপতিৰ পদ অলংকৃত কৰে। প্ৰয়াত কৃষ্ণকান্ত শৰ্মা, 'ঘনশ্যাম চৌধুৰী, নৈমুদ্দিন মুন্সী, ইস্তাজ আলী সৰকাৰ, আইজল হ'ক মৌলভী, কেশৱ ঠাকুৰীয়া, সিৰাজ মৌলভী আৰু আনান্য সকলৰ লগত লগ লাগি প্ৰয়াত ঠাকুৰীয়াই আধুনিক নগৰবেৰা নিৰ্মাণৰ কামত অগ্ৰসৰ হৈছিল। তেখেত হিন্দু- মুছলমানৰ একতাৰ বন্ধন সুদৃঢ়কাৰী এক অক্ষয়প্ৰতীক। নগৰবেৰাৰ অনুষ্ঠান প্ৰতিষ্ঠান সমূহ তেখেতৰ নিঃস্বাৰ্থ সমাজসেৱাৰ ফল। তেখেত আছিল বিচক্ষণ আৰু দুৰদৰ্শী ব্যক্তি। ৰাজনৈতিক কৌশল খটুৱাই তেখেতে নগৰবেৰাত উন্নয়ণ খণ্ডৰ কাৰ্য্যালয় স্থাপন কৰিবলৈ সক্ষম হৈছিল। নগৰবেৰা উ.মা. বিদ্যালয়, বিমলা প্ৰসাদ চলিহা মহাবিদ্যালয় তেখেতৰ অক্লান্ত পৰিশ্ৰমৰ ফল। নগৰবেৰা মৌজা কমিটিৰ সভাপতি ৰূপে থাকি দীৰ্ঘদিন অঞ্চলবাসীক নেতৃত্ব দিয়ে। যোৱা ১২/০৮/০৪ ইং তাৰিখে তেখেতে ইহলীলা ত্যাগ কৰে। এই পৰাৰ্থী পুণ্যাত্মাৰ ওচৰত আমি চিৰঋণী।

আমি দুয়োজনৰ ৰূহ্/আত্মাৰ মাগফিৰাৎ/সদ্গতি কামনা কৰিছোঁ।



জন্মঃ ১ মাৰ্চ ১৯৫০
মৃত্যুঃ ৬ নবেম্বৰ ২০০৩

চিত্ৰলেখা ঠাকুৰীয়া

নগৰবেৰা ঘোৰালী হাইস্কুলৰ প্ৰধান শিক্ষয়িত্ৰী তথা বিমলা প্ৰসাদ চলিহা মহাবিদ্যালয় পৰিচালনা সমিতিৰ সদস্যা বিশিষ্টা সমাজ সেৱী চিত্ৰলেখা ঠাকুৰীয়াৰ বিদেহী আত্মাৰ চিৰশান্তি কামনা কৰিছোঁ।

জন্মঃ ২১/৩/১৯৮৪
মৃত্যুঃ ১৮/৭/২০০৩



সত্যজিৎ কলিতা



জন্মঃ ১১/৯/১৯৮৩
মৃত্যুঃ ২৩/১০/২০০৩

ধনজিৎ কলিতা

দুটা পৃথক দুৰ্ঘটনাত অকালতে মৃত্যুবৰণ কৰা আমাৰ মহমৰ ছাত্ৰ সত্যজিৎ কলিতা আৰু ইতিহাস বিভাগৰ ভ্ৰমণ সহযাত্ৰী ধনজিৎ কলিতা ৰ আত্মাৰ চিৰশান্তি কামনা কৰিলোঁ।

*টোকাঃ আমাৰ আলোচনীখন যন্ত্ৰস্থ অৱস্থাত থকা সময়ত নৈমুদ্দিন মুন্সী আৰু উদয় শংকৰ ঠাকুৰীয়াই ইহলীলা ত্যাগ কৰে বাবে এই পুণ্যাত্মা দুজনৰ জীৱন ও কৃতি সম্পৰ্কে বিস্তৃত আলোচনা কৰিব পৰা নহ'ল। আলোচনীৰ পৰৱৰ্তী সংখ্যাত এখেত দুজনৰ বিষয়ে বিস্তৃত নিবন্ধ প্ৰকাশৰ ব্যৱস্থা কৰা হ'ব।*

সম্পাদনা সমিতি

# শুভেচ্ছাবাণী




*Sri Gopi Nath Das, M.L.A.*
*48, Boko (SC) Constituency*
*New M.L.A. Hostel, Qr. No. 305*
*Dispur, Guwahati - 6*
Phone: (0361) 2472254 (R)
2228632 (R)


**Date: 08-08-04**

মহাবিদ্যালয়ৰ আলোচনীখন ছাত্ৰ-ছাত্ৰীসকলৰ সাহিত্য- চৰ্চাৰ এক প্ৰাথমিক ক্ষেত্ৰ। আলোচনীৰ পাতত ছপা আখৰত প্ৰথম লেখাটি প্ৰকাশ পালে তেওঁলোকে সন্তুষ্টিৰ পুলক অনুভৱ কৰে আৰু পৰৱৰ্ত্তী জীৱনত লেখা-মেলাৰ বাবে প্ৰেৰণা লাভ কৰে। আলোচনীয়ে মহাবিদ্যালয় চৌহদত সাহিত্য-চৰ্চাৰ এক পৰিৱেশও গঢ়ি তোলে। মহাবিদ্যালয় এখনৰ অভাৱ-অভিযোগৰ ধাৰণাও আলোচনীখনৰ জড়িয়তে প্ৰকাশ পায়।

বিমলা প্ৰসাদ চলিহা মহাবিদ্যালয় আলোচনীৰ নৱম সংখ্যাটি প্ৰকাশৰ পথত বুলি জানিব পাৰি নথৈ আনন্দিত হলোঁ। ছাত্ৰ-ছাত্ৰী আৰু শিক্ষক-শিক্ষয়িত্ৰীৰ উৎকৃষ্ট তথা সৃষ্টিশীল লেখনীৰে সজ্জিত হৈ আলোচনীখনে সকলোৰে প্ৰশংসা লাভ কৰিবলৈ সক্ষম হ'ব বুলি আশা কৰিলোঁ।

(শ্ৰী গোপী নাথ দাস)
বিধায়ক, বকো সমষ্টি
তথা
সভাপতি, মহাবিদ্যালয় পৰিচালনা সমিতি।

Scanned with CamScanner

# M E S S A G E



SAMART THONGFHUA

89/m. 6, T. Thasala,
A. Thasala.
Naknonsithammarat.
80160, Thailand.

It is a delightful experience for me to visit B.P.Chaliha College, Nagarbera on the occasion of my participation in the International Seminar at Alopati Mazar Char on 11th and 12th Jan.2004. The College is situated in a sylvan setting and provides a marvellous atmosphere for physical and intellectual development of its students and teachers. It has got the great potentiality of proving itself an excellent center of learning and research in days to come. I carry with me the experience of this nice moment at this college to my motherland for sharing and treasuring it among my countryman. May the college win many laurels in future.

I Wish my best for the B.P.Chaliha College Magazine, 9th eddition, Coming shortly.

**Samart Thongfhua.**
(Research scholar,)



WEERASAK PUMPETH

62 M. 7 Khumtong,
Ladkrabang,
Bankok 10520, Thailand.

My maiden visit to N.E. Region of India on my way to Alopati mazar Char the venue for International Seminar on 11th and 12 January/2004 gave me an opportunity to visit B.P. Chaliha College, Nagarbera. The College has a beautiful setting. This is one of the premier institutions of this area which has helped transforming the society and economy in a big way. Apart from being a center of excellence in learning and intellectual pursuit it has been a trend setter and model for other institutions all over the world. I will cherish the happy memory of this visit throughout my life. I wish the college a rosy future.

My best wishes for the 9th eddition of B.P.Chaliha College Magazine.

**Weerasak Pumpetch**
(Research scholar,)

Scanned with CamScanner



# সম্পাদকীয়

বৰ্তমান যুগ বিজ্ঞান আৰু প্ৰযুক্তি বিদ্যাৰ যুগ। বিজ্ঞান আৰু প্ৰযুক্তিবিদ্যাৰ উন্নতিয়ে মানৱ সমাজক উন্নতিৰ চূড়ান্ত শিখৰত উপনিষ্ট কৰাবলৈ অহৰহ চেষ্টা চলাই আছে। এই চেষ্টাৰ ফলশ্ৰুতিতে আজিৰ মানৱ সমাজে গ্ৰহ-গ্ৰহান্তৰলৈ ধাৱমান হ'বলৈ সক্ষম হৈছে। বিজ্ঞান আৰু প্ৰযুক্তি বিদ্যাৰ ন-ন আবিষ্কাৰে মানৱ জীৱন দ্ৰুততম কৰি তুলিছে।

আনহাতে বিজ্ঞানৰ উন্নতিৰ ফলশ্ৰুতিতেই আজি এই শস্য শ্যামল পৃথিৱী ধ্বংসৰ গৰাহলৈ আগবাঢ়িছে। খাৰ বাৰুদ, আগ্নেয়াস্ত্ৰ আদিৰ প্ৰভাৱত আজিৰ সমাজৰ মানৱীয় প্ৰমূল্যবোধ হেৰাই যাব ধৰিছে। হিংসাৰ ক'লীয়া ডাৱৰে বিশ্বৰ আকাশ আজি আচ্ছন্ন কৰি ধৰিছে। হিংসাৰ জুইত বিপন্ন আজিৰ সভ্যতা, বিশ্বৰ প্ৰতিটো প্ৰান্ততে আজি দেখা গৈছে উগ্ৰজাতীয়তাবাদ, সাম্প্ৰদায়িক সংঘৰ্ষ ধৰ্মীয় গোড়ামী, বৰ্ণবাদ ঔপনিবেশিকতাবাদ আদিৰ উপৰিও বিজ্ঞানৰ ধ্বংসাত্মক আবিষ্কাৰ সমূহে সৃষ্টি কৰিছে ত্ৰাস আৰু আতংকৰ। এইটো ধ্ৰুৱ সত্য যে কোনো সমস্যা হিংসাৰে সমাধান কৰিব পৰা নাযায়, কিয়নো হিংসাই সৃষ্টি কৰে প্ৰতিহিংসাৰহে আৰু এই প্ৰতিহিংসাই মানুহক কৰি তোলে অমানুহ, বৰ্বৰ। লগতে মানৱ সভ্যতাক কৰি তোলে পশ্চাদমুখী। সেয়েহে আমি জাতি-ধৰ্ম, বৰ্ণ-ভাষা নিৰ্বিশেষে সকলোৱে হিংসাৰ পথ পৰিহাৰ কৰি ধৈৰ্য্য আৰু সহনশীল মনোভাৱৰ পৰিচয় দি এক মানৱীয় ঐক্য বজাই ৰাখি আন্তৰিক বুজাপৰা আৰু আলোচনাৰ মাজেৰে সমস্যা সমূহ সমাধান কৰা উচিত। এনেদৰে দেশৰ তথা জাতিৰ অস্তিত্ব ৰক্ষাৰ ক্ষেত্ৰত গুৰুত্ব আৰোপ কৰা অতি আৱশ্যক হৈ পৰিছে।

বিশ্বৰ প্ৰতিটো প্ৰান্তৰ উপৰিও একালৰ শান্ত অসমৰ সমাজ জীৱনতো আজি অশান্ত আৰু হিংসাৰ প্ৰবৃত্তি সমূহে মুৰ ডাঙি উঠিছে। বৰ্তমান অসমৰ পৰিস্থিতি অতি গম্ভীৰ। বিদেশী শত্ৰুৰ কুটাঘাতমূলক কাৰ্যকিলাপ, উগ্ৰপন্থী, হত্যা, লুণ্ঠন আদি অমানৱীয় কাৰ্যকলাপে সামাজিক জীৱন বিপন্ন কৰি তুলিছে। এনে পৰিস্থিতিত সাহিত্যিক সকলে তেওঁলোকৰ লিখনিৰ জৰিয়তে সমস্যা সমূহ সমাধানৰ ক্ষেত্ৰত উল্লেখযোগ্য ভূমিকা গ্ৰহণ কৰিব পাৰে। প্ৰবীন সকলৰ লগতে নবীন সকলেও এই ক্ষেত্ৰত উল্লেখযোগ্য ভূমিকা গ্ৰহণ কৰিব লাগিব। এই সমস্যাবহুল সমাজ জীৱনত সাহিত্যচৰ্চা হৈছে একমাত্ৰ উপায় যাৰ জৰিয়তে মানুহে মানসিক শান্তি লাভ কৰিব পাৰে। সাহিত্যই কোনো দেশ বা জাতিৰ অৰ্থনৈতিক, ৰাজনৈতিক , সামাজিক আৰু সাংস্কৃতিক দিশ সমূহৰ বিশ্লেষনাত্মক আৰু সজীৱ চিত্ৰ মানৱ জাতিৰ আগত প্ৰতিফলিত কৰে। সাহিত্য এনে এটি কলা যাৰ কেৱল মাত্ৰ সৃষ্টিহে আছে কিন্তু ধ্বংস নাই। কোনো এখন দেশ আৰু জাতিৰ সুপ্ততাই সাহিত্যৰ অস্তিত্বক বিলীন কৰিব নোৱাৰে। বৰং দেশ বা জাতিৰ পতন ঘটিলেও সেই সময়ৰ সাহিত্য ৰাজিয়ে বিশ্বৰ মানৱ জাতিৰ আগত জলজল পটপটকৈ ভাহি থাকে। সাহিত্য নোহোৱাকৈ দেশ বা জাতিৰ সভ্যতা গঢ়ি উঠিব নোৱাৰে। মানৱ সভ্যতাৰ অন্তৰালত সাহিত্যই যে এক অবিস্মৰণীয় স্থান অধিকাৰ কৰি আছে তাক বিশ্বৰ ইতিহাসৰ পাত লুটিয়াই চালেই বুজিব পাৰি। সাহিত্যিক সকলৰ লগতে বৰ্তমান উঠি অহা শিক্ষিত চামেও যদি বিশ্বৰ বিভিন্ন সাহিত্য ৰাজিৰ গভীৰ অধ্যয়ণ কৰি ইয়াৰ সুফল তথা অৱদান সমূহ মানৱ জাতিৰ আগত দাঙি ধৰিব পাৰে তেন্তে শান্তি আৰু ভাতৃত্ববোধ চিৰদিনৰ বাবে বিশ্বৰ বুকুত প্ৰৱাহিত হ'ব।

দুখৰ বিষয় যে আমাৰ মহাবিদ্যালয়ত সাহিত্য চৰ্চাৰ বিশেষ সুবিধা থকা সত্বেও মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকলৰ অনীহামূলক মনোভাৱ পৰিলক্ষিত হোৱা দেখা যায়। অৱশ্যে এই কথাটোও উল্লেখ কৰা উচিৎ হ'ব যে মহাবিদ্যালয়ে ছাত্ৰ-ছাত্ৰীসকলক যিমানখিনি সা সুবিধা দিব লাগিছিল, পুঁজিৰ অভাৱতেই হওক বা আন কাৰণতেই হওক ছাত্ৰ-ছাত্ৰীসকলক সিমানখিনি সুবিধা দিব পৰা নাই।

সাহিত্য চৰ্চাৰ ক্ষেত্ৰত উল্লেখনীয় ভূমিকা গ্ৰহণ কৰা মহাবিদ্যালয়ৰ বাৰ্ষিক আলোচনীখনো নিয়মীয়া নহয়। মহাবিদ্যালয় স্থাপনৰ পৰা বৰ্তমানলৈ এই সুদীৰ্ঘ কালচোৰাত এইবাৰৰ সংখ্যাটোকে ধৰি মাত্ৰ নটি সংখ্যাহে প্ৰকাশিত হৈছে। মহাবিদ্যালয়ৰ



Scanned with CamScanner

## সম্পাদকীয়

প্ৰাচীৰ পত্ৰিকা সমূহেও মহাবিদ্যালয়ৰ সাহিত্যচৰ্চাৰ বিশত গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰি আহিছে, প্ৰাচীৰ পত্ৰিকা 'ফল্গু' 'প্ৰবাহ' (সাহিত্যকানন) 'সোপান' (শিক্ষা বিভাগ) 'প্লাৱন' (ভূগোল বিভাগ) "Spark" (English Deptt) আৰু সাহিত্য কাননৰ আলোচনী প্ৰতীতি খনৰ যোগেদি সাহিত্য চৰ্চাৰ সুবিধা আছে। কিন্তু এই আলোচনীসমূহৰ প্ৰতিও ছাত্ৰ-ছাত্ৰী সকলৰ অনীহামূলক মনোভাবৰ বাবে এইবোৰ নিয়মীয়াকৈ প্ৰকাশ কৰিব পৰা হোৱা নাই। মহাবিদ্যালয়ত সাহিত্য চৰ্চাৰ এক সুন্দৰ বাতাবৰণ গঢ়ি তুলিবৰ কাৰণে এই আলোচনী তথা প্ৰাচীৰ পত্ৰিকা সমূহ নিয়মীয়া হোৱাটো বাঞ্চনীয়। বৰ্তমান মহাবিদ্যালয়ৰ বিভিন্ন বিভাগ সমূহৰ প্ৰচেষ্টাত বিভিন্ন সাহিত্য মূলক প্ৰতিযোগিতা, আলোচনা চক্ৰ আদিৰ জৰিয়তে মহাবিদ্যালয়ত এটি সাহিত্যিক বাতাবৰণৰ সৃষ্টি কৰিবলৈ প্ৰয়াস কৰা পৰিলক্ষিত হৈছে। ইয়াত আমি আশাৰ বেঙনি দেখা পাইছো।

আলোচনীখনৰ বাবে ছাত্ৰ-ছাত্ৰী তথা শ্ৰদ্ধাৰ শিক্ষাগুৰু সকলৰ পৰা পোৱা গল্প, কবিতা, প্ৰবন্ধ আদিৰ পৰা লিখনিবোৰ নিৰ্বাচিত কৰা হয়।নতুন ৰূপেৰে এখন সুন্দৰ আলোচনী প্ৰকাশ কৰাৰ হেঁপাহ পুহি ৰাখি সম্পাদকৰ গুৰু দায়িত্ব লৈছিলোঁ। প্ৰথম অৱস্থাত কিছু পৰিমাণে সমস্যাৰ সন্মুখীন হৈছিলোঁ যদিও তত্বাৱধায়ক শ্বাহ জামাল মোল্লা ছাৰে সহায় কৰাত মোৰ কাম উজু হয়। মোল্লা ছাৰৰ যত্নতে ফল্গুৰ এটি সংখ্যা প্ৰকাশ কৰা হয়। আলোচনীৰ বাবে যি সম্পাদনা সমিতিৰ প্ৰয়োজন তাক গঠন কৰাত যথেষ্ট পলম হৈছিল বাবে আলোচনীখনে প্ৰকাশৰ বাট বিচাৰি ওলিয়াওতে কিছু পলম হ'ল।

আলোচনী প্ৰকাশৰ ক্ষেত্ৰত দিহা পৰামৰ্শ তথা ধনৰ যোগানেৰে সহায় কৰা সম্পাদনা সমিতিৰ সভাপতি তথা আমাৰ মাননীয় অধ্যক্ষ (ভাৰপ্ৰাপ্ত) শ্ৰীযুত নিৰোদ বৰন দেৱলৈ কৃতজ্ঞতা জ্ঞাপন কৰিছোঁ। ইয়াৰ উপৰিও প্ৰবন্ধ, গল্প, কবিতা আদি চাই ঠিক কৰি দিয়াৰ বাবে শ্ৰীযুত নিৰ্মল চন্দ্ৰ ভোৰা, শ্ৰীযুত নগেন্দ্ৰ নাৰায়ণ দেৱান, শ্ৰীযুতা দীপ্তিৰেখা পাঠক মজুমদাৰ, ডঃ বিভূতি ভূষণ পাণ্ডা আৰু বিশেষ পৰামৰ্শেৰে সহায় কৰা শ্ৰদ্ধেয় শ্ৰীযুত উমেশ চন্দ্ৰ দাস ছাৰলৈ আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিলোঁ। বিভিন্ন ক্ষেত্ৰত সহায় কৰা পূজনীয় শিক্ষাগুৰু তথা অসমীয়া বিভাগৰ প্ৰৱক্তা শ্বাহজামাল মোল্লা ছাৰৰ ওচৰত মই চিৰ ঋণী। ছাৰলৈ মই বিশেষ কৃতজ্ঞতাৰ শৰাই আগবঢ়ালোঁ। মোক এই ক্ষেত্ৰত প্ৰবন্ধ পাতি সংগ্ৰহ কৰাত সহায় কৰা ছাত্ৰ একতা সভাৰ সদস্য নুৰুজ্জামাল হ'ক আৰু সম্পাদনা সমিতিৰ ছাত্ৰ সদস্য বিপুঞ্জয় কলিতা, আব্দুল ছমাদ আহমেদ আৰু লগতে মোৰ সমূহ বন্ধু-বান্ধৱীৰ প্ৰতি শলাগ যাচিছোঁ। 'ছাত্ৰ আৰু শিক্ষকৰ অৱসৰ বিনোদন কেন্দ্ৰ'ৰ প্ৰতিও আমি কৃতজ্ঞ।

আলোচনীখনক পোহৰ দেখুওৱাৰ ক্ষেত্ৰত অক্লান্ত পৰিশ্ৰম কৰা শ্ৰদ্ধেয় ছাৰ ডঃ আবুল বাসাৰ আৰু কম্পিউটাৰ কৰ্মী ছাহজাহান আহমেদ ও প্ৰেছকৰ্মী চান মহম্মদ আৰু কদম আলীৰ ওচৰত মই ঋণী। শেষত যিসকল বন্ধু বান্ধৱ ছাত্ৰ-ছাত্ৰীৰ ইচ্ছাত এই দায়িত্বভাৰ গ্ৰহণ কৰাৰ সুযোগ পালোঁ সেই সকললৈ মোৰ আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিছোঁ ।অজানিত ভুল ত্ৰুটিৰ বাবে ক্ষমা প্ৰাৰ্থনা কৰিলোঁ।

*"জয়তু বিমলা প্ৰসাদ চলিহা মহাবিদ্যালয়"*

শ্ৰী গৌতম মেধী।

❊ ❊ ❊ ❊ ❊

Scanned with CamScanner

# ৰচনা সম্ভাৰ

পৃষ্ঠা নং

## English Section


| Title | Author | Page |
| --- | --- | --- |
| NAAC Assessment and Rural Colleges of Assam | Dr. B.B Panda | 2 |
| The Weed : A Feminist Perspective | Prof. N.C.Bhoi | 4 |
| Achievements of Youth Affairs in India since Independe | Prof. N.C. Kalita | 7 |
| Problems and Prospects of Tea Market in Free Economic Environment with Special Reference to Assam | Prof. F. Ahmed | 9 |
| The Origin of The Moon | Ratan Kalita | 12 |
| Global Warming | Kalpana Thakuria | 13 |
| Educational Value of Sports | Nilanjan Kalita | 13 |
| National Cadet Crops (NCC) at a Glance | Nipu Kalita | 14 |
| College Library : Its Structure and Service of User Community | Dhiren Talukdar | 16 |
| Welcoming NAAC | Prof. D.Chakraborty | 17 |
| Jalaluddin Mahammad Akbar : An Epoch Making Mughal Emperor | Prof. P.Chakravarty/ Prof. B.Kalita | 18 |


### Poetry


| Title | Author |
| --- | --- |
| Humanity | Md. Intaz Ali Ahmed |
| The Sweet Spring | Bijumoni Thakuria |
| I Wrote Your Name | Abu Shama Ahmed |
| A Dream Green | Jehirul Islam |
| Childish Moments | Nilotpal Thakuria |
| Lovely Face | Md. Nizam Ali |
| That Rose | Narayan Das |
| The Rain / Chat Maha | Kalyani Das |
| Remembrance | Champak Kalita |
| Resurrection | Prof. H. Singh |


## Assamese Section


| শিৰোনাম | লেখক | পৃষ্ঠা |
| --- | --- | --- |
| অনুবাদে আলাপন | অধ্যাপক আঃ ছলাম, অধ্যাপক নুৰ আলম | 23 |


### প্ৰবন্ধ সম্ভাৰ


| শিৰোনাম | লেখক | পৃষ্ঠা |
| --- | --- | --- |
| জাতিৰ জনক মহাপুৰুষ শংকৰ দেৱ আৰু একশৰণ তত্ত্ব | অধ্যাপক উমেশ চন্দ্ৰ দাস | ২ |
| মনৰ অধিকাৰ আৰু ভাৰতত মহিলাৰ স্থান | অধ্যাপক দয়ানন্দ কুমাৰ দাস | ৫ |
| স্মৃতিৰ সুবাস বিয়পি... | অধ্যাপিকা দীপ্তিৰেখা পাঠক মজুমদাৰ | ৬ |
| জৈৱ বৈচিত্ৰ আৰু ঔষধি উদ্ভিদৰ সংৰক্ষণ | অধ্যাপক নুৰ আলম হক | ৭ |
| গণিত শিক্ষাৰ ক্ষেত্ৰত ছাত্ৰ-ছাত্ৰীৰ দুৰ্বলতা | অধ্যাপক নিপুল চন্দ্ৰ শইকীয়া | ৮ |
| কাগজ : উৎপত্তি আৰু উদ্যোগীকৰণ | অধ্যাপক দীনেশ চন্দ্ৰ কলিতা | ১০ |
| বিজ্ঞান, বিশ্বাস আৰু আমি | অধ্যাপক সূৰ্য্য কলিতা | ১২ |
| এইডছ্ : একবিংশ শতিকাৰ প্ৰত্যাহ্বান | অধ্যাপক হেমেন কুমাৰ পাটোৱাৰী | ১৪ |
| শব্দ প্ৰদূষণ : মানৱ জাতিৰ বাবে এক ভয়াবহ সমস্যা | অধ্যাপক বীৰেন্দ্ৰ কুমাৰ বৰা | |
| ভাৰত বৰ্ষৰ নদীসংযোগীকৰণ আঁচনি কৃষিকাৰ্য্য, যাতায়ত আৰু ব্যৱসায়-বাণিজ্যত ইয়াৰ প্ৰভাৱ | অধ্যাপক বিষ্ণুৰাম তালুকদাৰ | ১৮ |
| নাৰী শিক্ষা আৰু মৰ্যাদা | অধ্যাপিকা চিত্ৰলেখা দেৱী | |
| পৃথিৱীৰ সৰ্ববৃহৎ পুথিভঁৰাল 'লাইব্ৰেৰী অৱ্ কংগ্ৰেছ' | ভাৰতী কলিতা | ১৯ |
| অসমীয়া ভাষাৰ ভৱিষ্যত শীৰ্ষক | ৰতন কলিতা | ২১ |
| 'ভাৱৰ বচন' আৰু অসমীয়া সমাজ জীৱনত ইয়াৰ প্ৰভাৱ | মীনাক্ষি কলিতা | ২২ |
| 'বহাগ সংস্কৃতি' আৰু আজিৰ যুৱ সমাজ | প্ৰাঞ্জল কলিতা | ২৩ |
| কণকৈৰৰ জ্যোতিপ্ৰসাদ আগৰৱালা | কল্পনা তালুকদাৰ | ২৪ |
| স্মৃতিৰ টুকুৰা/অতীতৰ একেলম | মজিবুৰ ৰহমান চৌধুৰী/সুবোধ কলিতা | ১৬ |
| গঁড় আৰু গঁড়ৰ খৰ্গ /গীতি কবি নিৰ্মলপ্ৰভা বৰদলৈ | বিপুঞ্জয় কলিতা | ২৬ |
| নিচাজাতীয় দ্ৰব্য সেৱন আৰু ইয়াৰ পৰিণতি | মিজানুৰ ৰহমান | ২৬ |
| | | ২৯ |


Scanned with CamScanner

⇨ স্মৃতিৰ লেচেৰি .......... — দীপেন তালুকদাৰ — ৩০
⇨ 'মহিলা সৱলীকৰণ কোষ' - এটি আলোকৰেখা। — অধ্যাপিকা দীপ্তিৰেখা পাঠক মজুমদাৰ — ৩১
⇨ অভিমত — ৰূপম কলিতা — ৩২
⇨ সাক্ষাৎকাৰ — অধ্যাপিকা ভূমিকা বৰ্মণ কলিতা — ৩৩

**গল্পৰ সম্ভাৰ**

⇨ প্ৰকৃত বন্ধু — আব্দুল মালেক — ২
⇨ বিচাৰ — নগেন্দ্ৰ নাৰায়ণ দেৱান — ৩
⇨ বন্ধু — ভূমিকা বৰ্মণ কলিতা — ৬
⇨ আশাভংগ — হিতেশ দাস — ৭
⇨ আক্ষেপ — সঞ্জীৱ কলিতা — ৮
— ৯
Economic Forum / The Pen Picture of the NSS Unit of B.P.C.C. — Prof. N.C.Kalita — ১-১২

**কাব্য কানন**

বৰপেটাৰ এটি কৰুণ দৃশ্য/ মনোৱাৰা বেগম।তোমাৰ পৰিৱৰ্তনত / নজৰুল ইচলাম।পৰিক্ৰমা/ সঞ্জীৱ কলিতা। নিৰৱ অতৃপ্ত আশা/ মিতুমণি কলিতা।বিষাদ বেদনা/ লুৎফৰ ৰহমান।শ্ৰদ্ধাঞ্জলি/ মজনুৰ ৰহমান।কল্পনা/ ঈশ্বৰী ছেত্ৰী। প্ৰেমৰ অনুভৱ/ ভৰতী ঠাকুৰীয়া।সভ্যতা/ নিজাম আলী।ত্ৰিছন্দ/ ৰূপম কলিতা।তোমাৰ বাবে/ আমিনুল ইছলাম।জীৱন/ দিপেন্দ্ৰ নাথ।মহাস্ৰোত/ এ.বি. ছিদ্দিক।জাগ্ৰত হোৱা বিশ্ববাসী/ আতুৰ আলী খান।প্ৰিয়া/ গণেশ চন্দ্ৰ দাস।তুমি / প্ৰণৱ কলিতা।মোৰ মা/ ছফিউৰ ৰহমান।হেৰোৱা প্ৰেমৰ স্মৃতি/ আতুৰ আলী খান।নিশা / অনুপমা দাস।পোহৰ/ ৰবিলোচন ঠাকুৰীয়া।মই তুমি আৰু ....... / দিপাংকৰ সাহা।তুমি/ মোক্তাৰ হুছাইন তালুকদাৰ।তুমি ফাগুন/ কবৰী দাস।তুমি আকাশ নোহোৱা/ লাইলা বেগম। আমিন/ মোজাম্মেল আলী আহমেদ।সময়/ নুৰুন নাহাৰ বেগম। বিশ্বায়ণ/ নীলকমল বৰদলৈ।তিনিটা কবিতা/ কল্যানী দাস। অযোগ্য/ প্ৰভাত চক্ৰৱৰ্তী।অন্বেষণ/ নৱনীতা পাঠক।কাব্য কাননৰ বহু ৰঙীন ফুলৰ এটি এটি পাহি ঃ মিজানুৰ, উৎপল, ছফিউৰ, সুৰজ, মালেক,মুকুল, সজ্জাদ, ৰেজাউল, শাহাদুল, খলিলুল, কুদ্দুছ, আব্বাদুল, মফিজুল, ফকৰুল, মহিদুল, কাৰ্ত্তিক, ৰফিকুল, গীতা, কল্পনা, জিয়াউৰ, সঞ্জীৱ, জুলফিকাৰ, ৰেজাউল, ৰফিকুল। স্মৃতি/ জোন পাঠক। মৰমীক বিচাৰি/ নুৰ হামিদ। নতুন জীৱন/ আজগৰ আলী। সেমেকা অনুভৱ/ হিমাংশু ঠাকুৰীয়া। কুকুহা/ যতীন্দ্ৰ নাথ তালুকদাৰ। মৰমী মোৰ জীৱনৰ লগৰী/ ৰমেন পাঠক।

**সম্পাদকীয় প্ৰতিবেদন**

ছাত্ৰ একতা সভাৰ উপ-সভাপতি ও সম্পাদকসকলৰ বাৰ্ষিক প্ৰতিবেদন — ২-৮

**অন্যান্য**
— ৯-১৩

তাৰক চন্দ্ৰ পাঠক সৌৰৱণ সমিতি/সাহিত্য কানন/English Literary Forum/Result of the College Week (2002-2003)/বৰ্তমানলৈকে প্ৰকাশিত আলোচনী সমূহৰ সম্পাদক ও তত্বাৱধায়কসকলৰ তালিকা/Result of the H.S. and T.D.C. Exams. of B.P.C.C./ Staff of B.P.C.C./ Science Forum/ Political Science study Forum (Centre)


**********

ছাত্ৰ একতা সভাৰ বিষয়ববীয়াসকলৰ

## কৃতজ্ঞতা জ্ঞাপনঃ


হাফিজুৰ, শহীদুল, প্ৰতিভা, সনাতন, কলাম, বিপ্লৱ, বৌবহান, ছফিকুল, জুলি, জিয়াউৰ, মনোৱাৰ, মনোৱাৰা, আলিম, মমতাজ, নৱজিৎ, গণেশ, ৰঞ্জন, শাহজাহান, হজৰত, ৰাজীৱ, প্ৰদ্যুত, ৰবিউল, আঞ্জুমা, তাৰ্জিমা, জাকিৰুৰ, মহিদুল, ইকৰামুল, যৌচন, নমিৰুল, দীপেন, অসীম, ৰতন, নিপু, আজগৰ, জব্বাৰ, আনৱৰ প্ৰমুখ্যে সকলো ছাত্ৰ-ছাত্ৰীলৈ কৃতজ্ঞতা জ্ঞাপন কৰিলোঁ —— আব্দুছ হামিদ আহমেদ (সাধাৰণ সম্পাদক)। জয়ন্ত, অনুপ, হেমন্ত, ৰফিকুল, কুলধৰ, প্ৰকাশ, মিন্টন, চন্দ্ৰ, বাবুল, প্ৰণৱৰ ওচৰত মই কৃতজ্ঞ — জয়প্ৰকাশ কলিতা (সঃ সাঃ সম্পাঃ)। মুকাদ্দাচ্ছুল, নজিৰুল, নজৰ, সাজিদুৰ, মহিবুৰ, ৰশ্বিদা, হিমানী, মনোৱাৰা, জুবি, মইনাৰ ওচৰত মই কৃতজ্ঞ — নুৰ হামিদ (ক্ৰীড়া সম্পাঃ) বহিৰং), মিজানুৰ, নাৰ্জিনা, ৰশ্বিদা, মুকাদ্দাচ্ছুল, সদীপ, মিন্টন, কফিয়াৰ, শমছনা, মাহমুদাৰ ওচৰত মই কৃতজ্ঞ— সজ্জাদ হুছেইন (লঘু খেল সম্পাঃ)। খালেদ, মনোৱাৰ, ৰূপম, বিপুঞ্জয়, ৰশ্বিদা, হাচিনা, মেৰিনা, কামীৰ ওচৰত মই কৃতজ্ঞ— নুৰ মহম্মদ আলী আহমেদ (তৰ্ক ও আলোচনা চক্ৰ সম্পাঃ)। মাহবুৰ, ৰূপম, ছমিনা, ইস্ৰাজ, এমাদ, আবুৰাজা, মহিবুৰ, শৰিফুল, ছফিউৰ, তমেজৰ ওচৰত মই কৃতজ্ঞ— মুৰৱ জামাল হুছাইন (সাহিত্য সম্পাঃ)। আমজেদ (দা), ৰবি (দা), ছফিকুল, মিজানুৰ, শেৰহান, কালাম (দা), ৰশ্বিদা, হিমানী, এনিচ, মনোৱাৰ, নিজামৰ ওচৰত মই কৃতজ্ঞ —— আতুৰ আলী খাঁন (সমাজ সেৱা সম্পাঃ)। ৰফিম, নজৰুল, মহিদুল, নিজামৰ ওচৰত মই কৃতজ্ঞ — জাফৰ আলী আহমেদ (ছাত্ৰ জিৰণি কোঠা সম্পাঃ)। হিতেশ ও বাপাৰ ওচৰত মই কৃতজ্ঞ — ভনু পাটোৱাৰী (ছাত্ৰী জিৰণি কোঠা সম্পাদিকা)।


Scanned with CamScanner

## BEST PERFORMERS IN THE COLLEGE WEEK, 2002-03



Rashida Ahmed
Best Athlet
(Girls)



**Rupam Kalita.**
Best Debator
and
Litarary Competitor.



Utpal Das.
Best Footballer



Bhaskar Das.
Best Cricketer



**Amzad Hussain**
Best Athlet
(Boys)



**Surabhi Hazarika.**
Best Actress.



**Ramen Pathak**
Best Singer (Boys)

**Rezaul Haque.**
Best Volly Baller



**Sohail Raza Ahmed**
Best Actor.

মহাবিদ্যালয় সপ্তাহৰ ছাত্ৰ জীৱনি কোঠা বিভাগৰ ফলাফল সমূহ সময়মতে নোপোৱা বাবে প্ৰকাশ কৰিব পৰা নগ'ল। তাৰবাবে আমি দুঃখিত।—— *সম্পাদনা সমিতি।*



Scanned with CamScanner





Mr. Bedanta Bikash Kalita
Secured Highest Mark In the State in Geography from our College in H.S.Exam. 2004.



**Thai Scholars** who visited B.P.C.College in Jan.,2003



*Art By : Mr. Rupam Kalita*




# ENGLISH SECTION

Scanned with CamScanner

Scanned with CamScanner

# NAAC ASSESSMENT AND RURAL COLLEGES OF ASSAM

**Dr.B.B.Panda**
Deptt. of Education

Of late National Assessment and Accreditation Council (NAAC) has become the hot topic for discussion among the college and university teachers throughout the country. The issue of assessment by NAAC has gained momentum after the UGC made it mandatory for all universities to be accreditated by December 2003. This fixation of date of assessment has created a sort of tremor among the academic fraternity of Assam. The tremor was felt more in the rural colleges which are infrastructurally poor, isolated and far away from modern hightech information revolution.

As a part of NPE 1986 University Grants Commission (UGC) under section 12 ccc of the UGC Act of 1956 (3) established the National Assessment and Accreditation Council (NAAC) on 16 September 1994 at Bangalore. The prime agenda of NAAC is to assess and accredit institutions of higher learning with an objective of helping them to work continuously for providing quality education. The philosophy of NAAC is to ameliorate and enable rather than to punish the higher education institutions and to empower them to maximise their resources, opportunities and capabilities. The recent announcement of UGC to link the development grants to assessment result of Universities and colleges has created the crisis as many institutions of rural India are not ready for immediate assessment due to various problems.

PROCESS OF NAAC ASSESSMENT

The whole process of NAAC goes on in three stages.

* Preparation of the self study report by the institution / deptt. based on the parameters defined by NAAC.
* Validation of the self study report by team of peers through on the spot visit of the institution.
* The final decision on assessment and accreditation by the executive committee of NAAC.

The accreditation of NAAC remains valid for five years. NAAC has set seven criteria to serve as the basis of its assessment procedure. These are -

* *Curricular aspects.*
* *Teaching, Learning and Evaluation.*
* *Research consultancy and Extension.*
* *Infrastructure and learning resources*
* *student support and progression.*
* *Organisation and management*
* *Healthy practices.*

The above criteria have been assigned marks aggregating 100 which differs in case of universities, colleges and self financing colleges. Any institution to be accreditated by NAAC will have to secure at least 55 out of 100 which is the lowest to be accreditated. Accreditated institutions by NAAC are given various grades on the basis of seven criteria and a high grade indicates the quality of the institution and its programmes.

In Assam out of 189 odd deficit colleges maximum number of colleges are in rural areas. The seven criteria mentioned above are hardnuts to be cracked by the rural colleges. It would be injustice on the part of NAAC to judge a college of Mumbai or Delhi with a college of interior Assam with the same set of



Scanned with CamScanner

criteria because many colleges of not only Assam but also other parts of our country would find it difficult to cross NAAC's Laxman Rekha. Quality can be achieved gradually. In the present age of globalization, the assessment of quality and accreditation of colleges has been a great challenge for rural colleges. In the rural colleges of Assam the problem is not that of quality but readjusting the structure and function of the colleges to new paradigms of quality and excellence.

SOME GREY AREAS OF RULAL COLLEGES FOR NAAC ASSESSMENT :

1. Rulal colleges lack minimum infrastructure needed for quality education at under graduate level.

2. The door of the rural colleges are open for all. No merit based entrance test is possible to restrict the admission process in these colleges.

3. The affiliating nature of the traditional rural colleges provides little scope for innovation in designing, transacting and evaluating the curriculum.

4. Job Oriented Vocational and hi-tech courses cannot easily be started by the rural college due to various problems.

5. Segregated location of rural colleges provides the teachers and students less opportunities for innovation and experimentation.

6. In many colleges of Assam there are no permanent principals which affects the day to day administration of the colleges and sustain adhocism.

7. Modern concepts like TQM, SWOT analylisis Strategies Planning etc. are alien to principals and teachers of many rural colleges.

8. Lack of proper help and direction from government made the college helpless.

9. Rural colleges have less scope for consultancy and research.

10. Resource generation by rural colleges is daunting task as they themselves are a victim of resource crunch and depends wholly on govt. grant.

11. Lack of necessary finance, out moded administration and faulty govt policies are other grey areas which should be taken care of.

In fine, it can be said that the assessment by NAAC is a challenge for the rural colleges of Assam. It threatens the fabric of our traditional education. But at the same time we must appreciate the endeavour of NAAC to evaluate the H E institutions on the basic of their self evaluation. Indian education cannot survive in isolation. In order to compete internationally and to produce effective man power as per emerging needs our higher education must have to restructure it. Inspite of our limitations, rural colleges have a lot of scopes for advancement for quality and excellence. What is needed a change in the mindset and fixation of our priorities. In the knowledge age we can not just complain about the, problems and sit silently. We have to look forward for practical solution of our problems. Ivory tower thinking will not do now. We must do a lot of soul searching before finding the way. Because NAAC assessment is a means and not an end. It is a step in the long and arduous journey of uncertain future. NAAC on its part should be humane in its approach and see the education of India in Indian glasses rather that western MNC glasses.

# THE WEED : *A FEMINIST PERSPECTIVE*

Prof. N.C.Bhoi
Deptt. of English.

As a self-aware concentrated approach to literature feminism revealed itself in late 1960s. As a literary criticism now it is closely related to various movements in social, economic, political and cultural phases. Elaine Showalter, however, identifies four models of difference in feminism - biological, linguistic, psychoanalytic and cultural. Despite divergent opinions and views held by various schools of feminist critics some basic agreements have been arrived at by them. The first and foremost among them is that western civilization is pervesively Patriarchal (ruled by father), that is male centered and controlled, organised and conducted in such a way as to subordinate women to men in all cultural domains familial, legal, religious, political, social and artistic. The second argument basic to this school is the difference that the culture brings between sex and gender. It is widely held that while ones sex is determined by anatomy the prevailing concept of gender---of the traits that constitute between what is masculine and what is feminine are largely if not entirely cultural constructs. The third argument logically is the corollary of the first two which leads us to believe that patriarchal ideology (masculinist or 'androcentric') pervades those writings which have been written almost entirely by man for man. Typically, the most highly regarded literary works focus on male protagonists- oedipus, Ulyses, Hamlet, Tom Jones, captain Ahab, Huck Finn etc embody masculine traits and ways of feeling and persue musculine interest in musculine field's of action.

Of late, the study of woman literature and feministic perspective have occupied pivotal place in the realm of literary criticism allover the world. It has thrown fresh and very new light on various form of writings to bring out the unex plored meaning and understanding of the works hitherto unfrequented by critical insights. The present paper is an attempt to bring out the feministic discourse in Amrita Pritam's short story 'The weeds' from the Indian points of view, seen in right perspective, would resemble more the dominant feminist ideas of the western world.

Amrita Pritam is one of the staunch Punjabi story tellers of modern times. She has always been seen as a "goddess of defiance" for her unorthodox style and candid expression of complexities and contradictions of life. Portrayal of society with varieties of its flavour and stinks, kindness and squalor, friendliness and filth, civilities and insanities are some of the features of her writing. The ability to penetrate deep into women psyche and in expressing the needs, desires and suffering of women in a male dominated society without fear and hesitation places her in the community of modern feminist writers.

'The weed' provides an interesting study in gender discrimination. Angoori, the protagonist in the story belongs to the downtrodden class of India dominated by men. The Patriarchal value system in the society provides a mechanism for woman to internalise such values and thus becomes a part of the system herself. When the society is blind to the needs and desires of women, it reserves all privileges for men irrespective of class and economic status they belong to.

As the story opens up the writer lays bare the general attitude of the society towards women identity that " every bride is new". Angoori has been initiated into 'women hood' or has 'become a women raising her from the status of human being and adding a new label on her. In an orthodox society in Indian marriage situation to be a new bride means to imbibe a new role and at the some time to suspend



Scanned with CamScanner

willfully or forcefully some of her old ways and habits of girlhood. This imposes less freedom but more restriction on women liberty, and arrange ways to operate herself as the society desires. Angorie's husband, however is not new because ' he had already drunk once at the conjugal well'. For not being 'new' is an epitome of an ever lasting ever dominating and ever defining patriarchal force which constantly pushes away the new or ephimoral female value to the periphery of society. This old and new binary opposition puts Angoori's husband among the major forces of society which supports and sustains the androcentric value in our society. The concept of drinkingfrom the well is suggestive of undergoing sexual gratification. Marriage inspite of all its sacrosanct connotations and implications has practically degenerated into a carnal feast. The concept of 'well' is a metaphor for female sex organ used in a limited area of northern India, and the word 'drink' has been used much to the advantage of male sex. This ruthless exposure of the social perspective of marriage has always given the central focus to male protagonists while female characters remain a passive agent to be acted upon. The term "drinking" has a covert suggestion of quenching the male thirst for sex by consuming the beverage of women like any other soft drinks.

Marriage among the disadventaged class in the society hardly offers any choice to women. Angoori's marriage was settled with old and defunct Prabhati when she was barely six years old by her father. She was passed to be in possession of Prrbhati as his legal wife even before she had any idea of either marrige or life. Her progress from childhood to women hood amidst poverty and her consequent realisation of female self tells the saga of subjugation and sufferings of women in all spheres of life down ages. Early marriage in India is more a compulsion of poverty then a mode of social custom among lower class people.Girls in general are considerd to be burdens on their parents. Late marrige for a girl of marriageable age is looked upon as stigmatic and infamous affair by the society. In their eagerness to give the girls in marriage the parents tend to overlook the biological needs of children and often choose old or over aged persons as the bridegrooms for their daughters. Giving a daughter to a bridegroom is more or less like offering *Prasad* to "Godlike" bridegroom. As the marriages don't have the sound logic of union between two human beings with equal rights and self respects, domination and subjugation by the male over female becomes the dominant discourse in every walks of life.

Just after marriage Angoori kept 'Purdah' like other brides untill her veil started to shrink and it covered her hair only. It is another way of mystifying woman identity to put them in confusion only to find themselves later that they have lost a part of their human identity in the scale of self respect.

Angoori was an illiterate village girl who was taught to beleive that education on the part of a girl was sin. Next to that comes love which is crazy and monstrous for girls who fall in it. Education and love are doors which could open ones's way to assertion of freedom and rights. The denial of such opportunities are more the products of poverty than patriarchal stratagem. When both join hands they strengthen the method of suppression. Amrita Pritam while appreciating 'a resilient sweetness' and radiating ecstacy of Angoories dark complexion body draws attention to what a section of society says about it. A woman's body is like a lump of dough, some women have looseness of underkneeded dough ............... "Rarely does a woman have a body that can be equated to rightly kneeded dough a baker's bride". The comparison of woman's anatomy with kneaded dough points to the fact that female as a consumable commodity is meant for satisfying the carnal desire of man.

However, the story teller has no hesitation in admitting that Prabhati was Angoori's 'napkin, not her taster'. The ludicrous



Scanned with CamScanner

image of old, short, loose-jawed and angular stature of Prabhati in the role of lover is a gross, mismatch to "rippling muscled and coiled spring bodied Angoori. It is through her that the stifled desires of women and their biological as well as emotional needs suppressed under social and economic compulsion have been underlined. Their violation of these imposed social norms would be only at the cost of inviting for themselves such terms as 'unchaste' and 'immoral'.

Angoori has a conviction that a girl falls in love only when she eats weeds offered by man. The wild weeds is the variety that affects the girls most inducing love in their heart and bringing misery to their lives. The weed metaphorically stands for a kind of intoxication generated by a social stratagem to perpetuate the subordination of women by man by offering them the drugs of love. It is tantamount to emotional blackmailing. It is mostly the girls who run away with boys and not vice versa. The man here stands as a central force which attracts and deviates woman being unaffected himself whereas woman remains a peripheral force or 'the other' subjected to deviation and thus the supremacy of the male force over female has been clearly established.

However, as the story progresses the female value started to assert itself in its full glory. Neither poverty nor patriarchal force of the society could eclipse the women's hopes and desire for good. The protagonist of the story has showed the way how the female consciousness in her grows deep inside throwing all the taboos and tyranny of the society to the wind for the realisation of total femalehood. The suppressed female desire in her burst open finally acknowledging her love for Ram Tara, the able-bodied, virile, smiling and amiable night chawkider.

Rejection of imposed patriarchal idealogy by an illiterate village girl like Angoori in the guise of Prabhati, her legal husband and the courageous acceptance of Ram Tara in new found freedom of her heart in a taboos-ridden society is a valiant attempts on the part of Amrita Pritam to show the impatience and discomfort which have been crushing the women down the ages. The inward transformation in Angoori is a sort of revolution which flays the norms our society has taught her to follow. She has expressed her desire to learn reading and writing from 'Bibiji' even if her society considers it a sin. The story has assumed special significance from the feministic view point as the protest and defiance don't emanate from any literate, elite, and urbanite class of woman who are aware of their rights and privileges but from the disadvantaged class of woman who have no access to any such waves of ideas like Angoori and others of her class.

This story is an indicative of the social change where power is mostly generated from insignificant fissures of the society. The tiny cracks in the otherwise solid and compact looking male dominant society has started crumbling down which would allow the restructuring of social value by inducting more and more feminine elements for facilitating woman to walk in equal footing with the man. The story ends with an optimistic note of liberation of anguished woman soul of Angoori with her frank and silent admission of the fact that she was infact in love with Ram Tara- against the orthodox male value...........

### WORKS CITED


1) The Handbook of Critical Approaches to Literature.
(Fifth edition) by W.L.Guerin.
E. Labor
L. Morgan
J. Reesman
J. R. Willingham

2) A Collection of Modern Short Stories- Ed. P. Bhattacharya.

# ACHIEVEMENTS OF YOUTH AFFAIRS IN INDIA

## Since Independence

**Prof. Nirmal Ch. Kalita**
Deptt. of Economics
(Programme Officer, N.S.S. Unit)

Youths constitute the most creative segment of any society. The role and contribution of them are vital to all societies. In a country like India with wide socio- cultural and other demographic diversities youth can play important role. About 34% of the total population constitute youth of India. The need and importance of physical education for health and pyisical fitness with a view to increasing individual productivity, and the value of sports as a means of recreation and with a potential for promoting social harmony and discipline are well recognised.

The importance of youth in national development has been a recurring theme in allfive- year plans. The National Discipline seheme introduced in the 2nd plan continued in the third plan. The 4th plan gave special emphasis on the needs of the youth and training of youth leadership. Support was provided to voluntary organisations to participate in the youth development programmes. Community service was developed as an integral part of the curriculum for education, instruction and training of all students enrolled in educational institution. During the 5th plan, expanssion and strengthening of national service volunter secheme was launched. In 6th plan effort was made to effect co ordination of different youth programes. A national youth policy was framed in the 7th five yr. Plan and accordingly, a paln of action was formulated in 1992. The main schemes in the seventh plan for student/ youth are related to Bharat scouts and guides, National service scheme and national service volunteer scheme. At the end of the 7th plan enrolment in the schemes was: NSS 10 Lacs. scouts and guides-2 Lacs, and NSVS-3000. During this plan in the non-students youth scheme i.e. NYKS number was 398 and no of youth clubs was raised from 25000 to 50,000.

আলী ছাৰঃ বিপুল, কুশল আৰু বসন্তৰ প্ৰতি মোৰ পূৰ্ণ বিশ্বাস আছে। এওঁলোকে বিভাগটোৰ সুনাম বৃদ্ধি কৰিব পাৰিব।

নূৰ আলমঃ ছাৰ, আপোনাৰ প্ৰিয় আহাৰ?

আলী ছাৰঃ মাছ-ভাত, গাখীৰ-ভাত।

আঃ ছালামঃ প্ৰিয় ৰং?

আলী ছাৰঃ বগা।

নূৰ আলমঃ আদৰ্শ পুৰুষ?

আলী ছাৰঃ হজৰত মহম্মদ (ছাঃ)

আঃ ছালামঃ আদৰ্শ নাৰী?

আলী ছাৰঃ মা ফাতেমা।

নূৰ আলমঃ বৰ্তমানৰ ভাৰপ্ৰাপ্ত অধ্যক্ষ ছাৰৰ কোনটো গুণে আপোনাক আকৰ্ষিত কৰে?

আলী ছাৰঃ জটিল পৰিস্থিতিতো তেখেত অবিচলিত থাকিব পাৰে। সকলোৰে লগত তেখেতে কৰা মাৰ্জিত ব্যৱহাৰ মোৰ ভাল লাগে।

আঃ ছালামঃ আপোনাৰ দৃষ্টিত তেখেতৰ দোষ?

আলী ছাৰঃ তেখেত মোৰ বন্ধুসম। তেখেতৰ অনুপস্থিতিত দোষচৰ্চা কৰাটো ঠিক নহ'ব।

আঃ ছালামঃ মহাবিদ্যালয়খনৰ বৃহত্তৰ স্বাৰ্থক জড়িত কৰি যদি আপোনাক পুনৰায় একেটি প্ৰশ্নই কৰোঁ, তথাপি আপুনি নকৰনে?

আলী ছাৰঃ তোমালোকে মোক উভয় সংকটত পেলালা। ক্ষমা প্ৰাৰ্থনাৰে কওঁ, বাধা-বাধকতাৰ গণ্ডীত আবদ্ধ থাকিও তেখেতে আৰু সামান্য গতিশীলতা অৱলম্বন কৰিলে কলেজখন অধিক উজ্জলিব।

নূৰ আলমঃ আপোনাৰ দৃষ্টিত এজন প্ৰশাসক হিচাপে তেখেতৰ সফলতা কোনখিনিত?

আলী ছাৰঃ এক জটিল আৰ্থিক সংকটৰ পৰা কলেজখনক উলিয়াই অনাৰ কৃতিত্ব তেখেতে দাবী কৰিব পাৰে।

আঃ ছালামঃ এটা অত্যন্ত ব্যক্তিগত কথা সুধিব খোজোঁ?

আলী ছাৰঃ ইয়েছ্ (ছাৰে হাঁহি হাঁহি সন্মতি জনায়)

আঃ ছালামঃ আপোনাক বহুতেই কৃপণ বুলি কয়?

আলী ছাৰঃ ভুল ধাৰণা। মই কৃপণ নহয়। মই মিতব্যয়ীহে। মিতব্যয়ীক আল্লা আৰু আল্লাৰ নবীয়ে পছন্দ কৰে।

নূৰ আলমঃ ছাৰ, আমাক চাহ খুৱাই আপুনি তেন্তে প্ৰমাণ কৰক যে আপুনি কৃপণ নহয়।

আলী ছাৰঃ উহুঁ, চাহ তুমিয়েই খুৱাব লাগিব। কাৰণ মই মিতব্যয়ী।

*(হাঁহি মুখে আমি আটায়ে চাহৰ দোকানত সোমাওঁ)*



**Mr. Nirode Baran Das**, Principal in-charge at work in his chamber



**EDITORIAL BOARD**
**B. P. Chaliha College Magazine, 2002-03**

| | | |
|---|---|---|
| Sitting (L to R) | : | D.R.P. Mazumdar (Teacher Member), S.Z. Mollah (Teacher in-charge), N.B. Das (President), N.C. Bhoi (Teacher Member), N.N. Dewan (Teacher Member) |
| Standing (L to R) | : | G. Medhi (Editor), A.S. Ahmed (Student Member) R. Kalita (Student Member) |
| Inset | : | U.C. Das (Advisor) |

Scanned with CamScanner



**TEACHING COMMUNITY OF B.P. CHALIHA COLLEGE, NAGARBERA**

Sitting (L to R) : N.N. Dewan, S. Kalita, N.K. Bordaloi, A.B. Siddique, N.C. Bhoi, D.K. Das, K. Das, U.C. Das, N.B. Das (Principal in-charge), N.N. Begum, N.A. Haque, N. Pathak, F. Ahmed, D.R.P. Mazumdar).

Standing 1st Row (L to R) : B. K. Bora, B. R. Talukdar, A. Bashar, A. Saikia, N. Saikia, T. Goswami, T.C. Patowary, B. S. Barpujari, R. K. Das, D. Chakrabarty, N.C. Kalita, N. Alam, A. Sarkar, S.C. Thakuria.

Standing 2nd Row (L to R) : A. Jubbar, U. Saha, T. Ahmed, B. Kalita, S.Z. Mollah, K. Dutta, G. Das, P. Chakrabarty.

Scanned with CamScanner


প্রবন্ধ

"হৰিৰ নামেসে    নামেসে নামেসে
জীৱন আৰে আমাৰ।
কলি যুগে আন    গতি নাই নাই
নাই আনা সাৰে সাৰ।।"

'প্ৰহ্লাদ-চৰিত্ৰ'ত ভক্তিৰ দৃঢ়তা প্ৰতিপন্ন কৰা হৈছে। মাতৃ গৰ্ভতে প্ৰহ্লাদে নাৰদ মুনিৰ পৰা পৰম জ্ঞান লাভ কৰিছিল। মহাভক্ত প্ৰহ্লাদৰ একেশৰণ মনৰ নিতুৰ যোগত সিদ্ধ হৈছে। সেয়েহে হাজাৰ শাৰীৰিক নিৰ্যাতনে প্ৰহ্লাদৰ মনৰ শৰণ-মহত্বত দুঁত লগাব পৰা নাই। শূল ভোঁতা হৈছে, হাতীৰ দাঁত বেঁকা হৈছে, বিষধৰ সৰ্পবোৰৰ দাঁত ভাঙি গৈছে, পৰ্বতৰ পৰা বগৰাই, সমুদ্ৰত নিক্ষেপ কৰা হৈছে, বিষপান কৰোৱা হৈছে, অগ্নিত পেলোৱা হৈছে। কিন্তু সকলো প্ৰচেষ্টা নিষ্ফল হৈছে। প্ৰহ্লাদে একমাত্ৰ হৰিনাম চিন্তা কৰিছে আৰু ভগৱানে ভক্তক প্ৰতিবাৰেই ৰক্ষা কৰিছে।

প্ৰহ্লাদৰ মনত ঘট-জীৱ, তত-শিৱ। সমস্ত বস্তুতে হৰিক চিন্তিলে পোৱা যায়। সেয়েহে হিৰণ্যকশিপুৱে যেতিয়া খড়্গত প্ৰহ্লাদক কাটিবলৈ উদ্যত হৈ সুধিছিল -

"হৰিসে যদি জগতৰ ঈশ।
কৈত আছে তাৰ কহ উদ্দিশ।।"

তাকে শুনি প্ৰহ্লাদে হাঁহি হাঁহি কৈছিল -

" শুনিয়া প্ৰহ্লাদে বোলয় বাণী।
ব্যাপক বিভু প্ৰভু চক্ৰপাণি।।
সবাতো আছন্ত জগত-স্বামী।
স্ফটিকৰ স্তম্ভে দেখোহো আমি।।"

প্ৰহ্লাদৰ সুদৃঢ় বিশ্বাসৰ শৰণৰ মাহত্ম্য প্ৰকাশ কৰিবৰ বাবে ভগৱান নিজে নৃসিংহ ৰূপ ধাৰণ কৰি স্ফটিকৰ স্তম্ভতেই বেকত হ'ল-

"সত্য কৰিবাক লাগি নিজ-ভৃত্য-বাণী।
স্তম্ভতে বেকত ভৈলা প্ৰভু চক্ৰপাণি।।"

সেইদৰে 'গজেন্দ্ৰ উপাখ্যানতো' শৰণ মহিমা প্ৰকাশ কৰা হৈছে। গজেন্দ্ৰ হৈছে মহাগৰ্ৱী, মহা ঐশ্বৰ্য্যশালী, বিষয়-বাসনাসক্ত মানৱৰ প্ৰতীক।

"বিষয় সুখত ভৈলেক ভোল।
নেদেখে মৃত্যু আসি পাইলে কোল।।"

অনেক হস্তী লগত লৈ অৰণ্য বননিৰ মাজেৰে হিল-দল, গছ-গছনি ভাঙি ঘূৰি ফুৰোঁতে প্ৰখৰ সূৰ্য্যৰ তাপত আক্ৰান্ত হৈ ওচৰতে থকা সৰোবৰৰ পানী খাই তৃষ্ণাদূৰ কৰিবলৈ সৰোবৰত নামি পৰিল। সৰোবৰৰ শীতল পানী পান কৰি গজেন্দ্ৰই শৰীৰ জুৰ কৰি ঘনে-ঘনে পানীত বুৰ মাৰিবলৈ ধৰিলে।

হস্তিনী সমে কৰে জলক্ৰীড়া।
খণ্ডিল সমস্তে ৰৌদ্ৰৰ পীড়া।।

"দায়াৰে পুত্ৰ ভাৰ্য্যা সমে ৰঙ্গে।
গৰ্ৱে জলক্ৰীড়া কৰে মাতঙ্গে।।
বিষয়-সুখত ভৈলেক ভোল।
নেদেখে মৃত্যু আসি পাইল কোল।।"

সংসাৰ সৰোবৰত মদমত্ত হৈ থাকোঁতে গজেন্দ্ৰ মহাগ্ৰাহৰ মুখত পতিত হৈছে।

"দেৱন্তু আতিশয় অদভুত।
যুঁজন্তে সহস্ৰ গৈল বৰিষ।।"

গজেন্দ্ৰ সহস্ৰ বছৰ যুদ্ধ কৰি ব্যৰ্থ হৈছে, ভাগৰি পৰিছে, মৃত্যুভয় উপজিছে।

"দেখিল গজেন্দ্ৰে আপুনাৰ মৃত্যু ভয়।
ৰাখন্তা নাহিকে আৰ পুত্ৰ ভাৰ্য্যাচয়।।"

অৱশেষত গজেন্দ্ৰৰ উপলব্ধি হ'ল-

" আমি হেন গজেন্দ্ৰ জগতে যাক কহে।
মহাগৰ্ৱে ভ্ৰমন্তে ধৰিল জলগ্ৰাহে।।
সহস্ৰ বৎসৰ যিটো যুঁজো অপ্ৰয়াসে।
জানিলোহো বন্দী ভৈলো বিধাতাৰ পাশে।।
আমাক ৰাখিবে আৰে কমন বান্ধৱ।
অন্তকালে গতি মোৰ কেৱলে মাধৱ।।"

এই চৰম উপলব্ধিৰ অন্তত গজেন্দ্ৰ ভগৱন্ত কৃষ্ণৰ চৰণত শৰণ লৈছে। "পৰম অনন্দে মাধৱত দিয়া চিত্ত।

গজেন্দ্ৰ কৰিল স্তুতি আতি বিপৰীত।।
যাক স্মৰি তৰে সুখে ঘোৰ নৰকত।
অন্তকালে গতি সেই মাধৱ বন্ধুত।।
শুণ্ডে মেৰাই পদ্মগোট গুপৰক তুলি।
গজেন্দ্ৰে শৰণ লৈল ত্ৰাহি হৰি বুলি।।"

হৰি নাৰায়ণে কেৱল মানুহকেই নহয়, পশু-পক্ষীকো ৰক্ষাকৰাৰ কথা 'গজেন্দ্ৰ উপাখ্যান'ত' প্ৰকাশ পাইছে।

'হৰমোহন অধ্যায়'ত' হৰি নাৰায়ণ তথা কৃষ্ণক শিৱতকৈও শ্ৰেষ্ঠ বুলি প্ৰকাশ কৰিছে। শিৱও কাম-ক্ৰোধ আদি ৰিপুৰ অধীন। ভগৱান যদি কাম-ক্ৰোধ আদি ৰিপুৰ অধীন হয়, তেনেহলে তেওঁ কেনেকৈ শ্ৰেষ্ঠ হব পাৰে। এই কথাকে এই অধ্যায়ত দেখুওৱা হৈছে।

"বলিছলন" অধ্যায়ত বিষ্ণু নাৰায়ণেই বামন ৰূপ ধাৰণ কৰি দানী হলেও দেৱতাৰ অনিষ্টকাৰী দৈত্য ৰজা বলীৰ অহংকাৰ নাশ কৰি বলীৰ কবলৰ পৰা স্বৰ্গ-মৰ্ত্ত এই দুই লোক উদ্ধাৰ কৰি বলিক পাতাললৈ পঠাইছে, এই কথাকেই দেখুৱাইছে।"

এনেদৰে একশৰণ মাহত্বৰ উদাহৰণ কীৰ্ত্তনৰ পাতে পাতে পোৱা যায়। ইয়াৰ উপৰিও গুৰুজনাৰ ৰচিত দশম, গুণমালা, ভক্তি-প্ৰদীপ, ভক্তিৰত্নাকৰ, নিমি নৱসিদ্ধ সংবাদ, অনাদি পাতন আদি তত্বমূলক গ্ৰন্থ সমূহতো একশৰণ মাহত্বকে প্ৰকাশ কৰিছে। তাৰ উপৰিও তেখেতৰ ৰচিত অৰ্কীয়া নাট, বৰগীত আদিৰ ভনিয়তেও সেই একে কথাকে উল্লেখ কৰিছে। হৰিচন্দ্ৰ উপাখ্যান মহাপুৰুষ শংকৰদেৱৰ প্ৰথম ৰচনা, ইয়াতেই গুৰুজনাই "ধৰমৰ চাৰিখুটি" মাৰে। বিষ্ণুকেই শ্ৰেষ্ঠ দেৱতা মানি হৰিশ্চন্দ্ৰ ৰজাই গণেশক নুপুজি বিষ্ণুক পূজা কৰা বাবেই নানা দুখ কষ্টৰ মাজতো শেষত স্বৰ্গ লাভ কৰে।



Scanned with CamScanner

ব্যক্তিগত লাভালাভৰ বাবে নহয়, সমাজৰ সকলো স্তৰৰ সকলোবৰ্ণৰ লোকৰে ঐশিক, সামাজিক, সাংস্কৃতিক, নৈতিক, শাৰীৰিক উন্নতি সাধন কৰা শ্ৰীমন্ত শংকৰদেৱৰ ধৰ্মৰ এক ডাঙৰ বৈশিষ্ট্য। মানুহক জ্ঞান-ভক্তি দানেই সবাতোকৈ শ্ৰেষ্ঠ দান। যাৰ দ্বাৰাই মনুষ্যৰ আত্মাই উৎকৰ্ষ সাধন, সংসাৰত সুখীজন যাপন, ঈশ সাধন আৰু পৰকালত মুক্তি লাভ কৰিবলৈ সক্ষম হয়।

জনজাতীয় সীমা ভাঙি হৰিনামৰ ৰস কেওদিনে বোৱাই দিয়াটো আছিল অসমীয়া বৈষ্ণৱ ধৰ্মৰ সাৰ্বজনীন দিশ। কিন্তু তাৰ শিপা আছিল জনজাতীয় আচাৰ আচৰণৰ মাজত এইখিনিতে আছিল শংকৰদেৱৰ মৌলিকতা।" (ড. হীৰেণ গোহাঁই)

অসম সাহিত্য সভাৰ প্ৰথম অধিবেশনৰ সভাপতিৰ অভিভাষণত অসমীয়া সাহিত্যৰ কাণ্ডাৰী গোহাঞি বৰুৱাই কৈছিল- "শ্ৰীমন্ত শংকৰদেৱে স্বকীয় অলৌকিক প্ৰতিভাৰ পোহৰত ফটফটীয়াকৈ দেখিলে যে- এই পতিত জাতিটোক উদ্ধাৰ কৰিবলৈ হলে তাৰ ধৰ্ম, সমাজ আৰু সাহিত্যৰ সম্বন্ধ একোডালি সুতাৰে একেভাবে গাথিব লাগিব যাতে জ্ঞানৰ পোহৰ নাপাই আন্ধাৰত খেলিয়াই ফুৰা অসমীয়া জনসাধাৰণে এটাক ধৰি আনটোক এৰিব নোৱাৰা হয়।"


সহায়ক গ্ৰন্থ-

১) শংকৰী সাহিত্য- সংস্কৃতিৰ জিলিঙনি -
(শ্ৰীমন্ত শংকৰদেৱ সংঘ, শ্ৰী খগেন্দ্ৰ নাথ তালুকদাৰ সম্পাদিত)

২) শ্ৰীমন্ত শংকৰদেৱৰ প্ৰৱৰ্তিত ধৰ্ম -
(দিগন্ত মহন্ত)

৩) আধুনিক অসমীয়া সাহিত্যত শংকৰদেৱৰ প্ৰসংগ -
(প্ৰফুল্ল চন্দ্ৰ বৰা)

৪) অসমীয়া সাহিত্যত দৃষ্টিপাত -
(ড. হেমন্ত কুমাৰ শৰ্মা)

৫) শ্ৰীমন্ত শংকৰ প্ৰকাশ-
(প্ৰচাৰ শাখা, মহাপুৰুষীয়া ধৰ্মালোচনী সভা, গুৱাহাটী)

৬) শ্ৰী শংকৰদেৱৰ বাণী-
(সংগ্ৰাহক-ৰায়বাহাদুৰ কালিৰাম মেধি)


*"নিজৰ নিজকে নিজে (আত্মাৰ দ্বাৰাই আত্মাক) জয় কৰিব পাৰিছে, আত্মাই তেওঁৰ বন্ধু হয় আৰু নিজৰে আত্মাক জয় কৰিব পৰা নাই, আত্মাই তেওঁক শত্ৰুৰ দৰে আচৰণ কৰে।" — গীতা*

# জানানে ?

প্ৰশ্নঃ অসমৰ প্ৰথম মহিলা আই.এ. এচ্. কোন?
উঃ পাৰুল দাস।
প্ৰশ্নঃ প্ৰথম অসমীয়া মহিলা এ.চি. এচ্. কোন?
উঃ শুচিব্ৰতা ৰায় চৌধুৰী।
প্ৰশ্নঃ পদ্মশ্ৰী সন্মান লাভ কৰা প্ৰথম মহিলা কবি কোন?
উঃ নলিনী বালা দেৱী।
প্ৰশ্নঃ প্ৰথম অসমীয়া মহিলা স্নাতক কোন?
উঃ সুখলতা দুৱৰা আৰু সুধালতা দুৱৰা।
প্ৰশ্নঃ প্ৰথম অসমীয়া মহিলা চিকিৎসক কোন?
উঃ ৰজনী প্ৰভা শইকীয়া।
প্ৰশ্নঃ অসমত স্থাপিত হোৱা প্ৰথম চিকিৎসা মহাবিদ্যালয় খনৰ নাম কি?
উঃ বেৰী হোৱাইট মেডিকেল স্কুল (১৯০২ চনত স্থাপিত)।
প্ৰশ্নঃ উচ্চ ন্যায়ালয়ৰ প্ৰথম অসমীয়া মহিলা বিচাৰপতি কোন?
উঃ মীৰা শৰ্মা।
প্ৰশ্নঃ প্ৰথম অসমীয়া শিশু আলোচনী খনৰ নাম কি?
উঃ সঁ'ৰা বন্ধু (১৮৮৮ চনত) সম্পাদক-কৰুনাভিৰাম বৰুৱা।
প্ৰশ্নঃ প্ৰথম অসমীয়া ব্যঙ্গ আলোচনী খনৰ নাম কি?
উঃ কাৰ্টুন ( ১৯৬৬ চনত) সম্পাদক পুলক গগৈ।
প্ৰশ্নঃ প্ৰথম অসমীয়া মিনি আলোচনী খনৰ নাম কি?
উঃ বিন্দু ( ১৯৭০ চনত) সম্পাদক- ভূপেন হাজৰিকা.
প্ৰশ্নঃ প্ৰথম অসমীয়া কৃষি বিষয়ক আলোচনী খনৰ নাম কি?
উঃ " আসাম কৃষক" (১৯২১ চনত) সম্পাদক নাৰায়ণ চন্দ্ৰ বৰুৱা।
প্ৰশ্নঃ কেৱল মহিলাৰ বাবে প্ৰকাশিত প্ৰথম অসমীয়া বাতৰি কাকত খনৰ নাম কি?
উঃ উৰুলী (১৯৬৫ চনত) সম্পাদক- হেমচন্দ্ৰ শৰ্মা।

সংগ্ৰহ
মিচ্ জুৰি মনি দাস
স্নাতক প্ৰথম বৰ্ষ



Scanned with CamScanner

প্ৰবন্ধ

# "মানৱ অধিকাৰ আৰু ভাৰতত মহিলাৰ স্থান"

অধ্যাপক শ্ৰী দয়ানন্দ কুমাৰ দাস।
মুৰব্বী, ৰাজনীতি বিজ্ঞান বিভাগ।

মানব অধিকাৰৰ সম্পৰ্কত যদি আমি বিচাৰ কৰিবলৈ যাওঁ তেন্তে মানৱ অধিকাৰে আমাক ইয়াকে সকিয়াই দিব যে বিশ্বৰ প্ৰতিজন মানুহেই মানুহ হিচাবে জীয়াই থাকিবলৈ যিখিনি মৌলিক অধিকাৰৰ আৱশ্যক সেইখিনি অধিকাৰ ভোগ কৰিবলৈ পাইছোঁ নে নাই। এই বিশ্বত মানুহ হিচাপে জীয়াই থাকিবলৈ গৈ যাতে কোনোৱে কোনো প্ৰকাৰৰ বাধা তথা সমস্যাৰ সন্মুখীন হবলগা নহয় এই চিৰন্তন সত্যটো মানৱ অধিকাৰে নিশ্চয়তা প্ৰদান কৰে। বিশ্বৰ প্ৰতিজন মানুহ জাতি, ধৰ্ম, বৰ্ণ নিৰ্বিশেষে সামাজিক, শৈক্ষিক, ৰাজনৈতিক, অৰ্থনৈতিক, সাংস্কৃতিক ক্ষেত্ৰত পুৰুষেই হওঁক বা মহিলাই হওঁক তেওঁলোক যাতে প্ৰাপ্য অধিকাৰৰ পৰা বঞ্চিত হব নোৱাৰে মানৱ অধিকাৰে সেইটো নিশ্চিত কৰিব লাগে।

এই বিশ্বত মানুহ হিচাপে জীয়াই থাকিবলৈ গৈ যাতে কোনোৱে কোনো প্ৰকাৰৰ বাধা তথা সমস্যাৰ সন্মুখীন হবলগা নহয় এই চিৰন্তন সত্যটো মানৱ অধিকাৰে নিশ্চয়তা প্ৰদান কৰে। বিশ্বৰ প্ৰতিজন মানুহ জাতি, ধৰ্ম, বৰ্ণ নিৰ্বিশেষে সামাজিক, শৈক্ষিক, ৰাজনৈতিক, অৰ্থনৈতিক, সাংস্কৃতিক ক্ষেত্ৰত পুৰুষেই হওঁক বা মহিলাই হওঁক তেওঁলোক যাতে প্ৰাপ্য অধিকাৰৰ পৰা বঞ্চিত হব নোৱাৰে মানৱ অধিকাৰে সেইটো নিশ্চিত কৰিব লাগে।

মানৱ অধিকাৰৰ সম্পৰ্কত ৰাষ্ট্ৰসংঘৰ চনদত বিশেষ ও বিস্তাৰিত ভাবে উল্লেখ কৰা হৈছে। প্ৰত্যেকখন দেশতে বৰ্তমান মানৱ অধিকাৰ সম্পৰ্কত বিভিন্ন আয়োগ গঠন কৰা হৈছে। এই আয়োগ সমূহে বিভিন্ন কাৰ্যপন্থাৰে জাতি, ধৰ্ম, বৰ্ণ, সম্প্ৰদায় নিৰ্বিশেষে সকলোৰে সামাজিক শৈক্ষিক, ধৰ্মীয়, ৰাজনৈতিক, অৰ্থনৈতিক সাংস্কৃতিক দিশত বৈষম্য আঁতৰ কৰি সুস্থ সমাজ গঠন কৰাত অগ্ৰণী ভূমিকা লোৱা দেখা গৈছে। কোনো এখন দেশৰ চৰকাৰে যদি নিৰীহ মানুহৰ ওপৰত অনাহকতে অত্যাচাৰ চলাইছে বুলি অভিযোগ উত্থাপিত হয়, তেন্তে মানৱ অধিকাৰ আয়োগে উক্ত দেশৰ চৰকাৰৰ অনুমতি সাপেক্ষে আন্তঃৰাষ্ট্ৰীয় পৰ্য্যবেক্ষকৰ দল তথা ৰেডক্ৰছ আদিৰ যোগেদি ব্যৱস্থা লোৱাৰ সুবিধা আছে। উদাহৰণ স্বৰূপে ভূটান ও ভাৰতীয় সৈন্যৰ যুটীয়া সহযোগত আলফা, এন.ডি. এফ. বি আৰু কে. এল. অ' ৰ বিৰুদ্ধে ভূটানত চলি থকা অভিযানত বহুতো অসামৰিক লোক বিভিন্ন প্ৰকাৰে হাৰাশাস্তি হোৱাৰ উপৰিও বহুতো হতাহত হোৱা বুলি আলফাৰ ফালৰ পৰা "এমনেষ্টি ইন্টাৰনেচনেলৰ ওচৰত অভিযোগ উত্থাপন কৰা হৈছে। তাৰোপৰি কোনো দুখন ৰাষ্ট্ৰৰ মাজত যুদ্ধ সংঘটিত হলেও কোনো নিৰপৰাধী লোক, অসামৰিক লোক, শিশু, মহিলা আদি যাতে হতাহত হব লগা নহয় এই সম্পৰ্কতো আন্তঃৰাষ্ট্ৰীয় মানৱ অধিকাৰ আয়োগৰ ৩ নং অনুচ্ছেদত উল্লেখ আছে। এই সম্পৰ্কত আমেৰিকাৰ দ্বাৰা দখলিকৃত ইৰাকৰ কথা আঙুলিয়াব পাৰি।

UNO ই গঠন কৰা ১৯৭৬ চনৰ Human Rights Commission, ১৯৮১ চনৰ- 'Committee on Elimination of Discrimination against woman,' ১৯৮৭ চনৰ- Commission against torture and other cruel inhuman treatment or punishment- ইত্যাদি বিভিন্ন কমিটি তথা কমিচনৰ যোগেদি ৰাষ্ট্ৰসংঘৰ মানৱ অধিকাৰ আয়োগে প্ৰচেষ্টা অব্যাহত ৰাখিছে। ৰাষ্ট্ৰসংঘই সেয়েহে ১৯৯৮ চনটো 'মানৱ অধিকাৰ বছৰ' (All Human Rights for all) শ্লোগানেৰে প্ৰতিপন্ন কৰিব বিচাৰিছে যে ৰাষ্ট্ৰসংঘৰ মানৱ অধিকাৰ আয়োগে বিশ্বৰ সকলো শ্ৰেণীৰ মানৱৰ সকলো ধৰণৰ অধিকাৰ সাব্যস্ত কৰিব বিচাৰি এই সম্পৰ্কত মাত মাতি আহিছে। ইয়াৰোপৰি International Covenant on Civil and Political Rights and International Covenant on economic Social, and Cultural Rights of UN Charter and the Universal Declaration on Human Rights আদিয়ে পুৰুষ মহিলা সকলোৰে সকলো ধৰণৰ অধিকাৰ নিশ্চিত কৰিবলৈ ব্যৱস্থা ৰাখিছে।

মানৱ অধিকাৰৰ উদ্দেশ্য আৰু লক্ষ্যৰ পৰিপ্ৰেক্ষিতত আমি আমাৰ ভাৰতবৰ্ষৰ মহিলা সমাজৰ স্থান তথা মৰ্যাদাৰ পৰ্যালোচনা কৰিব পাৰোঁ। বিশ্ব সংস্থা UNO ৰ দ্বাৰা প্ৰদত্ত বিভিন্ন অধিকাৰ ভাৰতৰ মহিলা সমাজে বিভিন্ন কাৰণত ভোগ কৰিব পৰা নাই। ভাৰতৰ মহিলা সমাজে কি কাৰণতনো তেওঁলোকৰ প্ৰাপ্য অধিকাৰৰ পৰা বঞ্চিত হব লগা হৈছে সেইবোৰ কাৰণ বিশ্লেষণ কৰিলে যাইকৈ তলত উল্লেখ কৰা কাৰণবোৰ প্ৰকট হৈ উঠে।

১) *যৌতুক প্ৰথাঃ-* যৌতুক প্ৰথাই ভাৰতীয় মহিলা সমাজক তেওঁলোকৰ প্ৰাপ্য অধিকাৰৰ পৰা সম্পূৰ্ণভাবে বঞ্চিত কৰিছে। ভাৰতৰ বিশেষকৈ কেৰালা, আন্ধ্ৰ প্ৰদেশ, কৰ্ণটিক, তামিলনাড়ু, ৰাজস্থান, উত্তৰ প্ৰদেশ, বিহাৰ, মহাৰাষ্ট্ৰ, পশ্চিম বঙ্গ আদি ৰাজ্যত যৌতুক নামৰ বিষ বাষ্পৰ বলি হৈ বহুতো মহিলাই অৱৰ্ণনীয় দুঃখ কষ্ট সহ্য কৰি অৱশেষত অকালতে চিৰ বিদায় লব লগা হৈছে। দেশৰ ৰাজধানী চহৰ দিল্লীতে যোৱা বছৰ ৩৪০ টা নাৰী অত্যাচাৰ জনিত গোচৰ পঞ্জীভূত হৈছে যদিও ভাৰতৰ



Scanned with CamScanner

মানৱ অধিকাৰ আয়োগ তৎপৰ হোৱা দেখা নাযায়।

২) *বাল্য বিবাহ ঃ-* ভাৰতৰ বহু ৰাজ্যত বাল্য বিবাহ, বহুপতি বিবাহ, বহু নাৰী বিবাহ প্ৰথা প্ৰচলিত আছে। এনেবোৰ প্ৰথাই ভাৰতৰ নাৰী সমাজক মানসিক শাৰীৰিক যন্ত্ৰনা দি থকাৰ উপৰিও সকলো ধৰণৰ অধিকাৰৰ পৰা তেওঁলোকক বঞ্চিত কৰি ৰাখিছে যদিও মানৱ অধিকাৰ আয়োগে এনেবোৰ কাৰ্যৰ কোনো সমাধান কৰিব পৰা নাই।

৩) *পৰম্পৰাগত নীতি - নিয়ম ঃ-* ভাৰতৰ বহু ৰাজ্যত পৰম্পৰাগত ভাবে কিছুমান কু- সংস্কাৰ তথা কু-প্ৰথাই প্ৰভাব বিস্তাৰ কৰি আছে। উদাহৰণ স্বৰূপে পৰ্দ্দা প্ৰথা, স্বামীক স্ত্ৰীয়ে দেৱতা জ্ঞান কৰা প্ৰথা আদিয়ে ভাৰতীয় মহিলাৰ ব্যক্তিত্ব তথা মৰ্য্যাদা বহু পৰিমানে ম্লান কৰিছে যদিও মানব অধিকাৰে এইবোৰ দুৰ কৰিবলৈ কোনো কাৰ্য্য- পন্থা লব পৰা নাই।

৪) *বেশ্যা বৃত্তি ঃ-* বেশ্যা বৃত্তিয়ে ভাৰতৰ মহিলাৰ জীৱনলৈ কালসন্ধ্যা নমাই আনিছে। বিভিন্ন প্ৰলোভনেৰে এক শ্ৰেণীৰ ধূৰ্ত দালালে বহুতো ছোৱালীক বিভিন্ন আশ্বাস দি বেশ্যা-বৃত্তিত জোৰ কৰি নমোৱাৰ উদাহৰণ ভাৰতত বহুতো আছে। ফলত উক্ত ছোৱালী বা মহিলা সকলোৰে জীৱনলৈ অন্ধকাৰ নামি আহে।

৫) *ধৰ্ষণ ঃ-* ভাৰতবৰ্ষত দিনক দিনে ধৰ্ষণৰ মাত্ৰা বাঢ়ি গৈ আছে, আৰু এই ধৰ্ষিতা মহিলা/ছোৱালী জনীয়ে সুবিচাৰ আশা কৰিব নোৱাৰে। ইয়াৰ কাৰণ বহুতো যদিও তলত কেইটিমান উল্লেখ কৰা হ'ল।

(ক) ছোৱালী / মহিলা জনী সমাজত লাঞ্চিতা হোৱাৰ ভয়। (খ) আদালতত পুনঃ অপমানিত হোৱাৰ ভয়। (গ) প্ৰচলিত আইন ব্যৱস্থাৰ ওপৰত অনাস্থা। (ঘ) ধৰ্ষণ কাৰীৰ পৰা পোৱা ভাবুকি। (ঙ) উকীলৰ চতুৰ বাক্যবান। (চ) চৰকাৰী উকীল, পুলিচ-চিকিৎসা বিজ্ঞানী, ফৰেনচিক-বিজ্ঞানী আদিৰ মাজত সমন্বয়ৰ অভাৱ। (ছ) দীঘলীয়া প্ৰক্ৰিয়া। (জ) ধনৰ আধিপত্য। (ঝ) উকীলৰ প্ৰশ্নবানেৰে ছোৱালী/মহিলাজনী লাঞ্চিতা হোৱাৰ ভয় আদিৰ ফলত মহিলাসকলৰ নিৰাপত্তা হীনতা তথা অসহায় অৱস্থাত ভোগা পৰিলক্ষিত হয়। এইবোৰ দূৰ কৰি ভাৰতৰ মহিলা সমাজক তেওঁলোকৰ প্ৰাপ্য অধিকাৰ তথা সুবিধাবোৰ মানৱ অধিকাৰ আয়োগে প্ৰদান কৰিব পাৰিছে বুলি ভাবিব নোৱাৰি।

৬) *মহিলা কৰ্মী-* চৰকাৰী বা বেচৰকাৰী সকলো ক্ষেত্ৰতে থকা মহিলা কৰ্মী সকলেও বিভাগীয় কৰ্তৃপক্ষৰ পৰা সদায় অৱহেলা তথা অৱজ্ঞা পাই থকা দেখা যায়। উদ্যোগ, কাৰখানা আদিত কাম কৰা মহিলা খিনিক প্ৰাপ্য মজুৰিৰ পৰা বঞ্চিত কৰা দেখা যায়। এনেবোৰ ব্যৱস্থাই ভাৰতৰ মহিলা সমাজক বাৰুকৈয়েই ক্ষতিগ্ৰস্থ কৰিছে যদিও মানৱ অধিকাৰে এইবোৰৰ আশু সমাধা কৰিব পৰা নাই।

উপৰোক্ত কাৰণবোৰৰ বশবৰ্ত্তী হৈ ভাৰতৰ মহিলা সমাজ আজি দ্বিধাগ্ৰস্থ, সেয়েহে সচেতন মহলে মহিলা সমাজৰ প্ৰাপ্য অধিকাৰ সাব্যস্ত কৰি তেওঁলোকক মৰ্য্যাদা প্ৰদান কৰিব বুলি আশা কৰাৰ লগতে মানৱ অধিকাৰ আয়োগ এই ক্ষেত্ৰত বিশেষ তৎপৰ হোৱা আৱশ্যক। আমাৰ দেশৰ মহিলা খিনিও সজাগ ও সচেতন হব লাগে যাতে তেওঁলোকৰ প্ৰাপ্যৰ পৰা কোনেও বঞ্চিত কৰিব নোৱাৰে। মহিলাৰ বিৰুদ্ধে কৰা যিকোনো অন্যায় অনীতিৰ বিপক্ষে মাত মাতি তেওঁলোকৰ মৰ্য্যাদা ও ব্যক্তিত্ব বিকাশ কৰিবলৈ সকলো মহিলা আগবাঢ়ি আহিব লাগিব আৰু তেতিয়াহে সকলোৰ প্ৰচেষ্টাত ভাৰতৰ মহিলা খিনিয়ে স্বকীয় স্থান ও মৰ্য্যাদা লাভ কৰিবলৈ সক্ষম হব।

*সহায় লোৱা হৈছেঃ-*


1. Journal-Miracle of Teaching Edited by- Dr. G. Chaurasia.
2. Social Welfare-edited by-P. Sarma.
3. Human Rights today-Published by the United Nations Deptt. of Public Information, New York.
4. Yojona-Edited by V. Ramesh & S. Radhakrishnan.


===X===

## স্মৃতিৰ সুবাস বিচাৰি.................

দীপ্তিৰেখা পাঠক মজুমদাৰ
(প্ৰাক্তন ছাত্ৰী)

"স্মৃতি দুখৰ অতীত
সুখবিয়াই গুচি যায়
সুৰুৰ উপত্যকা....."

স্মৃতি যদি দুখৰ অতীতেই হয় তেন্তে সেই স্মৃতিয়ে মানুহৰ মনবোৰত কিয় দোলা দি থাকে?

কিমান বছৰ পাৰ হৈ গ'ল বাৰু ? ....সেই যে বিমলা প্ৰসাদ চলিহা কলেজৰ ছাত্ৰী হিচাপে ইয়াত অধ্যয়ন কৰিছিলোঁ ...। সেই সময়ত মাত্ৰ কেইটামান শ্ৰেণীকোঠাত আবদ্ধ কলেজখনক বহুতে কৈছিল "কলীয়াপানী" বুলি। আৰু আমিবোৰ" দেৱপ্ৰসাদ শইকীয়া ছাৰৰ জ্ঞানৰ মন্দিৰলৈ নিতৌ আহিছিলোঁ ধূলি ধূসৰিত আলিবাটৰ বোকা পানী গছকি। বৰষুণৰ বতৰত বগামাটিৰে লেটি পেটি হৈছিল আমাৰ কাপোৰ কানি। তথাপিও কলেজখন পালে কিন্তু এক অনাবিল আনন্দত মনবোৰ ভৰি পৰিছিল। কিযে এক সুন্দৰ অধ্যয়নৰ পৰিৱেশ নিয়মিত পাঠদান, শিক্ষক আৰু ছাত্ৰ-ছাত্ৰীৰ মাজৰ আন্তৰিকতা, সম্ভাৱ আদিয়ে উজলাই তুলিছিল কলেজ চৌহদ। কত হাঁহি কান্দোন, কত মান-অভিমান, এতিয়াও যেন সজীৱ হৈ আছে কলেজৰ উদাৰ হিয়াত! চকুমুদি এতিয়াও কেতিয়াবা বিচাৰি ফুৰোঁ সেই সোণালী দিনৰ সুৰীয়া সুবাস..............।

(২০০৩ চনৰ ১০ ফেব্ৰুৱাৰীত অনুষ্ঠিত 'প্ৰাক্তন ছাত্ৰ সন্মিলন' উপলক্ষে উন্মোচিত প্ৰাচীৰপত্ৰিকা 'কথু'ৰ পাতৰ পৰা মুদ্ৰিত)

**প্ৰবন্ধ**



# জৈৱ বৈচিত্ৰ আৰু ঔষধি উদ্ভিদৰ সংৰক্ষণ
# *(Biodiversity and Conservation of Medicinal Plants)*

নুৰ আলম হক
*মুৰব্বী, উদ্ভিদ বিজ্ঞান বিভাগ*

জৈৱ বৈচিত্ৰই সাধাৰণ অৰ্থত বৈচিত্ৰময় জগতখনৰ কথাকে সূচায়। বহল অৰ্থত জল, স্থল, সাগৰ সামৰি বিস্তাৰিত হৈ থকা সমগ্ৰ জীৱজগতকে সামৰি লয়। এই পৃথিৱীত অসংখ্য প্ৰজাতিৰ উদ্ভিদ আৰু প্ৰাণী আছে। তাৰে গ্ৰীষ্মমণ্ডলীয় বনাঞ্চল এইবোৰৰ দ্বাৰা আটাইতকৈ সমৃদ্ধ। বিশেষকৈ ভাৰতৰ উত্তৰ পূৰ্বাঞ্চল উদ্ভিদ আৰু প্ৰাণী বৈচিত্ৰৰে সমৃদ্ধ। প্ৰকৃতিৰ এই প্ৰাচুৰ্য্য মানৱ জাতিৰ অস্তিত্বৰ উৎস। তথাপি মানুহে বাসস্থান, আচ্ছাদন আৰু দৰৱৰ বাবে এইবোৰ উদ্ভিদ আৰু প্ৰাণীক যথেমথে ব্যৱহাৰ কৰিবলৈ ধৰাত এই সমৃদ্ধ প্ৰজাতিৰ অসীম ভাণ্ডাৰৰ বিলুপ্তিৰ সৃষ্টি হৈছে। প্ৰজাতি বৈচিত্ৰৰ বৰ্তমান অৱলুপ্তি আৰু শস্য ও বন্য প্ৰজাতিৰ জেনেটিক বৈচিত্ৰৰ হ্ৰাসৰ ফলত মানৱ কল্যানৰ গুৰুতৰ ক্ষতি হোৱাৰ সম্ভাৱনাই দেখা দিছে। প্ৰায়েই এই বিচিত্ৰ প্ৰজাতিক পোনপটীয়া ভাৱে ধ্বংস কৰা হৈছে।

জৈৱ বৈচিত্ৰৰ ক্ষেত্ৰত অসম তথা উত্তৰ পূৰ্ব্বাঞ্চলে বিশ্বত এক উল্লেখনীয় স্থান দখল কৰিছে, যাৰ বাবে পূৱ হিমালয়ৰ অঞ্চলক সামৰি জৈৱ বৈচিত্ৰৰ হট-স্পট (Hot-Spot) হিচাপে গণ্য কৰা হৈছে। জৈৱ বৈচিত্ৰৰ প্ৰাচুৰ্যৰ বাবে অসম বিশ্বৰ ২৫ টা হট-স্পটৰ অংশীদাৰ হব পাৰিছে।

ইয়াত যিহেতু ঔষধি উদ্ভিদ সমূহৰ প্ৰসংগত জৈৱিক বৈচিত্ৰ আৰু ইয়াৰ সংৰক্ষনৰ বিষয়ে আলোচনা কৰিবলৈ লোৱা হৈছে সেয়ে দুয়োটা বিষয়ৰ মাজত সামঞ্জস্য ৰক্ষা কৰিবলৈ চেষ্টা কৰা হৈছে। ঔষধিজাতীয় উদ্ভিদ সমূহৰ গুৰুত্বৰ বিষয়ে আৰ্য়ুবেদৰ দিনৰে পৰা ভাৰতীয় লোকে জানে। বিশ্ব স্বাস্থ্য সংগঠন(World Health Organisation) ৰ এটা জৰীপৰ মতে বিশ্বত এনে ৩৫,০০০ বিধৰ উদ্ভিদ প্ৰজাতি আছে, যি কিবা নহয় কিবা ঔষধত ব্যৱহৃত হয়। ঔষধি গুণ সম্পন্ন দুস্প্ৰাপ্য তথা মূল্যবান উদ্ভিদ প্ৰজাতিয়ে অসমক এক বিশেষ স্থান দিছে। বৰ্তমানলৈ ৩৫০ বিধৰো অধিক ঔষধি উদ্ভিদ অসমত চিনাক্ত হৈছে। কিন্তু উপযুক্ত সংৰক্ষনৰ ব্যৱস্থা আদি নথকা বাবে আমাৰ এই মূল্যবান সম্পদ সমূহ ক্ৰমাগত ভাবে বিলুপ্ত হবলৈ ধৰিছে। উদাহৰণ স্বৰূপে অসমৰ হাবি-বননিত পোৱা কেইবিধ মূল্যবান ঔষধি উদ্ভিদ যেনে-**সৰ্পগন্ধা, টিকনিবৰুৱা, সাঁচিগছ, গাঠিয়া বন, ৰক্তচন্দন, শতনী লতা, শতমূল, চিৰতা, পিপলি, ব্ৰাহ্মী, পনৌনোৱা, মিচিমি তিতা, ব্ৰহ্মকাম** আদি চোৰাং ব্যৱসায়ীৰ হাতত নিঃশেষ হবলৈ ধৰিছে।

ভাৰতীয় চিকিৎসা পদ্ধতিত (আৰ্য়ুবেদ, ইউনানী, সিদ্ধা) বনৌষধিয়ে ৯০% শতাংশ স্থান অধিকাৰ কৰি আছিছে। ভাৰতবৰ্ষৰ প্ৰায় ৬০% শতাংশ গছ-গছনি, বনলতিকা এই উত্তৰ পূৰ্ব্বাঞ্চলতে উৎপন্ন হয়। এই বনাঞ্চলবোৰৰ অধিকাংশই বনৌষধিৰে ভৰপূৰ; ইয়াৰ বেছি ভাগেই চিনাক্তকৰণ নোহোৱাকৈয়ে প্ৰকৃতিৰ বুকুৰ পৰা লয়প্ৰাপ্ত হৈছে। উত্তৰ পূৰ্বাঞ্চলৰ হাবি-বননিৰ পৰা কিছুমান বনৌষধি যেনেঃ **অগৰু, কৰ্ণীবিহ, মিচিমিতিতা, চালমোথা, ৰুদ্ৰাক্ষ, দন্তী, থেকেৰা** জাতীয় গছ লয়প্ৰাপ্ত হোৱাৰ পথত।

সাধাৰণতে যিবোৰ অঞ্চলত স্থানীয় উদ্ভিদ প্ৰজাতি সমূহ কেন্দ্ৰীভূত হয় আৰু বিলুপ্তিৰ সম্মুখীন হয়, সেই অঞ্চল সমূহকে উষ্ণ অঞ্চল (hot spot) হিচাবে চিহ্নিত কৰা হৈছে। এই অঞ্চল সমূহত বিশ্বৰ সকলো ধৰণৰ উদ্ভিদৰ ০.৫% শতাংশ স্থানীয় প্ৰজাতি হিচাবে থাকে। অৱশ্যে কোনো কোনো ক্ষেত্ৰত বিৰল বা আচহুৱা প্ৰজাতিৰ উদ্ভিদৰ অৱস্থিতিত এনে অঞ্চল হিচাপে চিনাক্তকৰণৰ কাৰক হব পাৰে। বিশ্বৰ ২৫ টা hot spot ৰ ভিতৰত শ্ৰীলঙ্কাক সামৰি ভাৰতৰ পশ্চিমঘাট পৰ্ব্বতমালা আৰু পূৱ হিমালয় আৰু আন্দামান নিকোবৰ দ্বীপপুঞ্জও আছে। ইয়াৰোপৰি ভাৰতত এনেধৰণৰ ২৪ টা অঞ্চলক ক্ষুদ্ৰ উষ্ণাঞ্চল (mini hot spot) হিচাপে চিহ্নিত কৰা হৈছে। ইয়াৰ ভিতৰত উত্তৰ পূৰ্ব্বাঞ্চলৰ খাচী জয়ন্তীয়া পাহাৰ, পাটকাই লুচাই পৰ্ব্বত কাছাৰ, মিকিৰ পাহাৰ অৰুণাচল প্ৰদেশ আৰু চিকিম হিমালয়-এই অঞ্চলকেইটা অৰ্ন্তভূক্ত। এইবোৰ অঞ্চলত নিতৌ ঝুমখেতিৰ গৰাহত ভালেমান ঔষধি প্ৰজাতি ধ্বংস হৈ আছে, তদুপৰি ৰাজ্যৰ বাহিৰৰ চাহিদা পূৰণ কৰাৰ অৰ্থে অনিয়মিত ৰূপত এই উদ্ভিদ সমূহ সংগ্ৰহ কৰাৰ ফলস্বৰূপেও এইবোৰৰ ক্ৰমান্বয়ে হানি হব ধৰিছে। ঔষধি উদ্ভিদ বিষয়ৰ বিশিষ্ট গৱেষক **গুণাৰাম খনিকৰে** তেওঁৰ "ৰোগৰ পথ্য আৰু অপথ্য" নামৰ পুথিখনিত মুঠ ১০৯ বিধ এনে ঔষধি জাতীয় উদ্ভিদৰ বৰ্ণনা বা চিনাক্তকৰণ কৰিছে।

বনৰীয়া অৱস্থাত থকা ঔষধি উদ্ভিদ সমূহৰ ধ্বংসৰ এটা প্ৰধান কাৰণ হ'ল সেইবোৰৰ উপযুক্ত বৰ্গীকৰণ নোহোৱাটো। যদি জৈৱিক বৈচিত্ৰ সংৰক্ষন (Conservation of Biodiversity) ৰ কথা ভবা যায়, তেনেহলে ঔষধি উদ্ভিদ সমূহৰ চিনাক্তকৰণ আৰু বৰ্গীকৰণ (Identification and Classification) ৰ ক্ষেত্ৰত প্ৰয়োজনীয় ব্যৱস্থা লোৱাৰ সময় এইটোৱেই। কিয়নো জৈৱিক বৈচিত্ৰ



Scanned with CamScanner

অধ্যয়নৰ মূল আধাৰ হৈছে উদ্ভিদ বিজ্ঞানৰ বৰ্গীকৰণ।

বনৌষধি উদ্ভিদ সংৰক্ষণ কৰিবলৈ হ'লে অপৰিকল্পিত, অসংগঠিত বননিৰ ধ্বংস কাৰ্য্যৰোধ কৰাৰ উপৰি বনৌষধি গছ-গছনি ৰোপন, অধ্যয়ন, গৱেষণা, সংৰক্ষণ, সংবৰ্দ্ধন, প্ৰচাৰ, প্ৰসাৰ, প্ৰশিক্ষণ, চিকিৎসা বিজ্ঞান ভিত্তিত ব্যৱসায়িক খেতি, বনৌষধিৰ উদ্যোগ, জনপ্ৰিয় বক্তৃতা আৰু সৰ্বসাধাৰণ ৰাইজৰ মাজত জনপ্ৰিয় কৰাৰ কাৰণে সম্ভাব্য সকলো প্ৰয়োজনীয় সু-ব্যৱস্থা গ্ৰহণ কৰিব লাগিব। বনৌষধিৰ দিশত বিশেষ সেৱা আগবঢ়োৱা ব্যক্তি বা অনুষ্ঠান সমূহক যথা সম্ভৱ সা-সুবিধা দি উৎসাহিত কৰিলে বিলুপ্তিৰ পথত আগবঢ়া বনৌষধি সমূহ হয়তো কিছু পৰিমানে ৰক্ষা পৰিব। এই ক্ষেত্ৰত যিকোনো জনহিতকৰ কামৰ প্ৰতি অগ্ৰহান্বিত সচেতন ব্যক্তি বা স্বেচ্ছাসেৱী অনুষ্ঠানৰ লগতে জড়িত সংশ্লিষ্ট বিষয়া সকলৰ লগত চৰকাৰী আঁচনি ৰূপায়ন কাৰ্য্যকৰী কৰ্মকৰ্তা সকলৰ সু-সমন্বয়, আন্তৰিক বন্ধুত্ব ভাৱ গঢ়ি উঠাটো একান্ত বাঞ্চনীয়। ইয়াৰোপৰি ঔষধি গুণ সম্পন্ন উদ্ভিদৰ বাণিজ্যিক আৰু নিয়োগ সম্ভাৱনা সম্পৰ্কত জনসাধাৰণক সচেতন কৰিব পাৰিলে সংৰক্ষণৰ বাবে তেওঁলোক অনুপ্ৰাণিত হ'ব। ঔষধি গুণ সম্পন্ন উদ্ভিদৰ বাণিজ্য অৰ্থনৈতিক ভাবে লাভজনক হোৱাৰ উপৰি ই বিলুপ্তপ্ৰায় উদ্ভিদ প্ৰজাতি সমূহৰ সংৰক্ষণৰ ক্ষেত্ৰতো হ'ব পাৰে।

১৯৯৬ "Species Survival Commission" (SSC) নামৰ আন্তৰ্ৰাষ্ট্ৰীয় সংগঠনটোৰ ঔষধি উদ্ভিদ বিশেষজ্ঞ সকলে Nairobi ত মিলিত হৈ বিশ্বৰ মূল শীৰ্ষস্থানীয় ৫০ বিধ ঔষধি প্ৰজাতিৰ সংৰক্ষণাৰ্থে চিহ্নিত কৰিবলৈ সিদ্ধান্ত গ্ৰহণ কৰে। একেদৰে ভাৰতীয় উপ মহাদেশৰ উদ্ভিদ বিশেষজ্ঞ গোটেও ১৯৯৮ চনত মিলিত হৈ মুঠ ৯ বিধ ঔষধি প্ৰজাতিৰ সম্পৰ্কত বিস্তৃত অধ্যয়ন বাবে সিদ্ধান্ত লয়। এনে ধৰণৰ সিদ্ধান্ত সমূহে এই ক্ষেত্ৰত এক গুৰুত্বপূৰ্ণ পদক্ষেপ বুলি কব পাৰি।

জৈব বৈচিত্ৰ্যই আমাৰ জীৱনৰ মান সমৃদ্ধ কৰিছে। গতিকে বিশেষভাৱে জৈব বৈচিত্ৰৰ 'Hot spot' উত্তৰ পূৰ্বাঞ্চলত বন্য উদ্ভিদ সংৰক্ষণ কৰাটো সময়ৰ আহ্বান। আনহাতে ঔষধি উদ্ভিদৰ খেতিয়ে উপাৰ্জন আৰু নিযুক্তি বৃদ্ধিত সহায় কৰিব। বনৌষধি গছ-গছনিৰ প্ৰতি জনসাধাৰণৰ সজাগতা আৰু সাধাৰণ জ্ঞান বৃদ্ধি হোৱাৰ লগতে নিজৰ স্বাস্থ্য নিজে কম খৰচতে বা বিনা খৰচতে ঘৰতেই সহজে গঢ়ি তুলিব পাৰিব লগতে এনে গছ-গছনি ৰোপনৰ ফলত প্ৰদূষণ নিৰ্মূল হোৱাত যথেষ্ট সহায়ক হ'ব।

প্ৰবন্ধ

## -ঃগণিত শিক্ষাৰ ক্ষেত্ৰত ছাত্ৰ-ছাত্ৰীৰ দুৰ্বলতাঃ-

নিপুন চন্দ্ৰ শইকীয়া
প্ৰৱক্তা, গণিত বিভাগ

গণিত শিক্ষাৰ ক্ষেত্ৰত আমি বহুতো খুটি নাটি ত্ৰুটি-বিচ্যুতি দেখা পাওঁ। গণিত শিকাৰৰ বাবে উপযুক্ত শিক্ষকৰ অতিকৈ প্ৰয়োজন আৰু উপযুক্ত হ'বৰ বাবে উপযুক্ত প্ৰশিক্ষণৰ নিতান্ত প্ৰয়োজন। সামাজিক যোগ্যতা গঢ় কৰি তোলাই শিক্ষাৰ প্ৰকৃত লক্ষ্য। গতিকে সামাজিক ভাৱে যোগ্য ব্যক্তিয়ে সমসাময়িক সমস্যা আনি দূৰ কৰিব পাৰে।

বেদান্ত জ্যোতিষত আছে- "গণিতম মূৰ্ধনি স্থিতম" গাণিতিক জ্ঞান নথকা মানুহৰ বাবে গণনা সূচক কথাৰ ব্যৱহাৰিক মূল্য নাই। বিজ্ঞানমুখী জনজীৱনত গণিত বা গাণিতিক চিন্তাধাৰা হৈ পৰিছে নতুন সৃষ্টি। যিকোনো এখন আঁচনি প্ৰস্তুত কৰোঁতে প্ৰথমতে দৰকাৰ গাণিতিক চিন্তাধাৰাৰ। গণিতৰ জ্ঞান মগজুত এবাৰ সোমালে ই কোনোমতে নোলায়। অৱশ্যে শিক্ষাৰ সফলতা বিফলতা গোটেই বস্তুটো নিৰ্ভৰ কৰিব ছাত্ৰ-ছাত্ৰীৰ ওপৰতহে। কিন্তু বৰ্তমান সময়ত এই বিষয়টো বেছিভাগ ছাত্ৰ-ছাত্ৰীৰ বাবে বোজা হৈ পৰা দেখা যায়। ভাল ছাত্ৰ দুই চাৰিজনে সহজে গ্ৰহণ কৰে আৰু বেছিভাগ ছাত্ৰই বিষয়টো তিতা পায়। ফলত বিষয় ভিত্তিক আস্থা হেৰুৱাই পেলায়।

গণিত শিক্ষাৰ ক্ষেত্ৰত ছাত্ৰ-ছাত্ৰীৰ দৈন্যদশাৰ প্ৰতি লক্ষ্য ৰাখি আমি দুটা শ্ৰেণীৰ ছাত্ৰ-ছাত্ৰী দেখিবলৈ পাওঁ, এটা হ'ল সবল আৰু আনটো দুৰ্বল। ব্যক্তি বিশেষৰ ক্ষেত্ৰত এই নিয়মৰ তাৰতম্য ঘটিলেও, যদি আমি বহুল পৰিসংখ্যাৰ ভিত্তিত কথাটো চালি জাৰি চাওঁ, এই কথাৰ সত্যতা নিশ্চয় পোৱা যাব। ইয়াৰ ক'ত খুটি নাটি ত্ৰুটি-বিচ্যুতি আছে তাৰ প্ৰতিকাৰ বিচাৰি পৰীক্ষা নিৰীক্ষা চলালে ভুলটো নিশ্চয় পোৱা যাব।

গণিত বিষয়ত দুৰ্বলতা সাধাৰণতে দুটা কাৰণত হ'ব পাৰে- ১) যিবিলাক ছাত্ৰ-ছাত্ৰী সাধাৰণতঃ দুৰ্বল আৰু সকলো বিষয়তে পিচপৰা তেনেবিলাক ছাত্ৰ-ছাত্ৰীৰ অক্ষমতাত কম বুদ্ধ্যংকৰ দোষ সন্নিবিষ্ট। ২) বিশেষ কাৰণ বশতঃ দুৰ্বলতাঃ সেইবিলাক ছাত্ৰ-ছাত্ৰীৰ বোধ শক্তিৰ অভাৱ, অমনোযোগিতা, ঘৰুৱা পৰিবেশ, পাঠ্যপুথিৰ অভাৱ, শ্ৰেণীত অনিয়মিত ইত্যাদি।

দুৰ্বল ছাত্ৰ-ছাত্ৰীক আমি গণিত শিকাবলৈ যাওঁতে কিছুমান দিশ লক্ষ্য কৰিলে আচল চিত্ৰ আমাৰ চকুত ভাঁহি উঠে।



Scanned with CamScanner

যেনেঃ-

১) অমনোযোগিতা।

২) স্মৃতি শক্তি কম।

৩) অকৃতকাৰ্য্য হোৱাৰ ভয়।

৪) শিক্ষনীয় পাঠ সহজে বুজিব নোৱাৰা।

৫) বিষয়ৰ প্ৰতি অনীহা আৰু কিছুমানৰ আত্ম বিশ্বাসৰ অভাৱ ইত্যাদি।

শাৰীৰিক অসুস্থতাৰ বাবে অৰ্থাৎ দৃষ্টি শক্তিৰ দুৰ্বলতা, শ্ৰৱণৰ দুৰ্বলতা, স্থায়ী পেটৰ অসুখ, মূৰৰ বিষ আদি শাৰীৰিক অসুখও ছাত্ৰ-ছাত্ৰীৰ ক্ষেত্ৰত প্ৰভাৱ পৰে। যেহি সময় ধৰি মনোনিবেশ কৰিব নোৱাৰিলে গণিত বিষয়টো দুৰ্বোধ্য হৈ পৰে। সেইবাবে উপযুক্ত চিকিৎসা, নিয়মিত ব্যায়াম ইয়াৰ বাবে একমাত্ৰ উপায়। নিম্ন বুদ্ধি, মানসিক অসুখ, অশান্তি, ঘৰুৱা সমস্যা, আদিও উন্নতিৰ প্ৰতিবন্ধক হ'ব পাৰে। সহানুভূতি আৰু মৰমৰ ভাবেৰে শিক্ষক আৰু অভিভাৱকে এনে ৰোগ নিৰাময় কৰিব পাৰে। ৰোগ কঠিন অৱস্থা প্ৰাপ্ত ছাত্ৰ-ছাত্ৰীৰ বেলিকা মানসিক চিকিৎসকৰ দিহা পৰামৰ্শ লোৱাটো অত্যন্ত প্ৰয়োজনীয়। ঘৰুৱা কু- প্ৰভাৱো গণিত শিক্ষাৰ বাবে প্ৰতিবন্ধক। ঋনাত্মক অৰ্থাৎ Negative পৰামৰ্শৰ পৰা ছাত্ৰ-ছাত্ৰীৰ মনত কু ভাৱ জন্মে। বহুত প্ৰাপ্ত বয়স্ক লোকে গণিত বিষয় টান বুলি মন্তব্য কৰে আৰু এয়া ছাত্ৰছাত্ৰীৰ বাবে ক্ষতিকাৰক। এই দোষ ক্ৰটি আঁতৰাবলৈ সামাজিক দায়িত্ববোধ থকাটো নিত্যান্তই প্ৰয়োজনীয়। আজিকালি অভিভাৱকক সচেতন কৰি তুলিবলৈ মাজে সময়ে জনপ্ৰিয় বক্তিতামালা, গণিত কৰ্মশালা আদিৰ আয়োজন কৰি অহা হৈছে।

ইয়াৰ উপৰিও গণিতত দুৰ্বল হোৱাৰ আৰু কাৰণ থাকিব পাৰে। যেনে- নিয়মিত পাঠদান বা অনুশীলনী স্কুলত শিকোৱাৰ পাচতো ছাত্ৰ-ছাত্ৰীয়ে নকৰাটো পৰিলক্ষিত হয়। গণিত বা বিজ্ঞান শিক্ষা আহৰণৰ বাবে শ্ৰেণীত নিয়মীয়া হোৱাটো নিতান্ত প্ৰয়োজনীয়। শ্ৰেণীত পঢ়োৱা বিষয়ৰ মাজৰ কোনো অংশ বৈ গ'লে পাচৰ অংশটো বুজিবলৈ জটিল হৈ পৰে। গতিকে অভিভাৱকে ইয়াৰ ক্ষেত্ৰত সচেতন হোৱাটো আৱশ্যক। ইয়াৰ বাহিৰেও দোষযুক্ত শিক্ষনৰীতি, পাঠ্যপুথিৰ ক্ৰটি, উপযুক্ত পাঠ্যক্ৰমৰ অভাৱ, পৰিৱেশৰ প্ৰভাৱ আদিয়ে গণিত বিষয়ৰ ওপৰত অনিহা জন্মায়। ফলত গণিত বিষয়ত দুৰ্বল হোৱা দেখা যায়।

গণিত বিষয়টোয়ে শিক্ষক আৰু ছাত্ৰ-ছাত্ৰীৰ মাজত যদিহে যোগসূত্ৰ ভালদৰে স্থাপন কৰিব নোৱাৰে, তেনে ক্ষেত্ৰত ছাত্ৰ-ছাত্ৰীৰ ক্ষতি হোৱাটো স্বাভাৱিক। শিক্ষকে ধৈৰ্য্য আৰু সহানুভূতি ৰে দুৰ্বল ছাত্ৰৰ সমস্যা সমাধান কৰিব লাগিব। যিহেতু শিক্ষকজন হ'ল ছাত্ৰ-ছাত্ৰীৰ বাবে, "Friend, Philosopher & Guide" গতিকে উপযুক্ত শিক্ষনৰ দ্বাৰা গণিত প্ৰীতি সৃষ্টি কৰি, শিক্ষনীয় পাঠ হৃদয়ঙ্গম কৰাই যাতে ছাত্ৰ-ছাত্ৰীয়ে ধৈৰ্য্যেৰে জ্ঞান আয়ত্ব কৰিব পাৰে তাৰ বাবে তৎপৰ হ'ব লাগে। শ্ৰেণীত এটা সুস্থ পৰিৱেশ সৃষ্টি কৰিব লাগে যাতে- গণিতত দুৰ্বল ছাত্ৰয়ো শিকিবলৈ আগ্ৰহী হয়।

গণিত বিষয়টো সাম্প্ৰতিক কালত শিক্ষক, ছাত্ৰ-ছাত্ৰী আৰু আগ্ৰহী সকলৰ প্ৰচেষ্টাত সময়ৰ লগত খাপ খাই আগ বাঢ়িছে। আশা কৰিব পাৰো সকলোৰে মিলিত প্ৰচেষ্টাৰ ফলত ই মৰুভূমিৰ দৰে ৰসহীন নহৈ এক সজীৱ ৰসাল ভূমিত পৰিণত হ'ব।

পশ্চিম আজি খুলিয়াছে দ্বার,
সেথা হতে সবে আনে উপহার,
দিবে আর নিবে, মিলাবে মিলিবে,
যাবেনা ফিরে-
এই ভারতের মহামানবের
সাগর তীরে।

*(– গীতাঞ্জলী) বিশ্বকবি রবি ঠাকুর।*



Scanned with CamScanner



# কাগজঃ উৎপত্তি আৰু উদ্যোগীকৰণঃ

দীনেশ চন্দ্ৰ কলিতা
*প্ৰৱক্তা, ৰসায়ন বিজ্ঞান বিভাগ*

আধুনিক জীৱনত কাগজ এবিধ প্ৰাথমিক প্ৰয়োজনীয় সামগ্ৰী। এখন দেশত বছৰি ব্যৱহৃত কাগজৰ পৰিমাণে দেশখনৰ সভ্যতাৰ সূচনা দাঙি ধৰে। সভ্যতাৰ প্ৰাক্‌মুহূৰ্তৰ পৰা মানুহে মনৰ ভাৱ কথাবোৰ লিপিবদ্ধ ৰূপত প্ৰকাশ কৰিবলৈ আহৰহ চেষ্টা চলাই অহাৰ ফলশ্ৰুতিত এটা সময়ত মাটিৰ ফলিত, শিলত কাটি অথবা গছৰ বাকলি আদিত লিখাৰ কৌশল উদ্ভাৱন কৰে।

পণ্ডিত সকলে অনুমান কৰা মতে কাগজৰ ইতিহাসত প্ৰায় খৃঃ পূঃ ৩৫০০ মানত প্ৰাচীন মিচৰত প্ৰথমে কাগজ আৱিষ্কাৰ হৈ ছিল। প্ৰাচীন মিচৰৰ নীল নদীৰ পাৰত প্ৰাকৃতিকভাৱে প্ৰচুৰ পৰিমানে "পেপিৰাছ" নামৰ এবিধ উদ্ভিদ হৈছিল। সেই সময়ত তাৰ বাসিন্দাসকলে এই পেপিৰাছ উদ্ভিদ কাটি আনি ৰ'দত শুকুৱাই তাৰ পৰা আঁহ উলিয়াই সমতলীয় পিঠিত পাৰি লৈ ওজন থকা মিহি বস্তুৰে হেঁচা প্ৰয়োগ কৰি মিহি পৃষ্ঠ বনাই লৈ সেইবোৰত লিখিব পৰা ব্যৱস্থা কৰি লৈছিল। এইদৰে লিখিবৰ বাবে ব্যৱহাৰ কৰা পৃষ্ঠবোৰ যিহেতু প্ৰথমে "পেপিৰাছ" উদ্ভিদৰ পৰা বনোৱা হৈছিল; সেই হিচাপে ইংৰাজী ভাষাত 'পেপিৰাছ' নামৰ পৰা "পেপাৰ" (Paper) তথা 'কাগজ' নামৰ উৎপত্তি হয় বুলি বিবেচনা কৰা হয়।

ইয়াৰ সমসাময়িক কালত চীন দেশত, সেই দেশৰ ছাইলুন নামৰ ৰাজ কৰ্মচাৰী এজনে, 'মালবৰী' বা তুঁত গছক প্ৰধান উপাদান হিচাপে লৈ তাৰ লগত মাছ ধৰাত ব্যৱহৃত জীৰ্ণজাল, পুৰণি নেচা, শণ আদি মিহলাই থেতেলিয়াই ৰস উলিয়াই ৰ'দত শুকুৱাই লৈ সমতলীয় পিঠিত পাৰি লৈ ওজন থকা মিহি বস্তুৰে হেঁচা প্ৰয়োগ কৰি মিহি পৃষ্ঠ তৈয়াৰ কৰি লিখা কামত ব্যৱহাৰ কৰিছিল।

৭৫৯ খৃঃত চীন দেশৰ পৰা মধ্য এছিয়াত কাগজৰ প্ৰৱেশ ঘটে। ত্ৰয়োদশ শতিকাত এছিয়া মহাদেশৰ পৰা ইউৰোপ মহাদেশলৈ কাগজৰ প্ৰচলন বিস্তাৰিত হয়। বিশেষকৈ সেই সময়ত স্পেইন, ইটালি, ফ্ৰান্স, জাৰ্ম্মানি আদি দেশত কাগজৰ প্ৰচলন অভূতপূৰ্ব ভাৱে ঘটে। কাগজ আৱিষ্কাৰ হোৱাৰ লগে লগে কাগজৰ গুণগত মান আৰু কাগজ তৈয়াৰ কৰাৰ উন্নত কৌশল সম্বন্ধে বিভিন্ন দেশত চিন্তা চৰ্চা চলিবলৈ ধৰে।

য়ুৰোপৰ স্পেইনত সৰ্বপ্ৰথম কাগজ কল স্থাপন হৈছিল। স্পেইনত কাগজ কল স্থাপন হোৱাৰ পূৰ্বে হাতে বনোৱা পদ্ধতিৰে কাগজ তৈয়াৰ কৰা হৈছিল। হাতে বনোৱা পদ্ধতিত কেঁচা সামগ্ৰী হিচাপে ব্যৱহাৰ কৰা ফটা কাপোৰ, শণ আদি টুকুৰা টুকুৰ কৰি কাটি লৈ ক্ষাৰত সিজাই লৈ প্ৰথমে থুপথুপীয়া মণ্ড (Pulp) তৈয়াৰ কৰা হয়। এই মণ্ডবোৰ পানীৰে ধুই পৰিষ্কাৰ কৰি লৈ বিশেষ আকৃতিৰ ক্ষুদ্ৰ ক্ষুদ্ৰ ছিদ্ৰযুক্ত চেকনীৰে ছেঁকি পানী গিনি আঁতৰাই লৈ মণ্ড খিনিক ৰ'দত শুকুৱাই লৈ কাগজ প্ৰস্তুত কৰা হয়। কিন্তু এইদৰে হাতে বনোৱা কাগজৰ গুণগত মান উন্নত কৰাৰ গুৰুত্ব উপলব্ধি কৰি স্পেইনৰ কাগজ কলৰ আৰ্হিতে লাহে লাহে য়ুৰোপৰ আন আন দেশ বোৰতো কাগজ কল প্ৰতিষ্ঠা হ'বলৈ ধৰিলে, কিন্তু উপযুক্ত প্ৰযুক্তিৰ অভাৱত অষ্টাদশ শতিকা পৰ্যন্ত কেৱল ফটা কাপোৰৰ পৰা পোৱা আঁহ আৰু সূতাৰ আঁহকেই কাগজ উৎপাদনৰ প্ৰধান উপাদান হিচাপে ব্যৱহাৰ কৰিব লগীয়া হৈছিল। উনবিংশ শতিকাত যেতিয়া জাৰ্মানত প্ৰথমে কাঠফলা ক'ল আৱিষ্কৃত হয় তেতিয়াৰ পৰা কাগজ প্ৰস্তুত কৰাত যথেষ্ট সহায়ক হয়, কাৰণ কিছুমান বিশেষ কাঠৰ টুকু ৰাও কাগজ প্ৰস্তুতিৰ কেঁচা সামগ্ৰী হিচাপে ব্যৱহাৰ কৰাত কাগজৰ উৎপাদন যথেষ্ট বৃদ্ধি কৰিব পৰা হয়। ইয়াৰ পৰা প্ৰায় ৩০ বছৰ পাছত ৰাসায়নিক মিশ্ৰণ প্ৰয়োগ কৰি কেঁচা সামগ্ৰীৰ পৰা উপযুক্ত গুণগত মানৰ মণ্ড তৈয়াৰ হ'বলৈ ধৰে। ১৮৫২ চনত ইংলেণ্ডত কাঠক কেঁচা সামগ্ৰী হিচাপে ব্যৱহাৰ কৰি কাঠৰ টুকুৰাবোৰ গুৰি কৰি ছ'ডাৰে (NaOH) সিজাই কাঠৰ মণ্ডৰে প্ৰস্তুত কৰা কাগজ উৎপন্ন হয়। ১৮৫৭ খৃঃত ছালফাইড ($Na_2S$) পাল্প (Pulp) পদ্ধতিৰে কাগজ উৎপাদন আৰম্ভ হয়। ১৮৮৪ চনত জাৰ্মানিৰ দানজিক চহৰত কাৰ্ল এফ ডলে ছালফেড ($Na_2SO_4$) পাল্প পদ্ধতিৰে কাগজ উৎপাদন আৰম্ভ কৰে।

কাগজ ক'ল স্থাপনৰ প্ৰাৰম্ভনিতে মানৱ শক্তি ব্যৱহাৰ কৰি মেছিনবোৰ ঘূৰোৱা মেলা কৰা হৈছিল যদিও বিজ্ঞান প্ৰযুক্তিৰ বিকাশৰ লগে লগে ক্ৰমে মেছিনবোৰ মানৱ শক্তিৰ পৰা ভাপ ইঞ্জিন আৰু বৈদ্যুতিক শক্তি ব্যৱহাৰৰ যোগেদি মেছিন চলাই কাগজ তৈয়াৰ কৰাৰ কৌশল উদ্ভাৱন হয়।

"FOURDRINIER MACHINE", "CYLINDER MOULD MACHINE" (England) আদি আধুনিক মেছিনৰ আৱিষ্কাৰৰ লগে লগে উন্নত মানৰ অধিক উৎপাদনৰ কাগজ তৈয়াৰ হ'বলৈ ধৰিলে। এই মেছিনবোৰ ওলোৱাৰ পৰা কাগজ তৈয়াৰীৰ বাবে ব্যৱহাৰ কৰা উপযুক্ত দৈৰ্ঘৰ আঁহ যুক্ত কেঁচা সামগ্ৰী যেনেঃ কাঠ, (ইউকেলিপ্টাছ) বাঁহ, নল, ধানখেৰ, নাৰিকলৰ বাকলিৰ আঁহ, কুহিয়াৰৰ জাবৰি, ইকৰা আদি উপযুক্ত দৈৰ্ঘ্যত কাটি নিৰ্দিষ্ট জোখৰ চালনীত ঢালি লৈ টুকুৰাবোৰ উপযুক্ত চাপ, তাপ আৰু সময়ৰ ব্যৱধানত থকা ঢাকনৰ আবদ্ধ পাত্ৰত (Digestes)

ভৰাই ভাপ (Steam) প্ৰয়োগ কৰি ক্ষাৰেৰে নিৰ্দিষ্ট সময়লৈকে সিজাই মণ্ড প্ৰস্তুত কৰা হয়। মণ্ডবোৰ পানীৰে ধুই ক্ল'ৰিণ ($Cl_2$) ক্ল'ৰিণ ডাই অকাইড আদিৰে ব্লিচিং কৰি উপযুক্তভাৱে উজ্জ্বল কৰি (Adequate Brightness) লোৱা হয় আৰু এই মণ্ডবোৰ ওপৰত উল্লেখিত বিভিন্ন আধুনিক মেচিনত ভৰাই লৈ কাগজ প্ৰস্তুত কৰা হয়।

স্পেইন, চুইডেন, জাৰ্মানি, ইংলেণ্ড, আমেৰিকা আদিৰ লগতে বৰ্ত্তমান বাচিয়াতো অত্যাধুনিক প্ৰযুক্তিৰে কাগজ তৈয়াৰ কৰা হয়। আমাৰ দেশ ভাৰতবৰ্ষতো কাগজ শিল্পৰ ইতিহাস অতি পুৰণি। আজিৰ পৰা প্ৰায় হেজাৰ বছৰ পুৰ্বেই আমাৰ দেশত হাতে বনোৱা কাগজৰ উদ্ভাৱন হৈছিল। স্বাধীনতাৰ পিছত ভাৰতবৰ্ষৰ উদ্যোগনীতিয়ে কাগজ শিল্পক সামৰি লোৱাৰ ফলত ব্যক্তিগত খণ্ডৰ উপৰিও চৰকাৰী খণ্ডতো কাগজ উদ্যোগ গঢ়ি উঠিবলৈ ধৰে। আমাৰ দেশত প্ৰথম কাগজ ক'ল প্ৰতিষ্ঠা হয় পশ্চিমবঙ্গৰ শ্ৰীৰামপুৰত, আৰু পিছত

টিটাগৰ পেপাৰ মিল (পশ্চিম বঙ্গ)
বোটাচ পেপাৰ মিল (বিহাৰ)
অৰিয়েন্টেল পেপাৰ মিল (মধ্যপ্ৰদেশ)
ষ্টাৰ পেপাৰ মিল (চাহাৰাণপুৰ, উত্তৰপ্ৰদেশ)
মান্দিয়া নিউজ প্ৰিণ্ট (কৰ্ণাটক)
অশোক কাগজ ক'ল (অসম আৰু বিহাৰ)

আদি বহুতো লঘু আৰু গুৰু কাগজ উদ্যোগ গঢ়ি উঠে। ইয়াৰ উপৰি আমাৰ দেশত উপযুক্ত পৰিমাণে থকা প্ৰাকৃতিক উৎস আৰু কাগজৰ চাহিদাৰ ওপৰত গুৰুত্ব আৰোপ কৰি ৰাজহুৱা খণ্ডত "Hindustan Paper Mills Ltd." নামৰ কেন্দ্ৰীয় চৰকাৰৰ তত্বাৱধানত খোলা প্ৰতিষ্ঠানটোৰ যোগেদি,

Nagaland Paper Mills Ltd. (Tuli, Nagaland)
Kerela News Print Ltd. (Kerela)
Nowgaon Paper Mills Ltd. (Jagiroad, Morigaon, Assam)
Cachar Paper Mills Ltd. (Panchagram, Cachar, Assam)

আদি বহুকেইখন কাগজ ক'ল ইতিমধ্যে স্থাপিত হৈছে। আনহাতেদি পশ্চিমীয়া দেশবোৰৰ লগতে আমাৰ দেশৰ কাগজ কল সমুহতো উন্নত মানৰ বিদেশী যন্ত্ৰ পাতিৰ লগতে কম্পিউটাৰ পদ্ধতিৰ ব্যৱহাৰে কাগজ উদ্যোগৰ প্ৰসাৰতা বৃদ্ধি কৰি আহিছে আৰু আমাৰ দেশত উৎপাদিত কাগজে বিশ্বৰ বজাৰত গুণগত দিশত ফেৰ মাৰিবলৈ সক্ষম হৈছে, লগতে দেশৰ কাগজৰ চাহিদা পূৰণ কৰি বৈদেশিক মুদ্ৰাৰ ভৰাঁল টনকিয়াল কৰিবলৈ সমৰ্থ হৈছে।

********************

### মহৎ লোকৰ সাৰুৱা কথা

"সংসাৰত গাৰ বলেৰে বা শক্তিৰে সংগ্ৰহ কৰিব নোৱাৰা বস্তু 'জ্ঞান'। জ্ঞান আৰ্জিবলৈ লাগে একমাত্ৰ অধ্যয়ন।" — জনছন।

"ৰাম আৰু ৰহিম একেই ঈশ্বৰৰ দুটি ভিন্ন নাম" — কবীৰ।

"এখন ভাল কিতাপ সকলো বন্ধুতকৈ আপোন। বন্ধুসকল গুচি গলেও কিতাপখন কিন্তু চিৰকাললৈ থাকে।" — ডঃ বাণীকান্ত কাকতি।

"অধ্যয়নে মানুহক পূৰ্ণ কৰি তোলে আৰু লিখাৰ অভ্যাসে মানুহক অতিমানবীয় মৰ্য্যাদা প্ৰদান কৰে।" — ৰুছো।

"স্বদেশ আৰু স্বজাতিৰ উন্নতিৰ মঙ্গল মন্দিৰৰ সিংহ দুৱাৰ হৈছে মাতৃভাষা।" — লক্ষ্মীনাথ বেজবৰুৱা।

"যাৰ অন্তৰত সংগীত নাই তেওঁক বিশ্বাস কৰিব নোৱাৰি।" — প্লেটো।

সংগ্ৰহ :
মিছ ঝুনু পাটোৱাৰী
স্নাতক প্ৰথম বৰ্ষ



Scanned with CamScanner



# "বিজ্ঞান; বিশ্বাস আৰু আমি"

সূৰ্য কলিতা
*প্ৰৱক্তা, উদ্ভিদ বিজ্ঞান বিভাগ*

আমি আমাৰ শৈশৱৰ আটাইবোৰ কথা মনত পেলাব নোৱাৰিলেও আমাৰ পৰিয়ালবোৰত ডাঙৰ দীঘল হৈ থকা শিশুবোৰৰ শৈশৱ নিবিড়ভাবে প্ৰত্যক্ষ কৰাৰ সুবিধা পাওঁ। মুখত প্ৰথম মাত ফুটাৰ পৰা আৰম্ভ কৰি আমাৰ হকা-বাধা, সম্মতি আদি বুজি পোৱা হোৱালৈ বিভিন্ন পৰ্য্যায়বোৰ প্ৰয়োজনত মনৰ পৰ্দালৈ পুনৰ আনিব পৰাকৈ সাঁচ বহি আছে। ক্ৰমান্বয়ে ডাঙৰবোৰক অনুকৰণ কৰি শিশুবোৰে তাৰ চাৰিওফালৰ বস্তু-বস্তু আৰু পৰিবেশ অধ্যয়ন কৰা আৰম্ভ কৰে। শিকি গৈ থাকে কৰিবলগীয়া আৰু কৰিব নলগীয়া কথা, কাম, আচাৰ আৰু অনুষ্ঠানৰ বিষয়ে। এইবোৰে কৈশোৰ আৰু যৌৱনত পূৰ্ণতাগ ৰূপ পায়। এই সময়চোৱাতেই নিজৰ বুদ্ধি বৃত্তি, বিচাৰ-বিবেচনা ইত্যাদি মানসিক জগতখনত জ্ঞান আহৰণৰ এক শক্তিশালী উপাদানত পৰিণত হলেও ইতিমধ্যে শিকি পেলোৱা বহুত কথা মনৰ মাজত উলিয়াব নোৱাৰাকৈ সোমাই পৰে। নতুন কথা কিছুমান আয়ত্বলৈ অনা যিমান কঠিন আগতে শিকি অহা কথাবোৰ মনৰ পৰা আঁতৰাই পেলোৱা তাতকৈও কঠিন। নতুন অভিজ্ঞতাৰ ভিত্তিত ইতিমধ্যে শিকি অহা কিছুমান কথাই তাল-মিল ৰক্ষা কৰি চলিব পাৰে, আন কিছুমানে নোৱাৰা হৈ পৰে। নোৱাৰাবোৰৰ উত্তৰ বিচৰাটো কিছুমানে জীৱনত কৰিবলগীয়া কামবোৰৰ ভিতৰত স্থান দিয়ে আন কিছুমানে "হৈ যাব, চলি যাব, আমাৰ বোপা ককা চলি গ'ল" এই ধাৰণা পোষণ কৰে।

উত্তৰ বিচৰা এই প্ৰক্ৰিয়াটোৰ আৰম্ভণি হিচাপে কি, কিয়, কেনেকৈ, ক'ত আদিৰে জীৱন জীজ্ঞাসা আৰম্ভ হয়। ব্যক্তি এজনে পৰিবেশৰ পৰা যিমানে এই প্ৰশ্নকেইটা কৰাৰ ক্ষেত্ৰত উৎসাহ পায় সিমানে ব্যক্তিজনৰ অনুসন্ধিৎসু মন এটাই গঢ় লোৱাত সহায়ক হয়। ব্যক্তিৰেকে হৈ থকা, দেখি থকাবোৰকে জীৱনৰ আদি আৰু শেষ বুলি ভাবিবলৈ লয়। বিভিন্ন প্ৰাকৃতিক পৰিঘটনা, জীৱনৰ বিভিন্ন ক্ষেত্ৰত থকা অনিশ্চয়তা আৰু অসহায় অৱস্থা সমুহৰ পৰা বাচি বাচি সাৰ পানী লৈ প্ৰশ্ন কৰিবলৈ মন নোযোৱা মনবোৰ লহ-পহকৈ বাঢ়ি থাকে। সামান্য ব্যতিক্ৰম হলেও বিৰক্ত হৈ উঠে। যেনেপেৰি পাতি ধৰি বিভিন্ন কৌশলেৰে নিজ পক্ষ সমৰ্থনৰ বাবে যুদ্ধ ক্ষেত্ৰত নামি পৰে। পুৰণি এই যুঁজখনত বহুত আধুনিক অস্ত্ৰ ব্যৱহাৰ কৰি গৈ থাকে। অতীত মুখীতাৰ বাবে আজিৰ সকলো কথাতেই অতীতৰ প্ৰচ্ছায়াই তেওঁলোকৰ মনবোৰ আচ্ছন্ন কৰি ৰাখে।

ওপৰৰ আলোচনাৰ পৰা আমি আমাৰ পৰিবেশটোৱে আমাৰ মনোজগতত সৃষ্টি কৰা ক্ৰিয়াৰ বিষয়ে অনুমান কৰিব পাৰোঁ। মাটি, পানী, বায়ু, দিন-ৰাতিকে ধৰি বিভিন্ন প্ৰাকৃতিক পৰিঘটনা, ক্ষুদ্ৰ এককোষী জীৱৰ পৰা তিমি মাছলৈ, জুইৰ পৰা আৰম্ভ কৰি কৃত্ৰিম উপগ্ৰহলৈ অলেখ আৱিষ্কাৰ আদিয়ে আমাৰ পৰিবেশ ৰচনা কৰিছে। আদিম মানৱে আগ ভৰি দুখন খোজ কৰাৰ সলনি কিম্বা কিবি কৰিবলৈ হাত হিচাপে ব্যৱহাৰ কৰিবলৈ শিকাৰ পৰা আৰম্ভ কৰি এক সুদীৰ্ঘ পৰিক্ৰমাৰ অন্তত পৰিবেশত পোৱা উক্ত বিভিন্ন উপাদানৰ সময় সাপেক্ষ ধাৰণা লৈ আগবাঢ়ি, বৰ্বৰ আৰু অসভ্য অৱস্থা অতিক্ৰমি আজিৰ অৱস্থাত উপনীত হৈছে। পৃথিৱীৰ নিৰ্দ্দিষ্ট কিছুমান অঞ্চলত থকা বৰ্বৰ অসভ্য ৰূপৰ জনগোষ্ঠীবোৰেই ইয়াৰ প্ৰমাণ। কিহৰ বাবে বা কাৰ নিয়ন্ত্ৰণত ই সম্ভৱ হ'ল? নে জীৱন-জীৱিকাৰ তাড়নাই ইয়াৰ মূল? বিভিন্ন প্ৰাকৃতিক দুৰ্যোগ আৰু হিংস্ৰ জীৱ-জন্তুৰ পৰা নিজকে নিৰাপদে ৰাখিবলৈ কৰা চেষ্টা আৰু খাদ্য বস্তুৰ সন্ধানেই ই সম্ভৱ কৰি তুলিছে। এই সুদীৰ্ঘ যাত্ৰা পথত উপলব্ধ অভিজ্ঞতাৰে সময় সাপেক্ষে বিভিন্ন আচাৰ; অনুষ্ঠান, বিশ্বাস, শিল্প, উদ্যোগৰ সৃষ্টি কৰি আহিছে, প্ৰয়োজনত পৰিহাৰ কৰিছে বা সংবৰ্দ্ধন কৰি লৈছে। মানৱ সভ্যতাৰ ইতিহাসত সোণালী আখৰেৰে লিপিবদ্ধ হৈ আছে। পৰিহাৰ কৰা আৰু কৰিবলগীয়া আচাৰ, অনুষ্ঠান আৰু বিশ্বাসবোৰৰ প্ৰতি আমাৰ মাজৰ অন্ধ প্ৰীতি বা আবেগিক মোহ থাকিব নালাগিব। আৰু যদি আছে আমি যিমানেই প্ৰতিভাশালী নহওঁ কিয় অন্ধবিশ্বাসী হ'বলৈ বাধ্য। সংবৰ্দ্ধিত আচাৰ, অনুষ্ঠান আৰু বিশ্বাসবোৰে সময়ৰ কষটি শিলত ঘহঁনি খাই প্ৰকৃতিৰ ৰহস্যৰ দুৱাৰবোৰ ইখনৰ পাছত সিখন খুলি আগবাঢ়ি আহি আছে। এই যাত্ৰাপথত নিজৰ মাটিৰ সাৰপানী লৈ আগবঢ়া সভ্যতাবোৰে থমকি ৰ'ব লগীয়া হোৱা নাই। যিবোৰ জাতিৰ ওপৰত এইবোৰ প্ৰভাৱ পৰিছে সেইবোৰৰ বিকাশ বিঘ্নিত হৈছে আৰু বিকাশৰ প্ৰক্ৰিয়াটোকহে দোষাৰোপ কৰা দেখা গৈছে।

ঐতিহাসিক এই যাত্ৰাপথত জীৱন-জীৱিকাৰ তাড়নাত সময় সাপেক্ষে গতিশীল সত্যতা নিৰূপণেৰে, প্ৰধানকৈ উৎপাদনৰ লগত জড়িত প্ৰক্ৰিয়া সমূহত লাভ কৰা অভিজ্ঞতাই হ'ল বিজ্ঞান। বস্তুনিষ্ঠ পৰ্য্যবেক্ষণ, প্ৰাসঙ্গিক তথ্য সংগ্ৰহ আৰু তত্ত্ব উদ্ভাৱন এই তিনিটা বিজ্ঞানৰ মূল কথা। উদ্ভাৱিত তত্ত্বটো পুনৰ পৰীক্ষাসিদ্ধ হলেহে তাক গ্ৰহণ কৰা নহলে পৰিহাৰ কৰা হয়, লাগিলে যিমানেই প্ৰতিভাশালী ব্যক্তিৰ দ্বাৰা উদ্ভাৱিত নহওক কিয়। তত্ত্বটো এবাৰ সত্য হলেই ই চিৰকাললৈ অপৰিবৰ্ত্তিত হৈ থাকিব বুলিও কোনো কথা নাই। নতুন অভিজ্ঞতা আৰু তথ্য পাতিৰ ভিত্তিত ইয়াৰ সালসলনি ঘটি থাকিব। নতুন তত্ত্বই পুৰণি তত্ত্বক নস্যাৎ কৰি নেপেলায়- ই



Scanned with CamScanner

পুৰণি তত্ত্বটোৰ প্ৰায়োগিক ক্ষেত্ৰ আগতকৈ বেছি বহল আৰু গভীৰতৰ কৰি তোলে। পুৰণি তত্ত্ব পুনৰ্গ্ৰীত সযতনে সংৰক্ষিত হৈ থাকে। তথ্য সংগ্ৰহৰ ক্ষেত্ৰত নিজৰ পূৰ্ব্ব ধাৰণা মতে নিজে ভালপোৱা তথ্যবোৰহে সংগ্ৰহ কৰিব বাকীবোৰ প্ৰয়োজনীয় হলেও বৰ্জন কৰিব-সেইটো হব নোৱাৰিব। সমাজ, সাহিত্য, সংস্কৃতি আদিৰ আলোচনা-সমালোচনাৰ ক্ষেত্ৰতো আলোচকে নিজৰ ব্যক্তিগত খেয়াল খুচি, ৰাগ-অনুৰাগ, সন্তুষ্টি-বিতুষ্টিৰ প্ৰশ্নটো এৰাই চলিব পাৰিলেই ই বস্তুনিষ্ঠ নিৰ্মোহ হবলৈ বাধ্য। মানৱীয় অনুভূতিৰ লগত ওতঃপ্ৰোতভাবে জড়িত বিষয় বোৰৰ আলোচনা সমালোচনাক নিজৰ ব্যক্তিগত সীমাবদ্ধতাৰ পৰা উৰ্দ্ধত ৰখাটো অতি কঠিন কাম যদিও অসম্ভৱ নহয়; মাত্ৰ বাস্তৱ অভিজ্ঞতাৰ ভিত্তিত তথ্য আৰু যুক্তি প্ৰয়োগ কৰিব লাগিব, মনোধৰ্মী ভাবে নহয়। বাস্তৱ জগতখনৰ পৰা, ব্যক্তিগত আৰু সামূহিক অভিজ্ঞতাৰ ভিত্তিত সংগৃহীত তথ্যৰ ভিত্তিত তত্ত্ব আৰু যুক্তিৰ উপস্থাপনেই হ'ল বিজ্ঞান মানসিকতা প্ৰাপ্তিৰ প্ৰথমটো লক্ষণ। কোনো ব্যক্তি, গুৰু, তথ্য আদিৰ প্ৰতি অচলা আনুগত্য প্ৰকাশৰ তাগিদা অনুভৱ নকৰিলেই বিজ্ঞানৰ প্ৰক্ৰিয়াটো মানি চলা হয়।

এই আলোচনাৰ ভিত্তিত আমি পুৰণি অসম খনলৈ চালে দেখোঁ যে ক্ষীণকৈ হলেও বিজ্ঞান চৰ্চাৰ ধাৰা এটি চলি আহিছে। বেমাৰ আজাৰৰ আৰোগ্যৰ বাবে কৰা বিভিন্ন ব্যৱস্থা, বয়নশিল্প, মৃৎ শিল্প, বাঁহ-বেতৰ কাম, কাঠৰ কাম, গৃহ নিৰ্মাণ ইত্যাদিত বিজ্ঞান চৰ্চাৰ বীজ লুকাই আছিল। গণিতৰ ক্ষেত্ৰত বকুল কায়স্থৰ "কিতাবৎ মঞ্জৰী", কালিদাসৰ "অংকৰ আৰ্য্যা", কবিৰাজ দ্বিজৰ "লীলাৱতী", চিকিৎসা বিজ্ঞানৰ ক্ষেত্ৰত অনংগ কবিৰাজৰ "বৈদ্য কল্পতৰু" ঔষধৰ ক্ষেত্ৰত সুকুমাৰ বৰকায়স্থৰ হস্তীবিদ্যাৰ্ণৱ, জ্যোতিষ সম্পৰ্কীয় কেবাখনো পুথি, দ'ল-দেৱালয়, ৰংঘৰ-কাৰেংঘৰ, হিলৈ-বৰটোপ আদিয়ে প্ৰাচীন অসমত বিজ্ঞান আৰু প্ৰযুক্তিবিদ্যাৰ চৰ্চাৰ কথা প্ৰমান কৰে। বিজ্ঞান শিক্ষাৰ দ্বাৰা প্ৰভাৱিত অসমীয়া ব্যক্তিসকলৰ ভিতৰত যজ্ঞৰাম খাৰঘৰীয়া ফুকন, নন্দীশ্বৰ বৰুৱা, হেমচন্দ্ৰ বৰুৱা, গুণাভিৰাম বৰুৱা, আনন্দৰাম বৰুৱা, কৰ্ণেল শিৱৰাম বৰা অন্যতম। হলেও সমস্ত মধ্যযুগ ধৰি বিজ্ঞান মানসিকতাই ঠন ধৰি উঠিব পৰা নাছিল। চাহক এক শিল্পত পৰিণত কৰা বৃটিছসকলে কাৰখানা চলোৱাৰ বাবে প্ৰয়োজনীয় যন্ত্ৰপাতি আনিলে, নিজ দেশৰ পৰা চাহৰ লগতে অন্যান্য উৎপাদিত দ্ৰব্য বিদেশলৈ পঠোৱাৰ সুবিধাৰ বাবেহে ভাঁপনাও, ৰেলগাড়ী, কয়লা খনি, তেলৰ পুং উদ্‌ঘাটনৰ যোগেদি অসমত আৰম্ভ কৰিলে শিল্পায়ন। ফলত শিল্পায়ন সূচনা হোৱাৰ লগে লগেই স্বাভাৱিক ভাবে অসমীয়া মানুহে বিজ্ঞানৰ প্ৰতি এক আকৰ্ষণ অনুভৱ কৰিবলৈ আৰম্ভ কৰিলেও, আধুনিক বিজ্ঞানৰ বিকাশৰ ধাৰা ভাৰতবৰ্ষৰ অন্যান্য অঞ্চলৰ দৰেই অসমতো দেশৰ ঐতিহ্যৰ পৰা সাৰ-পানী লৈ ঠন ধৰি উঠাত বৃটিছসকলে সহায়তো কৰা নাছিলেই কৌশলেৰে বাধাহে দিছিল। শাসকবৰ্গই নিজ সুবিধাৰ্থে প্ৰচলন কৰা আধুনিক বিজ্ঞানে অৰ্থনৈতিক বিকাশৰ ধাৰা ওলোটাহে কৰিছিল। ইংলণ্ডত শিল্পায়ন দেশৰ সাৰ-পানীৰে জীপাল হৈ উঠা বাবে সেই দেশৰ জনসাধাৰণ খেতিপথাৰৰ পৰা কল কাৰখানালৈ যাব পাৰিছিল আৰু আমাৰ দেশত হৈছিল ঠিক ওলোটাহে। থলুৱা শিল্প সামগ্ৰীবোৰে বিদেশী উন্নত আৰু সস্তাতে পোৱা সামগ্ৰীবোৰৰ লগত ফেৰ মাৰিব নোৱাৰা অৱস্থাৰ সৃষ্টি হ'ল। (এই প্ৰক্ৰিয়াৰ ফল আজিও আমি প্ৰত্যক্ষ কৰিবলৈ পাওঁ) ফলত থলুৱা শিল্পকাৰ সকলে পৈতৃক কাৰখানা এৰি খেতি পথাৰত নামিব লগাত পৰিল। খেতিৰ কৌশলবো কোনো উন্নতি নোহোৱাত আকাল, অনাটন, দুৰ্ভিক্ষ আদিত ৰাইজ জুৰুলা হ'ল। ঔপনিবেশিক অসমত হোৱা বিভিন্ন কৃষক বিদ্ৰোহ ইয়াৰ প্ৰমান। বিভিন্ন বিদ্ৰোহ আৰু মানৰ আক্ৰমণত জুৰুলা হৈ থকা অসমত বুদ্ধিজীৱি সকলে আধুনিক বিজ্ঞানৰ সহায়ত সৃষ্টি কৰা এই ৰূপটো বহুত পলমকৈ লক্ষ্য কৰিছিল, বৃটিছ শাসনৰ সুফলবোৰ হে দেখিছিল। অগাধ বৃটিছ ভক্তিয়ে তেওঁলোকক ৰাইজৰ দুৰাৱস্থাৰ হেতু হিচাপে বৃটিছক দোষাৰোপ কৰাৰ সলনি, যাৰ সহায়েৰে দেশত ধ্বংসাত্মক পৰিস্থিতিৰ সৃষ্টি কৰিলে সেই 'বিজ্ঞান'ক হে জগৰীয়া কৰিছিল। বিজ্ঞানৰ সুফল বোৰ স্বীকাৰ কৰিছিল আৰু আনহাতে বিদেশী শাসনত থাকিবলগীয়া হোৱাৰ আহত অভিমানে তেওঁলোকৰ দৃষ্টি ধাবিত কৰাইছিল গৌৰবোজ্জ্বল অতীতলৈ। "আধুনিক বিজ্ঞানে আজি কোৱা বহুত কথা আমাৰ ঋষি-মুনি সকলে হেজাৰ বছৰ আগতেই কৈ গৈছে" ভাৱ ব্যক্ত কৰি সান্ত্বনা লভিছিল। আজিও আমি অনেকৰ মুখত এই সুৰ শুনিবলৈ পাওঁ "বিজ্ঞানে নতুনকৈ একোৱেই কৰা নাই"।

আধুনিক বিজ্ঞান ভাৰত তথা অসমত দেশৰ প্ৰাকৃতিক সম্পদ শোষণৰ হাতিয়াৰ হিচাপে আমাৰ মাজলৈ আহিছিল। যিখিনি কল কাৰখানা, শিল্প উদ্যোগ নহলে শোষণ কাৰ্য্য নচলে সেইখিনিহে বৃটিছে ইয়াত স্থাপন কৰিছিল। (আজিও আঞ্চলিক স্তৰত এই শোষন অব্যাহত আছে) বিজ্ঞান শিক্ষাৰ ক্ষেত্ৰতো বিশেষ উদ্যোগ লোৱা নাছিল। ভোলানাথ বৰুৱা আৰু জন বেৰী হোৱাইটৰ ব্যক্তিগত উদ্যোগত স্থাপিত ক্ৰমে যোৰহাটৰ প্ৰিন্স অফ্ ৱেলচ স্কুল আৰু ডিব্ৰুগড়ৰ বেৰী হোৱাইট মেডিকেল স্কুলেই কাৰিকৰী আৰু বিজ্ঞান শিক্ষাৰ একমাত্ৰ কেন্দ্ৰ আছিল। খৃষ্টান মিছনাৰী সকলে স্কুল বিলাকত দিয়া প্ৰাথমিক বিজ্ঞান শিক্ষাও ত্ৰুটিপূৰ্ণ থকাত শিকাৰুৰ অনুসন্ধিৎসা বঢ়াত সহায়ক হোৱা নাছিল।

এই কেৰোণ লগা আৰম্ভনিৰ বাবেই বিজ্ঞান আজিও আমাৰ মাজত বিজতৰীয়া বস্তুৰ দৰেই হৈ থকাৰ অন্যতম কাৰণ। আজিও বিজ্ঞান মাত্ৰ এমুঠিমান মানুহৰ সুখ সম্পদ বৃদ্ধিৰ আহিলা হৈ আছে। গৰিষ্ঠ সংখ্যক মানুহেই বিজ্ঞানৰ সুফলৰ পৰা বঞ্চিত হৈ আছে। জীৱন ধাৰণৰ অন্যতম উপাদান পানী টুপিও খোৱাৰ উপযোগীৰূপত আটাইৰে বাবে উপলব্ধ হৈ উঠা নাই, বাকীবোৰৰ কথা নকলোৱেই বা। ফলত অন্ধবিশ্বাস, কু সংস্কাৰে আমাৰ



Scanned with CamScanner

সমাজত সমানেই ক্ৰিয়া কৰি আছে যদিও আমি প্ৰত্যেকেই নিজকে অন্ধবিশ্বাসী বুলি নাভাবোঁ বা কু-সংস্কাৰ মানি চলোঁ বুলি নাভাবোঁ। সেয়ে সমগ্ৰ দেশতে চৰকাৰী, বেচৰকাৰী আৰু ব্যক্তিগত উদ্যোগত বিজ্ঞানৰ প্ৰসাৰ, প্ৰচাৰ আৰু জনপ্ৰিয়কৰণৰ প্ৰচেষ্টা চলি আছে আৰু ই এক মাত্ৰা লাভ কৰিছে। ভাৰত চৰকাৰেও ২০০৪ চনটো "বিজ্ঞান চেতনা বৰ্ষ" হিচাপে ঘোষণা কৰিছে। আহক আমি নিজকে প্ৰশ্ন কৰোঁ "আমি কৰি থকা বিশ্বাসবোৰৰ, সংস্কাৰবোৰৰ ভিতৰত বাৰু অনেক অন্ধবিশ্বাস আৰু কু-সংস্কাৰো আছে নেকি!"

*প্ৰসংগ পুথিঃ*


১) সংস্কৃতিৰ সংকট। শিৱনাথ বৰ্মন।

২) অসমত বিজ্ঞান চৰ্চাৰ ধাৰা। প্ৰাগজ্যোতিষ মহাবিদ্যালয় বিজ্ঞান সমিতি।

৩) Ancient society. L. H. Morgan.

৪) Gods, Demons & spirits. A. Kovoor.


□□□□□□□□□□□

**প্ৰবন্ধ**



# এইড্ছঃ একবিংশ শতিকাৰ প্ৰত্যাহ্বান।


হেমেন কুমাৰ পাটোৱাৰী

*প্ৰৱক্তা, প্ৰাণী বিজ্ঞান বিভাগ।*


'একুৱাৰ্ড ইমিউন ডেফিচিয়েন্সি চিনড্ৰোম' চমুকৈ এইড্ছ(AIDS) চিকিৎসা বিজ্ঞানৰ বুৰঞ্জীত তুলনামূলক ভাৱে এক নতুন নাম। কেৱল ভাৰততে নহয় সমগ্ৰ বিশ্ব আজি এইড্ছ ৰোগৰ ভাবুকিৰ সম্মুখীন হৈছে আৰু দেশ তথা বিশ্বৰ জনসংখ্যাৰ প্ৰতি এক ডাঙৰ প্ৰত্যাহ্বান হিচাবে থিয় দিছে। 'হিউমেন ইমিউনো ডেফিচিয়েন্সি ভাইৰাছ' চমুকৈ এইচ আই ভি (HIV) নামৰ এবিধ ভাইৰাচৰ পৰাই এইড্ছ ৰোগ হয়। এই ভাইৰাছটো প্ৰথমপ্ৰথমে আফ্ৰিকাৰ সেউজীয়া বান্দৰ (Green monkey) ৰ দেহত আবিস্কৃত হৈছিল আৰু ১৯৮৩ চনত পেৰিছৰ পেষ্টিওৰ প্ৰতিষ্ঠানত মন্টেগনিয়াৰ আৰু তেওঁৰ সঙ্গীবৃন্দ (Montagnaier et.al) ই এই ভাইৰাছটো মানুহৰ দেহৰ পৰা উদ্ধাৰ কৰে লসিকাৰ (Lymph) পৰা। এইড্ছ ৰোগাক্ৰান্ত ৰোগীজনৰ দেহৰ বিভিন্ন ঠাইত গাওঠি দেখা দিছিল। সেই সময়ত এই ভাইৰাছ বিধক লিম্ফ এডিন'পেথি এছ'চিয়েটেড বা এল এ ভি (Lymphadenopathy Associated Virus বা LAV) নামেৰে নামকৰণ কৰা হৈছিল। ১৯৮৪ চনত আমেৰিকাৰ চিকিৎসা বিজ্ঞানী ৰবৰ্ট গেল' (Robert Gallo et.al) আৰু তেওঁৰ সহকৰ্মীবৃন্দৰ সহযোগত এজন এইড্ছ ৰোগীৰ দেহত লিম্ফ এডিনপেথী এছচিয়েটেড বা এল এ ভি ভাইৰাছ বিধ আবিস্কাৰ কৰে। কিন্তু চিকিৎসা বিজ্ঞানী Robert Gallo ই এই ভাইৰাছবিধৰ নাম দিয়ে হিউমেন টি-ছেল লিম্ফ'ট্ৰ'পিক ভাইৰাছ-III ইয়াৰ পাছতো বিভিন্ন বিজ্ঞানীয়ে এই ভাইৰাছ আবিস্কাৰ কৰে আৰু বিভিন্ন নাম দিয়ে।

বিভিন্ন বিজ্ঞানীয়ে এইড্ছ ৰোগীৰ দেহত আবিস্কাৰ কৰা এইড্ছ ভাইৰাছ সমূহৰ গুণ চিকিৎসা বিজ্ঞানত এন্টিজেনিক গুণ বুলি কোৱা হয়। ১৯৮৬ চনত ভাইৰাছ নামকৰণৰ আন্তৰ্জাতিক কমিটিয়ে এইড্ছ ভাইৰাছসমূহক একেলগে এটা নতুন নাম দিছিল আৰু সেয়াই হ'ল হিউমেন ইমিউন' ডেফিচিয়েন্সি ভাইৰাছ (Human Immuno Deficiency virus) চমুকৈ এইছ আই ভি (HIV) ভাইৰাছ। এই ভাইৰাছবিধ ৰেট্ৰ' ভাইৰাছ নামৰ এবিধ RNA ভাইৰাছৰ অৰ্ন্তভূক্ত। এতিয়ালৈ এই ভাইৰাছৰ কেইবাটিও প্ৰজাতি ধৰা পেলোৱা হৈছে। এইছ আই ভি -1, এইছ আই ভি -2, এইছ আই ভি - 0, নামৰ তিনি প্ৰকাৰৰ ভাইৰাছ চিনাক্ত কৰা হৈছে। [ HIV-1, HIV-2, HIV-0] ইউৰোপ, মধ্য আফ্ৰিকা আৰু আমেৰিকা যুক্তৰাষ্ট্ৰত HIV-1আনহাতে পশ্চিম আফ্ৰিকাৰ দেশসমূহত HIV-2 ৰ প্ৰাদুৰ্ভাৱ বেছিকৈ লক্ষ্য কৰা হৈছে।

এইড্ছ ৰোগ চিনাক্ত কৰাৰে পৰা এই ৰোগ অতি দ্ৰুতভাবে সমগ্ৰ বিশ্বকে গ্ৰাস কৰি আহিছে। ভাৰতবৰ্ষত ১৯৮৬ চনত চেন্নাইৰ পতিতাসকলৰ মাজত প্ৰথম এইড্ছ ৰোগৰ Virus পোৱা যায়। পোনপ্ৰথমে ১৯৮১. চনত আমেৰিকাৰ লছ এঞ্জেলছত পাঁচজন মান সমকামী যুৱকৰ দেহত এই ৰোগৰ লক্ষণ প্ৰকাশ পায়। পৰীক্ষা কৰি তেওঁলোকে জানিব পাৰিছিল যে এই ৰোগীসকলৰ দেহত ৰোগ প্ৰতিৰোধ কৰিব পৰা ক্ষমতা যথেষ্ট পৰিমানে কমি গৈছে। দুবছৰমানৰ ভিতৰত প্ৰায় তেৰশ পঞ্চাশজন এনেকুৱা ৰোগী ধৰা পৰে। প্ৰথম অৱস্থাত এই ৰোগটো সমকামীসকলৰ ৰোগ বুলিয়ে ভবা হৈছিল যদিও পিছলৈ ৰক্ত গ্ৰহণ কৰা ৰোগী আৰু অসমকামী (Heterosexual) ব্যক্তিৰ দেহতো চিনাক্ত কৰিছিল। ১৯৮২ চনত এই ৰোগটোৰ নাম এইড্ছ ৰখা হয়।

এইড্ছৰ ভাইৰাছ এবাৰ মানুহৰ শৰীৰত সোমালে তাক আৰু ধ্বংস কৰাৰ উপায় নাই। ই মানৱ শৰীৰৰ কিছুমান বিশেষ কোষক আক্ৰমণ কৰে। বিশেষকৈ আমাৰ তেজত থকা বিশেষ এক শ্ৰেণীৰ শ্বেত ৰক্তকণিকা ($T_4$ বা $CD_4$ Lymphocyte) ক্ৰমশঃ ধ্বংস কৰি পেলায়। ফলস্বৰূপে শৰীৰৰ ৰোগ প্ৰতিৰোধ

কৰিব পৰা ক্ষমতা লাহে লাহে কমি আহে আৰু এটা সময়ত ৰোগ প্ৰতিৰোধ ক্ষমতা সম্পূৰ্ণ ধ্বংস হৈ যায়। আমাৰ চাৰিওফালে অসংখ্য ধৰণৰ ৰোগ সৃষ্টি কৰিব পৰা বীজাণুসমূহ আছে। আমাৰ শৰীৰত স্ব-প্ৰতিৰক্ষা ব্যৱস্থা থকা বাবেহে সততে ৰোগ নহয় কিন্তু এইচ আই ভিৰ আক্ৰমণত যেতিয়া স্ব- প্ৰতিৰক্ষা ধ্বংস হৈ যায় তেতিয়া এইচ আই ভি আক্ৰান্ত ব্যক্তি একেলগে বা বেলেগ বেলেগ সময়ত বিভিন্ন ৰোগত আক্ৰান্ত হৈ পৰে। ৰোগীৰ যেতিয়া যকৃত, হৃদয়, বৃক্ক আদি বিভিন্ন ৰোগত আক্ৰান্ত হৈ অকামিলা হয় তেতিয়া ৰোগীৰ মৃত্যু হয়। এইচ আই ভি ৰ আক্ৰমণত যেতিয়া স্ব-প্ৰতিৰোধ ক্ষমতা নষ্ট হৈ যায়, তেতিয়া সাধাৰণ ৰোগতো ৰোগীৰ মৃত্যু হব পাৰে। বিভিন্ন ৰোগৰ চিকিৎসা কৰি ৰোগীক হয়তো কিছুদিন বচাই ৰাখিব পৰা যায় কিন্তু অনবৰত বিভিন্ন ৰোগ হৈ থাকিলে ঔষধে কাম নকৰে আৰু বিভিন্ন ঔষধৰ ক্ৰিয়াৰ ফলতো শৰীৰৰ তন্ত্ৰ সমূহৰ ক্ষতি হয়।

এইড্‌ছ ৰোগৰ এটা অৱকাশ কাল থাকে অৰ্থাৎ এইচ আই ভি ভাইৰাছ নিৰোগী লোক এজনৰ শৰীৰত প্ৰৱেশ কৰাৰ দিনৰে পৰা তেওঁৰ শৰীৰত ৰোগ প্ৰকাশ পোৱাৰ দিনটোলৈকে এই সময়চোৱাক নিষ্ক্ৰিয় কাল বা incubation period বা window period বোলা হয়। ৰোগীৰ দেহত অৱকাশ কালৰ দৈৰ্ঘ্য ৪ সপ্তাহৰ পৰা ১২ সপ্তাহ পৰ্য্যন্ত। এই সময়ছোৱাত তেজৰ নমুনা পৰীক্ষা কৰিলেও সংক্ৰমণ ধৰা নপৰে। কিন্তু তেওঁ এই ভাইৰাছ আইনৰ দেহলৈ সংক্ৰমিত কৰিব পাৰে।

এইচ আই ভি ভাইৰাছ মানৱ দেহৰ বিভিন্ন তৰল পদাৰ্থৰ অসুৰক্ষিত সম্পৰ্কৰ যোগেদিয়েই বিয়পে। এই তৰল পদাৰ্থসমূহ বিয়পিব পৰা মুখ্য কাৰকটো হ'ল যৌন সম্পৰ্ক। ৰোগাক্ৰান্ত নাৰীৰ জননতন্ত্ৰৰ পৰা নিঃসৰিত হোৱা সকলোবিলাক তৰল পদাৰ্থতে এই ভাইৰাছ সক্ৰিয় অৱস্থাত থাকে। তেনে নাৰীৰ সৈতে অসুৰক্ষিত যৌন সংগম হ'লে জননাংগৰ যৌন ৰস বা ঋতুস্ৰাৱকালীন ভাইৰাছযুক্ত ৰক্তৰ সংস্পৰ্শলৈ অহা পুৰুষৰ শৰীৰলৈ এই ভাইৰাছ সংক্ৰমিত হয়। তেনেদৰে পুৰুষ সংগীজন এই ভাইৰাছৰ দ্বাৰা আক্ৰান্ত হৈ থাকিলে যৌন সংসৰ্গৰ দ্বাৰা তেওঁৰ যৌন সংগীৰ শৰীৰলৈ এই ভাইৰাছ সংক্ৰমিত হয়। আক্ৰান্ত পুৰুষৰ বীৰ্যত এই ভাইৰাছ সক্ৰিয় অৱস্থাত থাকে আৰু সুস্থ নাৰীৰ শৰীৰলৈ এনে পুৰুষ সংগীৰ বীৰ্য অথবা যৌন ৰসৰ যোগেদি এই ভাইৰাছ সংক্ৰমিত হয়। অসুৰক্ষিত যৌন সম্পৰ্কৰ ফলতে অধিকাংশ লোক এই ৰোগৰ কবলত পৰে।

এইচ আই ভি সংক্ৰমিত ব্যক্তিৰ শৰীৰৰ তেজ অথবা তেজৰ পৰা উৎপাদিত সামগ্ৰীত এই ভাইৰাছ সক্ৰিয় হৈ থাকে আৰু এইবোৰ দ্ৰব্য অন্য যিকোনো ব্যক্তিৰ শৰীৰত প্ৰয়োগ কৰিলে বা সুস্থ ব্যক্তিয়ে গ্ৰহণ কৰিলে এই সক্ৰিয় ভাইৰাছ বিধ গ্ৰহণ কৰোঁতাজনৰ শৰীৰলৈ সংক্ৰমিত হয়। সেয়েহে যিকোনো কাৰণত তেজ লব লগা হলে দাঁতাজনৰ তেজ ভালদৰে পৰীক্ষা কৰি লোৱাটো অতি জৰুৰী।

এইচ আই ভি আক্ৰান্ত ৰোগীয়ে ব্যৱহাৰ কৰা বেঁচি, খুৰ, বেজি বা অন্য কোনো ধাৰ থকা সঁজুলি বীজানুমুক্ত নকৰাকৈ অন্য সুস্থ লোকে ব্যৱহাৰ কৰিলে তেওঁলোকৰ শৰীৰলৈ এই ভাইৰাছৰ সংক্ৰমণ ঘটিব পাৰে। একেটা চিৰিঞ্জেৰে একাধিক লোকে ড্ৰাগচ গ্ৰহণ কৰাৰ ফলতো এজনৰ গাৰ পৰা আনজনৰ গালৈ এইচ আই ভি বিয়পিব পাৰে। ড্ৰাগচ আসক্ত লোকৰ মাজত এইড্‌ছ ৰোগৰ প্ৰাদুৰ্ভাৱ অধিক হোৱাৰ কাৰণো এয়াই। ৰাজহুৱাকৈ প্ৰতিষেধক ছিটা আদি দিয়াৰ বাবে একেটা চিৰিঞ্জকে বিজানুমুক্ত নকৰাকৈ বাৰে বাৰে ব্যৱহাৰ কৰিলেও এই ৰোগ এজনৰ গাৰ পৰা আনজনৰ গালৈ বিয়পিব পাৰে। কোনো অৱস্থাতে বিজানুমুক্ত নকৰাকৈ একেটা চিৰিঞ্জ বেলেগ বেলেগ ব্যক্তিক বেজি দিয়াৰ বাবে ব্যৱহাৰ কৰিব নালাগে। চেলুনত একেখন খুৰেৰে বহু সংখ্যক লোকক দাড়ি খুৰোৱা কাৰ্য্যৰ দ্বাৰাও ভাইৰাছ সংক্ৰমন হব পাৰে।

এইচ আই ভি আক্ৰান্ত মহিলা গৰ্ভৱতী হলে তেওঁৰ সন্তানটিৰ দেহলৈ যিকোনো অৱস্থাতে এই ৰোগৰ ভাইৰাছ বিয়পিব পাৰে। গৰ্ভাৱস্থাত মাতৃগৰ্ভত সন্তানটিৰ দেহলৈ ৰোগ বিয়পাৰ সম্ভাৱনা তেনেই কম যদিও প্ৰসৱৰ লগে লগে শিশুটি আক্ৰান্ত মাতৃৰ জননাংগৰ ৰস বা তেজৰ সংস্পৰ্শলৈ আহে। শিশুৰ কাটি পেলোৱা নাড়ীৰ মাধ্যমেদিও সদ্যজাত শিশুটি এই ৰোগত আক্ৰান্ত হব পাৰে। এনেদৰে প্ৰসৱ প্ৰক্ৰিয়াৰ সময়ছোৱাত বা প্ৰসৱৰ তেনেই পিছতে শিশুটি ৰোগাক্ৰান্ত মাতৃৰ দেহৰ পৰাই এই ভাইৰাছৰ দ্বাৰা আক্ৰান্ত হব পাৰে। জন্মৰ পাছত আক্ৰান্ত মাতৃৰ গাখীৰৰ যোগেদিও শিশুটি ৰোগাক্ৰান্ত হব পাৰে।

উল্লেখযোগ্য যে এইচ আই ভি ভাইৰাছ কেৱল মানৱ দেহতহে পোৱা যায় আৰু সেইবাবে কোনো জীৱজন্তুৰ মাধ্যমেদি এই ৰোগৰ ভাইৰাছ বিয়পিব নোৱাৰে। এইচ আই ভি ভাইৰাছৰ প্ৰকৃতি আৰু গঠন আদি পুংখানুপুংখ ভাৱে বিশ্লেষণ কৰা হৈছে আৰু ইয়াৰ সংক্ৰমনৰ মাধ্যম সম্পৰ্কেও বিস্তৃত ভাৱে বিজ্ঞানীসকলে জানিব পাৰিছে। তথাপিও এইড্‌ছৰ ফলপ্ৰসু চিকিৎসা বা প্ৰতিষেধক ছিটা আৱিষ্কাৰ কৰাটো প্ৰায় অসম্ভৱ কথা হৈ পৰিছে কাৰণ ভাইৰাছটোৰ বিচিত্ৰ ধৰণ আৰু সীমাহীন সংখ্যক ক্ষুদ্ৰ প্ৰজাতি (Strain) ভাইৰাছৰ বাবে। উদাহৰণ স্বৰূপে এইচ আই ভি-1 ভাইৰাছবিধৰে প্ৰায় দুই শতাধিক ক্ষুদ্ৰ প্ৰজাতি চিনাক্ত কৰা হৈছে। ইয়াৰে কিছুসংখ্যক অৱশ্যে বৰ্ণশংকৰ জাতৰ। তেনেদৰে এইচ আই ভি-2 আৰু এইচ আই ভি-0 নামৰ প্ৰজাতিকেইটাৰ বা আৰু কিমান ক্ষুদ্ৰ প্ৰজাতি আছে সেই কথা আজিও পৰিস্কাৰ হোৱা নাই।

এইড্‌ছ ৰোগী এজনে যিকোনো লক্ষণত ভুগিব পাৰে। সুযোগসন্ধানী বীজানু অনুপাতে দেখা দিয়া লক্ষণৰ উপৰিও স্নায়ুজনিত লক্ষণ, লিম্ফমা, কাপ'ছিছাৰকমা আদি কেন্সাৰ

জাতীয় ৰোগৰ লক্ষণো থাকিব পাৰে। অকাৰণতে শৰীৰৰ ওজন শতকৰা দহ ভাগৰো বেছি কমি যোৱা; মাজে মাজে বা একেবাৰে অধিক সময় জ্বৰ হোৱা, শৰীৰত থকা কোনো গ্ৰন্থি বা পেশী ফুলি উঠা, একেবাৰে এমাহৰ বেছি পানীৰ নিচিনা শৌচ হোৱা; ৰাতি ঘামি যোৱা আৰু শৰীৰ বিষোৱা; মুখৰ ভিতৰত বগা মাংসপিণ্ড চামনি অথবা ঘা হোৱা; যক্ষ্মা, স্নায়ুজনিত ৰোগ ইত্যাদি এইড্‌ছৰ প্ৰধান লক্ষন।

আনহাতে শৰীৰৰ বাহিৰত এই ভাইৰাছটো তিষ্ঠি থাকিব নোৱাৰে। কেইমুহূৰ্তমানৰ ভিতৰতে ই নিষ্ক্ৰিয় হৈ যায়। কিন্তু তেজৰ মথা বা মৃতদেহত ই সাধাৰণ উষ্ণতাত তিনিসপ্তাহ পৰ্য্যন্ত থাকি যাব পাৰে। সহজতে পোৱা কীটনাশক যেনে-ব্লিচিং পাউদাৰ, ছডিয়াম হাইপ'ক্লৰাইড চলিউশ্যন আদিৰে এই ভাইৰাছটো অতি সোনকালে ধ্বংস কৰিব পাৰি।

এইড্‌ছৰ চিকিৎসা আৰু নিবাময়ৰ উপায় উদ্ভাৱনৰ বাবে বিশ্বৰ বিভিন্ন ৰাষ্ট্ৰত বিস্তৃত আৰু ব্যাপক গৱেষণা সুদীৰ্ঘ দিন ধৰি চলি আহিছে। কিন্তু এতিয়ালৈকে এই ক্ষেত্ৰত সফলতা তেনেই সীমিত অৱস্থাত আছে। এইচ আই ভি ভাইৰাছবিধে কেৱল মানুহৰ দেহতহে আক্ৰমন কৰে আৰু ইয়াৰ ফলপ্ৰসু চিকিৎসা ব্যৱস্থা তথা প্ৰতিষেধক ছিটা আদি উদ্ভাৱন কৰাত ভালেমান সমস্যাই দেখা দিছে। মানুহৰ দেহত দেখা দিয়া কিছুমান ৰোগৰ বিজানু পশু বা অন্য জীৱজন্তুৰ দেহত প্ৰৱেশ কৰোৱাই ৰোগটোৰ প্ৰতিষেধক ছিটা উদ্ভাৱন সম্পৰ্কীয় পৰীক্ষা-নিৰিক্ষা চলোৱা যথেষ্ট সহজ আৰু ভালেকেইবিধ মাৰাত্মক ৰোগৰ প্ৰতিষেধক ছিটা এনে ব্যৱস্থাৰে কম সময়ৰ ভিতৰত আবিষ্কাৰ কৰা হৈছে। কিন্তু এইচ আই ভি নামৰ ভাইৰাছটো যিহেতু কেৱল মানুহৰ শৰীৰতহে সক্ৰিয় হয়, সেয়ে এই সম্পৰ্কীয় গৱেষণাৰ বাবে মানুহকহে ব্যৱহাৰ কৰিবলগীয়া হ'ব। কিন্তু পৰীক্ষাগাৰৰ 'গিনিপিগ'ৰূপে মানুহক ব্যৱহাৰ কৰাটো নৈতিকতাৰ পৰিপন্থী বাবে এই দিশত বিজ্ঞানীসকল উল্লেখযোগ্য ভাবে আগবাঢ়িব পৰা নাই। সুখৰ খবৰ যে এইচ আই ভি ৰ কাৰ্য্যকলাপ মন্থৰ কৰি শৰীৰৰ ৰোগ প্ৰতিৰোধ তন্ত্ৰ দীৰ্ঘদিনৰ বাবে কাৰ্য্যক্ষম কৰি ৰাখিব পৰা কেইবিধমান ফলপ্ৰসু ঔষধ আবিষ্কাৰ হৈছে আৰু এনে ধৰণৰ ঔষধবোৰ নিয়মীয়াকৈ সেৱন কৰি থাকিলে এইচ আই ভি আক্ৰান্ত ব্যক্তি বহুবছৰলৈ সুস্থ সবল হৈ জীয়াই থাকিব পাৰে। কিন্তু এই ক্ষেত্ৰত এটা অসুবিধা আছে যে এনে ধৰণৰ আটাইবোৰ ঔষধেই অতি দামী আৰু সহজতে পোৱাও নাযায়। সেয়ে এই চিকিৎসা অতি ব্যয়বহুল আৰু সৰ্বসাধাৰণৰ সাধ্যৰ বাহিৰত। যিহেতু এই ৰোগৰ চিকিৎসা এতিয়াও সুদূৰ পৰাহত, গতিকে প্ৰতিৰোধেই হৈছে এই ৰোগ নিয়ন্ত্ৰণৰ একমাত্ৰ উপায়। গতিকে বৰ্ত্তমান মানৱ সমাজৰ প্ৰতি ভাবুকি স্বৰূপ হৈ পৰা এইড্‌ছ ৰোগৰ ভাইৰাছ এইচ আই ভি ৰ বিষয়ে সকলোৱে জনা উচিত। কাৰণ এইড্‌ছৰ বিষয়ে জনাটোৱেই হ'ল এইড্‌ছৰ প্ৰতিৰোধৰ উত্তম উপায়।

***Know Aids For No Aids.***

✧✧✧✧✧✧✧✧✧✧✧✧✧

প্ৰবন্ধ



## শব্দ প্ৰদূষণ : মানৱ জাতিৰ বাবে এক ভয়াবহ সমস্যা

**শ্ৰী বীৰেন্দ্ৰ কুমাৰ বৰা**
*জ্যেষ্ঠ প্ৰৱক্তা, পদাৰ্থ বিজ্ঞান বিভাগ*

বিভিন্ন কাৰকৰ দ্বাৰা পৰিবেশ এটা বিনষ্ট হোৱাকে প্ৰদূষণ বুলি কোৱা হয়। পৰিবেশ প্ৰদূষণক চাৰিভাগত ভগাব পাৰি- বায়ু প্ৰদূষণ, পানী প্ৰদূষণ, মাটি প্ৰদূষণ আৰু শব্দ প্ৰদূষণ। ইয়াত আমি শব্দ প্ৰদূষণৰ বিষয়েহে আলোচনা কৰিম। শব্দ প্ৰদূষণ (Noise Pollution) হ'ল এক বায়ু মণ্ডলীয় প্ৰদূষণ। যিবোৰ শব্দ বা ধ্বনিয়ে মানুহৰ বাবে অসহ্যকৰ পৰিবেশ সৃষ্টি কৰে, তেনেবোৰ শব্দই সৃষ্টি কৰা প্ৰদূষণক শব্দ প্ৰদূষণ বোলে।

ইংৰাজী 'Noise' শব্দটো লেটিন শব্দ "NAUSEA" ৰ পৰা আহিছে। ইয়াৰ অৰ্থ হ'ল পেট অসুস্থ হৈ বমি ভাব হোৱা। Noise, অৰ্থাৎ শব্দ বা কোলাহল কিছুমান অস্বস্তিকাৰী বিকট শব্দ। শব্দক আমি কোলাহল বুলি কওঁ যেতিয়া ই আমাৰ ভাল নলগা হয়। পদাৰ্থৰ কম্পনৰ ফলতে শব্দৰ সৃষ্টি হয়। ই এক অনুদৈৰ্ঘ তৰংগ। শব্দ তৰংগ গতি কৰিবৰ বাবে মাধ্যমৰ প্ৰয়োজন। গেছীয় মাধ্যমতকৈ জুলীয়া বা কঠিন মাধ্যমৰ মাজেৰে শব্দই অধিক বেগেৰে গতি কৰিব পাৰে। মানুহ বা জীৱ-জন্তুৱে এটা নিৰ্দিষ্ট সীমাৰ ভিতৰৰ কম্পনাংকহে অনুভৱ কৰিব পাৰে। সুস্থ মানুহৰ বাবে এই শ্ৰৱণসীমা নিম্নতম ২০ হাৰ্টজ আৰু উচ্চতম ২০,০০০ হাৰ্টজ। ২০,০০০ হাৰ্টজতকৈ বেছি কম্পনাংকৰ শব্দ মানুহৰ কাণে গ্ৰহণ কৰিব নোৱাৰে। এনে শব্দক অতি শব্দ (Ultrasonic) বোলে। ২০ হাৰ্টজ কম্পনাংকতকৈ কম মাত্ৰাৰ শব্দ মানুহে নুশুনে। এনে শব্দক অৱধ্বনিক (Intra Sonic) শব্দ বোলে। সুন্দৰ সঙ্গীতে মানুহৰ মগজুৰ কোষৰ কাৰ্য্যক্ষমতা বঢ়াই মনৰ পৰা আমনি, বিৰক্তি লগা ভাব আঁতৰায়। কিন্তু ইয়াৰ মাত্ৰা বেছি হলে বিপৰীত ক্ৰিয়াহে কৰে। অৰ্থাৎ কাৰ্য্যক্ষমতা হ্ৰাস কৰে। বিজ্ঞানৰ প্ৰগতি আৰু উদ্যোগীকৰণৰ দ্ৰুত ও বৰ্দ্ধিত উন্নয়ণৰ ফলস্বৰূপে সমগ্ৰ



Scanned with CamScanner

বিশ্ব আজি শব্দ প্ৰদূষণৰ গ্ৰাসত। গাওঁ অঞ্চলতকৈ চহৰ অঞ্চলত শব্দ প্ৰদূষণৰ মাত্ৰা অতি বেছি। ক্ৰম বৰ্দ্ধমান যান-বাহনৰ বিকট শব্দ কল-কাৰখানাৰ তীব্ৰ উচ্চ শব্দ, ৰেডিঅ', টেলিভিচন, লাউড স্পিকাৰৰ অসহ্যকৰ শব্দ, আৰু বিমান কোঠৰ ওচৰত থকা মানুহৰ বাবে বিমানৰ শব্দই সময় বিশেষে বিৰক্তিকৰ পৰিবেশৰ সৃষ্টি কৰে। শব্দ প্ৰদূষণত মানুহৰ স্নায়ুৰ উত্তেজনা, ৰক্তচাপ আদি বঢ়ায়, ফলত অনিদ্ৰা স্নায়বিক ৰোগ, বিষন্নতা আদিয়ে দেখা দিয়ে। গৰ্ভজাত শিশুৰ বাবে শব্দ প্ৰদূষণ অতি মাৰাত্মক। ইয়াৰ ফলত নৱজাত শিশুৰ শ্ৰৱণ শক্তি লোপ পাব পাৰে।

**শব্দ প্ৰদূষণৰ উৎসঃ-**

ট্ৰাক, বাছ, ৰেলগাড়ী, উৰাজাহাজ, জেট ইঞ্জিন, লাউড স্পিকাৰ, চাইৰেণ, হৰ্ণ আদি অত্যাধুনিক মিউজিকেল সামগ্ৰীসমূহ, ৰেডিঅ', টেলিভিছন বিয়া সভা ৰাজহুৱা উৎসৱত ব্যৱহাৰ কৰা মাইক জনপ্ৰিয় খেল ধেমালী-যেনে (ক্ৰিকেট ফুটবল) আদিৰ আয়োজনথলী, বিভিন্ন কল-কাৰখানাৰ বিস্ফোৰণ, আদিয়েই শব্দ প্ৰদূষণৰ উৎস। যান-বাহনৰ ক্ষেত্ৰত পেট্ৰল চালিত ইঞ্জিনতকৈ ডিজেল চালিত ইঞ্জিনৰ যান-বাহনে বেছিকৈ শব্দ প্ৰদূষণ কৰে। তেনেদৰে দ্ৰুত গতিৰ দুচকীয়া যান-বাহনেও শব্দ প্ৰদূষণৰ সৃষ্টি কৰে।

**শব্দৰ তীব্ৰতাৰ জোখঃ-**

শব্দৰ তীব্ৰতা অৰ্থাৎ তাৰ মাত্ৰা জুখিবলৈ ব্যৱহাৰ কৰা একক হ'ল ডেছিবেল (D.B.) । এক ডেছিবেল হল এক বেলৰ দহভাগৰ এভাগ। বিজ্ঞানী গ্ৰাহাম বেলৰ নাম অনুসৰিয়েই এই নাম ৰখা হৈছে। কিছুমান চিনাকি শব্দৰ তীব্ৰতা এনেধৰণৰঃ- ফুচফুচাই কথা কওঁতে সৃষ্টি হোৱা শব্দৰ তীব্ৰতা ৩০ ডেছিবেল। নিৰিবিলি আৱাসিক অঞ্চলত ৪৫ ডেছিবেল। শীত-তাপ নিয়ন্ত্ৰিত যন্ত্ৰ আদিত ৬০ ডেঃবেল, কাণ তাল মাৰি যোৱা শব্দত ৮৫ ডেঃবেল, দ্ৰুতবেগী মটৰ চাইকেলৰ শব্দৰ তীব্ৰতা ১০৫ ডেঃবেল।

**আইনৰ দ্বাৰা শব্দ প্ৰদূষণ নিয়ন্ত্ৰণঃ-**

The Bureau of Indian Standard য়ে ঔদ্যোগিক অঞ্চলত গ্ৰহণ যোগ্য শব্দৰ তীব্ৰতা ৪৫ ডেছিবেলৰ পৰা ৬০ ডেছিবেলৰ ভিতৰত বুলি স্বীকৃতি দিছে। বিশ্ব স্বাস্থ্য সংস্থাই উদ্যোগৰ ক্ষেত্ৰত শব্দৰ উচ্চতম তীব্ৰতা ৮০ ডেছিবেল বুলি চিহ্নিত কৰিছে। আনহাতে ৮০ ডেছিবেলৰ ওপৰৰ যিকোনো উৎসৰ শব্দই মানুহৰ শৰীৰৰ বাবে ক্ষতিকাৰক। স্বাস্থ্য সম্পৰ্কীয় আইনে উদ্যোগত কৰ্মৰত শ্ৰমিকৰ ক্ষেত্ৰত স্বীকৃতি দিয়া গ্ৰহণযোগ্য শব্দৰ কম্পনাংক হ'ল ৯ ঘন্টাৰ বাবে ৯০ ডেছিবেল। ৪ ঘন্টাৰ বাবে ৯৫ ডেঃ বেল, ২ ঘন্টাৰ বাবে ১০০ ডেঃবেল আৰু ১৫ মিনিটৰ বাবে ১১৫ ডেঃবেল। যিকোনো সময়ৰ বাবে ১১৫ ডেঃবেলৰ শব্দ গ্ৰহণযোগ্য নহয়। ভাৰতবৰ্ষত শব্দ প্ৰদূষণ নিয়ন্ত্ৰণৰ বাবে বিশেষ আইন নাই যদিও বৰ্ত্তমান ভাৰতীয় দণ্ডবিধি আইনৰ ২৬৮, ২৯০ আৰু ২৯১ ধাৰা শব্দ প্ৰদূষণৰ নিয়ন্ত্ৰণ আইনৰ সমাৰ্থক। ১৯৯৮ চনত প্ৰণয়ণ কৰা মটৰ পৰিবহণ আইন (M.V.) ৰ ১১৯ আৰু ১২০ নং ধাৰাৰ আধাৰত শব্দ প্ৰদূষণ নিয়ন্ত্ৰণ কৰিব পাৰি।

**আইনৰ গণ্ডীৰ বাহিৰত শব্দ প্ৰদূষণ প্ৰতিৰোধঃ-**

বিশ্ব স্বাস্থ্য সংস্থাৰ মতে পৰিবেশ প্ৰদূষণৰ ভিতৰত শব্দ প্ৰদূষণেই হ'ল আটাইতকৈ সহজে নিয়ন্ত্ৰণ কৰিব পৰা বিধৰ। কিন্তু ইয়াৰ বাবে প্ৰয়োজন হ'ব সাধাৰণ মানুহক ইয়াৰ বিষয়ে সজাগ কৰা। জনসাধাৰণক আমি বুজাব পাৰিব লাগিব যে শব্দ প্ৰদূষণ মানৱ দেহৰ বাবে বৰ ভয়াবহ।

তলত উল্লেখ কৰা ব্যৱস্থা বিলাকৰ দ্বাৰা শব্দ প্ৰদূষণ নিয়ন্ত্ৰণ কৰিব পাৰি।

১) ৰাস্তা-ঘাটৰ উন্নয়ণ সাধন।

২) যান-বাহনৰ যন্ত্ৰ-পাতি বিলাক ভালদৰে চাফ-চিকুনকৈ ৰখা।

৩) শব্দৰ উৎসৰ সংশোধনী। প্ৰযুক্তি বিকাশেৰে ডিজেল ইঞ্জিণৰ উন্নয়ন।

৪) ঔদ্যোগিক অঞ্চলবোৰত শব্দ শোধক নিম, আহত, আমলখি, জামু, অশোক আদি গছ ৰোপন।

৫) নিৰৱ অঞ্চল বিলাকৰ চিকিৎসালয়, স্কুল-কলেজ আদি অনুষ্ঠান বিলাকৰ ওচৰৰ অঞ্চল সমূহত যান-বাহনৰ প্ৰবেশ নিষিদ্ধকৰণ।

৬) যান-বাহণ নিয়ন্ত্ৰণৰ নিয়মবোৰ সঠিক ভাবে পালন।

৭) অনাহকত হৰ্ণ-লাউড স্পিকাৰ বজোৱা নিষিদ্ধকৰণ।

৮) ৰাজহুৱা স্থানবোৰত মাইক আদিৰ নিম্ন স্বৰত ব্যৱহাৰ। তদুপৰি জনসাধাৰণক শব্দ প্ৰদূষণৰ ক্ষতিকাৰক দিশ সমূহৰ বিষয়ে অৱগত কৰি বিশেষ সজাগতা সৃষ্টি কৰাটো বৰ্ত্তমান সময়ত অতি প্ৰয়োজনীয় দাবী। নহলে শব্দ প্ৰদূষণ মানৱ জাতিৰ বাবে এক মৃত্যুদূত হৈ উঠাৰ সম্ভাৱনা আছে।





Scanned with CamScanner

# ভাৰতবৰ্ষৰ নদীসংযোগীকৰণ আঁচনি কৃষিকাৰ্য, যাতায়ত আৰু ব্যৱসায়-বাণিজ্যত ইয়াৰ সম্ভাব্য প্ৰভাৱ



শ্ৰী নিতুৰাম তালুকদাৰ
প্ৰৱক্তা, ভূগোল বিভাগ

**"নদী-সংযোগীকৰণ আঁচনি"** টো মানুহৰ অতি পুৰণি ধাৰণা। অৱহমান কালৰে পৰাই পৃথিৱীৰ বিভিন্ন অঞ্চলত জল-পথেৰে যাতায়ত, পৰিবহণ আৰু ব্যৱসায় বাণিজ্যৰ বাবে নদ-নদী, হ্ৰদ, সাগৰ-মহাসাগৰ, আদিৰ ব্যৱহাৰ কৰা হৈছিল। ব্ৰহ্মপুত্ৰ, গংগা, নীল, য়াংচিকিয়াং, আমাজান, ব্ৰহ্মদেশৰ ইৰাৱতী, ইউৰোপৰ ডানিয়ুব, ৰাইন, ছোভিয়েত ৰুছিয়াৰ ভল্গা আৰু ডন, উত্তৰ আমেৰিকাৰ ছেন্ট লৰেঞ্চ, মিছিছিপি, ইত্যাদি নৈক জলপথ হিচাপে ব্যৱহাৰ কৰা হয়। বহুতো দেশৰ আকৌ ইখন নৈক সিখন নৈৰ লগত খালেৰে সংযুক্ত কৰি নৌ পৰিবহণৰ সুচলতা বঢ়োৱা হৈছে। ছোভিয়েত ৰুছিয়াত ডন আৰু ভল্গানৈক খালেৰে সংযুক্ত কৰা হৈছে। চীন দেশৰ য়াংছিকিয়াং আৰু হোৱাংহো নদীক খালেৰে সংযুক্ত কৰা হৈছে। আমাৰ ভাৰতত কাবেৰী নৈৰ মোহনাৰ পৰা খাল খন্দি কৃষ্ণা নৈক সংযোগ কৰা হৈছে। নৈৰ লগে হ্ৰদকো জলপথ হিচাপে ব্যৱহাৰ কৰা হয়। যুক্তৰাষ্ট্ৰ আৰু কানাডাৰ মাজত থকা ছুপিৰিয়ৰ, মিছিগান, হিউৰণ, ইৰি আৰু অন্টেৰিও আটাইকেইটাক ছেইন্ট লৰেঞ্চ নৈৰে লগলগাই এটা সুগম অৰ্ন্তদেশীয় নৌ পথ গঢ়ি তোলা হৈছে। ইয়াৰ পাৰতে ডুলথ, বাফেল', ছিকাগ' আদি পৃথিৱী বিখ্যাত শিল্প বাণিজ্য কেন্দ্ৰবোৰ গঢ়ি উঠিছে। ১৮৬৯ চনত ফাৰ্ডিনাণ্ড ডি লেছেপ্‌ছ নামে এজন ফৰাচী লোকৰ নেতৃত্বত, ভূ-মধ্য সাগৰ আৰু লোহিত সাগৰ লগ লগাবলৈ ছুয়েজ খাল খন্দা হৈছিল। ছুয়েজখালৰ বাবে লণ্ডন আৰু মুম্বাইৰ মাজৰ দূৰত্ব ৭০০০ কিলমিটাৰ কমি গৈছে। এই খাল এফালে ইউৰোপ আৰু উত্তৰ আমেৰিকাৰ আৰু আনহাতে এছিয়া আৰু পূৱ আফ্ৰিকাৰ মাজত যাতায়ত, পৰিবহণৰ বাবে অতি তাৎপৰ্য্যপূৰ্ণ। ঠিক তেনেদৰে, ১৯১৪ চনত "পানামা" খাল খন্দি আটলাণ্টিক আৰু প্ৰশান্ত মহাসাগৰক লগ লগাইছে। পানামা খালৰ বাবে উত্তৰ আমেৰিকাৰ নিউৰ্য়ক আৰু ছানফ্ৰান্সিস্কৰ মাজৰ দূৰত্ব প্ৰায় ১২,৬৪০ কিঃমিঃ কমি গৈছে। জলপথৰ সুচলতাৰ বাবেই আমেৰিকা, ইংলেণ্ড জাপান আদি দেশ সমূহে শিল্প উদ্যোগ, ব্যৱসায়-বাণিজ্যত উল্লেখযোগ্য স্থান অধিকাৰ কৰিব পাৰিছে।

এখন নৈ নৌ-পথৰ উপযোগী হ'বৰ বাবে কেইটামান ভৌগলিক সা-সুবিধাৰ দৰকাৰঃ

১) নৈ খনত বাৰ মাহেই পানী থাকিব লাগিব।

২) বাৰিষা আৰু খৰালিৰ জলপৃষ্ঠৰ পাৰ্থক্য অধিক হ'ব নালাগিব।

৩) নৈ খনত জল-প্ৰপাত থাকিব নালাগে।

৪) নৈ খনত বৰফ জমা হ'ব নালাগে।

৫) নৈখনৰ উপত্যকাত বা তাৰ আশে-পাশে শিল্প-উদ্যোগ গঢ়ি উঠিব লাগে।

৬) নৈ খনৰ উপত্যকা সাৰুৱা আৰু জনবহুল হ'ব লাগে।

৭) নৈ খনৰ মোহনাত বা মোহনাৰ পোনে পোনে সাগৰৰ সিপাৰত ডাঙৰ বন্দৰ বা পোতাশ্ৰয় থাকিব লাগে।

অতি সম্প্ৰতি ভাৰতবৰ্ষৰ প্ৰধান নদী সমূহঃ ব্ৰহ্মপুত্ৰ, গংগা, যমুনা, মহানদী, গোদাবৰী, কৃষ্ণা, কাবেৰী, তাপ্তী, নৰ্মদা আদিক খালেৰে সংযোগ কৰি কৃষিকাৰ্যৰ বাবে জলসিঞ্চনৰ ব্যৱস্থা কৰা, যাতায়তৰ বাবে জলপথৰ সুচলতা বৃদ্ধি কৰা, পৰিবহণ আৰু ব্যৱসায় বাণিজ্যৰ উন্নতিৰ বাবে "নদী-সংযোগীকৰণ আঁচনি" ৰ জৰিয়তে "ৰাষ্ট্ৰীয় জলপথ নিৰ্মাণ" ৰ বাবে চিন্তা-চৰ্চা আৰম্ভ হৈছে। নিঃসন্দেহে, এই আঁচনিৰ সফল ৰূপায়ণে ভাৰতবৰ্ষৰ কৃষিজীৱি জনসাধাৰণ তথা শিল্প উদ্যোগ, যাতায়ত, পৰিবহণ আৰু ব্যৱসায় বাণিজ্যৰ ক্ষেত্ৰত এক বৈপ্লৱিক পৰিবৰ্ত্তন অনাৰ সম্ভাৱনা আছে। ভাৰতৰ বিভিন্ন অঞ্চলৰ প্ৰধান নদী সমূহক 'প্ৰস্তাৱিত' খাল খন্দি সংযোগ কৰাৰ ফলত ৰাষ্ট্ৰীয় জলপথৰ উন্নয়ণে তুলনামূলক ভাৱে অতি কম খৰচতে যাত্ৰীৰ যাতায়তৰ ব্যৱস্থা, শিল্প উদ্যোগৰ বাবে প্ৰয়োজনীয় কেঁচামালৰ যোগান আৰু ব্যৱসায় বাণিজ্যৰ বাবে বিভিন্ন সা-সামগ্ৰীৰ পৰিবহণে ভাৰতৰ বিভিন্ন অঞ্চলৰ অৰ্থনীতি আৰু সামাজিক কাৰ্য্যকলাপত প্ৰত্যক্ষভাৱে প্ৰভাৱ পেলাব। ইতিমধ্যে প্ৰতিষ্ঠিত স্থলপথ, ৰেলপথ আৰু ৰাষ্ট্ৰীয় জলপথৰ উন্নয়ণ তথা এই তিনিওটা মাধ্যমৰ মাজত স্থাপিত সু-সম্পৰ্কই ভাৰতবৰ্ষৰ উত্তৰ-দক্ষিণ, আৰু পূব- পশ্চিমৰ মাজত দূৰত্বৰ ব্যৱধান কমাই আনি ভাৰতবৰ্ষৰ বিভিন্ন অঞ্চলৰ অৰ্থনৈতিক অসমতা দূৰ কৰি ক্ষিপ্ৰ উন্নয়ণত সহায় কৰিব।

ভাৰতবৰ্ষ মৌচুমি জলবায়ু অঞ্চলৰ অৰ্ন্তগত হোৱা বাবে গ্ৰীষ্মকালত দক্ষিণ-পশ্চিম মৌচুমি বতাহৰ প্ৰভাৱত কোনো কোনো অঞ্চলত যথেষ্ট বৰষুণ হোৱা হেতুকে নদী সমূহে বানপানীৰ সৃষ্টি কৰে আৰু বহুতো সময়ত জন-জীৱন তথা সা-সম্পত্তিৰ অনিষ্ট হয়। অন্যহাতে কোনো অঞ্চলত পানীৰ নাটনিৰ বাবে খৰাং পৰিস্থিতিৰ উদ্ভৱ হৈ কৃষিকাৰ্য্যৰ অসুবিধা কৰে। ভাৰতৰ নদীবোৰেৰে বৈ অহা পানীৰ পৰিমান বছৰি ১,৬৭,২০০ কোটি ঘন মিটাৰ। তাৰে মাত্ৰ ৫৬,০০০ কোটি ঘন মিটাৰ পানী জলসিঞ্চনৰ বাবে ব্যৱহাৰ কৰা হয়। বিভিন্ন নদীবোৰে বৈ অনা পানীৰ প্ৰায় দুই তৃতীয়াংশ পানী সাগৰলৈ বৈ নিয়ে আৰু তাৰে কিছু অংশহে ভাপ হৈ উৰি গৈ ভাৰৰ বা

মেঘৰ সৃষ্টি কৰে। সেয়েহে, নদী সংযোগীকৰণ প্ৰকল্পৰ জৰিয়তে বানপানীগ্ৰস্ত অঞ্চলৰ নদীসমূহৰ অতিৰিক্ত পানীভাগ খাল খান্দি কম বৰষুণ হোৱা অঞ্চলৰ নদী সমূহলৈ সৰবৰাহ কৰিব পাৰি। ইয়াৰ ফলত, সেই অঞ্চলৰ জল-পথেৰে যাতায়তৰ সুচলতা বৃদ্ধি, কৃষিকাৰ্য্য তথা শিল্প উদ্যোগত সেই পানীৰ ব্যৱহাৰে অঞ্চলটোৰ অৰ্থনৈতিক উন্নয়ণত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিব।

নদীসংযোগীকৰণ আঁচনিৰ কৃতকাৰ্যতা নিৰ্ভৰ কৰিব ভাৰতৰ আটাইবিলাক প্ৰধান নদীৰ উৎসৰ পৰা মোহনালৈকে গভীৰ অধ্যয়ণ আৰু জৰীপৰ যোগেদি। কাৰণ, প্ৰায় বিলাক নদীৰে, নদীৰ প্ৰাথমিক কাৰ্য্য খনন, নদীৰ পানী বহন ক্ষমতা আৰু নদীভাৰ সমান নহয়। আনহাতে, সকলো বিলাক নদীৰে উৎপত্তি জনিত কাৰণো একে নহয়। ভূ-তাত্বিক সংৰচনা অনুসৰি সমগ্ৰ উত্তৰ ভাৰত তুলনামূলক ভাৱে নব্য আৰু কোমল শিলাস্তৰেৰে গঠিত। এই অঞ্চলৰ মাজেদি বৈ যোৱা প্ৰধান নদীসমূহ : শতুদ্ৰু, গঙ্গা, যমুনা, আৰু ব্ৰহ্মপুত্ৰৰ উৎপত্তিস্থল হিমালয় পৰ্ব্বতমালা আৰু সু-উচ্চ বৰফশৃঙ্গৰ বৰফগলা পানীৰে পৰিপুষ্ট। এই নদীসমূহ কোমল পাললিক শিলাস্তৰৰ মাজেদি বৈ যোৱা বাবে নদীৰ খনন, পৰিবহণ আৰু অৱক্ষেপন কাৰ্য্যৰ বাবে প্ৰচুৰ পৰিমানৰ গেদ সমভূমি তথা মোহনা অঞ্চলত জমা কৰি নদীৰ গতিপথ প্ৰায় সলনি কৰে। আনহাতে, ভাৰতবৰ্ষৰ দাক্ষিনাত্য মালভূমি অঞ্চল কঠিন আগ্নেয় শিলাস্তৰেৰে গঠিত আৰু পুৰণি। এই অঞ্চলৰ প্ৰধান নদী সমূহঃ মহানদী, গোদাবৰী, কৃষ্ণা, কাৱেৰী, নৰ্মদা আৰু তাপ্তী নদী একমাত্ৰ বৰষুণৰ পানীৰ ওপৰতেই নিৰ্ভৰশীল। এই নদীসমূহ কঠিন শিলাস্তৰৰ মাজেদি বৈ যোৱা হেতুকে যথেষ্ট খৰস্ৰোতা আৰু উপত্যকা প্ৰায়ে V-আকৃতিৰ হয়। গতিকে, ভাৰতবৰ্ষৰ নদীসংযোগীকৰণ আঁচনিৰ জৰিয়তে নদীসমূহক খাল খান্দি সংযোগ কৰি ৰাষ্ট্ৰীয় জলপথ নিৰ্মাণৰ যি অভিলাসী আঁচনিৰ কথা ভবা হৈছে, সকলো নদীকে একে পৰ্য্যায়ৰে সংযোগ কৰাটো সমিচিন নহব। এনেকুৱা এক বৃহৎ আঁচনি ৰূপায়ণৰ আগতে সেই অঞ্চলৰ কৃষিকাৰ্য্য, সাংস্কৃতিক তথা আৰ্থসামাজিক অৱস্থা, ৰাজনৈতিক আৰু ভৌগলিক পৰিবেশ বিভিন্ন পৰ্য্যায়ত আলোচনাৰ পিছতহে সম্ভৱ হ'ব। অন্যথা, খাল খন্দাৰ নামত যথেষ্ট সংখ্যক কৃষিভূমিৰ লগতে প্ৰকৃতিক ভাৰসাম্য বিনিষ্ট হোৱাৰ সম্ভাৱনা আছে।

অকল, বানপানী নিয়ন্ত্ৰণ, যাতায়ত ব্যৱস্থাৰ সুচল, জলসিঞ্চনৰ জৰিয়তে খৰাং পৰিস্থিতিৰ মোকাবিলা কৰাৰ চিন্তা আগত ৰাখি ব্ৰহ্মপুত্ৰৰ দৰে আন নদী সমূহক নদী সংযোগীকৰণ আঁচনিত অৰ্ন্তভূক্ত কৰি এই নদীসমূহৰ পানী ভাৰতৰ অন্যান্য অঞ্চললৈ উলিয়াই নিলে "কাবেৰী জল বিবাদ"ৰ দৰে ভৱিষ্যতে আৰু অন্য বহুতো জলবিবাদৰ উৎপত্তি হোৱাৰ আশংকা আছে।

~~~~~~~~~~~~~~~~~~~~~~~~

প্ৰবন্ধ



## "নাৰী শিক্ষা আৰু মৰ্য্যাদা"

চিত্ৰলেখা দেৱী
*প্ৰৱক্তা, প্ৰাণী বিজ্ঞান বিভাগ।*

সমাজৰ উন্নতি আৰু প্ৰগতিৰ ক্ষেত্ৰত নাৰীৰ গুৰুত্বপূৰ্ণ ভূমিকা আছে। সমাজৰ উন্নতিৰ বাবে নাৰী শিক্ষিত হোৱাটো অতিকৈ প্ৰয়োজনীয়। শিক্ষাই নাৰী এগৰাকীক কেৱল সচেতনেই নকৰে, মহিলাগৰাকীয়ে আত্মশক্তিও লাভ কৰে। শিক্ষাই মানুহক জ্ঞানৰ পৰিসৰ বিস্তৃত কৰি মানুহৰ মনো বহল কৰে। স্বামী বিবেকানন্দৰ মতে শিক্ষা হ'ল "মানৱৰ ভিতৰত থকা গুণৰাজিৰ প্ৰকাশ"। দেশ এখনৰ উন্নতি নিৰ্ভৰ কৰে নাগৰিক সকলৰ শিক্ষাৰ মানদণ্ডৰ ওপৰত। দেশৰ নাগৰিক বুলিলে পুৰুষ আৰু মহিলা উভয়কে বুজায়। এই ক্ষেত্ৰত নাৰী পুৰুষ সমানে শিক্ষিত হ'ব লাগিব। দেশৰ ভৱিষ্যত নৱ প্ৰজন্মক সু-শিক্ষিত কৰি গঢ়ি তুলিবলৈ হলে মাতৃগৰাকী প্ৰথমতে শিক্ষিত হ'ব লাগিব। স্ত্ৰী-শিক্ষাৰ প্ৰতি লক্ষ্য ৰাখি জৱাহৰলাল নেহেৰুৱে কৈছিল- "Education of a boy is education of one person, but education of a girl is the education of entire family." একমাত্ৰ স্ত্ৰী-শিক্ষাৰ জৰিয়তেহে আমি এটা সুখী পৰিয়াল লগতে এখন সুস্থ সমাজ আশা কৰিব পাৰোঁ। এটি শিশুৱে তাৰ প্ৰাথমিক শিক্ষা লাভ কৰে মাকৰ পৰাই। মাকে হৈছে ভৱিষ্যত নাগৰিক গৰাকীৰ শিক্ষাৰ ভেটি স্বৰূপ। কিন্তু দুখৰ বিষয় স্বাধীনতাৰ ৫০ বছৰ পিছতো নাৰী শিক্ষা যিটো হাৰত আগবাঢ়িব লাগিছিল, সেয়া হোৱা নাই।

নাৰী শিক্ষাৰ ক্ষেত্ৰত ১৯৮৬ চনতে ৰাষ্ট্ৰীয় শিক্ষা নীতিয়ে অনুসূচিত জনজাতি আৰু অনুসূচিত জনগোষ্ঠীৰ লগতে মহিলা শিক্ষাৰ ওপৰত প্ৰাধান্য দি আঁচনি তৈয়াৰ কৰে যদিও স্ত্ৰী শিক্ষাৰ প্ৰসাৰণ বিশেষ ফলপ্ৰসু হোৱা নাই। বিশেষকৈ অসমৰ পিছপৰা শ্ৰেণীসমূহ (গাওঁ অঞ্চলত) আজিও নাৰী শিক্ষাৰ ক্ষেত্ৰত অসচেতন। অৱশ্যে চৰকাৰে স্ত্ৰী শিক্ষা বুলিয়ে নহয় সমাজৰ সকলো শ্ৰেণীৰ সকলো ব্যক্তিয়ে শিক্ষিত হ'ব পৰাকৈ বিভিন্ন আঁচনি হাতত লৈছে। উদাহৰণ স্বৰূপে- 'সৰ্বশিক্ষা আঁচনি'ৰ কথা উল্লেখ কৰিব পাৰি।



Scanned with CamScanner
~~~~~~~~~~~~~~~~~~~~~~~~

বৈদিক যুগলৈ উভটি চালেও নাৰীয়ে শিক্ষা অৰ্জন কৰি পাণ্ডিত্য লাভ কৰাৰ প্ৰমাণ পোৱা যায়। সেই যুগৰ লোপামুদ্ৰা, লীলাৱতী, আপালা আদি বিদুষী মহিলাসকলৰ নাম আজিও সকলোৱে স্মৰণ কৰে। বৰ্তমানেও আমাৰ দেশত নাৰী শিক্ষাৰ ক্ষেত্ৰত কিছু উন্নতি কৰিছে। আজি গাৱেঁ, চহৰে, নগৰে সকলো মানুহে শিক্ষাৰ কথা উপলব্ধি কৰিছে। এবেলা নেখাই থাকিও ল'ৰা-ছোৱালীক স্কুললৈ পঠাইছে। কিন্তু এটা সময় আছিল যেতিয়া শিক্ষাৰ ক্ষেত্ৰত নাৰীক একেবাৰে আঁতৰাই ৰখা হৈছিল। মহাত্মা গান্ধীয়ে কৈছিল "শিশুৰ সমস্যা দূৰ কৰিবলৈ হ'লে নাৰীৰ শিক্ষাৰ সমস্যা দূৰ কৰিব লাগিব"। পৃথিৱী বিখ্যাত মহিলা মাদাৰ টেৰেছাই কৈছিল "অবিদ্যা হ'ল দৰিদ্ৰ সকলৰ ডাঙৰ ব্যাধি"। শিক্ষা অবিহনে জ্ঞানৰ চকু মেল নাখায়। এতেকে সমাজ সংস্কাৰ কৰিবলৈ হ'লে নাৰী শিক্ষাৰ ওপৰত যথেষ্ট গুৰুত্ব দিব লাগিব। ডঃ ৰাধা কৃষ্ণনৰ ভাষাত "নাৰীয়ো মানৱ পুৰুষৰ দৰে, তেওঁলোকৰো বিকাশৰ অধিকাৰ আছে।" এখন সমাজৰ আধ্যাত্মিক দিশ প্ৰতিফলন কৰে নাৰীয়ে। শিক্ষিত মহিলা অবিহনে শিক্ষিত পুৰুষ হ'ব নোৱাৰে।

সমাজৰ পৰিবৰ্তনৰ লগে লগে ব্যক্তি মনৰো পৰিবৰ্তন হয়। অথচ নাৰীৰ প্ৰতি থকা সমাজৰ যি অন্ধনীতি আজিও যেন সেইয়া বিৰাজমান। আজিও নাৰীয়ে সমাজৰ কঠোৰতাক নতশিৰে মানি লৈ সেই পথেৰেই খোজ কাঢ়িব লাগে। চাকৰিয়াল মহিলাৰ ক্ষেত্ৰতো একেই দৃষ্টিভংগী, নাৰী এগৰাকীৰ মন, বিবেক, দুখ ভাগৰ যেন একেবাৰেই নাথাকে। এয়াই আমাৰ সমাজ ব্যৱস্থা। অৱশ্যে স্বাধীনতাৰ পিছত বিশেষকৈ অসমত নাৰী শিক্ষা আৰু নাৰী স্বাধীনতাৰ প্ৰতি যথেষ্ট গুৰুত্ব আৰোপ কৰা হৈছে। অইন ঠাইৰ তুলনাত আমাৰ দেশত নাৰীয়ে মুক্ত মন লৈ ফুৰিব পাৰে। তদুপৰি যৌতুক প্ৰথা, নাৰী নিৰ্য্যাতিন আদি ভাৰতৰ আন ঠাইৰ তুলনাত অসমত যথেষ্ট কম।

স্ত্ৰী-শিক্ষাৰ প্ৰসাৰণ ভাৰতবৰ্ষত কম হোৱাৰ বহুতো কাৰণ আছে। চহৰৰ মধ্যবিত্ত পৰিয়ালৰ মহিলাই বহুতখিনি সুবিধা উপভোগ কৰিলেও গাওঁৰ মহিলাসকল বহু পৰিমাণে অনগ্ৰসৰ হৈ আছে। সমাজৰ কু সংস্কাৰ বা ৰক্ষণশীলতা আৰু মহিলাক সামাজিক কু নিয়মে বান্ধি ৰখাৰ কাৰণে তেওঁলোকে শিক্ষাৰ পৰা বঞ্চিত হব লগা হয়। ইয়াৰ উপৰিও আমাৰ সমাজ পিতৃ প্ৰধান হোৱা বাবে অভিভাৱক সকলে ছোৱালী এজনী ডাঙৰ হৈ অহাৰ লগে লগে শিক্ষাৰ কথাটোতকৈ বিয়াৰ কথাত হে বেছিকৈ গুৰুত্ব দিছিল। এতিয়াও ইয়াৰ ব্যতিক্ৰম হোৱা নাই। তদুপৰি যাতায়তৰ সুব্যৱস্থা নথকাৰ বাবে কিছুমান ঠাইত মহিলা শিক্ষা বাধাগ্ৰস্থ। আগৰ দিনত (এতিয়াও কিছুমান ঠাইত) ল'ৰা-ছোৱালী একেলগে পঢ়া কথাটো সহজভাৱে লব পৰা নাছিল। এই ক্ষেত্ৰত সুকীয়া ছোৱালী স্কুলৰ অভাৱ আছিল। এনেকুৱা কিছুমান কাৰণতে মহিলা শিক্ষাৰ প্ৰসাৰ ফলপ্ৰসূ হোৱা নাই বুলি ভাবিব পৰা যায়।

নাৰী সমাজৰ মেৰুদণ্ড। সমস্যাৰে জৰ্জৰিত সমাজখনক এটা গতিত দিব লাগিব নাৰী সমাজে। সমাজ সংস্কাৰ আৰু উন্নতিৰ কথাত নাৰীৰ ভূমিকা অগ্ৰগণ্য। ফ্ৰেডেৰিক হেৰিশৰ মতে "নাৰীয়ে কেৱল সন্তানেই জন্ম দিব পাৰে এনে নহয়, পুৰুষ আৰু সমাজকো শিক্ষিত কৰি উচ্চতম সভ্যতাৰ ফালে লৈ যাব পৰাটোৱেই নাৰীৰ ধৰ্ম আৰু সাৰ্থকতা। সমাজ এখন সংস্কাৰ হ'বলৈ হ'লে যেৱল শিক্ষিত হলেই নহব। ইয়াৰ বাবে প্ৰয়োজন হ'ব ঘৰে ঘৰে নাৰীৰ আদৰ্শ আৰু ভূমিকা।

পৃথিৱীৰ ইতিহাসত নাৰীসকলে সমাজলৈ আগবঢ়োৱা অৰ দান অপৰিসীম। কিন্তু ইয়াৰ মাজতো কিছুমান নাৰীয়ে ভুল পথেৰে পৰিচালিত হৈ সমাজ, ঘৰ, চুবুৰীয়াৰ লগতে দেশখনকো বিপথে নিয়াৰ দৃষ্টান্ত বিৰল নহয়। এচাম মহিলাই পশ্চিমীয়া সংস্কৃতি বেছিকৈ আহৰণ কৰি নিজকে মডাৰ্ণ বুলি পৰিচয় দিবলৈ যাওঁতে নিজৰ সভ্যতা, সংস্কৃতি পাহৰি গৈছে। ফলত এচাম নতুন প্ৰজন্মই তেনেবিলাকক অনুসৰণ কৰি বৰ্তমান সমাজত বিশৃংখলতাৰ সৃষ্টি কৰিছে। নাৰীয়ে নাৰীক হেয় প্ৰতিপন্ন কৰিবলৈ চেষ্টা কৰিছে। চিনেমাজগত, মডেলিং আদিত নাৰীৰ সাজ-পোছাক অৰ্দ্ধনগ্ন। কিন্তু পুৰুষৰ ক্ষেত্ৰত ওলোটা। আমি যদি প্ৰত্যেক গৰাকী নাৰীয়ে সচেতন হওঁ তেন্তে এই ব্যৱস্থা নিশ্চয় হ্ৰাস পাব। বৰ্তমান যুগত প্ৰায় সকলোৱে কম বেছি পৰিমাণে শিক্ষিত। শিক্ষিত সমাজত প্ৰতি গৰাকী নাৰীয়ে সচেতন হৈ নিজৰ অস্তিত্বৰ কথা নিজৰ কাম কাজ, আচাৰ ব্যৱহাৰ আদিৰে পৰিচয় দিব লাগিব। তেতিয়াহে সমাজত নাৰীয়ে এখন সুকীয়া আসন লাভ কৰিব পাৰিব।



মাতা শত্ৰু পিতা বৈৰীঃ যেন বালা ন পাঠিতাঃ সভামধ্যে নশোভন্তি
হংস মাজে বকো যথা।।* ।।৪৯।। - শুক-চৰিত-কথা।

*****************

প্ৰবন্ধ



# পৃথিৱীৰ সৰ্ববৃহৎ পুথিভঁৰাল "লাইব্ৰেৰী অৱ কংগ্ৰেছ"

ভাৰতী কলিতা
স্নাতক ২ য় বৰ্ষ

১৯৮৩ চনত যুক্তৰাষ্ট্ৰৰ সৈন্য বাহিনীয়ে "গ্ৰানাডা" দ্বীপ আক্ৰমণ কৰি দখল কৰি লোৱাৰ সময়ত তাত আছিল এটি পুথিভঁৰাল। আক্ৰমণৰ পূৰ্বে যুক্তৰাষ্ট্ৰৰ সেনা-বাহিনীৰ চোৰাংচোৱা বিভাগে এই পুথিভঁৰালৰ পৰা গ্ৰাণাডাৰ বিষয়ে তন্ন তন্নকৈ তথ্য সংগ্ৰহ কৰিছিল।

আমেৰিকা যুক্তৰাষ্ট্ৰৰ ওৱাছিংটন মহানগৰীৰ বুকুত অৱস্থিত "লাইব্ৰেৰী অৱ কংগ্ৰেছ" ক সমকালীন যুগৰ পৃথিৱীৰ আটাইতকৈ বৃহৎ পুথিভঁৰাল বুলি অভিহিত কৰা হৈছে।

১৮৭০ চনত যুক্তৰাষ্ট্ৰৰ কংগ্ৰেছে এখন অধিসূচনা জাৰি কৰি গ্ৰনাডাৰ পুথিভঁৰাল আৰু ধনী ব্যক্তিৰ পৰা মূল্যবান কিতাপ, মানচিত্ৰ, বিভিন্ন পাৰিসাংখ্যিক তালিকা, তৈলচিত্ৰ, সংগীতৰ বিভিন্ন বাদ্যযন্ত্ৰৰ তালিকা আদি কপিৰাইট সহ "লাইব্ৰেৰী অৱ কংগ্ৰেছ" ৰ কৰ্তৃপক্ষলৈ পঠিয়াবলৈ আহ্বান জনায়। আশাকৰা মতেই লাইব্ৰেৰী কৰ্তৃপক্ষই জনসাধাৰণৰ পৰা অচিৰেই সঁহাৰি পালে। ১৮৯৭ চনত এই পুথিভঁৰাল আনুষ্ঠানিক ভাবে উদ্বোধন কৰা হয়।

বৰ্তমান এই পুথিভঁৰালৰ পৰিসৰ কিমান ডাঙৰ সেইটো ইয়াত থকা কিতাপৰ খেলফ্‌ৰ পৰাই অনুমান কৰিব পাৰি। পৃথিৱীৰ বৃহৎ এই পুথিভঁৰালটোৰ আটাইবিলাক কিতাপৰ শ্বেলফ্ দীঘলীয়াকৈ লগ লগালে ইয়াৰ মুঠ দৈৰ্ঘ্য হয় ৮৬০ কিলোমিটাৰ। বস্তুতে হয়তো এইটো বিশ্বাস কৰিবলৈ টানেই পাব। বিভিন্ন নথিপত্ৰ লগ লগাই বৰ্তমান এই পুথিভঁৰালৰ মুঠ কিতাপৰ সংখ্যা ৮৫ নিযুত। প্ৰতিদিনে প্ৰায় ৩১০০০ নতুন কিতাপ ইয়াত ভৰ্ত্তি কৰোৱা হয়। ইংৰাজীৰ বাহিৰেও এই পুথিভঁৰালত পৃথিৱীৰ বিভিন্ন প্ৰান্তৰ মুঠ ৪৭০ টা ভাষাৰ কিতাপ আছে।

পুথিভৰালত অধ্যয়ণ কৰিবলৈ বা অইন কিবা তথ্য পাতি সংগ্ৰহ কৰিবলৈ বিশেষ কোনো প্ৰবেশ পত্ৰৰ দৰকাৰ নহয়। ইয়াৰ ২৩ টা অধ্যয়ন কোঠা সকলৰ বাবে খোলা। এটা কথা সত্য যে যি সময়ত কোনোৱে এই পুথিভৰাললৈ নাযাওক কিয়, প্ৰতিমুহূৰ্ত্ততে তাত এজন প্ৰখ্যাত বুৰঞ্জীবিদেই হওঁক অথবা প্ৰখ্যাত চলচিত্ৰ পৰিচালকে হওঁক অথবা প্ৰসিদ্ধ তৈল চিত্ৰ শিল্পীকে হওঁক লগ পাবই।

বৰ্তমান পুথিভঁৰালত মুঠ বেতন ভোগী চাকৰিয়ালৰ সংখ্যা ৫০০০ জন। ইয়াৰ ভিতৰত ৯০০ জন যুক্তৰাষ্ট্ৰৰ "হাউছ অৱ ৰিপ্ৰেজেনটেটিভছ" আৰু চিনেটৰ কাৰণে নিযুক্ত। ৮০০০ বৰ্গ মিটাৰ কালিৰ এটি বিশেষ কেৰিনত ৰখা এই বিশেষ পুথিভঁৰালৰ মানচিত্ৰৰ সংখ্যা হ'ল চাৰি নিযুত। সৌৰ জগতৰ শুক্ৰ, চন্দ্ৰ, প্ৰশান্ত মহাসাগৰৰ তলিৰ পৰা আৰম্ভ কৰি পৃথিৱীৰ সকলো মহানগৰীৰ মানচিত্ৰ ইয়াত সংৰক্ষণ কৰা আছে। সমূদ্ৰ যাত্ৰাত নাৱিকক লগা দিক্ নিৰ্ণায়ক মানচিত্ৰও আনকি ইয়াত পোৱা যায়। পৃথিৱীৰ প্ৰায় ৯ নিযুত আপুৰুগীয়া স্থিৰচিত্ৰ ইয়াত সযত্নে সংৰক্ষণ কৰি ৰখা হৈছে। ৰেকৰ্ডিং ৰুমতো পৃথিৱীৰ বিখ্যাত অভিনেতা, অভিনেত্ৰী, ৰাজনৈতিক নেতা আদিৰ সংলাপ তথা বক্তব্য ৰেকৰ্ডিং কৰি থোৱা আছে।

১৯ শ শতিকাৰ আৰ্গাল কাগজ প্ৰস্তুত কৰোঁতে "অম্ল-অৱলম্বন" কাগজ প্ৰস্তুত পদ্ধতি অৱলম্বন কৰা হৈছিল। ফলত এনে কাগজ ২৫ ৰ পৰা ১০০ বছৰ পিছত আপোনা-আপোনি নষ্ট হৈ যায়। এনে অৱস্থাৰ কাৰণে "লাইব্ৰেৰী অৱ কংগ্ৰেছৰ" প্ৰায় ৭০,০০ কিতাপ নষ্ট হবলৈ আৰম্ভ কৰিছে। ধ্বংশৰ গৰাহৰ পৰা যাতে এই আপুৰুগীয়া সম্পত্তি সমূহ ৰক্ষা কৰিব পাৰি তাৰ কাৰণে লাইব্ৰেৰী অৱ কংগ্ৰেছৰ বিজ্ঞানী সকল আগবাঢ়ি আহিছে এটা নতুন ৰাসায়নিক পদ্ধতি এচিডিফিকেচন পদ্ধতি লৈ। যদি এই পদ্ধতি সফল হয় তেতিয়া হ'লে লাইব্ৰেৰী অৱ কংগ্ৰেছৰে নহয় পৃথিৱীৰ আন আন পথিভঁৰাল সমূহেও এটি বৃহৎ ধ্বংশৰ সমস্যাৰ পৰা হাত সাৰি থাকিব পাৰিব। এই মহান বিদ্যাৰ মন্দিৰটোৰ গ্ৰন্থাগাৰিক জেমছ বিলিটনৰ মতে "লাইব্ৰেৰী অৱ কংগ্ৰেছ" হ'ল শিক্ষাৰ উৎকৰ্ষৰ এটা ডাঙৰ উৎস।

**ন-হি জ্ঞানেন সদৃশং পৱিত্ৰমিহ বিদ্যতে (বিদ্যাৰ সমান পবিত্ৰ বস্তু আন একোৱেই নাই) - গীতা**

!~!~!~!~!~!~!~!~



Scanned with CamScanner

প্ৰবন্ধ

# অসমীয়া ভাষাৰ ভৱিষ্যত শীৰ্ষক

শ্ৰী ৰতন কলিতা
স্নাতক ২য় বৰ্ষ (কলা)

অসমীয়া জাতিৰ অতি মৰমৰ, অতি চেনেহৰ, অতি প্ৰিয় ভাষা হ'ল অসমীয়া। গতিকে এই অসমীয়া ভাষাক জীয়াই ৰখাৰ কৰ্তব্য আমাৰ প্ৰত্যেকজন অসমীয়াৰ। ভৱিষ্যতত অসমীয়া ভাষাক জীয়াই ৰখাৰ বাবে আমি প্ৰত্যেকজন অসমীয়াই বৰ্তমান সজাগ হ'ব লগাত পৰিছে। কাৰণ পৃথিৱীত বৰ্তমান লাহে লাহে বহুতো ক্ষুদ্ৰ ক্ষুদ্ৰ ভাষা বিলুপ্ত হোৱাৰ পথত বুলি আমি গম পাব ধৰিছোঁ। আজিৰ পৰা ৭ বছৰ আগতে অৰ্থাৎ ইং ১৯৯৪ চনত জাৰ্মানিত এজন জাৰ্মান ভাষাবৈজ্ঞানিকে কৈছিল যে একবিংশ শতিকাৰ শেষৰ ফালে পৃথিৱীত প্ৰায় তিনিশৰ পৰা দুশমান ভাষাহে জীয়াই থাকিব। অসমীয়া ভাষা জীয়াই ৰখাৰ বাবে প্ৰত্যেকজন অসমীয়া এতিয়া সচেতন হোৱা দৰকাৰ।

অসমীয়া ভাষাক ভৱিষ্যতে জীয়াই ৰাখিবৰ বাবে প্ৰথমে অসমীয়া ভাষাৰ উন্নতি সাধন কৰিব লাগিব। অসমীয়া ভাষাত ৰচনা কৰা গল্প, কবিতা, প্ৰবন্ধ, উপন্যাস, আলোচনী, নাটক আদিয়ে ভাষাটোক জীয়াই ৰখাত অৰিহনা যোগাব পাৰে। অভিধানেও ভাষাৰ ক্ষেত্ৰত এক গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰে। গতিকে সাহিত্যৰ প্ৰচাৰৰ ক্ষেত্ৰত গুৰুত্ব প্ৰদান কৰিব লাগে অসমবাসীয়ে। ৰেডিঅ' টেলিভিচন আদিৰ প্ৰচাৰেও অসমীয়া ভাষাৰ উন্নতি সাধন কৰিব পাৰে। জনমত গঠনেও অসমীয়া ভাষাৰ উন্নতি সাধন কৰে বুলি আমাৰ বিশ্বাস।

এইবোৰ কাৰকে অসমীয়া ভাষাৰ উন্নতি সাধন কৰে যদিও, আনহাতে কিছুমান এনেকুৱা কাৰক আছে যিবোৰে অসমীয়া ভাষাৰ উন্নতিত বাধা প্ৰদান কৰে।

বৰ্তমান বুদ্ধিজীৱি সকলে আলোচনা-বিলোচনা কৰি দেখিছে যে অসমৰ শিক্ষিত লোকসকলে প্ৰত্যক্ষ ভাৱে নহলেও পৰোক্ষ ভাৱে অসমীয়া ভাষাক অৱহেলা কৰে। অসমীয়া শিক্ষিত লোকসকলে অসমীয়াতকৈ আন ভাষাৰ বেছি ভাগ কিতাপ কিনি অধ্যয়ন কৰা দেখা যায়।

অৱশ্যে অসমীয়া ভাষাত কিতাপৰও অভাৱ আছে। কিছুমান কিতাপ অসমীয়াত অনুবাদ হৈছে যদিও বহু কথা জানিবলৈ হলে ইংৰাজী কিতাপও পঢ়িব লগা হয়। ইয়াৰ মূল কাৰণ হল অসমীয়াত ভাণ্ডাৰৰ অভাৱ। ইয়াৰ উপৰিও বিজ্ঞান, টেকনোলজিৰ কথা জানিবলৈ হলে অসমীয়াতকৈ ইংৰাজীহে বেছিকৈ জানিব লাগে। ইয়াৰ উপৰিও আমাৰ কিছুমান দোষ আছে, সেইবোৰ হল আমি বহুতেই দৰকাৰী অসমীয়া শব্দ ব্যৱহাৰ নকৰি ইংৰাজী শব্দ ব্যৱহাৰ কৰোঁ। ইয়াৰ উপৰিও সাহিত্যিক, প্ৰবন্ধকাৰ সকলেও তেওঁলোকৰ ৰচনাৰ মাজত ইংৰাজী শব্দ ব্যৱহাৰ কৰা দেখা যায়। এই শব্দবোৰৰ অসমীয়া প্ৰতিশব্দ ব্যৱহাৰ নকৰি ইংৰাজী শব্দ ব্যৱহাৰৰ ফলত তাৰ অসমীয়া প্ৰতিশব্দ বোৰ বিলুপ্ত হোৱা যেন হৈছে। ইয়াৰ উপৰিও ভাৰতৰ ৰাষ্ট্ৰভাষা হ'ল হিন্দী আৰু আন্তঃ ৰাষ্ট্ৰীয় ভাষা হ'ল ইংৰাজী সেয়ে অসমৰ কোনো এজন লোকে পৃথিৱীৰ কোনো এখন ঠাইলৈ যাবলৈ হ'লে বা সম্পৰ্ক স্থাপন কৰিবলৈ হ'লে ইংৰাজী জনা আৱশ্যক হয়। সেয়েহে বেছিভাগ ছাত্ৰ-ছাত্ৰীয়ে অসমীয়াতকৈ ইংৰাজী ভাষাক বেছিকৈ অধ্যয়ন কৰা দেখা যায়। ইয়াৰ উপৰিও ইংৰাজী মাধ্যমৰ স্কুল, কলেজ অসমত বেছিকৈ বাঢ়িব ধৰিছে। ফলত তাত পঢ়া-শুনা কৰা ছাত্ৰ-ছাত্ৰী সকলে ইংৰাজী পুথি অধ্যয়ন কৰিছে কিন্তু সেই অনুযায়ী সেই ছাত্ৰ-ছাত্ৰী সকলে ঘৰত ব্যৱহাৰ কৰাৰ পৰিৱৰ্তে অসমীয়া ভাষাৰ পুথি অধ্যয়ন নকৰে। তাৰ ফলত ই অসমীয়া ভাষাৰ উন্নতিৰ ক্ষেত্ৰত বাধাৰ সৃষ্টি কৰিছে। এইবোৰ কাৰকে অসমীয়া ভাষাৰ উন্নতিৰ ক্ষেত্ৰত বাধা প্ৰদান কৰিছে।

সেয়েহে আমি অসমীয়া ভাষাক ভৱিষ্যতে জীয়াই ৰাখিবৰ বাবে প্ৰত্যেকজন অসমীয়াই সমাজ সংস্কৃতিৰ পৰা আৰম্ভ কৰি শুদ্ধ অসমীয়া ৰচনা কৰি অসমীয়া ভাষাক জীয়াই ৰখাৰ বাবে চেষ্টা কৰোঁ আহক আৰু তেতিয়াহে অসমীয়া ভাষাৰ শ্ৰীবৃদ্ধি ঘটিব।

**মধুৰ কথা মধুৰ কথা**

"ভাগ্যক বিশ্বাস নকৰিবা, বিশ্বাস কৰা তোমাৰ শক্তিক।" — ডঃ বি. আৰ. আম্বেদকাৰ।

"জীৱনত কৃতকাৰ্য হোৱাটো গৌৰৱৰ কথা নহয় কিন্তু অকৃতকাৰ্যতাৰ পৰা সফলতা লাভ কৰিবলৈ চেষ্টা কৰাতহে আমাৰ গৌৰৱৰ প্ৰকাশ।" — কাৰ্লাইল।

"ভুল কথা জনাতকৈ একেবাৰে নজনাই ভাল" — ছেক্সপীয়েৰ।

"আঠুকাঢ়ি থকা ভদ্ৰলোক এজনতকৈ নিজৰ ভৰিৰ ওপৰত থিয় দি থকা খেতিয়ক এজন বেছি ডাঙৰ মানুহ" — বেঞ্জামিন ফ্ৰেংকলিন।

সংগ্ৰহঃ
মিছ ভূনু পাটোৱাৰী
স্নাতক প্ৰথম বৰ্ষ

প্ৰবন্ধ

# "ডাকৰ বচন" আৰু অসমীয়া সমাজ জীৱনত ইয়াৰ প্ৰভাৱ

মিছ্ মীনাক্ষি কলিতা
প্ৰাক্তন ছাত্ৰী

**'ডাকৰ বচন'** কোনে আৰু কোন সময়ত ৰচনা কৰিছিল সেই বিষয়ে নিশ্চিতকৈ কোৱা কঠিন। 'ডাকৰ বচন' ডাক নামৰ পুৰুষ এজনৰ নামত প্ৰচলিত। আচলতে 'ডাকৰ বচন' ডাক নামৰ কোনো বুৰঞ্জী প্ৰসিদ্ধ পুৰুষে ৰচনা কৰিছিল বুলি ভবাত সন্দেহৰ স্থান আছে। তেওঁৰ বিষয়ে প্ৰচলিত বিশ্বাস আৰু তেওঁৰ নামত চলিত প্ৰবচনবোৰ লোকমনৰ মাজৰ পৰাহে জন্ম লোৱা যেন লাগে। 'বাংলা লোক সাহিত্য' গ্ৰন্থৰ লিখক আশুতোষ ভট্টাচাৰ্যই লিখিছে- "ডাক কোনো ব্যক্তিৰ নাম নহয়, এক শ্ৰেণীৰ বৌদ্ধ তান্ত্ৰিক সাধনাক ডাক বোলা হৈছিল।"

ডাক-চৰিতত উল্লেখ কৰা মিহিৰ মুনিৰ সময়লৈ দৃষ্টি ৰাখি কোনোৱে ডাকৰ উদ্ভৱ কাল খ্ৰীষ্টীয় চতুৰ্থ-ষষ্ঠ শতিকাৰ ভিতৰত অৰ্থাৎ গুপ্তযুগত স্থাপন কৰিব খোজে। কোনোৱে আকৌ ডাক ভনিতাৰ ভাষা আৰু আৰবী, ফাৰ্চী শব্দৰ ব্যৱহাৰলৈ লক্ষ্য ৰাখি চতুৰ্দশ শতিকা মানত ডাকৰ বচনৰ উদ্ভৱ হৈছিল বুলি কয়। আন কিছুমানে আকৌ ৮০০-১২০০ খৃষ্টাব্দৰ ভিতৰত বচনবোৰ ৰচনা কৰা বুলি নিৰ্ণয় কৰিব খোজে। অৱশ্যে বৰ্তমান ডাক ভনিতাৰ বিষেৰ ভাষা নি ষোড়শ-সপ্তদশ শতিকাৰ আগৰ নহয়। লিপিবদ্ধ হোৱাৰ অনেক আগৰ পৰাই যে ডাকৰ বচনবোৰ মুখে মুখে চলি আহিছিল, সেইটো ঠিক। ডাক বচনত ৰাষ্ট্ৰীয় শাসনৰ প্ৰভাৱ দেখা নাযায়।

আহোম শাসন, কোচ শাসন নাইবা মুছলমানৰ শাসনৰ কোনো প্ৰকাৰৰ উল্লেখ ইয়াত নাই। তাৰপৰা অনুমান কৰিব পাৰি যে বেছিভাগ ডাকৰ বচনেই পঞ্চদশ শতিকাৰ আগতে ৰচিত হৈছিল।

ডাকৰ বচনৰ বিষয়-বস্তুত বৈচিত্ৰ্যময়তা দেখা যায়। ডাকৰ বচনবোৰ ব্যক্তিনিৰপেক্ষ, ব্যৱহাৰিক অভিজ্ঞতা, ৰুচি অভিৰুচি, শুভাশুভৰ ধাৰণা, বিশ্বাসৰ আধাৰ ভূমি এই বচনসমূহ। ধৰ্ম প্ৰকৰণ, ৰাজনীতি প্ৰকৰণ, বন্দনা প্ৰকৰণ, গৃহিণী প্ৰকৰণ, স্বাস্থ্য প্ৰকৰণ-বৃক্ষ লক্ষণ, কৃষি লক্ষণ, বৰ্ষালক্ষণ, জ্যোতিষ প্ৰকৰণ, খেতি বৰ্ণনা আদি অভিজ্ঞতা প্ৰসূত উপদেশ। ইয়াৰ বিষয় বস্তুত ঠাই পাইছে হিন্দু ধৰ্মৰ বৰ্ণাশ্ৰম ব্যৱস্থা, পাপ-পূণ্য, স্বৰ্গ-নৰকৰ ধাৰণা, ধৰ্ম শাস্ত্ৰৰ বিধান, নাৰী ধৰ্ম, সতীৰ ধাৰণা, তীৰ্থ ভ্ৰমণ, দান-দক্ষিণাৰ ফল, জ্যোতিষৰ ফলাফলত বিশ্বাস, কমাৰ-কুমাৰ-ধোবা আদি ব্যক্তিৰ উদ্ভৱ, কৃষি সম্পৰ্কে বিশদ অভিজ্ঞতা লব্ধ জ্ঞান এই সকলোবোৰ বিষয় ডাকৰ বচনত প্ৰতিফলিত হৈছে। জাতীয় মানসিকতা, জাতীয় ভাবধাৰা, জাতীয় সুখ-দুখৰ ধাৰণা এই সকলোবোৰ প্ৰভাৱ ডাকৰ বচনত ধৰা পৰিছে। ডাকৰ বচনত বৌদ্ধ প্ৰভাৱৰ ইঙ্গিতো পোৱা যায়-

"তেৰেসে ধৰ্মক কৰিব জানি।
পুখুৰী খানিয়া ৰাখিব পানী।।
বৃক্ষ ৰোপণত অধিক ধৰ্ম।
মঠ-মণ্ডপত গুৰুতৰ কৰ্ম।।"

অৱশ্যে এই ইঙ্গিত কেতিয়াও স্পষ্ট নহয়। ইয়াতকৈ ভক্তি ধৰ্মৰ প্ৰভাৱৰ ইঙ্গিত স্পষ্ট। হিন্দু ধৰ্মৰ ভাবৰ সমাৱেশ ডাকৰ বচনবোৰৰ সাধাৰণ পটভূমি। তাতোকৈয়ো সাধাৰণ জ্ঞান বা মানৱীয় বৃত্তিৰ ফালৰ পৰা যিখিনি ভাল বা বেয়া অনুভৱ কৰা হৈছে, তাকেই সাহসিকতাৰে জনতাৰ উপকাৰৰ অৰ্থে উপদেশ দিয়া হৈছে। বিশেষকৈ জনসাধাৰণৰ জীৱনৰ সকলো লাগতিয়াল কথাকে উপদেশপূৰ্ণ মন্তব্যৰে প্ৰকাশ কৰাটোৱেই ডাকৰ বচনৰ মূল উদ্দেশ্য।

অসমীয়া সামাজিক জীৱনত ডাকৰ বচন সমূহৰ প্ৰভাৱ বিশেষভাৱে লক্ষনীয়। বিশেষকৈ কৃষিজীৱি সমাজ এখনত ইয়াৰ গুৰুত্ব অধিক। বচনবোৰৰ পৰা অনুমান কৰিব পাৰি যে এইবোৰ ৰচিত হৈছিল এনে এটা সময়ত যেতিয়া সমাজে জনজাতীয় লৌকিক কৃষি ব্যৱস্থা অতিক্ৰম কৰি সামন্ততান্ত্ৰিক ব্যৱস্থাত উপনীত হৈছিল। দৈনন্দিন জীৱনৰ বিভিন্ন বিষয় ডাকৰ বচনৰ যোগেদি প্ৰতিফলিত হৈছে। সাধাৰণ জীৱন ৰীতি সম্পৰ্কে কিছুমান বুদ্ধিমান ইঙ্গিত বচনবোৰত আছে আৰু তাৰ লগে লগে সেইবোৰত সৰু সৰু কথাৰো সুক্ষ্ম পৰ্য্যবেক্ষণ শক্তিৰ প্ৰয়োগ দেখা যায়।

শৰীৰ ভাল ৰাখিবৰ উপায়বো নানা ইঙ্গিত সন্নিবিষ্ট আছে। অসমীয়াত খোৱাৰ ৰুচিৰ বিষয়ে ডাকৰ বচনৰ পৰা বহু কথা বুজিব পাৰি। আগৰ কালৰ বিশ্বাস অনুসৰি ডাকৰ বচনে তিৰোতাৰ লক্ষণ নিৰূপন কৰিছে আৰু এইবোৰ এতিয়াও অসমীয়া সমাজত প্ৰচলিত আছে। সন্তানক কেনেদৰে ৰাখিব লাগে, কেনেদৰে পৰিচৰ্য্যা কৰিব লাগে, কি কি লোকাচাৰ পালন কৰিব লাগে, সেই সকলো খিনি ডাকৰ বচনৰ পৰা অসমীয়া সমাজে গ্ৰহণ কৰিছে। ধৰ্ম পৰোপকাৰ আৰু নীতি পালনৰ দৰে কিছুমান সূত্ৰও ডাকৰ বচনৰ পৰা অসমীয়া মানুহে লাভ কৰিছে। সকলোৰে উপকাৰৰ কাৰণে ধৰ্ম মন্দিৰ সজা, পুখুৰি খন্দা, আলিৰ দাঁতিত গছ ৰোৱা, অন্নদান কৰা আদি কাৰ্য্য পুণ্যৰ পথ। তীৰ্থ ভ্ৰমণ, স্নান আদিও বিধেয়। কোনোবা ফালে যাত্ৰা কৰিব লগা হলেও ডাকৰ নীতি বচনলৈ অসমীয়া মানুহে এবাৰ চকু ফুৰাই চায়। এইদৰে আমাৰ সৰ্বসাধাৰণ জীৱনত ডাকৰ বচনসমূহে আবৰি আছে বাবে অসমীয়া সামাজিক জীৱনত ডাকৰ বচনৰ প্ৰভাৱ উল্লেখযোগ্য।।

*ভয় নকৰিবা, নিজেই সৰ্বনাশ হবা, অহংকাৰ নকৰিবা, পতন হবা, কাকো ঘৃণা নকৰিবা, নিজেই ঘৃণিত হবা। -স্বামী বিবেকানন্দ।*
*এখন ভাল কিতাপ নষ্ট কৰা আৰু এজন ভাল মানুহক হত্যা কৰা একে কথা। -মিল্টন।*

(সংগ্ৰহঃ নিপু কলিতা)

* * * * * * * * * * * * * * *



Scanned with CamScanner

প্ৰবন্ধ

# "বাইক সংস্কৃতি" আৰু আজিৰ যুৱ সমাজ



প্ৰাঞ্জল কলিতা
প্ৰাক্তন ছাত্ৰ।

বিজ্ঞানৰ চমকপ্ৰদ আবিষ্কাৰ সমূহৰ ভিতৰত দুচকীয়া যান্ত্ৰিক বাহন অন্যতম। আমি সাধাৰণতে এই বাহনসমূহক দুটা ভাগত ভগাব পাৰোঁ, "স্কুটাৰ" আৰু "বাইক"। বাইকৰ আবিষ্কাৰ আছিল এক যুগান্তকাৰী আবিষ্কাৰ। বাইকৰ প্ৰচলনৰ ফলত মানুহে কম সময়তে অহা-যোৱা কৰিবলৈ সক্ষম হৈছে। আগতে বাইক সমূহ অভিজাত ব্যক্তিসকলৰ মাজত সীমাবদ্ধ থাকিলেও এতিয়া ই আভিজাত্যৰ বান্ধোন ছিঙি সাধাৰণ সমাজত প্ৰবেশ কৰিছে।

কিন্তু আজিকালি দেখা যায় যে "বাইক" এটা ফেশ্বনত পৰিণত হৈছে, বিশেষকৈ যুৱ সমাজে কোনো গঠনমূলক উদ্দেশ্য নোহোৱাকৈ কেৱল "বাইক" চলাই ঘূৰি ফুৰিছে। তেওঁলোকে যেন "বাইক" অবিহনে এখোজ দিবলৈয়ো অপাৰগ। আজিকালিৰ যুৱকে এতিয়া অভিভাৱকক "বাইক" দাবী কৰে। আনহাতে অভিভাৱকেও নভবা নিচিন্তাকৈ "বাইক" কিনি দিয়া দেখা যায়। নিজে উপাৰ্জন কৰি বাইক চলোৱা মানি লব পাৰি, কিন্তু আনৰ(?) উপাৰ্জনেৰে বাইক কিনি, বাইক চলাই ঘূৰি ফুৰাটো হাস্যকৰ কথা।

আজি একবিংশ শতিকাত বিভিন্ন কোম্পানীয়ে বিভিন্ন মডেলৰ বাইক বজাৰত উলিয়াই দিছে। এই বাইকবোৰ কিনিবলৈ এখন অঘোষিত প্ৰতিযোগিতা চলিছে, বিশেষকৈ মধ্যবিত্ত শ্ৰেণীৰ লোকসকলৰ মাজত। আজিকালি দেখা যায় যে মাটি-বাৰী বন্ধকীত থৈ, গৰু-ছাগলী বিক্ৰি কৰিও বাইক কিনে। যাক এক অপসংস্কৃতি বুলি ক'ব পাৰি। অন্যহাতে বাইক চলাই ঘূৰি ফুৰা সকলক যদি মন কৰা যায়, তেন্তে দেখা পোৱা যাব যে, তেওঁলোকৰ বেছিভাগেই অৰ্দ্ধশিক্ষিত আৰু নতুন ধনী। পৰিৱেশ বিজ্ঞান বা আধুনিক পৃথিৱী সম্পৰ্কে নূন্যতম ধাৰণাও তেওঁলোকৰ নাই।

দ্ৰুতগতিত দোৱা উৰুৱাই যেতিয়া বাইক চলাই গুচি যায়, তেতিয়া তেওঁলোকে এবাৰৰ বাবেও ভাবি চাইছেনে তেওঁলোকে কৰা ভুলৰ কথা। তেওঁলোকে বতাহত এৰি দিয়া বিষাক্ত ধোঁৱাই বায়ু প্ৰদূষণৰ সৃষ্টি কৰিছে, সৃষ্টি কৰা শব্দই শব্দ প্ৰদূষণৰ সৃষ্টি কৰিছে। তেওঁলোকৰ অবাধ চলনৰ ফলত সৃষ্টি হৈছে এক যান-যট সমস্যা। তেওঁলোকৰ দ্বাৰা হোৱা পৰিৱেশ প্ৰদূষণে সাধাৰণ জীৱন যাত্ৰা অসহ্যকৰ কৰি তোলাই নহয় নিজৰ জীৱনলৈও মাতি আনিছে বিপদ। এয়া আত্মহননৰ এক পথ বুলি ক'লেও নিশ্চয়কৈ ভুল কোৱা নহ'ব। তেওঁলোকে যি হাৰত ইন্ধন পুৰিছে তেওঁলোকে ভাবি চাইছেনে এসময়ত এই পৃথিৱীৰ পৰা ইন্ধন বিলুপ্ত হ'ব। কোনো ধৰণৰ আনুষ্ঠানিক বাইক চলোৱাৰ শিক্ষা নোলোৱাকৈ তথা লাইচেন্স হীন ভাবে তেওঁলোকৰ কিছুমানে ঘূৰি ফুৰা দেখা যায়। বাইক চলোৱাৰ কোনো আইন কানুন নামানি কেৱল নিজস্ব ফেশ্বনত বাইক চলাই গৈছে, যিয়ে পথ দুৰ্ঘটনাৰ পৰিমাণ বঢ়াই গৈছে।

আজিৰ এই পৃথিৱীত শিক্ষিত সমাজে বুজি উঠিছে বাইকৰ উপকাৰিতা-অপকাৰিতা। পশ্চিমীয়া দেশ সমূহত বাইকৰ পৰিবৰ্তে চাইকেলৰ পুনৰ প্ৰৱৰ্তন কৰিছে। চাইকেলৰ ব্যৱহাৰে পৰিৱেশ নিকা কৰি ৰখাৰ লগতে ইন্ধন অবাৰত নষ্ট নহয়, ই কম খৰচী আনহাতে শৰীৰ চৰ্চাও হয়। ভাৰতবৰ্ষৰ দৰে উন্নয়নশীল দেশৰ যুৱক সকলে যদি তেওঁলোকৰ বাইক চলোৱাৰ মানসিকতা সলনি নকৰে, তেন্তে এদিন ইয়াৰ কুফল সকলোৱে ভোগ কৰিব লাগিব।



## ঃকৌতুকঃ



সাগৰত ডুব যাব ধৰা মানুহ এজনে প্ৰাণটাকি চিঞৰিবলৈ ধৰিলে-
ৰক্ষাওক, মোক ৰক্ষাওক, মই সাতুৰিব নাজানোঁ।

সাগৰৰ পাৰত বহি মদ খাই থকা মদাহী এজনে মানুহজনৰ চিঞৰ শুনি বিৰক্তিৰে কলে-
সাতুৰিব নাজানা তাতে কি হ'ল? ইমানকৈ চিঞৰিব লাগে কিয়? মযোতো ভায়োলিন বজাব নাজানো সেইবুলি কেতিয়াবা চিঞৰিছোঁ নেকি?

স্বপ্নিতা মেধী
প্ৰাক্তন ছাত্ৰী

প্ৰবন্ধ

# ৰূপকোঁৱৰ জ্যোতি প্ৰসাদ আগৰৱালা



কল্পনা তালুকদাৰ
স্নাতক ১ম বৰ্ষ (কলা)

অসমীয়া সাহিত্য সংস্কৃতিৰ কাননক সুগন্ধি গোলাপৰ সুবাসেৰে যি সকল লোকে সুবাসিত আৰু সু- শোভিত কৰি গ'ল আৰু যি সকল লোকে তেওঁলোকৰ বিভিন্ন কৰ্ম ৰাজিৰে অসম তথা ভাৰত মাতৃৰ মুখ উজ্জ্বলালে সেইলোক সকলৰ ভিতৰত ৰূপকোঁৱৰ জ্যোতি প্ৰসাদ আগৰৱালা অন্যতম।

জ্যোতি প্ৰসাদ আগৰৱালাৰ আজোককা নবৰং আগৰৱালাই জীৱিকা তথা ভাগ্য অন্বেষণৰ কাৰণে সুদুৰ ৰাজস্থানৰ পৰা অসমলৈ আহিছিল। নানা ঠাইত বেপাৰ বাণিজ্য কৰি শেষত অসমলৈ আহি ডিব্ৰুগড়ত স্থায়ী ভাৱে বসবাস কৰিবলৈ ললে তাত তেওঁ এখন চাহ বাগিছা পাতিলে আৰু নানা ঠাইত ভূমি যুৰা ব্যৱসায়িক পৰা চাহ খেতিয়ক হৈ পৰে।

এই পৰিয়ালটোৱে শেষত অসমীয়া ভাষা সংস্কৃতি গ্ৰহণ কৰি হাড়ে হিমজুৰে অসমীয়া হৈ পৰে।

এনেকুৱা গুণী-জ্ঞানী সংস্কৃতিবান পৰিৱেশতেই ডিব্ৰুগড়ৰ তামোলবাৰী চাহ বাগিছাত জ্যোতি প্ৰসাদ আগৰৱালা দেৱৰ জন্ম হয়। তেওঁৰ পিতৃৰ নাম আছিল পৰমানন্দ আগৰৱালা আৰু মাক কিৰণময়ী দেৱী। কেইবাজনো ভাই ভনীয়েকৰ ভিতৰত জ্যোতি প্ৰসাদ আছিল জাকত জিলিকা। তেওঁৰ গাৰ বৰণ আছিল শুভ্ৰ, ক্ষীণকায়, আৰু দৃষ্টিত তীক্ষ্ণতা অথচ শিল্পী সুলভ কমনীয়তা বিৰাজ কৰিছিল।

ব্যৱসায়ৰ লগত জড়িত কাৰণে তেওঁ প্ৰথমতে নাগেৰী ভাষাতেই লিখা পঢ়া চৰ্চা কৰিছিল। তেওঁ পিছত অসমীয়া আৰু বাংলা ভাষাত বিদ্যা চৰ্চা কৰিছিল। তেওঁ কলিকতাৰ নেচনেল স্কুলৰ পৰা প্ৰৱেশিকা পৰীক্ষাত উত্তীৰ্ণ হয়। বি. এ. পাছ কৰাৰ পিছত উচ্চ শিক্ষাৰ বাবে বিলাতলৈ যায়। ১৯২৬ চনত এডিনবৰা বিশ্ববিদ্যালয়ত এম. এ. পঢ়িবলৈ লয়।

সেই সময়ত তেওঁৰ মন বোলছবি শিল্পৰ প্ৰতি বৰকৈ আকৰ্ষিত হয়। তেওঁৰ এম.এ. পৰীক্ষা দিয়া নহ'ল, পৰীক্ষা নিদিয়াকৈ বাৰ্লিনলৈ যায় আৰু ভাৰতীয় বোলছবি প্ৰযোজক হিমাংশু ৰায়ৰ লগ লাগি বোলছবি প্ৰযোজনা কৰা আৰু পৰিচালনা কৰা কাম শিকি লয়।

তেওঁ অসমলৈ ঘূৰি আহি বোলছবি নিৰ্মাণত মনোনিবেশ কৰে। তেওঁ পোনতে 'জয়মতী' নামৰ বোলছবি খন নিৰ্মাণত হাত দিয়ে। সেই সময়ত অসমত অভিনেতা বিশেষকৈ অভিনেত্ৰী যোগাৰ কৰি বোলছবি নিৰ্মাণ কৰাটো অতি বিস্ময়কৰ কথা। যিয়েই নহওঁক অসীম সাহস আৰু ধৈৰ্য্যেৰে আৰ্থিক অভাৱ, অনাটন, কাৰিকৰী অসুবিধা আৰু অভিনেতা-অভিনেত্ৰীৰ সমস্যা কাটি কৰি থৈ ১৯৩৫ চনত 'জয়মতী' বোলছবি খন নিৰ্মাণ কৰি উলিয়ায়। ইয়াৰ আগতে ভাৰতৰ আন ৩/৪ খন ৰাজ্যইহে বোলছবি উলিয়াবলৈ সক্ষম হৈছিল। ১৯৩৭ চনত তেওঁ ডিব্ৰুগড়ত বিবাহ কৰাইছিল। বিয়া বাৰু কৰাই সাংসাৰিক হ'লেও তেওঁৰ সুন্দৰৰ পূজা মুঠেই স্তিমিত হোৱা নাছিল। তেওঁ অলেখ গীত ৰচনা কৰি তাত সুৰ দিছিল। ইয়াক 'জ্যোতি সংগীত' হিচাপে নামকৰণ কৰা হয়। ইয়াৰ বাহিৰেও তেওঁ শোণিত কুঁৱৰী, কাৰেঙৰ লিগিৰী, লভিতা, ৰূপালীম আদি নাট ৰচনা কৰি অসমীয়া নাট্য সাহিত্যক চহকী কৰি থৈ গৈছে। ইয়াৰ উপৰিও নিমাতী কইনা, সোণপখিলী আদি শিশু নাট ৰচনা কৰিছিল। ৰূপকোঁৱৰ জ্যোতি প্ৰসাদ সঁচাকৈ ৰূপৰ পূজাৰী। প্ৰকৃতিৰ মনোমোহা পৰিৱেশ, আকাশৰ তৰাবোৰ, পৰী ৰাজ্যৰ কল্পনা আছিল তেওঁৰ মনৰ লগৰী। অসমীয়া মানুহৰ সভ্যতা সংস্কৃতিক ঘঁহি পিহি নিকা কৰি আধুনিক ৰূপত প্ৰকাশ কৰাই তেওঁৰ গীত মাত, নাট-নাটিকা সমূহৰ মূল উদ্দেশ্য আছিল। সাহিত্য আৰু সাংস্কৃতিক সাধনাৰ উপৰিও ৰাজনৈতিক দিশত তেওঁৰ অৱদান আছিল চমকপ্ৰদ। তেওঁ বিলাতৰ পৰা ভাৰতলৈ ঘূৰি অহা সময়ছোৱাত গান্ধীজীৰ নেতৃত্বত প্ৰবল ভাৱে আইন অমান্য আন্দোলন চলি আছিল। তেওঁ ১৯৩২ চনত স্বাধীনতা আন্দোলনত জাপিয়াই পৰে। তেওঁ নিজ কৰ্মশক্তিৰ গুণত তৰুণৰাম ফুকন, নবীন চন্দ্ৰ বৰদলৈ, গোপীনাথ বৰদলৈ আদি বৰেণ্য নেতা সকলৰ অতিকে প্ৰিয়পাত্ৰ হৈ উঠে। তেওঁ গানৰ মাজেৰে ডেকা শক্তি তথা দেশবাসীক পৰাধীনতাৰ শিকলি ছিঙি দেশমাতৃক স্বাধীন কৰিবলৈ আহ্বান জনাইছিল। 'লুইতৰে পাৰৰে আমি ডেকা ল'ৰা মৰিবলৈ ভয় নাই' ........, 'কোন ক'ত আছে.........', বিশ্ববিজয়ী নজোৱান ........ ইত্যাদি অলেখ অগ্নিবৰ্ষী গানেৰে ডেকা শক্তিক মাতৃভূমিৰ বাবে প্ৰাণ বলিদান দিবলৈ অনুপ্ৰেৰণা যোগাইছিল। এইবিলাক কাৰ্য্যকলাপৰ বাবে ইংৰাজ চৰকাৰে তেওঁক ১৫ মাহ সশ্ৰম কাৰাদণ্ড দিছে। ১৯৪২ চনৰ গণআন্দোলন অসমৰ জাতি-উপজাতি সমূহক একত্ৰিত কৰাৰ মানসেৰে তেওঁ প্ৰকাশিছিল।

"সাম্য মৈত্ৰীৰ মহোৱে বণুৱা..........
চাহ বাগিছাৰ মহোৱে বনুৱা........... ।"

ৰূপকোঁৱৰ জ্যোতি প্ৰসাদ আগৰৱালা মহাত্মা গান্ধীৰ অহিংস সংগ্ৰামৰ সঁচা আৰু প্ৰকৃত সৈনিক আছিল। এই গৰাকী জ্ঞানী-গুণী অসাধাৰণ বহুমুখী প্ৰতিভাৰ মহান ব্যক্তিয়ে ১৯৫১ চনৰ ১৭ জানুৱাৰীত দেহ ত্যাগ কৰে। জ্যোতি প্ৰসাদ অসমীয়া জাতীয় জীৱনৰ জ্বলন্ত প্ৰদীপ। সততা, সাহস, সত্যনিষ্ঠা, সংগ্ৰামশীলতা আৰু বহুমুখী প্ৰতিভাৰে তেওঁ এক যুগ নায়ক হিচাপে আত্ম প্ৰকাশ কৰি গৈছে। তেওঁ অসমীয়াৰ অতিকে আপোন, অতিকে মৰমৰ।

"মহা মহা পুৰুষৰ চানেকীৰে জীৱনৰ
আমিও কৰিব পাৰো জীৱন গঢ়িত
অভিনয় শেষ হ'লে
আয়ুবেলি মাৰ গলে
থৈ যাব পাৰো খোজ সময় বালিত।"

## স্মৃতিৰ টুকুৰা

মফিজুৰ ৰহমান চৌধুৰী
(প্ৰাক্তন ছাত্ৰ)

মই ১৯৭২ ইং চনত এইখন কলেজত প্ৰথম বছৰত নাম ভৰ্তি কৰিছিলোঁ। আমি পঢ়ি থাকোঁতে এইখন কলেজৰ পৰিবেশ খুবেই ভাল আছিল আৰু হিন্দু মুছলমান উভয় ধৰ্মৰ ছাত্ৰ-ছাত্ৰীৰ মাজত যথেষ্ট মিলাপ্ৰীতি আৰু সদ্‌ভাৱ আছিল। মই এবাৰ (১৯৭৬ চনত) এইখন কলেজৰ সাধাৰণ সম্পাদক আছিলোঁ। তেতিয়া কলেজত বাৰ্ষিক অধিবেশন হৈছিল। এই অধিবেশনত 'ছাত্ৰ আৰু শিক্ষা' নামৰ এখন পূৰ্ণাঙ্গ নাট মঞ্চস্থ কৰিছিল। দৰ্শকে খুব ভাল পাইছিল। হাফিজুৰ ৰহমান দাদা, দীপ্তি পাঠক আৰু উৎসৱ ছাৰ আৰু অন্যান্যই অভিনয় কৰিছিল। কিযে মধুৰ আছিল সেই দিনবোৰ!!!



## আমাৰ সকলোৰে শ্ৰদ্ধাৰ সুবোধ দাৰ অতীতৰ একলম

ছাত্ৰ হিচাবে মেধাবী ছাত্ৰ নাছিলোঁ। মজলীয়া ধৰণৰ ছাত্ৰ আছিলো। কিতাপ পঢ়াৰও সিমান অভ্যাস নাছিল। কিন্তু ছাত্ৰ অৱস্থাত আমাৰ শিক্ষকৰ প্ৰতি অতি ভক্তি আৰু ভয় ভাব এটা অন্তৰত আছিল। যিটো নেকি বৰ্তমান ছাত্ৰ-ছাত্ৰীসকলৰ মাজত কমেই দেখা যায়। কিতাপ বেছি নপঢ়িলেও শ্ৰেণীত উপস্থিতি সদায় নিয়মীয়া আছিল আৰু মনোযোগ আছিল।

সুবোধ কলিতা

**প্ৰবন্ধ**

## গঁড় আৰু গঁড়ৰ খৰ্গ



শ্ৰী ৰিপুঞ্জয় কলিতা
স্নাতক প্ৰথম বৰ্ষ

বন্য-প্ৰাণীসকলৰ ভিতৰত গঁড় এবিধ অতি মূল্যবান প্ৰাণী। পৃথিৱীৰ মাথোন এচিয়া আৰু আফ্ৰিকা মহাদেশতে গঁড় পোৱা যায়। আফ্ৰিকাৰ দুটা খৰ্গ থকা গঁড়ৰ প্ৰধান বসতি হ'ল - নামিবিয়া, জাম্বিয়া, জিম্বাবৱে, কেনিয়া আদি। এচিয়াৰ এক খৰ্গ থকা গঁড়ৰ বসতি হ'ল - চিতোৱান (নেপাল), বঙ্গৰ জলদাপাৰা, জাভা-সুমাত্ৰা দ্বীপ আৰু আমাৰ অসম। গড়ৰ মুঠ পাঁচটা প্ৰজাতি পোৱা যায়। এই পাঁচটা প্ৰজাতিৰ দুটা প্ৰজাতি আফ্ৰিকাত আৰু তিনিটা প্ৰজাতি এছিয়া মহাদেশত পোৱা যায় আফ্ৰিকাৰ বগা গঁড়েই হ'ল আটাইতকৈ ডাঙৰ প্ৰজাতিৰ।

চোৰাং চিকাৰীৰ প্ৰধান লোভৰ বস্তু হ'ল গড়ৰ খৰ্গটো। জন্তুৰ শিঙৰ দৰে গড়ৰ খৰ্গটো হাড়েৰে গঠিত নহয়। ই কেৰাটিন' তন্তুৰ দ্বাৰা গঠিত এডোখৰ গোটা পদাৰ্থ। কেৰাটিন প্ৰাণীৰ নখ, চুলি, বাকলি, খুড়া, চৰাইৰ পাখি আদিৰ প্ৰধান উপাদান। খৰ্গটোত স্নায়ু বা ৰক্ত সঞ্চালন নহয় বাবে ই অনুভূতিহীন। কিন্তু জন্তুৰ শিং বিশেষকৈ ইয়াৰ বৃদ্ধিকালত, জীৱিত গ্ৰন্থিৰ নিচিনা। ইয়াক চুলি যুক্ত চালেৰে আবৰি ৰাখে আৰু ৰক্ত সঞ্চালন সদায় চলি থাকে। গতিকে ই বিষ বা স্পৰ্শৰ অনুভূতি শীল। জন্তুৰ শিঙৰ নিচিনা গঁড়ৰ খৰ্গটো লাওখোলাৰ লগত সংযুক্ত হৈ নাথাকে। আচলতে গঁড়ৰ খৰ্গটো উপচৰ্মৰ ৰূপান্তৰহে মাথোন আৰু ই মূৰৰ মাংসপেশীৰ লগতহে সংযুক্ত হৈ থাকে। সেইবাবেই ডাঙৰ আঘাতৰ দ্বাৰাই গঁড়ৰ খৰ্গটো উলিয়াই আনিব পাৰি। গঁড়ৰ খৰ্গটো উলিয়াই আনিলে ইয়াৰ পৰা এবছৰমান পিছত পুনৰ খৰ্গ ওলায়।

আজি এছিয়া আৰু আফ্ৰিকাৰ দুয়োবিধ গঁড় চোৰাং চিকাৰীৰ হাতত ভয়ানক ভাবে নিধন হব ধৰিছে। সশস্ত্ৰ প্ৰহৰীয়েও চোৰাং চিকাৰীক প্ৰতিৰোধ কৰিব পৰা নাই। এনেদৰে চোৰাং চিকাৰীৰ হাতত বলি হৈ গঁড় আজি বিলুপ্তিৰ পথত। শেহতীয়াভাৱে আফ্ৰিকাত গঁড় সংৰক্ষণৰ বাবে অভিনৱ ব্যৱস্থা গ্ৰহণ কৰিছে। আফ্ৰিকাৰ নামিবিয়াত অপাৰেশ্বন ৰাইকনিৰ্কছ' নামেৰে এক নতুন অভিযান আৰম্ভ কৰিছে যাৰ দ্বাৰা গঁড়ৰ খৰ্গটো কাটি অনা হয় আৰু চোৰাং চিকাৰীক গড়ৰ খৰ্গৰ পৰা বঞ্চিত কৰা হয়। এতিয়া আফ্ৰিকাত উৰাজাহাজেৰে গড়ক পহৰা দিয়াৰ ব্যৱস্থা কৰা হৈছে।

মানুহৰ অন্ধবিশ্বাসৰ বাবে আজি গঁড় বিপদাপন্ন। গঁড় হত্যাৰ প্ৰধান লক্ষ্য হ'ল ইয়াৰ খৰ্গটো। গঁড়ৰ খৰ্গৰ মূল্য চীন আৰু আৰু আৰব দেশত অত্যন্ত বেছি। চীন দেশত জনসাধৰণৰ বিশ্বাস যে গঁড়ৰ খৰ্গৰ ঔষধী গুণ আছে। আমাৰ ইয়াতো বহুতৰে বিশ্বাস আছে যে গঁড়ৰ খৰ্গ গাত থাকিলে বেমাৰে দেখা নিদিয়ে। গঁড়ে যিহেতু ৩০-৪০ মিনিট সময় একেলগে সংগম কৰি থাকিব পাৰে, সেয়ে মানুহৰ বিশ্বাস যে গঁড়ৰ খৰ্গ ধাৰণ ধৰিলে বৃদ্ধ লোকেও যৌন ক্ষমতা পুণৰ লাভ কৰে। প্ৰকৃততে ইয়াৰ কোনো বৈজ্ঞানিক ভিত্তি নাই।

প্ৰবন্ধ



# গীতি কবি নিৰ্মলপ্ৰভা বৰদলৈ

শ্ৰী বিপুঞ্জয় কলিতা
স্নাতক তৃতীয় বৰ্ষ (ভূগোল বিভাগ)

অসমীয়া ভাষা-সাহিত্য-সংস্কৃতিৰ বিশাল আকাশৰ পৰা আৰু এটি নক্ষত্ৰ হঠাতে সৰি পৰিল। অসমীয়া জাতীয় জীৱনক বিগত প্ৰায় পাঁচ দশক জুৰি জীপাল কৰি ৰখা এই নক্ষত্ৰৰ অভাৱে এক ডাঙৰ শূন্যতাৰ সৃষ্টি কৰিছে অসমীয়া সাহিত্যৰ আকাশত। 'সাৰ পাওঁ মই পুৱতি নিশাতে', 'নিয়ৰ মেতিয়া সৰে', 'আগলি বতাহে কপালে কলৰে পাত', 'সোণৰ খাৰু নালাগে মোক', 'সুৰৰে দেহলাতে পৰ্যায়ে গীত গায়', 'মোক এটি সুৰ কৰি তোলা', 'সোঁ কাজল মেঘ', এনে অসংখ্য জনপ্ৰিয় কালজয়ী গীতৰ স্ৰষ্টা, অসমীয়া সাহিত্য জগতৰ দিক্‌পাল, বৰেণ্য কথাশিল্পী, কবি, অসম সাহিত্য সভাৰ প্ৰাক্তন সভাপতি, সৰস্বতী উপাধিৰে বিভূষিতা, সাহিত্য একাডেমী বঁটা প্ৰাপক, প্ৰাচ্য তত্ত্ববিদ, সুবক্তা, সুগায়িকা, 'দেৱী'ৰ দৰে যুগজয়ী গ্ৰন্থৰ ৰচয়িতা, গুৱাহাটী বিশ্ববিদ্যালয়ৰ প্ৰাক্তন মুৰব্বী অধ্যাপিকা তথা গবেষক, তেওঁ হ'ল ডঃ নিৰ্মলপ্ৰভা বৰদলৈ।

অসমবাসীৰ লগতে সমগ্ৰ দেশ বাসীক কন্দুৱাই জীৱনৰ ৭১ বছৰ বয়সত চিৰদিনৰ বাবে মহাকালৰ বুকুত লীন হৈ যোৱা, সাহিত্যত গৱেষণা কৰি প্ৰথম উপাধি লোৱা প্ৰথম অসমীয়া মহিলা সৰস্বতী ডঃ নিৰ্মলপ্ৰভা বৰদলৈৰ জন্ম হৈছিল ১৯৩৩ চনৰ ২৩ জুন তাৰিখত, অবিভক্ত শিৱসাগৰ জিলাত। তেওঁৰ পিতৃ উদ্যোগপতি ধৰ্মেশ্বৰ শৰ্মা বৰদলৈ আৰু মাতৃ আছিল মুক্তাবলা বৰদলৈ।

ডঃ বৰদলৈ কৈশোৰ পাৰ হৈ যৌৱনত ভৰি দিয়া নিনিয়া অৱস্থাতেই জীৱনৰ ১১ বছৰ বয়সতেই বিবাহ পাশত আবদ্ধ হয় যদিও তেওঁৰ বৈবাহিক জীৱন আছিল তেনেই ক্ষন্তেকীয়া। ১৩ বছৰ বয়সতেই জন্ম হোৱা তেওঁৰ একমাত্ৰ কন্যা সন্তানটিৰ নাম ডঃ স্বপ্নাদেৱী ভট্টাচাৰ্য্য। বিবাহৰ তিনি বছৰ পিছতেই অৰ্থাৎ ১৪ বছৰ বয়সতেই ডঃ বৰদলৈৰ বিবাহ বিচ্ছেদ হয় আৰু তেতিয়াৰে পৰা তেওঁৰ অকলশৰীয়া নিঃসঙ্গ জীৱন আৰম্ভ হয়।

ডঃ বৰদলৈৰ শৈশৱ কালত শিক্ষা জীৱন আৰম্ভ হয় শিৱসাগৰ ২ নং প্ৰাইমাৰী স্কুলত। তাৰপৰাই তেওঁ অসমৰ ভিতৰত প্ৰথমহৈ বৃত্তি লাভ কৰি ফুলেশ্বৰী ছোৱালী হাইস্কুলত ভৰ্তি হয়। এনেদৰেই ১৯৪৮ চনত প্ৰবেশিকা পৰীক্ষাত প্ৰথম বিভাগত উত্তীৰ্ণ হয়। তেওঁৰ কলেজীয়া জীৱনবো শুভাৰম্ভ হয় শিৱসাগৰতেই। শিৱসাগৰ কলেজৰ পৰাই আই, এ, পাছ কৰি তেওঁ গুৱাহাটীৰ সন্দিকৈ কলেজৰ পৰা ১৯৫২ চনত বি, এ, পৰীক্ষাত উত্তীৰ্ণ হয়। ডঃ বৰদলৈ বি, এ, পৰীক্ষাত বিশ্ববিদ্যালয়ৰ ভিতৰতেই সৰ্বাধিক নম্বৰ লাভ কৰি শীৰ্ষস্থান অধিকাৰ কৰে। তাৰোপৰি তেওঁ ১৯৫৪-৫৫ চনত গুৱাহাটী বিশ্ববিদ্যালয়ৰ পৰা "দ্যা ট্ৰিটমেন্ট অব নেচাৰ ইন পয়েট্ৰি" বিষয়ত গৱেষণা কৰি সম্মানীয় ডক্টৰেট ডিগ্ৰী লাভ কৰে। স্মৰ্তব্য যে তেওঁ স্কুলীয়া আৰু কলেজীয়া জীৱনৰ পৰীক্ষাত সদায় প্ৰথম স্থান লাভ কৰিছিল।

ডঃ বৰদলৈ ১৯৫৮ চনত প্ৰথমে বি বৰুৱা কলেজত অধ্যাপনা কৰিবলৈ লয়। আৰু তাত ১৮ বছৰ অতিবাহিত কৰাৰ পিছত ১৯৭৫ চনত গুৱাহাটী বিশ্ববিদ্যালয়ত নিযুক্তি লাভ কৰি ক্ৰমানুয়ে ৰিডাৰ, চিনিয়ৰ ৰীডাৰ আৰু উক্ত বিভাগৰ মুৰব্বী অধ্যাপিকা ৰূপে কাৰ্য্য নিৰ্বাহ কৰি অৱসৰ গ্ৰহণ কৰে। তেওঁ কিছুদিন ধৰি গুৱাহাটী আকাশবাণী কেন্দ্ৰৰ অকণিৰ মেল আৰু মহিলাৰ চ'ৰাৰ পৰিচালিকাও আছিল। ১৯৫৬ চনত তেওঁ "নতুন অসমীয়া" আৰু "ৰামধেনু" আলোচনীত সাংবাদিকতাও কৰিছিল।

বহুমুখী প্ৰতিভা সম্পন্ন ডঃ বৰদলৈ অসমীয়া ভাষা সাহিত্যৰ ভঁৰাললৈ আগবঢ়োৱা অন্যান্য অৱদান সমূহৰ ভিতৰত অসমীয়া আৰু ইংৰাজী ভাষাত ৰচিত ৫৪ খনৰো অধিক গ্ৰন্থ উল্লেখযোগ্য। সেই গ্ৰন্থ সমূহৰ ভিতৰত - কবিতাঃ মন ফৰিঙৰ ৰং (৬৭), দিনৰ পিছত দিন(৭৭) সমীপেষু(৭৭), অন্তৰংগ(৭৮), অমিতাভ শব্দ, নিৰ্মলপ্ৰভা বৰদলৈৰ নিৰ্বাচিত কবিতা ইত্যাদি। গৱেষণা আৰু সাহিত্য আলোচনাত্মক গ্ৰন্থ সম্ভাৰৰ ভিতৰত- অসমৰ লোক-সংস্কৃতি, 'অসমৰ লোক কবিতা, সাহিত্য আৰু সংস্কৃতি', শিৱ, দেৱী, সূৰ্য্য, মাত্ৰা আৰু অংকীয়া ভাওনা,কবিতাৰ কথা, ৰবীন্দ্ৰ নাথৰ গীত আৰু কবিতা, অসমীয়া চুটিগল্প, বৰগীতৰ কথা ইত্যাদি। শিশু সাহিত্য সম্ভাৰৰ ভিতৰত- চিল-চিল-চিলা, অসমীয়া ওমলা গীত, কথা সৰিৎ সাগৰ, শালিকীৰ টোঁ টোঁ, সুবদী মাত, সুৰীয়া মাত ইত্যাদি। সূৰ্য্যমুখী ফুলৰ এই মেলাতে ইত্যাদি গীতৰ সংকলন পুথি। নাটক সমূহৰ ভিতৰত- মেঘদূত, গুৰণী, তৃতীয় অংক, অগ্নিগৰ্ভা, মহাকাল, সোনবৰণী আই, পুতুলা নাচ ইত্যাদি। অনুবাদ গ্ৰন্থ সমূহৰ ভিতৰত- তুলসীদাস, মীৰা বাঈ, বিন্দু আৰু সিন্ধু, নামঘোষা(বাংলা), উৰিস্যাৰ লোক-সংস্কৃতি ইত্যাদি। 'জীৱন-জীৱন বৰ অনুপম' তেওঁৰ দ্বাৰা ৰচিত আত্মজীৱনীমূলক গ্ৰন্থ তদুপৰি ডঃ বৰদলৈৰ অন্যান্য গ্ৰন্থ সম্ভাৰৰ ভিতৰত আছে-দা ডাউন, দেউলা, ফুলকোঁৱৰ, বজ্ৰা, বিহুৰ বিৰিণা পাত ইত্যাদি প্ৰসঙ্গক্ৰমে উল্লেখযোগ্য ডঃ বৰদলৈৰ 'আছামিজ চৰ্ট ষ্টৰী' যে আন্তৰ্জাতিক ভাবে প্ৰচুৰ সমাদৰ লাভ কৰিবলৈ সক্ষম হৈছে। একেদৰে ডেৰ হাজাৰৰো অধিক জনপ্ৰিয় গীত ৰচনা কৰি ডঃ বৰদলৈ এক বিশেষ সুনাম অৰ্জন কৰিবলৈ সক্ষম হৈছে। তেওঁৰ গৱেষণা পত্ৰ দুকুৰিৰো অধিক শুভবাৰ্তা, প্ৰাৰ্থনা, সাধু- সাগ

সাধু, স্তুতি ইত্যাদি কেইটা আৰু "জলপদ্ম" নামেৰে এখনি উপন্যাস ৰচনা কৰিছিল।

নিৰৱিচ্ছিন্ন ভাবে সাহিত্যৰ সৈতে ওতঃপ্ৰোতভাৱে লাগি থকা ডঃ বৰদলৈৰ জীৱনলৈ আহিছে অলেখ সন্মান। ইয়াৰ ভিতৰত লেখত লবলগীয়া ১৯৫৮ চনত 'চিল চিল চিলা'' শিশু সাহিত্যৰ বাবে ৰাষ্ট্ৰপতিৰ বটা লাভ। ১৯৭৭ চনত "দিনৰ পিছত দিন" কাব্যগ্ৰন্থৰ বাবে আৰু ১৯৮৯ চনত গবেষণা পত্ৰ 'দেৱী'ৰ বাবে অসম সাহিত্য সভা বটা লাভ কৰে। "সুদীৰ্ঘ দিন আৰু সুদীৰ্ঘ ঋতু" কাব্যগ্ৰন্থৰ বাবে ১৯৮৩ চনত সাহিত্য অকাডেমী বটা লাভ কৰে। ১৯৭৮ চনত সৰস্বতী উপাধিৰে বিভূষিতা হয়। ১৯৭৬ চনত অসম সাহিত্য সভাৰ টিহু অধিবেশনৰ কবি সন্মিলনৰ সভানেত্ৰী আৰু ১৯৯১ চনত দুধনৈত অনুষ্ঠিত অসম সাহিত্য সভাৰ সভানেত্ৰী হয়। ১৯৯৫ চনত কলিকতাত সাহিত্য অকাডেমী লেখক সন্মিলনত অংশগ্ৰহণ কৰে। ১৯৮৮-৯৮ চনলৈ সাহিত্য অকাডেমীৰ সদস্য হয়। ১৯৮৭ চনত ভক্তি ৰাষ্ট্ৰীয় আলোচনা চক্ৰত অংশ গ্ৰহণ কৰে। ২০০২ চনত প্ৰবীণা শইকীয়া বটা লাভ কৰে আৰু তেওঁ নেচনেল বুক ট্ৰাষ্টৰ উপদেষ্টা সমিতিৰ সদস্য আছিল।

ডঃ বৰদলৈ এগৰাকী সুবক্তাও আছিল। অসম সাহিত্য সভাৰ দুধনৈ অধিবেশনত সভাপতিৰ আসনৰ পৰা তেওঁ দিয়া ভাষণৰ কিয়দাংশ এনেধৰণৰ - "সাহিত্যৰ জাত নাই ধৰ্ম নাই। সেইদৰে সাহিত্যিকৰো জাত নাই ধৰ্ম নাই। লিখিলেই গীত, লিখিলেই গল্প নহয়। জীৱনৰ অভিজ্ঞতাৰ নিটোল নিৰ্য্যাস হ'লেহে সাহিত্য"- "অসম সাহিত্য সভা, অসমক আই বুলি প্ৰকৃততে গ্ৰহণ কৰা আটাইতে অনুষ্ঠান। এক সূত্ৰত আমি এখন পৰিয়াল। ইয়াৰ প্ৰতিখন শাখা যদি সক্ৰিয় হয়, এনেহ'লে অসম সাহিত্য সভাৰ কাম উদ্ভৈনদী হ'ব।"- " অসম সাহিত্য সভাই নিজা সংস্কৃতিৰ পতনৰ প্ৰতিও নিশ্চয় লক্ষ্য ৰাখিব লাগিব।"- "ভাষাৰ ক্ষেত্ৰত হঠাৎ হোৱা উন্মাসিকতাই প্ৰগতিৰ অন্তৰায় হৈ উঠিব পাৰে। আনহাতে, আঞ্চলিক জাতীয়তাবাদ আগ্ৰাসিক মনোভাবাপন্ন হলেও ক্ষতিকাৰক হ'ব।"

মৃত্যু সম্বন্ধে 'দেৱী' গ্ৰন্থত ডঃ বৰদলৈয়ে লিখিছিল এনেদৰে-'মৃত্যু জীৱনক নিঃশেষে শুহি লোৱা, মহাকালৰ ৰূপৰ সেই মৃত্যু। ত্ৰাস, আতংক, বুকুফটা আৰ্তনাদৰ প্ৰতীক, হিন্দু বিশ্বাসৰ পৰজন্মৰ অগ্ৰদূত সেই মৃত্যু।।"- এই মৃত্যুৰ কৰাল গ্ৰাসৰ পৰা তেওঁ নিজেও সাৰি যাব নোৱাৰিলে। ২০০৪ চনৰ ১ জুন তাৰিখে জীৱনৰ ৭১ বছৰ বয়সত তেওঁ এই মায়াভৰা পৃথিৱীৰ পৰা বিদায় মাগিলে চিৰদিনলৈ। পুৱতি নিশাতে সাৰ পোৱাৰ প্ৰতিশ্ৰুতি দিয়া মহান কবি গৰাকী আৰু সাৰ পাবলৈ সক্ষম নহল। প্ৰশ্ন হয় ভবিষ্যতে তেওঁৰ এই স্থান কোনোবাই পূৰণ কৰিবলৈসক্ষম হবনে।

সাৰ পাম মই পুৱতি নিশাতে
নিয়ৰ সেতিয়া সৰে
বাটৰ শুকান ধুলিক সেমেকা
মিঠা প্ৰহৰে কৰে
আই মোক জগাবি
হেঙুলি বেলিয়ে
আন্ধাৰ কেনেকৈ নাশে
কুঁৱাৰ মন্ত্ৰ কেনেকৈ সিচে
কুসুমৰ কাষে কাষে
উদং বতাহৰ বুকু কেনেকৈ
মিঠা সুবাসেৰে ভৰে
জানিব খুজিছো গোপন মন্ত্ৰ
সৃষ্টিত থকা আই
জানিব খুজিছো কি গীত গালে
শূন্য আঁতৰি যায়
মোৰ মন আছে খুলি উঠিবৰ
সূৰ্যমুখীৰ সৰে
সাৰ পাম মই.............

কবি: ডঃ নিৰ্মলপ্ৰভা বৰদলৈ।

প্ৰবন্ধ



# নিচাজাতীয় দ্ৰব্য সেৱন আৰু ইয়াৰ পৰিণতিঃ-



মিজানুৰ ৰহমান
স্নাতক ২ য় বৰ্ষ (কলা)

যি বিলাক দ্ৰব্যৰ ব্যৱহাৰে মানুহক শাৰীৰিক মানসিক আৰু অধ্যাত্মিক ভাৱে ৰোগাক্ৰান্ত কৰে তেনেবোৰ দ্ৰব্যক নিচাজাতীয় দ্ৰব্য বুলি কব পাৰি। মদ, ভাং, বিড়ি, চিগাৰেট, ড্ৰাগছ ইত্যাদি দ্ৰব্য সমূহক নিচাজাতীয় দ্ৰব্য বুলি কব পাৰি। এইবিলাক দ্ৰব্যৰ ব্যৱহাৰে মানুহক শাৰীৰিক আৰু মানসিক ভাৱে অচেতন কৰি পেলায়। আল্লাহ তালাই জীৱশ্ৰেষ্ঠ মানুহৰ স্বাস্থ্যৰ কথা ভাবি পবিত্ৰ কোৰাণত উল্লেখ কৰিছে-

"তোমালোক নিচাজাতীয় দ্ৰব্য সেৱন নকৰিবা, আৰু জুৱা নেখেলিবা ইয়ে তোমালোকক আৰ্থিক আৰু মানসিক ভাৱে ক্ষতিগ্ৰস্থ কৰিব।"

এইবোৰ নিচাজাতীয় দ্ৰব্য সেৱনত মানুহৰ বাস্তৱিক জ্ঞান নোহোৱা হৈ যায়। শৰীৰ গৰম হয়, স্নায়ুবোৰ উত্তেজিত হয় আৰু মনত যথেষ্ট আনন্দভাৱ জাগৃত হয় আৰু এই আনন্দভাৱত কেতিয়াবা নভবা কামো কৰি পেলায়। এই বিলাক দ্ৰব্যৰ সেৱনৰ ফলত মনৰ চঞ্চলতা বৃদ্ধি পায়। মনত ক্ষন্তেকীয়া আনন্দ জন্মাত কেতিয়াবা কথা বেছিকৈ কোৱাৰ ইচ্ছা যায়। কথা বেছিকৈ কৈ থকাৰ ফলত কেতিয়াবা বিবেচনা শক্তি হেৰাই যায় আৰু মানুহ জনৰ চৰিত্ৰ বেয়াৰ ফাললৈ ঢাল খায়।

উল্লেখিত নিচা জাতীয় দ্ৰব্যৰ ভিতৰত ড্ৰাগছ আটাইতকৈ মূল্যবান। ইয়াৰ ব্যৱহাৰ বৰ্তমান গোটেই পৃথিৱীত বিয়পি পৰিছে। বহুদিন ধৰি কোনোবাই এই বিলাক দ্ৰব্য সেৱন কৰি থাকিলে স্নায়ু দুৰ্বল হয়, টোপনি নোহোৱা হয় আৰু শাৰীৰিক ভাৱে যথেষ্ট দুৰ্বল হয়। অতি কম বয়সতেই বুঢ়া হয়। অতি কম বয়সত বুঢ়া হৈ মৃত্যু মুখত পৰে। আমি জানো যে নিচাজাতীয় দ্ৰব্যৰ ভিতৰত মদো এবিধ। ইয়াত সাধাৰণতে মিশ্ৰ মিথেন ($CH_4$) , ইথেন ($C_2H_4$) ক্লৰিণ (Cl) আৰু এলকহল ($C_2H_5OH$) আদি কেতবোৰ ৰাসায়নিক পদাৰ্থ থাকে। এইবোৰ দ্ৰব্যই স্বাস্থ্যৰ যথেষ্ট ক্ষতি সাধন কৰে। বৈজ্ঞানিক তথ্যৰ পৰা জানিব পৰা গৈছে যে মানুহৰ শৰীৰত প্ৰায় ১০০০ একহাজাৰ টোপাল তেজত এক টোপাল মদে এজন মানুহক উত্তেজিত কৰি তোলে। মনত আনন্দ পায়, কথা বেছিকৈ কয়, চকুযুৰি ৰঙা কৰি পেলায় এইবোৰে শৰীৰ যথেষ্টদুৰ্বল কৰি পেলায়। ১০০০ টোপাল তেজত দুই টোপাল মদে উত্তেজনাৰ অন্তত টোপনি ভাৱ আনে, অজ্ঞান হৈ যায়, শৰীৰত অস্থিৰতাৰ ভাৱ আনি দিয়ে। স্থিৰ হৈ থাকিবৰ সময় নোহোৱা হয়। ১০০০ টোপাল তেজত তিনি টোপাল মদে ঘোৰ নিদ্ৰাত পেলায় আৰু স্নায়ু অবশ কৰি মানুহক অচেতন কৰি পেলায়। ১০০০ (একহাজাৰ) টোপাল তেজত চাৰি টোপাল মদে মানুহজনক সম্পূৰ্ণভাৱে অচেতন কৰি মৃত্যু মুখলৈ ঠেলি পঠায়। ১০০০ টোপাল তেজত ৫/৬ টোপাল মদে মানুহজনক মৃত্যুবৰণ কৰায়। বৰ্তমান আমাৰ সমাজত এনেকুৱা নিচাজাতীয় দ্ৰব্য সেৱন কৰা ব্যক্তি অনেক। ইয়াৰ প্ৰায় ৬০% শতাংশ লোকে এইবোৰ দ্ৰব্য সেৱন কৰে। এইবোৰ খোৱাত দৈনিক অনেক টকা খৰচ হয়। এজন সাধাৰণ লোকে দিন হাজিৰা কৰি দিনত সামান্য উপাৰ্জন কৰি সেই ধিনি যদি মদ, ভাং, বিড়ি, চিগাৰেট আৰু ড্ৰাগছত খৰচ কৰে তেন্তে তেওঁ আৰ্থিক ভাৱে জুৰুলা হৈ পৰে। এই সকল ব্যক্তিয়ে সুস্বাস্থ্যৰ বাবে প্ৰয়োজনীয় ফলমূল, কল, দৈ, গাখীৰ আদি পুষ্টিকৰ জাতীয় দ্ৰব্য কিনি খাব নোৱাৰে। ইয়াৰ ফলত তেওঁলোকৰ স্বাস্থ্য দুৰ্বল পৰি যায় আৰু কম বয়সতেই বুঢ়া হৈ যায়। দৃষ্টি শক্তি কমি যায়। এইদৰে শাৰীৰিকভাৱে পঙ্গু হোৱাৰ ফলত মানসিক সু চিন্তাৰ পৰা বঞ্চিত হয়। সংসাৰত অভাৱ অনাটনে দেখা দিয়ে আৰু গৃহ কন্দল আদি ঘটনাই ঠাই লয়। সেয়েহে এই নিচাজাতীয় দ্ৰব্যৰ বিষয়ে ইছলাম ধৰ্মৰ প্ৰৱৰ্তক হজৰত মহম্মদ (ছ) যে কৈছে, 'মদ খোৱাতো দুৰৰ কথা শৰীৰৰ কোনো অংশত বিন্দু মাত্ৰা মদ লাগিলে সেই অংশ কাটি পেলোৱাহে উচিত।' মদ খোৱাটো ইছলাম ধৰ্মৰ মতে নিষেধ। এই নিষেধাজ্ঞা জাৰি কৰাৰ পাছতো যি সকল ব্যক্তিয়ে এই দ্ৰব্য সেৱন কৰে তেওঁলোকক পবিত্ৰ ইছলাম ধৰ্মৰ গ্ৰন্থ সমূহে মহাপাপী বুলি উল্লেখ কৰিছে।

এইবোৰ দ্ৰব্য সেৱন কৰা মানুহে নানা ধৰণৰ ৰোগত ভুগি থাকে। কিছুমান ব্যক্তিয়ে এই মদক টনিক বা শক্তিশালী ঔষধ হিচাপে ব্যৱহাৰ কৰে কিন্তু মদ আচলতে ঔষধ জাতীয় দ্ৰব্য নহয় ই নিচাজাতীয় দ্ৰব্য যাক সেৱন কৰিলে হৃদযন্ত্ৰ, যকৃত, হাওঁফাওঁ, অন্ত্ৰ আদিৰ ৰোগত ভুগি থাকে। নিচাজাতীয় দ্ৰব্য সমূহ হৈছে সামাজিক ব্যাধি যাক সেৱন কৰিলে সমাজত বহুতো অঘটন ঘটে।

১) অনেক বিবাহ বিচ্ছেদ, গৃহকন্দল আদি মদ্যপানৰ পৰিণতি।

২) সাংসাৰিক দুৰৱস্থা, দৰিদ্ৰতাৰ অন্যতম এটি কাৰণ হল নিচাজাতীয় দ্ৰব্যৰ সেৱন।

৩) বহুত পৰিয়ালৰ অশান্তিৰ কাৰণ হল মদ। মদে একোটি পৰিয়াল একোখন সমাজক ধ্বংসৰ মুখলৈ ঠেলি দিয়ে।

৪) বহুত বেল দুৰ্ঘটনা, মামলা মোকৰ্দমা, ভিক্ষা বৃত্তি জুৱা খেল, গুণ্ডামি; অকৰ্মন্যতা, চৰিত্ৰহীনতা, কাজিয়া, দুষ্টামি পাৰিবাৰিক অশান্তি আদি নিচাজাতীয় দ্ৰব্য খোৱাৰেই পৰিণাম। এইবোৰ ঘটনাই মানুহক শাৰীৰিক ভাৱে পঙ্গু কৰি পেলায়।

বহু সময়ত ডক্তৰে বিড়ি চিগাৰেট আদি খাবলৈ নিষেধ

কৰি দিয়ে। কাৰণ বিড়ি চিগাৰেটৰ ধপাতত এক জাতীয় ''নিকোটিন''নামৰ উগ্ৰ পদাৰ্থ থাকে যিটোৱে শৰীৰৰ যথেষ্ট ক্ষতি কৰে। সেয়ে বিড়ি চিগাৰেট খোৱা মানুহে যক্ষ্মা, কাহ, আদি ৰোগত ভোগে। ধুমপাণ কৰা তিৰোতাৰ বন্ধ্যাত্ব, ভূমিষ্ঠ সন্তানৰ ওজন হ্ৰাস আদি হব পাৰে।

কিছুমান মানুহে ক্ষন্তেকীয়া আনন্দ স্ফুৰ্তিৰ বাবে কানি খাই থাকে। এই কানিয়েও মানুহৰ শৰীৰ দুৰ্বল কৰে, এলেহুৱা কৰে আৰু শৰীৰৰ তেজ পানীয়া কৰে। কানি খোৱাৰ ফলত মানুহৰ শাৰীৰিক শক্তি দিনে দিনে লোপ পায়, নৈতিক চৰিত্ৰৰ অৱসান ঘটে, মুখেৰে দুৰ্গন্ধ ওলায় আৰু শাৰীৰিক সৌন্দৰ্যও হেৰাই যায়। এইদৰে বিড়ি, ভাং, গাজা, চিগাৰেট আদিয়ে শৰীৰৰ যথেষ্ট অপকাৰ কৰে।

জুৱা খেলও এটা নিচাজাতীয় খেল। আমাৰ সমাজৰ প্ৰায় ২২% শতাংশ লোকে জুৱা খেলে। এই খেলৰ কু প্ৰভাৱত পৰি অনেক লোক গৃহহীন হৈছে। এই খেলত অৰ্থনৈতিক ভাৱে জুৰুলা হৈ পৰে, আৰু টোপনি ক্ষতি হোৱাৰ বাবে শাৰীৰিক সৌন্দৰ্যৰ বিনাশ ঘটি মানুহ সম্পূৰ্ণ ভাৱে পঙ্গু হৈ পৰে।

অৰ্থনৈতিক তথ্যৰ পৰা এইটো জানিব পৰা গৈছে যে, অসমত এতিয়া মাদক দ্ৰব্যৰ বাবে বছৰি প্ৰায় ২৬০ কোটি টকা ব্যয় হয়। অসমত দৈনিক গড়ে প্ৰায় ১৫ লাখ টকাৰ মদ খায় আৰু এই মদ তৈয়াৰ কৰোঁতে বহুত পৰিমানৰ চাউল খৰচ হয়। ইয়ে আমাক অৰ্থনৈতিক ক্ষেত্ৰত যথেষ্ট দুৰ্বল কৰি পেলাইছে। সেয়ে আমি অসমীয়া সমাজে একেলগ হৈ নিচাজাতীয় দ্ৰব্যৰ বিপক্ষে বিদ্ৰোহ কৰা উচিত কাৰণ ইয়ে আমাৰ সমাজখনক ধ্বংসৰ মুখলৈ ঠেলি লৈ গৈ আছে।

## স্মৃতিত

# মহাবিদ্যালয়ৰ প্ৰতিষ্ঠাপনা বৰ্ষৰ এজন ছাত্ৰৰ স্মৃতিৰ লেচেৰি- - - - ।

*('প্ৰাক্তন ছাত্ৰ সন্মিলন' উপলক্ষে উন্মোচিত 'বন্ধু' (প্ৰাচীৰ পত্ৰিকা) ৰ পাতৰ পৰা)*

আজি কেইদিন মানৰ আগতে আমাৰ মহাবিদ্যালয়ত মহাবিদ্যালয় সপ্তাহ অনুষ্ঠিত হৈ গল। মহাবিদ্যালয় সপ্তাহে কলেজখনলৈ আৰু ছাত্ৰ-ছাত্ৰী শিক্ষক কৰ্মচাৰীসকললৈ উৎসৱ মুখৰ পৰিবেশ আনি দিয়ে। কিন্তু আমাৰ মহাবিদ্যালয়ত আজি কেইবছৰ মানৰ পৰা মহাবিদ্যালয় সপ্তাহত তেনেকুৱা উৎসৱ-মুখৰ পৰিবেশ সৃষ্টি হোৱা মোৰ দৃষ্টি গোচৰ হোৱা নাই।

আমাৰ দিনত কিন্তু মহাবিদ্যালয় সপ্তাহ মানে মহাবিদ্যালয়ৰ সকলোৱে আনন্দ স্ফুৰ্তিৰ দিন হিচাপে অনুভৱ কৰিছিলোঁ। মই এইখন মহাবিদ্যালয়ৰ প্ৰথম Batch ৰ ছাত্ৰ আছিলোঁ। সেই সময়ত প্ৰথম Batch ৰ মাত্ৰ ১৩৫ জন ছাত্ৰ-ছাত্ৰী আছিলোঁ। Union fund বুলিলে সামান্য টকাহে আছিল। সেইখিনি টকাৰে মহাবিদ্যালয় সপ্তাহ পতাটো সম্ভৱ নাছিল। সেয়ে আমি ছাত্ৰ-ছাত্ৰী সকলে বাহিৰত Collection কৰি হলেও মহাবিদ্যালয় সপ্তাহ পাতিবলৈ সিদ্ধান্ত লৈছিলোঁ। কলেজ কৰ্তৃপক্ষইও আমাক অনুমতি দিছিল। সেইমতে আমি চাৰিজন ছাত্ৰ টিপলাই বজাৰলৈ Collection কৰিবলৈ গৈছিলোঁ; মই, প্ৰয়াত বন্ধুবৰ ইমদাদ আলী আহমেদ, বন্ধুবৰ ৰবিলোচন ঠাকুৰীয়া আৰু সেই সময়ৰ কলেজৰ ইউনিয়ন চেক্ৰেটাৰী বৰ্তমান জামলাই Higher Secondary ৰ অধ্যক্ষ মোঃ মকবৰ আলী দাদা। বজাৰলৈ গৈ তাত কিছুমান মানুহক আমি যোৱাৰ কাৰণ কলোঁ। মানুহবোৰে আমাক যিয়ে যি পাৰে দিলে আৰু কিছুমান মানুহে পইচা নোখোজা স্বত্বেও আমাক পইচা দিবলৈ হৈতা ওপৰা লগোৱা দেখা গৈছিল। তেতিয়া আমি চাৰিওজনে বাইজৰ কলেজখনলৈ আৰু আমাৰ চাৰিওজনলৈ মৰম দেখি আচৰিত হৈ গৈছিলোঁ। সেই সময়ত ৰাইজৰ এটাই কথা আছিল যে নগৰবেৰাত কলেজ হৈছে ই এখন ভাল কলেজ হব লাগিব আমাৰ ল'ৰা-ছোৱালী তাত পঢ়ি ভাওৰ মানুহ হব লাগিব এইটোৱে আছিল ৰাইজৰ আশা। ৰাইজৰ সেই আশা কিছু পৰিমানে হলেও ফলৱতী হোৱা বুলিয়ে ভাবি লৈছোঁ। তাৰ পিচত আমি অধ্যক্ষছাৰক আহি কথাবোৰ কলোঁ ছাৰেও খুব ভাল পালে। প্ৰথম বছৰেই আমি মহাবিদ্যালয় সপ্তাহ খুব ধুম ধামেৰে পাতিলোঁ। ছাত্ৰ-ছাত্ৰী অধ্যাপক অধ্যক্ষ মহোদয় আৰু ৰাইজৰ মুৰব্বী সকলেও মহাবিদ্যালয় সপ্তাহত উপস্থিত থাকি ছাত্ৰ-ছাত্ৰী সকলক উৎসাহ দিছিল। প্ৰথম বছৰতে আমি মহাবিদ্যালয় সপ্তাহত পূৰ্ণাঙ্গ নাট এখনো মঞ্চস্থ কৰিছিলো আৰু ছাত্ৰ-ছাত্ৰী অধ্যাপক সকলেও অংশ গ্ৰহণ কৰিছিল। মই নিজে অৱশ্যে নাটকত অংশ লোৱা নাছিলোঁ যদিও বাহিৰৰ পৰা সকলোপিনে সহায় সহযোগ আগবঢ়াইছিলোঁ। সেই সময়ত মহাবিদ্যালয় সপ্তাহত মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰী অধ্যাপক অধ্যাপিকা সকলেও উপস্থিত থাকিছিল। কিন্তু আজি অধ্যাপক সকলৰ কিছু সংখ্যকৰ বাহিৰে বেছি ভাগে মহাবিদ্যালয় সপ্তাহৰ দিনকেইটাত বন্ধ উপভোগ কৰা দেখা যায়।

**শ্ৰী ধীৰেণ তালুকদাৰ।**
*প্ৰাক্তন ছাত্ৰ তথা গ্ৰন্থাগাৰিক*
*বি.প্ৰ.চ. মহাবিদ্যালয়।*

অনুষ্ঠান পৰিচিতি

## 'মহিলা সবলীকৰণ কোষ' বিমলা প্ৰসাদ চলিহা কলেজঃ এটি আলোকৰেখা।

অৰ্থনৈতিক ভাবে অনগ্ৰসৰ নগৰবেৰা অঞ্চলৰ মহিলাসকল এশ এবুৰি সমস্যাৰে জৰ্জৰিত। এই অঞ্চলৰ দুখীয়া মহিলাসকলক বিভিন্ন দিশত প্ৰশিক্ষণ দি অৰ্থনৈতিক ভাৱে স্বাৱলম্বী কৰাৰ মানসেৰে ২০০২ চনৰ ২৯ নবেম্বৰ তাৰিখে বিমলা প্ৰসাদ চলিহা কলেজৰ মহিলা প্ৰৱক্তা তথা কৰ্মচাৰীক লৈ তলত দিয়া ধৰণে 'মহিলা সবলীকৰণ কোষ' (Woman Empowerment Cell) গঠন কৰা হয়।

১) নুৰুন নাহাৰ বেগম (প্ৰৱক্তা, ৰাজনীতি বিজ্ঞান বিভাগ) উপ সভানেত্ৰী।
২) দীপ্তিৰেখা পাঠক মজুমদাৰ (প্ৰৱক্তা, অসমীয়া বিভাগ)
৩) গধূলি ঠাকুৰীয়া (বিভাগীয় মুৰব্বী, শিক্ষা বিভাগ) যুটিয়া আহ্বায়িকা।
৪) কল্যাণী দাস (বিভাগীয় মুৰব্বী, ইংৰাজী বিভাগ) উপদেষ্টা
৫) নৱনীতা পাঠক (বিভাগীয় মুৰব্বী) প্ৰাণী বিজ্ঞান বিভাগ সদস্যা
৬) চিত্ৰলেখা দেৱী (প্ৰৱক্তা, প্ৰাণী বিজ্ঞান বিভাগ)
৭) ভূমিজা বৰ্মন (প্ৰৱক্তা, শিক্ষা বিভাগ)
৮) অনিতা কেওট (প্ৰৱক্তা, ভূগোল বিভাগ)
৯) ফিৰোজা আহমেদ (প্ৰৱক্তা, অৰ্থনীতি বিজ্ঞান বিভাগ)
১০) কুলদেৱী কাকতি )
১১) লতিকা মেধি ) কাৰ্য্যালয় সহায়িকা

মহিলা সবলীকৰণ কোষে প্ৰথমে অঞ্চলটোৰ মহিলা সকলৰ জীৱন ধাৰণৰ মানদণ্ড সম্পৰ্কে জ্ঞাত হ'বলৈ সুদীৰ্ঘ প্ৰশ্নাৱলী প্ৰস্তুত কৰি ঘৰে ঘৰে গৈ এক জৰীপ কাৰ্য্য চলায়। অঞ্চলটোৰ নগৰবেৰা, নমঃশুদ্ৰপাৰা, বেপাৰীপাৰা, দেৱকুছি, দাসপাৰা, পুখুৰীপাৰা আৰু সাহাপাৰা গাওঁৰ মুঠ ২৫১ টা পৰিয়ালত এই জৰীপ কাৰ্য চলোৱা হয়। জৰীপৰ পৰা দেখা যায় যে অঞ্চলটোত শিক্ষিতা মহিলাৰ সংখ্যা নিচেই তাকৰ। তেওঁলোকৰ বেছিভাগেই আধুনিক সা-সুবিধাৰ পৰা বঞ্চিত হোৱাই নহয় এই বিষয়ে অজ্ঞ পৰিয়ালৰ আৰ্থিক অৱস্থা টনকিয়াল কৰিবলৈ অতিশয় উৎসুক। এই মহিলাসকলে টেইলৰিং, হাঁহ-কুকুৰা পালন, বোৱা কটা, এমব্ৰয়ডাৰী, কম্পিউটাৰ আদি বিষয়ত প্ৰশিক্ষণ ল'বলৈ আগ্ৰহী। মহিলাসকলৰ এই আগ্ৰহৰ বাবেই কলেজৰ (কৰ্তৃপক্ষৰ) সহযোগত ২০০৩ চনৰ ২৪ জুনৰ পৰা ২৮ জুনলৈ ৫ দিনীয়া টেইলৰিঙৰ প্ৰশিক্ষণ কেন্দ্ৰ এটা পতা হয়। জৰীপ কৰা গাওঁ কেইখনৰ মুঠ ৪২ গৰাকী মহিলা তথা শিক্ষিতা নিবনুৱা যুৱতীয়ে এই প্ৰশিক্ষণত অংশ গ্ৰহণ কৰি বিশেষভাৱে উপকৃত হয়।

মহিলা সবলীকৰণ কোষে ২০০৩ চনৰ ৯ ছেপ্তেম্বৰত দঃ কামৰূপ সাংবাদিক সন্থা আৰু বি. পি চলিহা কলেজৰ 'Extention Education Centre' ৰ সহযোগত দঃ পঃ কামৰূপৰ সমস্যাৱলী সম্পৰ্কে হোৱা ৰাজ্যিক চেমিনাৰত 'Women literacy and standard of living : a case study of three villages near Nagarbera market' শীৰ্ষক গৱেষণা পত্ৰ এখন পাঠ কৰে।

কোষৰ উদ্যোগত ভাৰত চৰকাৰৰ মানৱ সম্পদ বিকাশ মন্ত্ৰালয়ৰ অধীনত মহিলা আৰু শিশুকল্যাণ বিভাগ আৰু সংহত খাদ্য আৰু পৌষ্টিক বিভাগ গোটৰ সৌজন্যত ৮/১১/২০০৩ ৰ পৰা ১৩/১১/২০০৩ লৈ ফলমূল আৰু পাচলি সংৰক্ষণ আৰু পৰিপুষ্টি সাধন প্ৰশিক্ষণ অনুষ্ঠিত হয়। অঞ্চলটোৰ বিভিন্ন গাওঁৰ মুঠ ৩৩ গৰাকী মহিলা আৰু যুৱতীয়ে এই প্ৰশিক্ষণত অংশ গ্ৰহণ কৰি ফলমূল, শাক-পাচলি আদি সংৰক্ষণ, বিভিন্ন আচাৰ, জাম, জেলি, চাটনি, শিশুৰ পৌষ্টিক আহাৰ, স্বাস্থ্যৰক্ষাৰ বিধি, গৰ্ভৱতী নাৰীৰ যতন আদি বিভিন্ন বিষয়ত প্ৰশিক্ষণ গ্ৰহণ কৰে। উক্ত বিভাগৰে সহযোগত ২০০৩ চনৰ ১৪ নবেম্বৰত নগৰবেৰা প্ৰাথমিক বিদ্যালয় প্ৰাংগনত 'শিশুদিৱস' উদ্‌যাপন কৰি শিশুসকলৰ মাজত নানাধৰণৰ খেল-ধেমালি আদিৰ প্ৰতিযোগিতা অনুষ্ঠিত কৰে।

২০০৪ চনৰ ৪ মাৰ্চত মহিলা সবলীকৰণ কোষে শিপিনীৰ প্ৰতিভা সন্ধানী প্ৰতিযোগিতা এটা পাতে। তাঁতশালত বোৱা ফুলাম মেখেলা চাদৰ, ফুলাম গামোছা আৰু ৰুমালৰ এই প্ৰতিযোগিতামূলক প্ৰদৰ্শনীখনত বৃহত্তৰ নগৰবেৰা অঞ্চলৰ ভালে সংখ্যক মহিলা তথা শিক্ষিতা যুৱতীয়ে অংশ গ্ৰহণ কৰে।

ওপৰোক্ত বিভিন্ন কাৰ্যসূচীবোৰত মহিলা সকলৰ পৰা পোৱা উৎসাহ, উদ্দীপনা আৰু সহযোগিতাই মহিলা সবলীকৰণ কোষক আগুৱাই যোৱাত যথেষ্ট অনুপ্ৰেৰণা যোগাইছে। ভৱিষ্যতেও অঞ্চলটোৰ মহিলাসকলৰ উৎকৰ্ষ সাধনৰ বাবে এই কোষ দায়বদ্ধ। এই ক্ষেত্ৰত সমাজৰ সকলো লোকৰ সহায় সহযোগিতা আৰু পৰামৰ্শ আমাৰ কাম্য।

*মহিলা সবলীকৰণ কোষৰ সপক্ষে*
*দীপ্তিৰেখা পাঠক মজুমদাৰ*
*(যুটীয়া আহ্বায়িকা)*



মহিলা সবলীকৰণ কোষৰ দ্বাৰা আয়োজিত শিপিনীৰ প্ৰতিভা সন্ধানী প্ৰতিযোগিতা'ও প্ৰদৰ্শনীৰ আয়োজনত, প্ৰাপ্ত কোষৰ প্ৰকাশ সদস্যা।



Scanned with CamScanner

# অভিমত

> শুভ্ৰ মেঘ দুৱাৰ ই
> ৰঙা চকু মেলি ৰ'দ, অংকাশৰ বক্ষ আগুৰি
> মাতৃ আহে দুৱাৰত ৰৈ
> মৰমৰ থমা দি ৰৈ
> – সৈয়দ আব্দুল মালিক

ট্ৰিং ট্ৰিং ট্ৰিং
"হেল্ল' "
হাৰুক লগ পাম নেকি?
ও' হ'বা নেই
হেল্ল' কোনে কৈছে?
"মই ....ৰ পৰা"

ট্ৰিপিনৰ পৰা যোৱা কেইটি দিনৰ কথা। যোগুনিও নিশ্চয় কেতিয়াবা শুনিবলৈ পোৱা খবৰে একে ঘটনাৰ সন্মুখীন হ'ব। এনেকুৱা ভিন্ন হয় তাক নতুনকৈ চিনাকি কৰাৰ প্ৰয়োজন নাই। জনগণৰ শান্তি যোজি বিচ্ছিন্ন। হিংসা, হত্যা, সন্ত্ৰাস ইত্যাদিৰ লীলাভূমি এনেদৰেই মানৱীয় প্ৰশান্তিৰ শৃংখলা আৱলম্বন আজি ঠাই ধৰিছে।

আলোচনী বিভাগৰ পৰামৰ্শ মৰ্মে "সাম্প্ৰতিক সমাজত জনগণৰ প্ৰশান্তি" শীৰ্ষকেৰে কেইজন মান বিশিষ্ট ব্যক্তিৰ পৰা অভিমত লবলৈ আগবাঢ়িছিলো। বহুকেইজন বিশিষ্ট ব্যক্তিৰ লগত যোগাযোগ কৰিলোঁ। বিভিন্ন অজুহাতত প্ৰায় কেইজনেই নিৰাশ কৰিলে। এই ক্ষেত্ৰত অভিমত দাতা সকললৈ মোৰ আন্তৰিক শ্ৰদ্ধা ও কৃতজ্ঞতা জ্ঞাপন কৰিলোঁ।

'প্ৰভাত আজি নাহে
উঁকমিৰে
ই নাহে মোনটাৰ কলকলনিত
আহে ই বাৰুদৰ ধোঁৱাৰে
হেঙুলী প্ৰভাতক দিয়ে
ক'লা ওৰণি টানি'

ৰূপম কলিতা
(স্নাতক দ্বিতীয় বৰ্ষ)

"সাম্প্ৰতিক সমাজত জনগণৰ প্ৰশান্তি" বাক্যটোৰ অৰ্থ বুজিবলৈ মোৰ অসুবিধা হৈছে। এনেক্ষেত্ৰত অভিমত দিয়াটো কঠিনেই নহয়, ই একপ্ৰকাৰৰ সাহসৰ কথা। শান্তি শব্দটোৱেই এটা বিতৰ্কিত বস্তু। তাতে প্ৰশান্তি মানে অধিক শান্তি। শান্তি মানুহে কেতিয়া পায়? যেতিয়া যুদ্ধ নাথাকে, মানুহে মানুহক হত্যা নকৰে, মানুহে মানুহক দাসী দাস কৰি নিনিয়ে, কোনো কুসুমলৈ চিন্তা কৰিব লগা নহয়, পুৰুষে মহিলাক ধৰ্ষণ নকৰে, তেতিয়াও নে যেতিয়া মানুহৰ কোনো অভাৱ অনাটন নাথাকে, আতংক নাথাকে, সন্তানবোৰে সঠিক শিক্ষা পায়, যদি মনত কোনো আতংক নাথাকে, তেতিয়াও আজিৰ দিনটোত অথবা সাম্প্ৰতিক সময়ত শান্তি মানে প্ৰশান্তিৰ কথা চিন্তিবলৈ দুৰ্গম। কথা হ'ল কোনটো আগত? শান্তি নে প্ৰগতি? কিছুদিনৰ আগলৈকে আমাৰ সংজ্ঞাত ধাৰণা আছিল যে, শান্তি আগত প্ৰগতি পাছত। অৰ্থাৎ শান্তিপূৰ্ণ অৱস্থা এটা বাহাল থাকিলেহে সমাজৰ প্ৰগতি সম্ভৱ। কিন্তু এই ধাৰণাৰ এতিয়া পৰিবৰ্তন ঘটিছে। ইয়াৰ ওলোটাটোহে সত্য। অৰ্থাৎ প্ৰগতি হলেহে শান্তি অহাটো সম্ভৱ আৰু শান্তি আহিলে প্ৰগতি আৰু ত্বৰান্বিত হয়। আজিৰ অশান্তি জৰ্জৰ অসমত প্ৰগতিৰ কাম কাজ অলপ হৈছে, লাহে লাহে শান্তিৰ আগমন ধীৰে ধীৰে আৰম্ভ হৈছে। যেতিয়াই শান্তি সম্পূৰ্ণৰূপে স্থাপিত হ'ব, এই প্ৰগতি নিশ্চিত ভাৱেই ত্বৰান্বিত হ'ব। সেয়েহে আজিৰ অসমৰ জনগণে (সাম্প্ৰতিক সমাজ) প্ৰশান্তি (?) অনুভৱ কৰিছে।

ডাঃ শৰৎ চন্দ্ৰ বাভা
মুখ্য কাৰ্যবাহী সদস্য
বাভা স্বায়ত্ত শাসিত পৰিষদ দুধনৈ

শান্তি আৰু প্ৰেম। মানৱীয় গুণসম্পন্ন প্ৰতিজন মানুহৰ বাবে এই শব্দ দুটাৰ মহত্ব অতি গুৰুত্বপূৰ্ণ। শান্তি নিবিচৰা বা শান্তি নালাগে বুলি কোৱা মানুহ হয়তো নাপাব। যেনেদৰে প্ৰেমহীন মানুহ নাই বুলিবই পাৰি। তাৰ পিছতো কিন্তু দেখা গৈছে সকলোৱে আকাংক্ষিত শান্তিৰ বাবে, প্ৰেমৰ বাবেই আমাৰ সমাজত নানা অথন্তৰ, বিশৃংখলতা দেখা দিছে। শান্তিৰ স্বাৰ্থত চৰকাৰে মানুহ মাৰিছে, বিদ্ৰোহীয়ে বন্দুক চলাইছে। শান্তিৰ সংজ্ঞাও আজি বহুতে নিজে নিজেই নিৰ্বাচন কৰি লৈছে। সাধাৰণ দুখুৰা মানুহৰ শান্তি অথবা চৰকাৰী পক্ষই বিচৰা শান্তিৰ মাজত পাৰ্থক্য বহু বেছি। কেৱল সেয়াই নহয় ঠাই, অঞ্চলভেদেও আজি শান্তিৰ সংজ্ঞা বেলেগ হৈ পৰিছে। চহৰত নিশা দুপৰলৈ ঘূৰি ফুৰিব পৰাটো চৰকাৰী পক্ষৰ বাবে শান্তি নিশ্চয় হ'ব পাৰে কিন্তু গাওঁৰ মানুহৰ বাবে? অসমৰ গৰিষ্ঠসংখ্যক গাওঁৰ মানুহে যোৱা এটা দশকত শান্তি কি বস্তু পাহৰি পেলাইছে। নিৰ্বাচনৰ আগত শান্তিৰ কথা কোৱা ৰাজনৈতিক দলবোৰে নিৰ্বাচনৰ পিছত শান্তিৰ সংজ্ঞাই সলনাই দিয়ে। এনেকৈ থাকে জনগণৰ শান্তি কিম্বা অশান্তিৰ সংজ্ঞা। দেখা গৈছে চৰকাৰ সলনি হ'লেও, বিদ্ৰোহীয়ে অস্ত্ৰ এৰি মূলসুঁতিলৈ উভতি আহিলেও অথবা হেজাৰ হেজাৰ অসমীয়া মানুহৰ চিতা একেলগে জ্বলি উঠিলেও শান্তি বহু দূৰৈতে ৰৈ আছে। শান্তিৰ বাবে, প্ৰশান্তিৰ বাবে আমাৰ ঘূণে ধৰা সমাজ ব্যৱস্থাৰ পৰিৱৰ্তন হ'বই লাগিব। অন্যক মাৰি নিজে মানুহ হোৱাৰ প্ৰৱণতা নোযোৱালৈকে সমাজত শান্তি অসম্ভৱ।

অনিল মজুমদাৰ
কাৰ্যবাহী সম্পাদক
**নতুন দিন, জনমত**

***অভিমত গ্ৰহণৰ বাবে লগ ধৰিছিলো ছয়গাওঁৰ মাননীয় "শ্ৰীযুত আদ্যনাথ গোস্বামী" দেৱক। বিষয়টোৰ ওপৰত তেখেতৰ অভিমতঃ-***

এতিয়া বিপন্ন সময়। এই বিপন্ন সময়ত জনগণৰ প্ৰশান্তিৰ কথা ভাবিবই নোৱাৰি। বাঙালী কবি জীৱনানন্দ দাসে কবিতা এটিত কৈছে, আজিকালি অন্ধসকলেই আকাশৰ তৰা ভালকৈ দেখা পায়। কথাষাৰ বৰ তাৎপৰ্যপূৰ্ণ একবিংশ শতিকাৰ তথ্য আৰু প্ৰযুক্তিবিদ্যাৰ ব্যাপক প্ৰসাৰে উন্নতি ঘটাইছে যদিও প্ৰজ্ঞা অবিহনে মানুহ কিন্তু শান্তি পাব নোৱাৰে। প্ৰশান্তি শব্দটোৰ অৰ্থ বৰ ব্যাপক। ই বহু পৰিমাণে স্ব-সৃষ্ট। সমাজৰ এই অশান্তিৰ মাজতো একাংশ লোকে এতিয়াও প্ৰশান্তি লাভ কৰিছে। টি, এচ, এলিয়টৰ ভাষাত আমাৰ জীৱন নিৰ্বাহৰ মাজত থকা প্ৰকৃত জীৱনটো হেৰাইছে। প্ৰজ্ঞাৰ মাজেৰে এই জীৱনৰ সন্ধান কৰিব পাৰিলেহে জনগণে প্ৰশান্তিৰ জীৱন কটাব পাৰিব। সমগ্ৰ বিশ্বতে দেখোন এই পৰিবেশ বিৰাজমান।

*আদ্যনাথ গোস্বামী*
সভাপতি, দক্ষিণ কামৰূপ সাহিত্য মঞ্চ, ছয়গাওঁ



Scanned with CamScanner

# সাক্ষাৎকাৰ

" এটি সাক্ষাৎকাৰ- সাক্ষাৎকাৰৰ মাজেৰে আমাৰ পূজনীয়, শ্ৰদ্ধাৰ ছাৰ **শ্ৰী উমেশ চন্দ্ৰ দাসৰ** সৈতে এটি অন্তৰংগ আলাপ" ।

সাক্ষাৎকাৰ যুগুতাইছে

**অধ্যাপিকা ভূমিজা বৰ্মন কলিতাই।** (শিক্ষা বিভাগ)

এজন ব্যক্তিৰ কৰ্মৰাজিৰ মাজেৰে ব্যক্তিজনৰ এটা 'ভাৱমূৰ্তি' অন্য বহুজনৰ মানস পটত গঢ় লৈ উঠে। মানুহে ব্যক্তিগৰাকীৰ বিষয়ে কি ভাবে, কিন্তু সেই ব্যক্তিজনে নিজে নিজৰ বিষয়ে কি ভাবে ঠিক এনেকুৱা এক ধাৰণা লৈ মই গৈছিলো শ্ৰদ্ধাৰ উমেশ দাস চাৰৰ কাষলৈ। তাৰেই ফলশ্ৰুতিত লিপিবদ্ধ এই অন্তৰংগ আলাপ—।

? ছাৰ, চাওঁতে চাওঁতে বহুত সময় হেৰাই গ'ল আপোনাৰ জীৱনৰ পৰা, ঠিক কৰ্মক্ষেত্ৰৰ জীৱনটোত অৱসৰ লবলৈ আপোনাৰ আৰু মাত্ৰ এটা মাহহে বাকী এই সম্পৰ্কে আপোনাৰ অনুভৱ কি?

ছাৰঃ ইমান দিনে মই মোৰ বয়স সম্পৰ্কে সজাগ নাছিলোঁ। অৱসৰৰ সময় ওচৰ চাপি অহাৰ লগে লগে মই যে তিনি কুৰিৰ দেওনা পাৰ হ'বলৈ ওলাইছোঁ সেইটো মনলৈ আহিছে। সুদীৰ্ঘ ৩৩ বছৰ কাল কাম কৰাৰ পিছত সেই কৰ্মক্ষেত্ৰৰ পৰা অৱসৰ লবৰ সময় আহি পৰাত আৰু বিশেষকৈ কলেজ খনৰ ছাত্ৰ-ছাত্ৰী, শিক্ষক-শিক্ষয়িত্ৰী সকলৰ পৰা আঁতৰি যাব লগীয়া হোৱাত স্বাভাৱিকতে দুখ অনুভৱ কৰিছোঁ। আনহাতে জীৱনৰ শেষৰ সময়খিনি পৰিয়ালবৰ্গৰ লগত কটোৱাৰ আশাত কিছু মৃদু আনন্দও অনুভৱ কৰিছোঁ।

? আপুনি কেতিয়া অৰ্থাৎ কিমান চনৰ কিমান তাৰিখে নগৰবেৰা বিমলা প্ৰসাদ চলিহা মহাবিদ্যালয়ত যোগদান কৰিছিল? ইয়াৰ আগতে ক'ৰবাত কাম কৰিছিল নে?

ছাৰঃ ১৯৭২ চনৰ চেপ্টেম্বৰ মাহৰ ৫ তাৰিখে মই এই বিমলা প্ৰসাদ চলিহা মহাবিদ্যালয়ত ভূগোল বিভাগৰ প্ৰৱক্তা হিচাবে যোগদান কৰোঁ। ইয়াৰ আগত ১৯৫৬ চনৰ পৰা মোৰ ঘৰৰ ওচৰৰে হাজো হায়াৰ চেকেণ্ডাৰী স্কুলত পদাৰ্থ বিজ্ঞানৰ বিষয় শিক্ষক হিচাবে স্থায়ী পদত কাম কৰি ১৯৭২ চনৰ ৪ চেপ্টেম্বৰ তাৰিখে তাৰ পৰা Release লৈ নগৰবেৰালৈ আহোঁ।

? মহাবিদ্যালয়খনৰ সেইসময়ৰ এটি থুল-মূল বৰ্ণনা দাঙি ধৰিবনে?

ছাৰঃ সেইসময়ত অৰ্থাৎ ১৯৭২ ইং চনত নগৰবেৰা হাইস্কুল (বৰ্তমান হায়াৰ চেকেণ্ডাৰী স্কুল)ত মহাবিদ্যালয়ৰ প্ৰথম পাঠদান আৰম্ভ কৰা হৈছিল। তাৰ পিছত স্কুল কম্পাউণ্ডতে এটা অস্থায়ী গৃহ নিৰ্মাণ কৰি পাঠদানৰ ব্যৱস্থা কৰা হৈছিল। সেই সময়তে আমাৰ কলেজৰ বৰ্তমান পাঠদান হৈ থকা পুৰণি গৃহটো ছাত্ৰাবাস হিচাপে নিৰ্মাণ কৰা হয়। আৰু বৰ্তমানৰ ঠাইলৈ কলেজ স্থানান্তৰিত কৰা হয়। বাইজৰ দ্বাৰা লেকুছি বিজাৰ্ভৰ পৰা ৪০ বিঘা মাটি মহাবিদ্যালয়ৰ নামত চৰকাৰে আবণ্টন দিয়ে। কলেজৰ এই গৃহটি নিৰ্মাণ কৰা আৰু ব্লক অফিচৰ সন্মুখৰ পৰা কলেজ হৈ পুখুৰীপাৰা গাওঁলৈ যোৱা এই পথছোৱা নিৰ্মাণ কৰাত কলেজ উদ্যোক্তা কমিটিৰ সম্পাদক প্ৰয়াত উদয় ঠাকুৰীয়া দেৱৰ অক্লান্ত পৰিশ্ৰম সদায় স্মৰণীয় হৈ ৰ'ব। তেখেতৰ লগত অৱশ্যে মইও ছাঁটোৰ নিচিনা লাগি আছিলোঁ।

আৰম্ভণিতে নগৰবেৰা হাইস্কুলৰ সেই সময়ৰ হেডমাষ্টাৰ মাননীয় প্ৰয়াত কৃষ্ণকান্ত শৰ্মা ছাৰ Honourary Principal হিচাবে কাম কৰি আছিল। তাৰ পিচতহে আমাৰ স্থায়ী অধ্যক্ষ প্ৰয়াত দেৱ প্ৰসাদ শইকীয়া ছাৰ আহিছিল। শইকীয়া ছাৰৰ লগত কাম কৰি আমি খুউব ভাল পাইছিলোঁ জানা। আমি প্ৰকৃতাৰ্থত সুখী আছিলোঁ। Founder Teacher হিচাপে আমি সেই সময়ত ছয়জন শিক্ষকহে আছিলোঁ। শ্ৰী ধীৰেণ বাড়া (অসমীয়া) শ্ৰী গৌৰী কলিতা (ৰাজনীতি বিজ্ঞান), শ্ৰী নিৰোদ বৰণ দাস (হাজো হায়াৰ চেকেণ্ডাৰী স্কুলত মোৰ ছাত্ৰ আছিল বৰ্তমান ভাৰপ্ৰাপ্ত অধ্যক্ষ হিচাপে কাম কৰি আছে।) আৰু মোঃ আব্দুছ ছামাদ আলী (বুৰঞ্জী) (যোৱাবছৰ অৱসৰ লয়)। মহাবিদ্যালয়ত যোগদান কৰা মই পঞ্চমজন প্ৰৱক্তা আছিলোঁ। কিন্তু সেই সময়ৰ ৭ বছৰৰ মোৰ আগৰ শিক্ষকতাৰ অভিজ্ঞতা থকা বাবেই নেকি "শইকীয়া ছাৰে সকলোবোৰ কাম মোৰ লগত আলোচনা কৰিহে কৰিছিল। শেষলৈকেও তেখেতে সেই ধাৰাটো ৰক্ষা কৰিছিল। প্ৰথম অৱস্থাত আমি বাৰিষা কালত (কিছু নষ্টালজিক হৈ পৰিছিল ছাৰ) কলেজ গেটৰ পৰা নাও বা কলগছৰ ভেলেৰেহে অহা যোৱা কৰিব লাগিছিল। ভেলৰ সেই ভ্ৰমণ আমি বেছ উপভোগো কৰিছিলোঁ।

? কলেজখনলৈতো বহুত মানুহ আহিল, গ'ল, কিন্তু আপুনি থাকি গ'ল- ইয়াৰ কাৰণ?

ছাৰঃ প্ৰতিষ্ঠাপক, অধ্যাপকসকলৰ বাহিৰেও ভালেমান শিক্ষক কলেজৰ ভিন ভিন বিভাগত শিক্ষকতা কৰিবলৈ আহি কেইদিনমান থাকিয়ে গুচি গৈছিল। কিন্তু মই কলেজ প্ৰতিষ্ঠাৰ দিনৰে পৰা আজিলৈকে সাক্ষী হিচাপে ৰৈ গ'লোঁ। ইয়াৰ কাৰণ একেআষাৰে কোৱা টান যদিও সেই সময়ৰ কলেজখনৰ লগত যিসকল ব্যক্তি ওতঃপ্ৰোত ভাৱে জড়িত হৈ আছিল তেখেত সকলৰ মৰম আৰু অকৃত্ৰিম ভালপোৱাৰ বাবেই মই আন ঠাইলৈ যোৱাৰ কথাটো ভাবিবলৈ টান পাইছিলোঁ। বিশেষকৈ "উদয় ঠাকুৰীয়া, "উমেশ পাঠক, আইজল হক মৌলবী, ভূপেন দাস," মুকুন্দ মেধি," হৰেণ পাঠক ছাৰ, মৰহুম নৈমুদ্দিন মুন্সী আদিৰ নাম উল্লেখ কৰিব পাৰি।



Scanned with CamScanner

? আপোনাক কলেজখনৰ দেৱাল বুলি কোৱা হয়। মানি লয়নে?

ছাৰঃ মোক কলেজখনৰ এখন দেৱাল বুলি কোৱা কথাষাৰ মই নাজানো। কিন্তু কলেজখনলৈ অহা যিকোনো বিপদ বা প্ৰত্যাহ্বানৰ ক্ষেত্ৰত মই আগবাঢ়ি গৈ তাক প্ৰতিৰোধ কৰাৰ বা সমাধা কৰাৰ প্ৰচেষ্টা কৰিছিলোঁ। আজিও কৰি আছোঁ।

? সুদীৰ্ঘ সময় নগৰবেৰাত কটালে। নগৰবেৰা সম্পৰ্কে আপোনাৰ অনুভৱ। এতিয়াৰ নগৰবেৰা আৰু আপুনি চাকৰি কৰিবলৈ অহা তেতিয়াৰ নগৰবেৰাৰ মাজৰ পাৰ্থক্য আপোনাৰ দৃষ্টিৰে আমাক জনাবনে?

ছাৰঃ সুদীৰ্ঘ ৩১ বছৰ অভিজ্ঞতাৰ পৰা ক'ব খোজো যে, নগৰবেৰা আৰু ইয়াৰ আশে-পাশে থকা সমাজৰ লোক সকল সহজ সৰল। তেতিয়াৰ আৰু এতিয়াৰ নগৰবেৰাৰ মাজত পাৰ্থিব দিশত কিছু পৰিবৰ্তন দেখা যায় যদিও বৌদ্ধিক আৰু আধ্যাত্মিক দিশত বিশেষ পৰিবৰ্তন হোৱা পৰিলক্ষিত হোৱা নাই।

? আপোনাৰ চাকৰি কালত আপুনি ৰাজনীতিতো সোমাই পৰিল। ৪৮ নং বকো সমষ্টিৰ আপুনি এজন বিধায়কো আছিল। আপুনি বিধায়ক হৈ থকা সময়ত নগৰবেৰাৰ উন্নয়নৰ কাম কি কি কৰিছিল? এতিয়া যদি পুনৰ এনে প্ৰস্তাৱ এটা আপোনাক দিয়া হয় বা আপুনি পুনৰ বাৰ বকো সমষ্টিৰ বিধায়ক হৈ পৰে তেতিয়া আপুনি নগৰবেৰাবাসীৰ কাৰণে কি কাম কৰিব?

ছাৰঃ স্থানীয় বিধায়ক হিচাবে মই নগৰবেৰাৰ সামগ্ৰিক উন্নতিৰ হকে চেষ্টা কৰিছিলোঁ, বকো সমষ্টিৰ নিচিনা পিচপৰা সমষ্টি এটাৰ উন্নয়নৰ বাবে কৰিব লগীয়া কাম বহুত আছে। আমাৰ কাৰ্যকাল মাত্ৰ ৪ বছৰহে আছিল। আৰু সেই সময়ত অসম আন্দোলনৰ বাবে উদ্ভৱ হোৱা পৰিস্থিতিত মাত্ৰ ১৭ মাহ কাল কাৰ্য্যনিৰ্বাহ কৰাৰ পিচত আমাৰ চৰকাৰৰ পতন ঘটিছিল। অসম বন্ধ, এম, এল, এ ঘেৰাও আদি সঘনে হোৱা কাৰ্যসূচী সমূহৰ বাবে জনহিতকৰ কামবোৰ কৰি যোৱাত আমি বহুতো বাধাৰ সন্মুখীন হৈছিলোঁ। তথাপি সেই সময়চোৱাত আমাৰ কলেজখন নিৰ্দ্দিষ্ট সময়তকৈ আগতে Deficit grant i n aid system লৈ অনাৰ বাবে মই বহুত চেষ্টা কৰিছিলোঁ আৰু কৃতকাৰ্য্য হৈছোঁ। নগৰবেৰা মাত্ৰ এখন মৌজাক লৈ এটা ৰাজহ চক্ৰ গঠন কৰা, মন্দিৰা Reserve ত Assam agriculture university ৰ অধীনত Live stock research Farm খন স্থাপন কৰা, নগৰবেৰালৈ ইলেকট্ৰিচিটি যোগান ধৰা নগৰবেৰা কল্যাণপুৰ জামলাই পথ নিৰ্মাণ কৰা, নগৰবেৰা টিপলাই পথৰ কামৰূপৰ সীমালৈ নিৰ্মাণ কৰা, তদুপৰি ভালেমান স্কুললৈ অনুদান দিয়া আৰু Provincialization কৰা আদি নগৰবেৰাৰ উল্লেখযোগ্য কাম। Social Forestry ৰ জৰিয়তে নগৰবেৰা কলেজ Compound ত বৃক্ষৰোপন কৰা হয়। পুনৰ বিধায়ক হোৱাৰ সুযোগ পালে জলন্ত সমস্যা বাজি সমাধানৰ ক্ষেত্ৰত অধিক গুৰুত্ব দিম।

? নগৰবেৰাৰ মানুহ আৰু নগৰবেৰাৰ অভিভাৱক মৌজা কমিটিখনৰ সম্পৰ্কে আপোনাৰ মতামত কি?

ছাৰঃ নগৰবেৰাৰ মানুহৰ সৰলতা সম্পৰ্কে আগতে উল্লেখ কৰিছোঁ। আমি অহা সময়ত নগৰবেৰাৰ অভিভাৱক সদৃশ মৌজা কমিটিখনৰ যি glamour আছিল আজি সেই glamour বহুতো হ্ৰাস পাইছে যেন লাগে। তথাপি নগৰবেৰাৰ এই সমাজ ব্যৱস্থাটো আদৰণীয়।

? আপুনি এজন সম্পূৰ্ণভাৱে সুখী ব্যক্তি বুলি অনুভৱ কৰেনে?

ছাৰঃ সম্পূৰ্ণ সুখীতো কোনেও হব নোৱাৰে। তথাপি মই যোগ্যতা অনুযায়ী মই যিখিনি পাইছোঁ তাক লৈ মই সুখী।

? কলেজত চাকৰি কৰা কালত আপোনাৰ তিক্ত অভিজ্ঞতা আপুনি কেনেকৈ ক'ব?

চাৰঃ Functioning of the college authority at present incomparision to the earlier days gives me quite dissatisfaction in many occasions.

? ছাৰ চাকৰি জীৱনত এনে এটা দিন আহিছিলনে যে আপুনি খুউব ভাগৰি পৰিছিল?

ছাৰঃ চাকৰি কালত কোনো দিনেই মই কোনো কামতেই ভাগৰি পৰা নাছিলোঁ।

? আপুনি কাম কৰি থকা কলেজৰ সহকৰ্মীসকলৰ বাবে কিবা পৰামৰ্শ দিবনে?

ছাৰঃ মই সহকৰ্মী সকলকনো কি পৰামৰ্শ দিম! তেখেতসকল জ্ঞানী-গুণী, তেখেতসকলৰ ওচৰতহে মোৰ শিকিব লগীয়া বহুত আছে।

ছাৰ যদি আপত্তি নাথাকে দুটামান ব্যক্তিগত কথা পাতোঁ। চাৰে মিচিকিয়াই হাহিঁ কৈছিল-" মই জানিছোৱেই তুমি যে আজি মোৰ লগত যিকোনো ধৰণৰ কথা পাতিবা। সোধা, নিশ্চয় উত্তৰ দিম। খন্তেক চাহ-বিৰতিৰ পিচত মই চাৰৰ সতে পাতিছিলো আৰু বহুত কথাই...।

? প্ৰেম সম্পৰ্কে আপোনাৰ অনুভৱ? আপোনাৰ জীৱনলৈ পত্নীৰ বাহিৰেও কোনোবা প্ৰেমিকা আহিছিলনে?

ছাৰঃ প্ৰেম মানে ভালপোৱা। ইজনে সিজনক ভালপাব জানিলেই প্ৰেমৰ উৎপত্তি হয়। মোৰ জীৱনলৈ প্ৰেমিকা আহিছিল। নামটো জানিব নিবিচৰা নেকি? (হাঁহি)

? আপোনাৰ সফলতাৰ আঁৰত কোনোবা নাৰীৰ ভূমিকা তথা আপোনাৰ জীৱনত পত্নীৰ ভূমিকা?

ছাৰঃ মোৰ সফলতা তথা মোৰ জীৱনৰ নাৰী গৰাকীয়েই হ'ল মোৰ পত্নী। মোৰ জীৱনত এনেকুৱা এটা জটিল গোপনীয় কথা নাই যিটো মোৰ পত্নীয়ে নাজানে। মোৰ জীৱনৰ তেওঁ



Scanned with CamScanner

সুখৰ-দুখৰ লগৰী।

៖ আপোনাৰ প্ৰিয় ৰং, খাদ্য, পোছাক, প্ৰিয় নাৰী আৰু প্ৰিয় পুৰুষ?

ছাৰঃ প্ৰিয় ৰং পাতল সেউজীয়া, মোৰ খাদ্য বিচাৰ নাই, ভুতি লাগিলেই সকলো খাদ্যই প্ৰিয় হয়। প্ৰিয় পোছাক অসমীয়া সাজ-পাৰ, প্ৰিয় নাৰী ৰামায়ণৰ উৰ্মিলা, আৰু প্ৰিয় পুৰুষ শ্ৰীমন্ত শংকৰদেৱ।

៖ আপুনি যথেষ্ট সংযত আৰু শান্ত মগজুৰ। খং আপোনাৰ প্ৰায় নুঠেই। ইয়াৰ আঁৰৰ ৰহস্য?

ছাৰঃ মোৰ খং নুঠা কথাষাৰ সঁচা নহয়। খং মোৰো উঠে। কিন্তু সেইটো বহিঃপ্ৰকাশ নকৰাকৈ মই নিয়ন্ত্ৰণ কৰিব পাৰোঁ। সেয়ে মোক সংযত আৰু শান্ত মগজুৰ বুলি ভাবিছা।

៖ আপোনাৰ কেতিয়া খং উঠে?

ছাৰঃ যেতিয়া নিয়মৰ হেৰফেৰ।

៖ নিঃসংগতা আপুনি ভাল পায়নে?

ছাৰঃ নিঃসংগতা মই একেবাৰে বেয়া পাওঁ।

៖ যৌৱনৰ স্বপ্ন আপোনাৰ কি আছিল? এতিয়াও প্ৰেমত পৰিবৰ মন যায় নে?

ছাৰঃ মোৰ যৌৱনৰ স্বপ্ন আছিল এজন মানুহ হোৱাৰ সমাজ সেৱা কৰাৰ। এতিয়াও প্ৰেমত পৰিবৰ মন যায়, (ধুনীয়া ছোৱালীৰ নহয়দেই) ভগৱত প্ৰেমৰ।

៖ কেনেকুৱা কিতাপে আপোনাৰ জীৱনত বেছিকৈ প্ৰভাৱ পেলাইছে?

ছাৰঃ আধ্যাত্মিক চিন্তাচৰ্চা থকা কিতাপ সমূহে। বিশেষকৈ মাধৱদেৱৰ বিৰচিত "নামঘোষা" পুথিখনে।

៖ চাকৰিৰ পিছত অৰ্থাৎ অৱসৰৰ পিছত আপুনি সাহিত্যৰ জগতত সোমাই পৰিবনে? আধ্যাত্মিক চিন্তা ধাৰাৰে জড়িত সমাজৰ উন্নতিত তথা সাহিত্য সৃষ্টিত আপুনি আগ্ৰহী নে?

ছাৰঃ অৱসৰৰ পিছত সাহিত্য জগতত সোমাব পাৰোঁ নে নাই ক'ব নোৱাৰিম, কিন্তু মোৰ জীৱনৰ প্ৰতিটো মুহূৰ্ত, প্ৰতিটো অভিজ্ঞতা মুকলি ভাৱে লিখি প্ৰকাশ কৰাৰ ইচ্ছা আছে। আধ্যাত্মিক চিন্তাধাৰাৰ এটি প্ৰভাৱ অৱশ্যেই মোৰ ওপৰত আছে।

៖ দীৰ্ঘদিন শিক্ষকতা কৰাৰ পিছত শিক্ষা সম্পৰ্কে আপোনাৰ ধাৰণা কি?

ছাৰঃ শিক্ষা মানে সংস্কাৰ। শিক্ষাৰ জৰিয়তে নিজকে আৰু সমাজখনৰ সংস্কাৰ কৰিব পাৰিলেই প্ৰকৃত শিক্ষা।

៖ সাম্প্ৰতিক মহাবিদ্যালয়ৰ অৱস্থা আৰু "NAAC" ৰ পৰিদৰ্শন সম্পৰ্কে আপুনি মন্তব্য হিচাপে কি আগবঢ়াব?

ছাৰঃ আমাৰ মহাবিদ্যালয়খনৰ যিমানখিনি Potentiality আছে সেই হিচাপে "NAAC" ৰ মুখামুখি হোৱাৰ যোগ্যতা সকলো দিশতে আছে। কেৱল INFRA-STRUCTURE ৰ ক্ষেত্ৰত কৰ্তৃপক্ষই কামখিনি ক্ষিপ্ৰ গতিত কৰিব লাগিব। "NAAC" ৰ বাবে ভয় কৰিব লগীয়া ধৰণৰ কোনো কাৰণ নাই বুলিয়েই মই ভাবোঁ।

៖ সদায় জনগণত বহুত কৰি লৈ কুন কলেজৰ কি কথাই আপোনাক আলোড়িত কৰে?

ছাৰঃ কলেজত সদায় ছাত্ৰ-ছাত্ৰী আৰু শিক্ষক-শিক্ষয়িত্ৰী সকলৰ পৰা পোৱা শ্ৰদ্ধা, মৰম আৰু বন্ধুত্বই মোক প্ৰায়ে আলোড়িত কৰে।

៖ দূৰদৰ্শনৰ পৰ্দাৰ বিজ্ঞাপনত নাৰীৰ প্ৰদৰ্শন সম্পৰ্কে আপোনাৰ মতামত?

ছাৰঃ সংস্কৃতিৰ সীমাৰেখা পাৰ হৈ আদিম জগতলৈ অৱনমিত হোৱাৰ সংকেত।

៖ সাম্প্ৰতিক সমাজৰ গতি কোন দিশে?

ছাৰঃ বৰ্তমান সমাজৰ গতি "সবকোহে মাৰি পুৰ উদৰ"।

៖ বৰ্তমান কলেজৰ ছাত্ৰ-ছাত্ৰীলৈ আপোনাৰ পৰামৰ্শ আৰু কলেজৰ প্ৰতি আপোনাৰ Messaage কি?

ছাৰঃ বৰ্তমান বিশ্বায়নৰ যুগত আমাৰ কলেজৰ ছাত্ৰ-ছাত্ৰী সকলকো গতানুগতিক পাঠ্যক্ৰমৰ মাজত আবদ্ধ নাথাকি অধ্যয়নৰ জৰিয়তে বহিৰ্জগতখনৰ লগত যোগ মিলাই যাবলৈ পৰামৰ্শ দিওঁ। নগৰবেৰাৰ নিচিনা পিছপৰা এখন ঠাইৰ সাধাৰণ জনগণে ইয়াত এখন মহাবিদ্যালয় গঢ়ি তোলাৰ যি সপোন ৰচিছিল সেই সপোন দিঠকত পৰিণত কৰাত ছাত্ৰ-ছাত্ৰী শিক্ষক-শিক্ষয়িত্ৰী, কৰ্তৃপক্ষ আৰু সমাজে একত্ৰিতভাৱে কাম কৰি গ'লে অদূৰ ভৱিষ্যতে সেই সপোন নিশ্চয় ফলিয়াব। এয় মোৰ কল্পনা।

ছাৰ বহুত কথাই পাতিলোঁ। এনেকুৱা এটা প্ৰয়াস কৰিছোঁ যে ধাৰাবাহিক ভাৱে এই সাক্ষাৎকাৰ শিতানটো কলেজ আলোচনীত থাকি যাওঁক। আপুনি কেনে দেখে?

এটা সুন্দৰ প্ৰয়াস। আচলতে সাক্ষাৎকাৰৰ মাজেদি এজন মানুহৰ ভিতৰৰ কথা খিনি জানিব পাৰি। তুমিজা তোমালোকৰ এই প্ৰয়াস লৈ মোৰ আন্তৰিক অভিনন্দন থাকিল লগতে তোমাক বহুত ধন্যবাদ জ্ঞাপন কৰিলোঁ।

ছাৰ, আপোনাক অশেষ ধন্যবাদ জনালোঁ লগতে আমি আপোনাৰ দীৰ্ঘায়ু কামনা কৰিলোঁ। **।।

☐☐☐☐☐☐☐☐

মুক্তিত নিস্পৃহ যিটো সেহি ভকতক নমো
ৰসময় মাগোহোঁ ভকতি।
সমস্ত-মস্তক-মণি নিজ ভকতৰ বশ্য
ভজো হেন দেৱ যদুপতি।।
-নামঘোষা।



NON-TEACHING STAFF OF B.P. CHALIHA COLLEGE, NAGARBERA

Sitting (L to R) : K. Kakati, J. Thakuria, B. Thakuria (L.D.A.), D. Talukdar (Librarian), N.B. Das (Principal in-charge), N. Kalita (U.D.A.), S. Kalita (L.D.A.), N. Pathak (L.D.A.), R. Kalita.

Standing (L to R) : K. Kalita, S. Haque, B. Kalita, D. Kalita, K. Islam, D. Kalita, K. Pathak, S. Das, D. Pathak, P. Kalita.



STUDENTS' UNION OF B.P. CHALIHA COLLEGE, SESSION 2002-2003

Sitting : Mr. N. B. Das, President

Standing (L to R) : G. Medhi (Editor), S. Z. Hussain (Literary), A. A. Khan (Social Service), B. Bharali (Vice President), B. Patowary (Girls' Common Room), A.S. Ahmed (General Secy.), N. Hamid (Sports), S. Hussain (Minor Games), A. Pathak (Major Games), N.M.A. Ahmed (Debate & Symp.)

Not seen in the photo : J.P. Kalita (A.G.S.) & Z.A. Ahmed (Boy's Common Room)

Scanned with CamScanner



A view of Alumni meet in 2003



Dr. B. Ray Choudhury inaugurating the 'Collec of Seminar Papers' of 'National Seminar', 200



Teachers & Employees of B.P.C.C. on hunger strike in front of Nagarbera Circle Office against Govt.'s disputed decision on Higher Education.



Late Uday Sankar Thakuria, founder secy., B.P.C. College inaugurated the 'State Level Seminar' which was joi organised by D.P.K.G.S. Santha & Extension Educa Centre, B.P.C.C. in 2003 (Sitting extreme left)



A scene of B.P.C.C. Scout's Padade in Republic Day Flag Hoisting Ceremony on 26th Jan, 2003 (at Nagarbera Raash Maidan)



Foundation Stone of New Building of B.P.C.C. la Aizal Haque Moulavi, Ex. President, Nagarbe Anchalik Mouza Committee (Fund received un Buniyad Achani)



Champion Team (TDC 2nd yr.) inter-class cricket competition, 2002-03



Champion team (H.S. 1st year), B.P.C.C. inter- football competition, 2002-2003

Scanned with CamScanner




Scanned with CamScanner

# প্ৰকৃত বন্ধু

আব্দুল মালেক
স্নাতক ২ য় বৰ্ষ (কলা)

কৰিমে বেগটো টেবুললৈ দলিয়াই ঘড়ীটোলৈ চালে। ছেঃ আজিও তাৰ পলম হ'ল। মাকে বা কি কয় ভাবি তাৰ তৎ নোহোৱা হল। লৰালৰিকৈ ভাত কেইটা খাই সি পঢ়া টেবুলত বহিল। মাকে পুতেকৰ কামত সন্তুষ্ট হৈ তাক কিছুপৰ পিছত বিস্কুটৰে চাহ একাপ খাবলৈ দিলে।

- কৰিমৰ মাক, কৰিমৰ মাক ঐ;

- হঠাতে কাৰোবাৰ মাতত কৰিমৰ মাকৰ সহিত ঘূৰি আহিল। সন্মুখত গিৰিয়েকক দেখি কলে অ' আপুনিহে মই গমেই পোৱা নাছিলোঁ।



- কিনো চিন্তা কৰি আছিলা?

- এ কিনো চিন্তা কৰি থাকিম। কৰিমৰ কথাকে ভাবি আছিলোঁ।

- এৰা, সেইবোৰ কথা ভাবি কিনো লাভ। হোৱাটোতো হৈয়ে গল।

- নহয় হে, মই কৰিমৰ তাহানিত দশম শ্ৰেণীত পঢ়ি থকা অৱস্থাৰ বিষয়ে ভাবিছিলোঁ।

- বাদ দিয়া এতিয়া। যোৱা মোৰ কাৰণে একাপ চাহকে আনাচোন।

তাহানিৰ দশম মানৰ কৰিম যেনেকুৱা ভদ্ৰ নম্ৰ আৰু শান্ত আছিল, বৰ্তমান তাৰ ওলোটা বদমাচ আৰু লম্পট স্বভাৱৰ হল। পঢ়া শুনা নকৰি ঘুৰি ফুৰা কৰিমে যে মেট্ৰিক পৰীক্ষাৰ দ্বিতীয় স্থান অধিকাৰ কৰিছিল, সেয়া ভাবিলে আচৰিত যেন লাগে। তাহানিৰ কৰিম স্কুলৰ পঢ়া টিউচন, টিউচনৰ পঢ়া ঘৰ, ঘৰত পঢ়াৰ কোনো আহৰি নাছিল। কৰিমৰ এনে পৰিবৰ্তনৰ কাৰণ আছিল তাৰ কলেজৰ অতি আপোন যেন লগা কুপথে চলা বন্ধুবৰ্গ। সিহঁতৰ সঙ্গই তাকো গ্ৰাস কৰি পথ ভ্ৰষ্ট কৰি পেলালে। এই লৈ কৰিমৰ মাক দেউতাকৰ চিন্তাৰ তৰনি নাই। কিদৰে পুতেকক সজপথলৈ ঘুৰাই আনিব পাৰি তাকে লৈ দুয়োৰে মহাচিন্তা।

এদিনাখন কৰিমৰ খুড়াক মজিবৰ ৰহমান ঠিকাদাৰ তেওঁলোকৰ ঘৰলৈ আহিল। তেওঁ কৰিমৰ মাক দেউতাকৰ পৰা সকলো কথা বুজ লৈ এটা সিদ্ধান্তত উপনীত হল। তেওঁ কলে যে তেওঁৰ পুত্ৰ মালেকে এই বিষয়ত সহায় নিশ্চয় কৰিব পাৰিব।

কেইদিনমানৰ পিছত মালেকে কৰিমলৈ এখন চিঠি লিখিলে। দেউতাকৰ পৰামৰ্শমতে চিঠিখনত সি কৰিমক লগ ধৰাৰ কথা উল্লেখ কৰিলে। মালেক কৰিমৰ শৈশৱৰ প্ৰিয় বন্ধু আছিল। ইমান দিনে সি মালেকৰ কথা প্ৰায় পাহৰি গৈছিল। চিঠিখন পাই তাৰ আগৰ সকলো কথা মনত পৰিবলৈ ধৰিলে আৰু নিজৰ অপকৰ্মৰ বাবে সি অনুতাপ প্ৰকাশ কৰিলে। চিঠিত লিখামতে পিছদিনা সি মালেকক লগ ধৰিলগৈ। মালেকৰ বুজনিত কৰিমৰ জ্ঞান আহিল। সি মালেকৰ আগত অনুতাপ প্ৰকাশ কৰিলে। তেতিয়াৰ পৰা সি নিজৰ কু-সংগ পৰিত্যাগ কৰি আগৰ দৰে আকৌ পঢ়াত মনোযোগ দিলে। মালেকৰ চেষ্টাত চৌধুৰী পৰিয়ালৰ হেৰোৱা ক্ষণবোৰ আকৌ উভতি আহিল। কৰিমৰ ৰিজাল্ট পাই কৰিমতকৈ মালেক বেছি আনন্দিত হল, মালেকৰ সহযোগ অবিহনে কৰিমৰ একো কামেই যেন নহয়, দুয়োৰে মাজত এনে সম্পৰ্ক। ভাতৃত্বৰ উপৰি গঢ়ি উঠিল বন্ধুত্ব। দুয়োৰে বন্ধুত্ব ঘৰখনৰ লগতে সমাজৰো আদৰ্শ হল।

কৰিমে অনুভৱ কৰিলে-

"এটি দুটি ক্ষণ মুকুতাৰে ধন
এবাৰ হেৰুৱালে নাহে উভতি
আমাৰ জীৱন অমূল্য ৰতন
আলফুলে লোৱা সাবটি।"

◘◘◘◘◘◘◘◘◘

সাথঁৰঃ ১/ মোমাইদেউৰ বাৰীলৈ গলোঁ, ফুল দেখি চমক খালোঁ। ফুলনৈকে মেলিলোঁ হাত, ফুল গ'ল ওঠৰ হাত।।
২/ নটক পুখুৰী, পিৰিচৰ বাটি। বাতিৰকোণা বলগছ এখিনা পাত।।
উত্তৰঃ ১/ মুখলগা পক্ষ।
২/ সমুদ্ৰৰ মীন, জিৰ্ণ আৰু শাহুকাৰ।
(সংগ্ৰহঃ নিপু কলিতা।)



Scanned with CamScanner



মূল ৰচনা : বিচাৰ (হিন্দী)
গল্পকাৰ : বিষ্ণু প্ৰভাকৰ
অসমীয়া ভাষান্তৰ : নগেন্দ্ৰ নাৰায়ণ দেৱ
মুৰব্বী, অসমীয়া বিভাগ

# বিচাৰ

ৰাতি বেছ কিছুসংখ্যক যাত্ৰী আমাৰ দ্বিতীয় শ্ৰেণীৰ ডবাত উঠিল। তাৰ পিছত ষ্টেচন এৰাৰ লগে লগেই সকলো নিশ্চুপ। কিন্তু ক্ষন্তেক পিছতেই যাত্ৰীসকলে নানা বিষয়লৈ আলোচনা আৰম্ভ কৰি দিলে। বেহ্‌তা ষ্টেচন এৰাৰ পিছত এজন বয়সস্থ ভদ্ৰলোক, যাৰ শুভ্ৰ ভ্ৰূযুগল উজ্জ্বল চকু দুটাৰ ওপৰত ওলমা বাৰান্দাৰ দৰে আগবাঢ়ি আহিছে, বৰ বেদনাৰ্ত মাতেৰে ক'লে, "কিছু বছৰ আগতে এই ঠাইতেই এটা ভয়ঙ্কৰ দুৰ্ঘটনা ঘটিছিল। বিশেষ কেইটামান কাৰণত ৰে'ল দুৰ্ঘটনাৰ ইতিহাসত এই দুৰ্ঘটনাটোক জঘন্যতম দুৰ্ঘটনা বুলিও কোৱা হয়। প্ৰায় এশ মানুহৰ মৃত্যু হৈছিল, আঘাতপ্ৰাপ্ত হৈছিল অজস্ৰ মানুহ।"

এই মন্তব্যটোৱে আলোচনাৰ ধাৰাটোকেই সলনি কৰি দিলে। যদিও যাত্ৰীসকলৰ মাজত সেই দুৰ্ঘটনাৰ প্ৰত্যক্ষদৰ্শী নাছিল, তথাপি তেওঁলোকৰ কোনো কোনোৱে বহু বিভৎস দুৰ্ঘটনা দেখিছে। সেইবোৰ বৰ্ণনা কৰোঁতে কৰোঁতে তেওঁলোক এনেদৰে শিহঁৰি উঠিল, যেন চকুৰ সম্মুখতে সঁচাকৈ দেখা পাইছে। ওখ আৰু সুঠাম চেহেৰাৰ এজন ভদ্ৰলোকে যেতিয়া ক'লে যে তেওঁ নিজেই দুবাৰ তেনেকুৱা দুৰ্ঘটনাৰ মাজত পৰিছিল, তেতিয়া আটায়ে বিস্ময় দৃষ্টিৰে তেওঁৰ ফালে চালে। বয়সস্থ ভদ্ৰলোকজনে ক'লে, "প্ৰত্যক্ষদৰ্শী হোৱাৰ সুযোগ পোৱা নাই যদিও সেই বিভৎস দুৰ্ঘটনাৰ লগত জড়িত এটা মোকৰ্দমাৰ ময়েই ৰায় দিবলগীয়া হৈছিল।

"আপুনি কি বেহ্‌তা দুৰ্ঘটনাৰ কথা কৈছে?"

"হয়।"

"নিশ্চয় কোনো ষড়যন্ত্ৰকাৰীৰ কাম। আজিকালি এইটো এটা নিয়মেই হৈছে - ৰাজনৈতিক ফায়দাৰ কাৰণে হাজাৰ হাজাৰ নিৰহ মানুহৰ জীৱনক লৈ নিষ্ঠুৰ খেলা।"

বিচাৰকে গম্ভীৰ মুখেৰে মূৰ জোকাৰিলে।

"উহুঁ, ধ্বংসাত্মক বা ৰাজনৈতিক কোনো কাৰণ এই মোকৰ্দমাৰ লগত জড়িত নহয়।"

"তেন্তে?"

"মানৱ-প্ৰকৃতিয়েই ইয়াৰ মূল কাৰণ বুলি ক'ব পাৰে।"

যাত্ৰীসকলৰ এজনে ক'লে, "তেন্তে ধৰিলোৱা হ'ল আতঙ্কগ্ৰস্থ যাত্ৰীসকলে যেতিয়া উদ্ভ্ৰান্তহৈ হেঁচাঠেলা কৰিছিল, তেতিয়া কোনো কোনো দুষ্কৃতিকাৰীয়ে সাহায্য কৰাৰ ভাও ধৰি তেওঁলোকৰ সৰ্বস্ব লুট কৰিছিল।"

"আপুনি ঠিক কথা কৈছে।" অন্য এজন যাত্ৰীয়ে তেওঁৰ সমৰ্থন জনালে। সিহঁতে আহত, আনকি মৰা মানুহৰ পকেট খুচৰিবলৈকো বাদ নিদিয়ে।"

"নহয়, নহয়, সেইবোৰ একোৱেই নহয়।" যাত্ৰীসকলৰ সকলো গুণাগঁঠাকে নাকচ কৰি লাহে লাহে ক'বলৈ আৰম্ভ কৰিলে :

"অশুভ সেই ৰাতি, ৰে'ল যাত্ৰীসকলৰ মাজত অনন্য ৰূপহী এগৰাকী মহিলা আছিল। যদিও বিয়াৰ পাছত দীৰ্ঘ পাঁচটা বছৰ পাৰহৈ গৈছে, তথাপি মহিলা গৰাকীক দেখিলে ভাব হয় যেন সদ্য বিবাহিতা। বিয়াৰ দিনাৰ দৰেই বিনয়ী আৰু ................................ নীলা চকু, সুগঢ়ী নাক, শুৱনি মুখ খনক মেৰিয়াই একোছা ঘন ক'লা চুলি দেখিলেই এক বুজাব নোৱাৰা তৃপ্তিত মন ভৰি যায়। এনে ৰূপসী সেই ৰূপ লাৱণ্য, যাৰ প্ৰথম দৃষ্টিপাতেই তিলফুল ফুলে, যাৰ মিচিকিয়া হাঁহিত চম্পক ফুলবোৰে একেলগে হাঁহি দিয়ে।

"বিয়াৰ পাঁচবছৰত তেওঁৰ কেৱল এটাই পৰিবৰ্তন ঘটিছে, তেওঁ আগতকৈ চপলা হৈছে। সেই কাৰণে তেওঁৰ স্বামী আৰু বেছি অনুৰক্ত হৈছে। স্বামীৰ লগতেই তেওঁ ৰে'লত যাত্ৰা কৰিছিল, আৰু যাত্ৰী সকলে সদ্য বিবাহিত বুলি ভাবিয়েই তেওঁলোকৰ সুবিধাৰ কাৰণে ডবাৰ ভিতৰত বহুখিনি ঠাই এৰি দিছিল।"

"যি হওক, তেওঁলোকৰ উপস্থিতিটোৱেই সুগন্ধি মদিৰাৰ এটি পিয়লা, যি কেৱল তেওঁলোক দুজনকেই যে উচ্ছলতাৰে ভৰাই তুলিছিল তেনে নহয়, অন্য সকলকো সেই সৌৰভে একেবাৰে মতলীয়া কৰি তুলিছিল। এইফালে কৰ্কশ উকি মাৰি, ধোঁৱা এৰি, এন্ধাৰৰ বুকু ফালি ৰেলগাড়ীখন তীব্ৰ গতিত গৈ আছিল। ডবাৰ ভিতৰত প্ৰায় সকলো যাত্ৰীয়ে যেতিয়া টোপনিয়াবলৈ ধৰিছিল, তেওঁলোক দুজন তেতিয়া সাৰে আছিল। মুখামুখি দুয়োজনে মৃদু কণ্ঠেৰে এনেভাবে গল্প কৰিবলৈ আৰম্ভ কৰিছে যেন তেওঁলোকৰ অফুৰন্ত কথা কোনোদিনেই শেষ নহ'ব। পত্নীয়ে অৱশ্যে আগতেই কৈছিল, আৰু ক'লে, "এইবাৰ অকণমান টোপনি মৰা যাওক " হাঁহি হাঁহি স্বামীয়ে ক'লে, "নাজানো কিয় আজি টোপনিয়েও তোমাৰ লগত গল্প কৰিব

খুজিব।"

"বেছ, তেনেহ'লে শুই শুই মই সপোনত টৌপনিৰ লগত গল্প কৰিম।"

"এই সময়খিনি কি সপোনতকৈ কিবা কম? তাৰ বাহিৰেও তুমি নিজেইতো এটা মধুৰ সপোন।" 'মুঠেই নহয়।' স্ত্ৰীয়ে হাঁহিলে। সপোন এটা অনুভূতি আৰু মই এটা বাস্তৱ। ইয়াতে তোমাৰ ওচৰত বহি আছোঁ। চুই চোৱা।

"দুই প্ৰেমিক প্ৰেমিকাৰ মাজত এনে অফুৰন্ত কথা,যাৰ কোনো অন্ত নাই, আদিও নাই। দুয়োজনে ইমানেই মগ্ন যে সময়ৰ কোনো জ্ঞানেই নাই। যিমানেই গধূৰ হৈ উঠিছে চকুৰ পতা, সিমানেই তেওঁলোকৰ হৃদয় যেন আপ্লুত হৈ উঠিছে অনুৰাগেৰে। মৰমসনা ভাষাৰে তেওঁলোকে যেতিয়া তন্ময় হৈ গল্প কৰি আছে-হঠাৎ ভয়ঙ্কৰ এটা জোকাৰণি। চক্ খাই দুয়ো দুফালে চিটিকি পৰিল। ৰাতিৰ স্বাভাবিক নিস্তব্ধতাক চিৰি ভাঙি বে'লখনে ভয়লগাকৈ ঢলং ঢপং কৰি হঠাৎ মাটিত নুটি খাই পৰিল; যেন সময় আৰু গতি পৰস্পৰে যুদ্ধতহে লিপ্ত হৈছে। প্ৰচণ্ড সেই শব্দ আৰু তুমুল জনকোলাহলত সকলো ওলট পালট হৈ গ'ল।

'যাত্ৰী সকলে টৌপনিতে আৰ্তনাদ কৰি উঠিল আৰু টোপনি ভঙাৰ আগতে কোন যে ক'ত চিটিকি পৰিল, ত'ত ধৰিবই নোৱাৰিলে। পলকতে সমগ্ৰ পৰিবেশ ভৰি পৰিল ভয়াৰ্ত চিৎকাৰ, বিননি আৰু হৃদয় বিদীৰ্ণ কৰা গোঙনিৰে। ঘনঘোৰ এন্ধাৰে সেই মুহূৰ্তৰ আতঙ্কক আৰু বেছি গাঢ় কৰি তুলিলে। তুমুল কোলাহলৰ মাজতেই সেই দম্পতিয়ে পৰস্পৰক শেষবাৰৰ কাৰণে মাত দিলে আৰু তাৰ পিছতেই হেৰাই গ'ল।

বিচাৰকৰ বৰ্ণনাত সহযাত্ৰীসকলৰ ভাব হ'ল দুৰ্ঘটনাটো যেন এইমাত্ৰ তেওঁলোকৰ চকুৰ সন্মুখতেই ঘটিল, লগে লগে তেওঁলোকেও সভয়ে অস্ফুট আৰ্তনাদ কৰি উঠিল। সৌভাগ্য বশতঃ তেতিয়া অৱশ্যে দিন।

এজন ইঞ্জিনিয়াৰ যাত্ৰীয়ে মন্তব্য কৰিলে, ট্ৰেইনখন লাইনচ্যুত হৈছিল। নিশ্চয় তেওঁলোক দুজনৰ মৃত্যু হৈছিল। নহয় জানো? "সেই দুৰ্ঘটনাত এশৰো বেছি মানুহৰ মৃত্যু হৈছিল। কিন্তু মৃতকৰ তালিকাত তেওঁলোকৰ নাম নাছিল।" 'তাৰ মানে তেওঁলোক জীয়াই আছিল।' "হয় তেওঁলোক জীয়াই আছিল। স্বামীৰ শৰীৰত অসংখ্য ক্ষতচিহ্ন আছিল। কিন্তু আচৰিত কথা কোনোটোৱে তেনে মাৰাত্মক নহয়। অথচ আনফালে তেওঁৰ ৰূপহী স্ত্ৰীৰ আঘাত এনে সাংঘাতিক ধৰণৰ যে বৰ্ণনা কৰাটোও বৰ বেদনাদায়ক। বাওঁ ভৰিখন ভাঙি ভাজ খাই গৈছে। মুখৰ বাওঁফাল মূৰৰ পৰা থুতৰিলৈকে দকৈ কাটি গৈছে।

"দুৰ্ঘটনাৰ দুদিন পিছত স্বামীক যেতিয়া অলপ সময়ৰ বাবে উঠি বহাৰ অনুমতি দিয়া হ'ল, প্ৰথমেই তেওঁৰ পত্নীক চাব বিচাৰিলে।"

"তেওঁ জানিছিল তেওঁৰ পত্নী জীয়াই আছে আৰু তেওঁক লৰা-লৰি নকৰিবচোন। তেওঁ এতিয়াও বিপদমুক্ত নহয়।" সদৰ হাস্পাতালত ভৰ্তি কৰা হৈছে। ডাক্তৰে ক'লে ইমান লৰা-

স্বামীয়ে সুধিলে, "তেওঁ জ্ঞান ঘূৰাই পাইছেনে?"

- হয় ক্ষন্তেক আগতে পাইছে।

"তেনেহ'লে আপুনি মোক তেওঁৰ ওচৰলৈ লৈ বলক। মই তেওঁক চাব খোজো। তেওঁ মোৰ পত্নী।"

- 'মই জানো।' ডাক্তৰে স্বভাৱসুলভ গাম্ভীৰ্যৰে ক'লে, "আৰু মই এইটোও জানো তেওঁ সুস্থ হৈ উঠিব। কিন্তু....."

'কিন্তু কি ডাক্তৰ বাবু?' "উৎকণ্ঠিত মাতেৰে স্বামীয়ে সুধিলে", তেওঁৰ আঘাত কি খুব মাৰাত্মক?

- খুবেই মাৰাত্মক। তথাপি কৈছোঁ তেওঁ সুস্থ হৈ উঠিব। নিশ্চয় সুস্থ হৈ উঠিব।

"ডাক্তৰৰ কথা শুনি তেওঁ অস্ফুট কান্দোনত ভাঙি পৰিল। ডাক্তৰে বিভিন্ন কথাৰে তেওঁক শান্তনা দিবলৈ চেষ্টা কৰিলে। কিন্তু তেওঁক কোনো কথাই শান্তনা দিব নোৱাৰিলে।

- ডাক্তৰে ক'লে,"মুখৰ পটি খুলিবলৈ বেছ কিছুদিন সময় লাগিব। এতিয়া তেওঁক চাই একো লাভ নহ'ব।"

অশ্ৰু সিক্ত চকুৰে তেওঁক ক'লে, মুখ নহয়, মই মাত্ৰ তেওঁকেই এবাৰ চাব খোজোঁ, ডাক্তৰ বাবু।

"পত্নীৰ নাম ধৰি তেওঁ এনেকৈ অবুজৰ দৰে কান্দিবলৈ আৰম্ভ কৰিলে যে ডাক্তৰে আৰু স্থিৰ হৈ থাকিব নোৱাৰিলে। তেখেতো মানুহ। সেয়ে যি হস্পিতালত পত্নীক ৰখা হৈছে, তালৈ তেওঁকো স্থানান্তৰিত কৰাৰ ব্যৱস্থা কৰা হ'ল। এটাই মাত্ৰ চৰ্ত -পত্নীক তেওঁ দেখা কৰিব পাৰিব, কিন্তু তেওঁৰ লগত কোনো কথা পাতিব নোৱাৰিব। কিয়নো পত্নীক জনোৱা হৈছে যে তেওঁৰ স্বামী এতিয়াও উঠিব পৰা হোৱা নাই।"

আপোনালোকে এবাৰ ভাবি চাওকচোন মাৰাত্মকভাৱে আঘাতপ্ৰাপ্ত পত্নীক দেখি বেচেৰাৰ মনৰ অৱস্থা কি হৈছিল। তেওঁৰ কলিজাটো পাগলৰ দৰে জপিয়াবলৈ আৰম্ভ কৰিছিল। এনেকৈ শিহঁৰি উঠিছিল যেন শৰীৰৰ ভিতৰত কৰবাত অসহ্য যন্ত্ৰনা হৈছে। যেতিয়া পত্নীৰ সম্মুখলৈ আহি থিয় হ'ল, ধোৱাৰ দুৰ্ভেদ্য এখন প্ৰাচীৰে তেওঁৰ দৃষ্টিক আচ্ছন্ন কৰি ধৰিলে। ধোৱা যেতিয়া অলপ পাতল হ'ল, দেখিলে তেওঁৰ বাওভৰিখন কাটি বাদ দিয়া হৈছে। গোটেই মুখ আৰু মূৰত মোটা পটি লগোৱা আছিল। তেওঁৰ ভাব হ'ল, তেওঁ যেন অনন্তকাল ইয়াতেই থিয় হৈ আছে। পত্নীৰ নাম ধৰি তেওঁ মাতিলে...।

"হয়, তেওঁৰ পত্নীৰ নাম ধৰি। কিন্তু তেওঁ দুনাই কোনো শব্দ উচ্চাৰণ কৰিব পৰা নাই। হঠাৎ মুৰ্চ্ছিত হৈ তেওঁ পৰি গ'ল। মানুহবিলাকে দৌৰি আহি লৰালৰিকৈ তেওঁক বাহিৰলৈ লৈ গ'ল। পত্নীয়ে অৱশ্যে এইবোৰ একোৱে গম পোৱা নাই। টোপনিৰ ঔষধৰ বাবে তেওঁ তন্দ্ৰামগ্ন। পিছদিনা তেওঁ এৰাতিৰ ভিতৰতেই যি সম্পূৰ্ণ অৱশ হৈ পৰিছিল, হঠাৎ মুখ্য ডাক্তৰ জনক প্ৰশ্ন কৰিলে,

"ডাক্তৰ বাবু! অনুগ্ৰহ কৰি কওকচোন সচাঁকৈয়ে মোৰ পত্নী বাচিবনে?"

- "হয়, নিশ্চয় বাচিব। অৱশ্যে খুবেই দুৰ্ভাগ্য যে এখন ভৰি



Scanned with CamScanner

আৰু বাওঁচকুটো তেওঁ হেৰুৱাবলগীয়া হৈছে। মুখখনো যথেষ্ট বিকৃত হৈছে।"

"মুখখনো?"

-"সচাঁকৈয়ে মই বৰ দুঃখিত। কিছুদিন আগলৈকো আপোনাৰ পত্নী অসামান্য ৰূপহী আছিল। কিন্তু এতিয়া .....নাই নাই ইমান বিহ্বল নহ'ব...ধৈৰ্য্য ধৰক।"

ডাক্তৰ আঁতৰি গ'ল। বিস্ফোৰিত চকুৰে নিজৰ বিদ্ধস্ত শৰীৰটোৰ ফালে তেওঁ বহু সময় ধৰি চাই ৰ'ল; তাৰ পিছত আপোনমনেই বিৰবিৰ কৰিবলৈ ধৰিলে। -'অসামান্য ৰূপহী ..ধৈৰ্য্য ..যথেষ্ট বিকৃত....অসামান্য ৰূপহী তেওঁৰ দুচকুৰ কোনেৰে নিগৰি আহিবলৈ ধৰিলে অশ্ৰুধাৰা।

তেওঁক চম্ভালাটো ডাক্তৰ সকলৰ বাবে এটা সমস্যা হৈ উঠিল। নিজৰ মাজতে আলোচনা কৰি তেওঁলোকে সিদ্ধান্ত ল'লে হস্পিতালৰ পৰা তেওঁক যাবলৈ দিয়া হ'ব। এই সিদ্ধান্তটো যেতিয়া তেওঁক জনোৱা হ'ল, কোনো ধৰণৰ প্ৰতিক্ৰিয়া নোহোৱা দেখি ডাক্তৰসকল বিস্মিত হ'ল। তেওঁ কিন্তু সম্পূৰ্ণ শান্ত আৰু নিৰ্বিকাৰ। মাত্ৰ এটাই অনুৰোধ জনালে হস্পিতালৰ পৰা যোৱাৰ আগতে তেওঁৰ পত্নীক মাথোঁ এবাৰ চাই যাব খোজে।

এইবাৰ কিন্তু পত্নীৰ বিচনাৰ ওচৰত থিয় হওঁতে তেওঁৰ হৃদয় তোলপাৰ হৈ নুঠিল নাইবা মূৰ্চ্ছিত হৈও নপৰিল। বৰং একেবাৰে শান্তভাৱে পত্নীৰ বিচনাৰ কাষত থিয় হ'ল। তাৰ পিছত হঠাৎ এখন হাত তেওঁৰ ফালে আগবঢ়ালে। নাৰ্চে বাধা দিলে। তেওঁ থমকি ৰ'ল অলপ পিছত হাত দাঙি আকৌ নমাই আনিলে। তাৰ পিছত কোনো এক মুহূৰ্তত দুয়োখন হাত দাঙি আগবাঢ়ি গ'ল। নাৰ্চে বাধা দিলে, কিন্তু এইবাৰ তেওঁ থমকি নৰ'ল। চকুৰ পলক পৰাৰ আগতেই জপিয়াই পৰি দুহাতেৰে পত্নীৰ ডিঙিত টিপা মাৰি ধৰিলে।

"হঠাতে কোঠাৰ পৰিৱেশটোৱেই সলনি হৈ গ'ল। নাৰ্চৰ ভয়াৰ্ত চিঞৰত অন্য সকলো উধাতু খাই দৌৰি আহিল। কিন্তু তেতিয়া তেওঁ দানৱীয় শক্তিৰে পত্নীৰ ডিঙিত টিপা মাৰি ধৰিছে, ভয়ঙ্কৰ ভাৱে দাঁতে দাঁতে ঘৰ্ষণ হৈছে.....পত্নীৰ আতঙ্কিত আৰ্তনাদ, অস্পষ্ট গোঙনি ক্ষন্তেক পিছতে স্তব্ধ হৈ গ'ল।

"তাৰ পিছত মৃত পত্নীৰ মুখত গভীৰভাৱে চুমা দিলে। তেতিয়াও তেওঁৰ কৰ্ণনি মাৰ যোৱা নাই, সোঁপাই সোঁপাই পোণ হৈ থিয়দি নিৰ্বাক হস্পিতালৰ কৰ্মীসকলক ক'লে, এতিয়া মই প্ৰস্তুত, আপোনালোকে য'লৈকে ইচ্ছা মোক লৈ যাব পাৰে।"

ইমানলৈকে কৈ বিচাৰক থমকি ৰ'ল। তেওঁৰ গহীণ মুখখন ঘৰ্মাক্ত হৈ উঠিছে। আৰু আমাৰ ভাব হল ভয়ঙ্কৰ এটা দুঃস্বপ্ন দেখি থকাৰ পৰা সাৰ পালোঁ। বুকুৰ ভিতৰখন শিৰশিৰাবলৈ ধৰিছে। ৰে'লখন এটা ষ্টেচনত প্ৰবেশ কৰিছে। ইঞ্জিনিয়াৰ যাত্ৰীজনে প্ৰশ্ন কৰিলে, "তেনেহলে এই মোকৰ্দমাতেই আপুনি ৰায় দিবলগীয়া হৈছিল?"

বিচাৰকে গম্ভীৰ ধমুনিয়াহ কাঢ়ি চমুকৈ মাথোঁ ক'লে, "হয়।" এই ষ্টেচনতে বিচাৰক নামিব লাগিব। তেওঁ ব্যস্ত হৈ পৰিল।

অপেক্ষাকৃত তৰুণ এজনে জানিব বিচাৰিলে 'হত্যাৰ আচামীক আপুনি নিশ্চয় নিৰ্দোষী বুলি খালাচৰ ৰায় দিছিল?'

বিচাৰকে তেওঁৰ পিনে ঘূৰি চালে।

"আপুনি হ'লে কি কৰিলেহেঁতেন?"

আমি সকলোৱে একেলগে কৈ উঠিলোঁ, "নিৰ্দোষী বুলি খালাচৰ পক্ষে মত দিলোহেঁতেন।"

বিচাৰকৰ মুখত বিৰিঙি উঠিল এটি অদ্ভুত হাঁহি। সেইদিনা জুৰিসকলেও একে মত ব্যক্ত কৰিছিল। কিন্তু মই তেওঁৰ ওপৰত অবিচাৰ কৰিব নোৱাৰিলোঁ। মই জানো বহু মোকৰ্দমাত বিচাৰকৰ যথাৰ্থ কৰ্তব্য পালনত মই ব্যৰ্থ হৈছোঁ। কিন্তু এই মোকৰ্দমাটোৰ ৰায়দানৰ ক্ষেত্ৰত মই আজিও গৰ্বিত। মই তেওঁক ফাঁচীৰ দণ্ডাদেশ দিছিলোঁ।

বিস্ময়ত আমি সকলোৱে একেলগে কৈ উঠিলোঁ, "ফাঁচীৰ দণ্ডাদেশ!"

ৰে'ল গাড়ীৰ পৰা নামি আমাৰ স্তম্ভিত মুখৰ ফালে লক্ষ্য কৰি হাঁহি হাঁহি তেওঁ ক'লে, "জীয়াই ৰাখিলে তেওঁৰ পবিত্ৰ আচৰণৰ প্ৰতি মই অবিচাৰ কৰিলোঁহেঁতেন।"

তাৰ পিছত ষ্টেচনৰ যাত্ৰীসকলৰ ভিৰৰ মাজত তেওঁ হেৰাই গ'ল।

## কৌতুক

গ্ৰাহকঃ উপহাৰ দিবলৈ শাড়ী দেখুৱাওকচোন।

দোকানীঃ আপোনাৰ পত্নীৰ বাবে, নে ভাল শাড়ী দেখুৱাম? (সংগ্ৰহঃ **পিংকি কলিতা**, প্ৰাক্তন ছাত্ৰী)।

প্ৰথম মহিলাঃ মাতৃয়ে গৌৰৱ কৰে সন্তানক লৈ, আপুনি বাৰু কিহক লৈ গৌৰৱ কৰে?

দ্বিতীয় মহিলাঃ মই দ্বিতীয় প্ৰেমিকক লৈ। (সংগ্ৰহঃ **জুমা কৰ**।)



Scanned with CamScanner

## এক মিনিটৰ গল্প

# ফল্গু

('প্ৰাক্তন ছাত্ৰ-সন্মিলন' উপলক্ষে উন্মোচিত প্ৰাচীৰ পত্ৰিকা 'ফল্গু'ৰ পৰা।)

শ্ৰী ভূমিজা বৰ্মন কলিতা
প্ৰৱক্তা, শিক্ষা বিভাগ

*("এক মিনিটৰ এটা অনুভূতিৰ গল্প")*

আৰে ভাৱনা কোৱাচোন কি খবৰ?

কেনেকুৱা দেখিছা?

বৰ শকত হৈ গ'লা, উঃ .............. বুঢ়ী বুঢ়ী লাগিছে।

হয় নেকি? তোমাক যে আকৌ মোতকৈও বুঢ়া যেন লাগিছে।

খবৰ ভাল, আজি আকৌ বেছি ভাল লাগিছে.... কওঁ নে কিয় আজি যে তুমি আহিছা।

এবা দীৰ্ঘ ১৬ বছৰ বিৰতিৰ পিচত তোমাৰ সতে মোৰ দেখা দেখি।

বন্ধু কথা পাতি থাকিবানে কিবা এটা খাই লবা।

এহ্ ৰবা হে খাম, অলপ পিচত, আগতে তোমাৰ সতে অলপ কথা পাতোঁ ..........।



—'হৃদয়', কলেজৰ 'নাৰিকল গছ' জোপা এনেকৈয়ে আছে, মাথো আগতকৈ অলপ বুঢ়া হ'ল ....................।

মাইকত ঘোষণা কৰিলে আজি 'ন-পুৰণি ছাত্ৰ সন্মিলন'ৰ বিশেষ আকৰ্ষণ 'ভাৱনা দত্ত আৰু হৃদয় দুৱৰাৰ সংগীত সন্ধিয়া' ——।

ভাৱনা কলেজখনলৈ আজিৰ এই দিনটোত দুটা মূল আকৰ্ষণত আহিছোঁ, এটা হ'ল কলেজখন চোৱাৰ হেপাহত, আনটো হ'ল তোমাক লগ পোৱাৰ তীব্ৰ হেপাহত। তোমাক লগ পাম ওচৰৰ পৰা, এবাৰ নাৰিকল গছ্ জোপাৰ তলত বহিম আৰু হেঁপাহ্ পলুৱাই দুয়ো কথা পাতিম।

হৃদয়, মনত পৰেনে তোমাৰ এৰি অহা সোণালী দিন যৌৱৰ মধুৰ স্মৃতি? বুকুত অজস্ৰ কল্পনা, একোটা চঞ্চল মন আৰু সৃষ্টিৰ বাসনা সমূহক লৈ দুয়োৰে মাজত চলা তীব্ৰ প্ৰতিযোগিতা ........ ।

সচাঁকৈয়ে যোৱা ১৬ টা বছৰত বহুত পৰিৱৰ্তন আহিল জীৱনলৈ। চাকৰি, সংসাৰ, সমাজ সেৱা আৰু সংগীত চৰ্চা সকলোবোৰত নিজকে ব্যস্ত ৰাখোঁ যদিও মোৰ একান্ত ব্যক্তিগত জীৱনৰ গভীৰতম অনুভূতি সমূহক মই মনৰ মাজত আজিও সযতনে সজীৱ কৰি ৰাখিছোঁ। যেতিয়া কিছু সময়ৰ বাবে মই নিঃসংগ হওঁ, অৱসৰে নিজক অলপ সময় দিওঁ তেতিয়া মোৰ অৱচেতন মনত থকা ভাৱনাই মোক সম্পূৰ্ণ গ্ৰাস কৰি পেলায় ফল্গুৰ দৰে ...... ।

এই হৃদয়, আহা 'ফল্গু প্ৰাচীৰ পত্ৰিকা'খন চাই লোৱা।

এবা কোনেও নজনাকৈ, কোনেও নেদেখাকৈ হৃদয়ৰ পৰা ওলোৱা স্বতঃস্ফূৰ্ত সৃজনী প্ৰতিভা সমূহক ই বোৱাই লৈ যায় হয়নে?

বাইদেউ, চাৰ আপোনালোকক শ্যামা ছাৰে বিচাৰিছে।

হয় নেকি? গৈ আছোঁ বুলি কোৱা।

ভাৱনা তোমাৰ কথা কোৱা?

চাকৰি জীৱন দহ বছৰ। সংসাৰ ১৫ বছৰ। বিভিন্ন ঘাত-প্ৰতিঘাতৰ মাজেৰে মোৰ জীৱনটো অতিবাহিত কৰি আছোঁ। পাৰ কৰি অহা সময়ৰ অভিজ্ঞতাত মোৰ এটাই উপলব্ধি হৈছে সেয়া হ'ল মোৰ জীৱনৰ সুখৰ আধাৰ মোৰ জীৱনৰ মধুৰতম ৰসখিনি হৃদয়ৰ প্ৰতি থকা গভীৰ প্ৰেমৰ মাজেৰে বৈ আছে ফল্গুৰ দৰে।।

## মহৎ লোকৰ বাণীঃ

১/সন্মুখত লক্ষ্য ৰাখি, ধৈৰ্য্যক সাৰথি কৰি আগবাঢ়ি যোৱা, দেখিবা এদিন তুমিয়েই সেই বিজয় পথৰ যাত্ৰী। -কাৰ্লমাৰ্ক্চ।

২/শিক্ষক হৈছে এডাল মমবাতিৰ নিচিনা, যি আনক পোহৰ দিয়ে। - সুভাষ চন্দ্ৰ বসু।

৩/প্ৰকৃত ছাত্ৰই কেতিয়াও খ্যাতি, ক্ষমতা নাইবা আমোদ নিবিচাৰে। তেওঁ বিচাৰে কেৱল জ্ঞান আৰু সত্য। সত্য আৱিষ্কাৰ কৰিবৰ বাবে তেওঁ সকলো কৰিবৰ বাবে সাজু। - ছাৰ জগদীশ বসু।

সংগ্ৰহঃ অপূৰ্ব কলিতা।



Scanned with CamScanner

এক মিনিটৰ গল্প

# আশাভংগ



হিতেশ দাস
স্নাতক ২য় বৰ্ষ

ঘৰৰ পৰা ওলাই আহি চিৰাজ যেতিয়া পথাৰলৈ গ'ল সেই সময়ত আগৰ যি সোনালী ধানৰ হাঁহি তাক দেখা নাপাই তাৰ ঠাইত মাথোঁ কিছুমান পচাঁ নৰা আৰু মেটেকাৰ পুণ দেখিবলৈ পালে। সি বহু আশাৰে নিজৰ খেতিডৰা কৰিছিল যি খেতি ভৰাৰ পৰাই নৰা-ঘৰৰ কেইটাক ভৰ্জন পোষন দিব আৰু দ্বিতীয়টো গৰু কিনি হাল ঠিক কৰি লব কিন্তু তাৰ বিপৰীতটোহে হ'ল।

সিদিনাখন প্ৰথম ধান ৰোৱা আৰম্ভ হৈছিল সেইদিনটো আছিল চিৰাজ হতৰ ঘৰত এটি উৎসৱমুখৰ পৰিবেশ। গাওঁলীয়া সমাজ আৰু প্ৰধানকৈ চৰ চাপৰিৰ লোক সকলৰ বাবেই সেই দিনটো এটি উল্লেখযোগ্য দিন। চিৰাজৰ ঘৈণীয়েক ৰহিমাই আল্লাৰ নাম লৈ প্ৰথম গোচা ৰোৱাৰ লগে লগে অতি কম সময়ৰ ভিতৰতে চাৰি বিঘা মাটি আটাইয়ে ৰুই শেষ কৰিলে।

যোৱাবাৰ দুই বিঘাত আমি যিমান ধান পাঁইছিলোঁ তাৰ ঠাইত এইবাৰ হয়তো দুগুণ পাম, বুলি চিৰাজে ৰহিমাৰ আগত ক'লে। ৰহিমাও এটি হাঁহিৰে সেই কথাৰ পূৰ্ণ সহাৰি দিলে। পিছত ক'লে আব্দুলৰ স্কুলত যোৱা চোলাটো ফাটি গৈছে তাৰো এটা চোলাৰ দৰকাৰ। চিৰাজে কলে কেইদিনমান ৰোৱাহে মই তাক চোলা কিনি দিম।

'আব্দুল ধানৰ পৰা গৰুটো খেদি দিয়া'- বুলি চিৰাজে ক'লে। সি গৰুটো খেদি দি বাপেকক মাত লগাই ঘৰলৈ গল। সন্ধিয়া সময়ত চিৰাজে লাহে লাহে ঘৰলৈ আহিল। চিৰাজৰ ঘৰত যাবলৈ মনেই নাযায় সি মাথোঁ খেতিডৰাৰ আশা আৰু ৰূপতে মুগ্ধ হৈ থাকে যেনিবা সি যেন খেতিডৰাৰ প্ৰেমত হে পৰিছে। কিন্তু হঠাৎ যে মহচৰা চৰৰ অৱস্থা নেৰা নেপেৰা বৰষুণে সলনি কৰি পেলালে। চাওঁতে চাওঁতে দুই চাৰিদিনৰ ভিতৰত মহচৰা চৰৰ সেই সেউজীয়া পথাৰবোৰত এটি ৰূপালী প্ৰলেপ পৰা দি বালিৰ তৰপ পৰি সকলোৰে মনত হাহাকাৰৰ সৃষ্টি কৰি পেলালে। ক্ৰমাৎ সেই ৰূপালী ৰংটো আৰু বহল হৈ হৈ শেষত ই য়ে এটা মৰুভূমিৰ ৰূপ ললে। আৰু এদিন চিৰাজ, মফিজ, মহিম আটাইৰে ঘৰৰ ভিতৰলৈ সেই ৰংটোৱে আগ বাঢ়ি আহিল। চিৰাজ আৰু গাওঁখনৰ প্ৰতিটো ঘৰৰ সেউজীয়া ৰং নোহোৱা হ'ল। বিফল মনেৰে অপলক দৃষ্টিৰে চাই থাকোতেই বতাহে এমুঠি শুকান বালি চিৰাজৰ চকুলৈ মাৰি পঠিয়ালে।

আমি   শ্ৰাবণ প্লাবন-বন্যা,
কভু   ধৰণীৰে কৰি বৰণীয়া, কভু বিপুল ধ্বংস-ধন্যা-
আমি   ছিনিয়া আনিব বিষ্ণু-বক্ষ হইতে যুগল কন্যা
আমি   অন্যায়, আমি উল্কা, আমি শনি,
আমি   ধূমকেতু-জ্বালা, বিষধৰ কাল ফণি
আমি   ছিন্নমস্তা চণ্ডী, আমি ৰণদা সৰ্বনাশী,
আমি   জাহান্নমেৰ আগুনে বসিয়া হাসি পুষ্পেৰ হাসি।
(বিদ্ৰোহী কবি নজৰুল।)

সংসাৰত বাস কৰিব লাগে পাঁকোত পৰা মাছৰ দৰে। যেনেকৈ মাগুৰ মাছ পাঁকোত থাকে অথচ গাত অকণো পোক লাগাগে। -ৰামকৃষ্ণ পৰমহংস। (সংগ্ৰহঃ জ্ঞান পাঠক)



Scanned with CamScanner

# কবিতা

## বগীহাটৰ এটি কৰুণ দৃশ্য

মনোৰমা খাতুন
স্নাতক তৃতীয় বৰ্ষ



দিদিদা,
শ্মশানত তেলি দিয়া হ'ল
তোমাৰ নিষ্প্ৰাণ দেহটোক,
জুই শিখা জ্বলি উঠিল
জ্বলি উঠিল মানুহবোৰৰ বুকুৰ মাজৰ
অব্যক্ত বেদনা।
উৰি উৰি, ঘূৰি ঘূৰি
বজা বেলিটিৰ দৰে
বাৰে বাৰে দলদলি আছে
বগীহাটৰ সেই কৰুণ দৃশ্য
আৰু তোমাৰ মৰণ কাতৰ আৰ্তনাদ
ধনজিৎ, তুমি দস্যুৰ সতে যুঁজি যুঁজি
আমাক দি গ'লা জীয়াই থকাৰ সন্ধান
আমি কৃতজ্ঞ তোমাৰ ত্যাগত
মিলে কৰি গ'লা তোমাক মহান।

■ ■ ■ ■

## তোমাৰ পৰিৱৰ্তনত..........

মোঃ নজৰুল ইছলাম
উচ্চতৰ মাধ্যমিক দ্বিতীয় বৰ্ষ



তুমি নাই বাবেই মই আছোঁ
মোৰ অতীত স্মৃতিৰ স'তে।
কথা পাতিছোঁ বতাহৰ স'তে
তোমাক নোপোৱাৰ হেঁপাহেৰে।
তুমি নাই বাবেই মই আছোঁ
তোমাৰ বতৰাৰ প্ৰতীক্ষাৰে
প্ৰতিদিনৰ ভৰ দুপৰীয়াৰ নিৰৱতাত
ক্ষণ দি ভাগৰি নপৰা
শান্তিৰ বাতৰি বিলাই ফুৰা
কপৌহালিৰ মাজত
নীড়মুখী চৰাই জাকৰ কলৰৱত।
তুমি নাই বাবেই মই আছোঁ
মোৰ বেদনাবোৰৰ মাজত
অশ্ৰু ঢাকি বিচৰণ কৰিছোঁ
মানুহৰ পৃথিৱীত
জীয়াই থকাৰ হেঁপাহেৰে
বিৰস মাতৃৰ ওঁঠত হাঁহি বিৰিঙাই
অসমৰ্থ পিতৃৰ হুমুনিয়াহ নাশিবলৈ...

● ● ● ● ●

## [illegible]

শ্ৰী সঞ্জীৱ কলিতা
স্নাতক দ্বিতীয় বৰ্ষ

সূৰ্যৰ নিৰ্ভীক পৰশত
মাতৃত্বৰ সোণা কটিয়াই তোমা
অব্যক্ত প্ৰকৃতি
অনাবৃষ্টিত শুকাই যাব পৰা
সেউজীয়া সন্তানবোৰৰ মাজেৰে প্ৰবাহিত হৈ আছে
খৰস্ৰোতা নদী।
নদীৰ উপত্যকাই জন্ম দিয়ে
বন্দৰ গা খুই থকা গাওঁবোৰ
নগৰ, চহৰ, উদ্যোগ
সাগৰ, মহা-সাগৰৰ উপকূল।



## নিৰৱ অথৰ্বীৰ জাক

নিতুমনি কলিতা
উচ্চতৰ মাধ্যমিক দ্বিতীয় বৰ্ষ

প্ৰভাতী সূৰ্যৰ মিঠা কিৰণ
বুকুত বান্ধি আগবঢ়া দিনৰ পোহৰক
পথৰ দাঁতিত ঘূৰি ফুৰা
এজাক বিবৰ্ণ মুখৰ নৰকংকালে
আগচি ধৰে।
আধুনিকতাৰ উত্তাল ঢৌৰে
উটুৱাব নোৱাৰা,
দৰিদ্ৰতাত জাহ যোৱা
অবহেলিত সকলৰ শ্ৰান্ত আবেদনত
ব্যথিত হয় আকাশ।
সকলৰ মাজত সিহঁত এজাক
দিশহীন বতাহ।
সিহঁতৰ সংগী....... ধূলি বালি আৰু
অনন্ত ক্ষুধাৰ বানে লাঞ্ছিত
আজিৰ চিকমিক বাহ্যিক সভ্যতা।



# বিষাদ বেদনা

লুৎফৰ ৰহমান



শৰতৰ শেৱালী হৈ আহিছিলা তুমি
মোৰ কাষলৈ হেজাৰ সপোন লৈ
কুৰা নুকুৱা ভাষাৰে
কৈছিলা বহুতো কথা
মোৰ হৃদয়ে বিচৰণ কৰিছিল
ফুলৰ সুবাস আৰু
ৰামধেনুৰ ৰঙৰ মাজত
তোমাৰ লগত মই আগবাঢ়িছিলোঁ
ভবিষ্যতৰ পিনে
ছন্দময় গতিৰে
কল্পনাৰ আকাশত।
মোৰ গতিশীল আত্মাক হঠাতে স্তব্ধ কৰি
গ'লা তুমি আঁতৰি
সাগৰৰ তলিলৈ
সুৰুয, ডুব যোৱা দেশলৈ।
ৰৈ গ'ল মোৰ লগত
অতীতৰ স্মৃতিৰ সঁফুৰা
সি থৈ গ'লা মাথোঁ
একুৰা বিষাদ বেদনা।।

************



## শ্ৰদ্ধাঞ্জলি

মজনুৰ ৰহমান
স্নাতক তৃতীয় বৰ্ষ

(শ্বাহ আলম ছাৰৰ সোঁৱৰণত)
আজিও তেওঁ জীয়াই আছে
আনন্দৰ এক শান্তিৰ দেশত
নিৰবে, নিৰলে
তেওঁ থকা তৰাটিৰ দৰে,
সেইদিনা সোকমোকালিতে
আকাশে যেন উচুপি উঠিছিল,
মহাকাল নিষ্ঠুৰ হৈ পৰিছিল
আৰু কাঢ়ি লৈ গৈছিল
দুটি শিশুৰ ভবিষ্যতৰ সপোন।
প্ৰতিটো দিন আৰু প্ৰতিটো নিশাই
তেখেতৰ আত্মাই
সপোন কোঁৱৰ হৈ আমাক
সোঁৱৰাই দিয়ে
বুকুভৰা স্বপ্ন আৰু
আলোক সন্ধানী আদৰ্শৰ কথা।

❀❀❀❀❀❀❀

# কল্পনা

ঈশ্বৰী দেৱী
স্নাতক দ্বিতীয় বৰ্ষ

তুমি নজনাকৈয়ে তোমাৰ ওঁঠৰ ফাঁকেদি
সৰকি পৰা প্ৰেমৰ উষ্ণ ভাষাবোৰ,
মোৰ জোনাকী দুহাতত সুখৰ
চকুলো মচি।
তুমি নজনাকৈয়ে তোমাৰ স্থিতি মোৰ হৃদয়ত
উপত্যকাৰ জোনাক নিশাৰ দৰে মায়াময়।
মই তোমাক বিচাৰি পাওঁ
নদীৰ কাষত,
যি নদীৰ ওঁঠত কেৱল তোমাৰ আৰু মোৰ
প্ৰেমৰ গীত।



তুমি নজনাকৈয়ে কেতিয়াবা তোমাৰ
চকুৰ মেঘত প্ৰত্যক্ষ কৰোঁ
আকাশৰ উচুপনি।
তুমি নজনাকৈয়ে তুমি মোৰ
ওচৰত ৰৈ যোৱা
প্ৰেমৰ একাঁজলি শব্দ হৈ।

➤➤➤➤➤➤➤➤➤➤



## ঃএন্টাৰ্কটিকাঃ

ভাৰতী ঠাকুৰীয়া
স্নাতক দ্বিতীয় বৰ্ষ

ধৰাৰ বুকুত অকলশৰীয়া
তুমি এন্টাৰ্কটিকা
শীতল বৰফৰ মৰুভূমি
তোমাৰ বুকুত,
যেন কোনোবাই পাৰি দিলে
এখনি বগা দলিচা।
ভয়াবহ তোমাৰ প্ৰতিটো পথ
ভেটা দি আছে
ৰবিংফেটিজ, ফিউৰিয়াচ ফিফটিজ
কিম্বা
দৈত্যাকাৰ হিমশিলা।
তোমাক জিনিবলৈ গৈ
কতজনে হেৰুৱালে প্ৰাণ
তোমাৰেই বুকুত
তথাপি......
মৌন হৈ ৰৈ আছা
তুমি এন্টাৰ্কটিকা।।

➤➤➤➤➤➤➤➤➤➤



Scanned with CamScanner

## সভ্যতা

মোঃ নিজাম আলী,
স্নাতক প্ৰথম বৰ্ষ

এক্কান গলিৰ উকলা-পঁজাৰ
ভগা বেৰৰ ফাঁকেৰে
সৰকি আহে শেষটোপাল তেলৰ চাকিৰ
টিমিক চমাক পোহৰ
শূণ্যতাত পৰচৰ কৰে শীৰ্ণ দুহাত।
শীতৰ ঠেৰজা লগা জাৰত
থৰ্ থৰকৈ কঁপা পৃথিবীৰ সতে
থৰ্ থৰকৈ কঁপিছে
অৰ্দ্ধনগ্ন ভোকাতুৰ শিশুৰ
অসাৰ ভবিষ্যত।
দাৰিদ্ৰতাৰ কি যে কৰুণ পৰিহাস।
বাহিৰত সভ্যতাৰ সগৰ্বত উল্লাস
জ্ঞান, বিজ্ঞান, প্ৰয়োগ-প্ৰগতিৰ
কত যে কহৰং। ভাব হয়
মণিৰাৰ গোপাপী নিচাত কৰা
এয়া এক নিস্ফল কল্পনা বিলাস।

*******

## তোমাৰ বাবে .................

আৰিফুল ইছলাম
স্নাতক, তৃতীয় বৰ্ষ



হৃদয়ৰ গোপন কক্ষত
সংগোপনে সযতনে সাঁচি ৰাখিছোঁ
প্ৰথম প্ৰেমৰ চাকি গছি
তোমালৈ, মাথোঁ তোমালৈ।
বিচাৰি বুলিছোঁ
জীৱনৰ নতুন যাত্ৰাপথ।
নিজান ৰাতিৰ নিস্তব্ধ মুহূৰ্তত
অনুভৱ কৰোঁ তোমাৰ অস্তিত্ব।
নুপুৰৰ পৰা ৰিণিকি ৰিণিকি
ভাঁহি আহে নুপুৰৰ ৰুনুজুনু ধ্বনি.....
দুখৰ ৰাতি মোৰ নামাম, নুপুৰাম।
মোৰ জীৱন-যৌৱনৰ সকলো স্বপ্ন
তোমাৰ বাবে, মাথোঁ তোমাৰ বাবে
সময়বোৰ আগবাঢ়ি যায়
নিৰবে, নিৰলে.................
মই জানো, আজিৰ এই স্বাৰ্থপৰ পৃথিৱীত
প্ৰেম মূল্যহীন, হৃদয়ৰ ভাষা অৰ্থহীন
তথাপিও মই ৰৈ আছোঁ
সীমাহীন আশাৰে...................।

❖❖❖❖❖❖❖

## ত্ৰিছন্দ

ৰূপম কলিতা
প্ৰাক্তন ছাত্ৰ



আঁউসীৰ নিশা তিৰ্‌বিৰাই থকা
দিগন্তৰ এটি সাদৰি তৰাই
নিৰৱতাত স্পন্দন তুলিলে
অজানিতে, অগণাকে....
বৰ্ষণমুখৰ সন্ধিয়াটোত
বিজুলীৰ চমকনি
হৃদয়ত জাগে
সুউচ্চ বিমটাৰৰ কম্পন
দুক দুক ভমৰ বেতনি
মৌ-ৰ বাবে ভ্ৰমি ঘূৰা
ভোমোৰাৰ ভয়ত
কঁপে যেন গোলাপৰ পাপৰি।
মৰু প্ৰান্তৰ খেজুৰ তলিত
বেদুইন জনে পানী বিচাৰিছে
সেয়াতো মৰীচিকাৰ
চকামকা খেলা
পোৱা-নোপোৱা, হাঁহি- কান্দোন
- এয়াই জীৱন মেলা।।



❖❖❖❖❖❖❖❖❖❖

## জীৱন

শ্ৰী দিপেন্দ্ৰ নাথ
স্নাতক দ্বিতীয় বৰ্ষ (কলা)

জীৱন এক কোবতি নৈ
আশা-আকাংক্ষাৰে ঢৌৰে ভৰা
জীৱন এক যুদ্ধ
ধৰাক জিলিবিলৈ কৰা হাহাকাৰ।
জীৱন এপাহি ফুল
নি এবাৰ ফুলিয়েই মৰহি যায়
অনন্ত কাললৈ ৰৈ থাকে
যাৰ সুবাস।



## মহাভোজ

এ. বি. ছিদ্দিক
প্ৰৱক্তা, পদাৰ্থ বিজ্ঞান বিভাগ।

কেইদিনমান আগতে বস্তা মধ্যাউৰিত
মেকুৰীৰ দ্বাৰা আয়োজিত এন্দুৰৰ মহাভোজ,
ভজা মাছ, পিঠা লাডু ৰ দ'ম।
দুদিনমানৰ পৰা পেটত খুদ- কণ এটাও নপৰা
শেৱালীৰ মাকে খাবলে' সজোৱা পাতৰ ভজা-মাছৰ
টুকুৰাটোও
তাত সন্নিবিষ্ট।
আজিও যেচেৰীয়ে অস্পষ্ট ভাষাৰে কিবা কিবি কৈছে।
লম্বুৰে বজাইছে ঢোল-
টিংকুৱে খোল,
পেটলুৰ হাৰমণিয়ামৰ সুৰত
গাইছে মেকুৰী ৰাণীয়ে
মৌ .......ও.....মৌ.........।
কিন্তু হঠাতে মহাপ্লাৱন
খৰস্ৰোতা নদীৰ প্ৰবল সোঁতত
বালিৰ বান্ধ হ'ল খানখান।
আৱৰণ গুচাই দিবাকৰে
বিশাল দাপোনত মিচিকিয়াইছে।
সৌৱা তিতি লুতুৰি-পুতুৰি হোৱা দিশহাৰা
এন্দুৰবোৰে ক'ত যে লুকাইছে !
মেকুৰীবাজে মাথোঁ জিভা চেলেকিছে।



*******

## জাগ্ৰত হোৱা বিশ্ববাসী

আবুৰ আলী খান।
স্নাতক প্ৰথম বৰ্ষ (কলা)

*জাগ্ৰত হোৱা বিশ্ববাসী*
*আশ্ৰয় নিদিবা হিংসা সন্ত্ৰাসক*
*আৰু!*
*আমি সংকল্পবদ্ধ হৈ,*
*গঢ়োঁ এখনি নতুন জগত।*
*য'ত নাথাকিব হিংসা-অসূয়া*
*নাথাকিব অন্ধকাৰ।*
*থাকিব কেৱল শান্তিৰ দীপ্তি*
*অহিংসাই হ'ব আমাৰ*
*পৰমধৰ্ম.................।*
*বাৰুদে ঢকা আকাশ*
*আমি নিবিচাৰোঁ,*
*বোমা বন্দুকৰ শব্দই*
*আমাক নকৰিব আতংকিত*
*প্ৰত্যেকটো নিৰিবিলি প্ৰভাত ৰজনী*
*পুৰাব, চৰাই চিৰিকতিৰ সুৰলা মাতত।*
*আহা বিশ্ববাসী, জাগ্ৰত হোৱা*
*আশ্ৰয় নিদিবা হিংসা সন্ত্ৰাসক।*



● ● ● ● ● ● ● ●

## প্ৰিয়া

শ্ৰী গণেশ চন্দ্ৰ দাস
প্ৰাক্তন ছাত্ৰ



কথমিন হ'ল তোমাক নেদেখাৰ
সেই যে দুবছৰমান আগতে দেখিছিলোঁ।
আজি যেন আশাতীত ভাবেই আহিছিলা
মোৰ হৃদয়ৰ সৈতে আবেগ ঢালিবলৈ।
তোমাক দেখি মোৰ ভাব হৈছিল
তুমি যেন মোক পাহৰিয়েই পেলাইছা।
তথাপি এৰিব নোৱাৰা প্ৰেম আবেগত
তোমালৈ চালোঁ......কিন্তু এয়া কি.........?
তোমাৰ চকুত দুধাৰি অশ্ৰু?
বৰ কৌতূহলেৰে যেন মোলৈ চাইছা......।
তোমাৰ যেন সেই পুৰণি খটো
আকৌ দেখিছিলোঁ তোমাৰ মুখত।
আনন্দত আত্মহাৰা হৈ পৰিছিলোঁ।
কাৰণ তুমি যে মোৰ, কেৱল মোৰ....।
পাৰ্থিব শক্তিয়ে আঁতৰাব নোৱাৰে তোমাক
মোৰ হৃদয়ৰ পৰা।
এয়া মোৰ এসময়ৰ প্ৰতিশ্ৰুতি প্ৰিয়া..।
তোমাৰ কাষলৈ গৈ নয়নজুৰি মচি দিছিলোঁ
আৰু দিছিলোঁ বিৰামহীন চুমা।
ফুল কুমলীয়া হাত দুখনি তোমাৰ
বুকুৰ মাজত সোমাই লৈছিলোঁ.
কিজানিবা আকৌ হেৰাই যোৱা তুমি।

*******



## তুমি

শ্ৰী প্ৰণৱ কলিতা (কমুল)
স্নাতক ২য় বৰ্ষ (ইতিহাস)

গভীৰ আন্ধাৰৰ মাজত
মই দেখা পাওঁ তোমাক।
পৰ্বতৰ শিখৰত
নিজৰাৰ কোবাল সোঁতত
সেউজীয়া পথাৰৰ বুকুত
নাঙলৰ সিৰলুত
শৰতৰ প্ৰতিপাহ শেৱালী ফুলত
নিয়ৰৰ প্ৰতিটো টোপালত
মাথোঁ দেখা পাওঁ তোমাক।
তোমাৰ অস্তিত্ব অনুভৱ কৰোঁ
সুগভীৰ নীল সাগৰৰ মাজত
তুমি অবাধে বিচৰণ কৰা
মোৰ প্ৰতিটো চিন্তা আৰু কল্পনাত,
তুমি মাথোঁ তুমি।

● ● ● ● ● ● ● ●

## ....মোৰ মা....

মোঃ হুফিউৰ ৰহমান
স্নাতক দ্বিতীয় বৰ্ষ (কলা)



যি জনৰ বাবে
সুখ দুখৰ এক্টা বাঁহীতে
বাজি আছে জীৱনৰ সুৰ।
চৰাই এজাকৰ খিল্‌খিলনিত
যিয়ে মাজনিশা লিখিছে
এটি পদ্য,
এখন পথাৰ আৰু আকাশৰ
মাজত পাইছে ইশ্বৰৰ সন্ধান।
সপোনৰ ধুসৰিত নীলাৰে
যিয়ে জুঁপি জুঁপি
আহিনৰ আঙুঠি ৰুইছে
আঘোনৰ হাঁহি এটাৰ অপেক্ষাৰে,
সকলো অপেক্ষাৰ শেষত তেওঁ
বিলীন হয়
আমাৰ জীৱন বাটত।
বৃত্তাকাৰ বতাহত সুখৰ সুত্ৰ পঢ়ি
দীৰ্ঘ যাত্ৰাত ভাল পোৱাৰ ঋতু এটা হৈ
তেওঁ পহমাহ-পহনিনৰ বিননিৰে
আৰম্ভ কৰে জীৱন বাটেৰে উজাবলৈ।
য'ত ইশ্বৰ হৈ পৰে মুগ্ধ
এক বাধ্যয় নিষ্পাপ শিশু
মোৰ মা প্ৰণাম
তুমি এটি জোন......................।

## হেৰোৱা প্ৰেমৰ স্মৃতি

আয়ুব আলী খাঁন
স্নাতক ১ বৰ্ষ (বুৰঞ্জী বিভাগ)



আজি মই নিঃসংগতাৰ বন্ধ কোঠাত
অসহনীয় বেদনা বুকুত লৈ-
কেৱল তোমাৰ স্মৃতিলৈ জীয়াই আছোঁ।
এয়া মোৰ ব্যৰ্থ প্ৰেমৰ আৰ্তনাদ,
কিয়ে এক অসহ্যকৰ যন্ত্ৰণা।
সখি। তুমি কিয় এৰিলা-?
চৌদিশে মোৰ ব্যৰ্থ প্ৰেমৰ প্ৰতিচ্ছবি।
মই জানো তুমি নাহিবা
এই বিকল হিয়াৰ কাৰণে দুনাই।
তথাপিও নিৰবে ৰোমন্থন কৰোঁ-
মোৰ হেৰোৱা প্ৰেমৰ স্মৃতি।



## 'নিশা'

অনুপমা দাস
স্নাতক প্ৰথম বৰ্ষ



নিশা লুইতৰ পাৰত
তুমি এতিয়াও
শৰতৰ সন্ধিয়া
নিৰবে গুঞ্জনে
যোৱানে?
শুত্ৰতাৰ উমাল বুকুৰ
পৰশত হেৰাই যায়নে তোমাৰ
যৌৱনৰ ঠিকনা?
শৰতৰ জোনাকত
লুইতৰ পাৰত
এতিয়াও জানো................।

## পোহৰ

শ্ৰী ৰবি লোচন ঠাকুৰীয়া।
প্ৰতিষ্ঠাপনা বৰ্ষৰ প্ৰাক্তন ছাত্ৰ।



পুৰণি পেৰাটো খুলোতে
বেলিটো উঠাৰ সময়
তুমিবোৰ আহা, ভালেই হ'ল
আমিবোৰ আলহী কোঠাত
তোমাৰ ছবি আয়নাত দেখা।
দিনত চোতালত দেলি
সেই পকা মানুহজাক আৰু সিহঁতৰ ছায়াবোৰ
অচিনাকি আলহী বুলি খেদি দিব
বাঁহ জাকৰ কিন্তু বন প্ৰতাপ,
সিহঁত নিজেই সুকৰ।
বছৰ হৈ আকৌ ঘূৰি আহে
পুৰণি পুথুৰীত জমা হ'ল কিমান।
আবেলিটো হিচাবৰ খাতাত উঠিছিলাৰ
ৰজাৰৰ পৰত সুখ বেচি দুখ কিনি
বুকুৰ দুৱাৰ মুখত
সাঁচতীয়া হীৰা যে মুকুতাৰ টুকুৰাটো
তুমিবোৰ কৃত।
এক্কাৰ পহাই তৰাবোৰ আকাশত
কিমান বছৰ জোৰি আছে জানানে
জাঁজনি কান্দিয়াই কান্দিয়াই প্ৰাণ নদী
সজল চকুত সোনালী, অতীতৰ ছায়া।
জিজ্ঞাস জিলিকৰ বাবে
সোঁচাৰত পানী লিখিলা সোমাৰি
কৰ্মহতৰ এৰি চৈত্ৰৰখন
আকাশ অকিৰ খোজা প্ৰভাতত জিলিকা হীৰাৰ
টুকুৰাতো আমাৰ আদোষ মন্ত্ৰ
তুমিবোৰ চিৰজীৱী চিৰজীৱী চিৰজীৱী।।



Scanned with CamScanner

## মই তুমি আৰু............

শ্ৰী দিপাংকৰ সাহা
স্নাতক তৃতীয় বৰ্ষ (কলা শাখা)



প্ৰীতিৰ এনাজৰীৰে বন্ধা
    মোৰ জীৱন সংগী
কিহৰ বাবে আজিৰ এই আকুলতা
    তোমাৰ বাক্য মনত পৰেনে....
সৌ সিদিনা আলিবেকুৰিৰ
    জীহত জোপাৰ তলত বহি
অনাগত দিনৰ সোনোৱালী কথাবোৰ
    তুমি চাগে পাহৰিছা,
নাই, নাই তুমি পাহৰিব নোৱাৰা,
    মইও তোমাক পাৰোনে,
সকলো পাহৰি যাও, এনেকি মোৰো,
    তুমি মোক প্ৰতাৰণা নকৰিবা,
মই মাথোঁ তোমাৰ
    আশাৰ বেড়ীৰে বান্ধি থাকিম।

## তুমি

মোজান হুচেইন তালুকদাৰ
স্নাতক দ্বিতীয় বৰ্ষ (ৰাজনীতি বিভাগ)



আকাশত আছে জোনাক
    হৃদয়ত তুমি
মন বাগিছাত পিন্ধোঁ তোমাক ঠাই
    হে মোৰ ৰূপহী জনী।
কিয় তোমাক ইমান ভাল লাগে
    যেন তুমি কোনোবা মায়াৱী।
হৃদয়ৰ লগৰী তুমি
    প্ৰেম পূজাৰীণি
যুগ যুগে কালে কালে তুমি
মোৰ জীৱন সঙ্গিনী!!...

## তুমি ফাগুন

কৰবি দাস
স্নাতক ২য় বৰ্ষ



গাল দুখনত পৰা ধুলিৰ তৰপত
প্ৰতিবিম্বিত হয় পলাশৰ ৰং
পাতৰ পলোৱাৰ সৈতে
দুষ্টালি কৰিছে
চঞ্চল শিমলু জোপাৰ কি যে ব্যাকুলতা।
আকাশৰ পৰিবৰ্তনে বিচাৰি
ধুলিবালিৰ মহাবিপ্লৱ
উলংগদেহত শ্যামলিমা
সানিবলৈ ব্যাকুল
বেকুৰিৰ বৃদ্ধ জীহত জোপা।



## তুমি আকাশ নোহোৱা

লাইলা বেগ
স্নাতক তৃতীয় বৰ্ষ

মই তোমাক বিচৰাৰ কথা
প্ৰতিটো জোনাক আৰু
আমাৱস্যাই জানে।
কাৰণ——
প্ৰতিটো জোনাকে হয়তো বুজি পাইছে।
মই যে তোমাক বিচাৰোঁ।
সেয়া হয়তো আমাৱস্যায়ো জানে
কাৰণ——
মনিব নোৱাৰা আন্ধাৰত
আকাশ বিচাৰি ফুৰা
আন্ধাৰে হয়তো
খুব গোপনে উমান লয়,
মোৰ হৃদয়ৰ ধপ্ ধপনিৰ।
কিন্তু তুমি যে আকাশ নোহোৱা।

## আমিন

কোৰবান আলী আহমেদ
প্ৰবক্তা, আৰবী বিভাগ

[শ্বাহ আলম হাৰলৈ শ্ৰদ্ধাঞ্জলি]

মেৰৰ আঁৰত লুকাই পৰা
পূৰ্ণিমাৰ জোনটিক চাবলৈ
আমাৰ কি যে হেপাহ!
এটি মিঠা হাঁহিৰ আশাত
কি যে ব্যাকুলতা আমাৰ!
'মধ্যা' বোৰৰ সম্মোধনসূত্ৰৰ অনাদিত
আজিকালি আমাৰ মাজত বৰ কাজিয়া!
কোনেও 'উত্তমপক্ষ'ক মানি নকৰে।
আপোনাৰ কলমলি দুচকুৱেও আজিকালি
নিজে নিজে নন্দিত শেখিল কিনে!
নজৰবাং আপোনাৰ কবৰৰ জিয়াৰতত
এবাৰ মোৰ চকু সেমেকি যাব!
আমিন! ছুম্মা আমিন!

## সময়

অধ্যাপিকা, নুৰুন নাহাৰ বেগম
(ৰাজনীতি বিজ্ঞান বিভাগ)

যান্ত্ৰৰ ছুৱাৰ দখিণত,
স্মৃতিৰ বেদনা;
সময়ে দিয়ে অতুলন সান্ত্বনা।
যন্ত্ৰৰ সন্ধিক্ষণত,
অৰ্থহীন মানৰ মন,
পৰিক্ৰমাৰ মাজতে
হতাশা, নিৰাশাত
ভাগি পৰা মানুহৰ হৃদয়
প্ৰকৃতি নিয়তিৰ নিত্য নতুন খেলা
সময়ে দিয়ে আৰু প্ৰতিশ্ৰুতা।



## বিশ্বায়ন

ড. নীলকমল বৰদলৈ
(প্ৰবক্তা, ভূগোল বিভাগ)

কথাটো সহজকৈ কৈ দিয়াই ভাল
তুমি যদি কৃষক, শ্ৰমিক, সাধাৰণ মধ্যবিত্ত
বা জনসাধাৰণৰ এজন হোৱা
ধনকুবেৰৰ বাট তোমাৰ বাট নহয়-,
মনোমুগ্ধকৰ বং বিৰঙৰ ফুলাই দিয়া
বেলুনৰ ভিতৰত থাকে মাথো বতাহ আৰু শূন্যতা-,
তুমিতো দেখিছা ধনকুবেৰৰ পথত
অন্যায় অবিচাৰ দুৰ্নীতি প্ৰতিষ্ঠান
যুদ্ধৰ দামামা, হত্যা লুণ্ঠন, ধৰ্ষণ
পদে পদে নৈতিকতাৰ স্খলন মূল্যবোধৰ অৱক্ষয়
বিপন্ন মানৱতা
এই পথত সৃষ্টি হয় 'ওৱাৰাটি কাণ্ড'
'এমাৰ চেপ্টেম্বৰ'
ভূলুণ্ঠিত হয় সভ্যতাৰ ইমাৰৎ
ৰচনা হয় নানাবিধ ভেদপন্থৰ কুট ষড়যন্ত্ৰ
তোমাৰ দীৰ্ঘায়িত দাসত্বৰ-,
এই পথত মৰম চেনেহো হয় পণ্য!
তোমাকে সুধিছোঁ সকলো বস্তু বা অনুভূতি
জানো বিক্ৰি যোগ্য!!
ধনকুবেৰৰ পথে কিন্তু তাকেই কৰি আছে।
একালে মুষ্টিমেয়ৰ ঐশ্বৰ্য্যৰ চাকচিক্যতা
আনকালে দৰিদ্ৰক্লিষ্ট জীৰ্ণশীৰ্ণ কৌটিজনৰ শোভাযাত্ৰা
চৌদিশে ভয় শতাশা অনিশ্চয়তা-,
কথাষাৰ সহজকৈ কৈ দিয়াই ভাল
ধনকুবেৰৰ পথ নহয় তোমাৰ
তোমাৰ পথৰ বাবে তুমি ইচ্ছা হলে 'ফিডেল কেষ্ট্ৰোক'
সুধিব পাৰা।

## বিশ্বত প্ৰথম

প্ৰশ্ন:- ভাৰতক আক্ৰমণ কৰা প্ৰথম ইউৰোপীয়?
উঃ- চিকন্দৰ মহান।
প্ৰশ্ন:- আমেৰিকাৰ প্ৰথম ৰাষ্ট্ৰপতি?
উঃ- জৰ্জ ৱাশিংটন।
প্ৰশ্ন:- ব্ৰিটেইনৰ প্ৰথম ৰাষ্ট্ৰপতি?
উঃ- ৰাবাই ৱালপোল।
প্ৰশ্ন:- বিশ্বৰ প্ৰথম মহিলা ৰাষ্ট্ৰপতি?
উঃ- এষ্টেলাপেৰো [ আৰ্জেণ্টিনা]।
প্ৰশ্ন:- বিশ্বৰ প্ৰথম মহিলা প্ৰধানমন্ত্ৰী?
উঃ- শ্ৰীমাভো বন্দাৰনায়ক[ শ্ৰীলংকা]।
প্ৰশ্ন:- মাউণ্ট এভাৰেষ্টলৈ যোৱা প্ৰথম ম হিলা?
উঃ- জুনকো তাবাই [১৯৭৫চনত]।
প্ৰশ্ন:- ৰাষ্ট্ৰ সংঘৰ প্ৰথম সচিব?
উঃ- ট্ৰিগ্ভে লাই।
প্ৰশ্ন:- আটলাণ্টিক পাৰ হোৱা আটাইতকৈ কম বয়সৰ খেলুৱৈ?
উঃ- ক্ৰিষ্টোফাৰ মাৰ্শাল [১১ বছৰ বয়সত]।
প্ৰশ্ন:- সকলোতকৈ কম বয়সৰ প্ৰথম প্ৰধানমন্ত্ৰী?
উঃ- বেনজিৰ ভুট্টো ( পাকিস্তান]।
প্ৰশ্ন:- ভাৰতলৈ অহা প্ৰথম জন বিদেশী পৰ্যটক?
উঃ- ফাহিয়ান [চীন]।

মোজাম হুছাইন তালুকদাৰ
স্নাতক দ্বিতীয় বৰ্ষ [ৰাজনীতি বিজ্ঞান বিভাগ]



Scanned with CamScanner

## তিনিটি কবিতা

কল্যাণী দাস
মুখ্য, ইংৰাজী বিভাগ

### ক) সততা

কঁকাল পোনাৰ নোৱাৰা
কাতিৰাম বুঢ়া
অ'ত ত'ত হাত পাতি
কটায় জীৱন
বাটত পৰি থকা
লেফাফা এটা
তুলি লৈ দেখিলে তেওঁ
ভিতৰত আছে নোট এজাপ
এশ টকাৰ
কাতিৰাম হ'ল ভাতে
গৰাকী ঘূৰিবও পাৰে
এইবাটে।
সঁচা হ'ল অনুমান
উভতি আহিল গৰাকী
আথে বেথে কাতিৰাম
লেফাফাটো দিলে উলিয়াই
ধৰণীত সততাৰ
অৰুণি পোহৰ বিলাই।



### খ) অসময়

দামোদৰধন আছিল ধূলিভৰা
মুখ ভাত নেদেখিলোঁ
নিকা কৰি নাচালো কিয়নো
নাজানো
এতিয়া অসমৰ্থ আথি
দামোদৰধন হেনো হ'ল নিকা
মইনো কৰিম কি?

### গ) অভিযোগ



পাখি ময়ূৰ ৰঙী
তাৰ মাজে মাজে
বুট বুট ভলপীয়া ৰঙ
ৰামকপৌ এহালি
হাৰিয়ে পথাৰে কৰে বিচৰণ
পখিহালি দেখিলোঁ এদিন
আমাৰ চোতালত।
কৰুণ নয়নে মোলৈ চাই ক'লে
আৰুতো হাবি নাই
নাজানো মানুহেৰে ভৰা বননিত
পাৰোঁনে থাকিব জীয়াই?

## অযোগ্য

শ্ৰী প্ৰভাত চক্ৰৱৰ্ত্তী
মুখ্য, পৰিসংখ্যা বিভাগ



মানুহৰ যোগ্য
কিম্বা মানুহ
মই কোনো নহয়।
তইঁতে মোক জাউৰীয়ে জাউৰীয়ে
গালি পাৰ,
মোৰ ধমুনিয়াৰ বতাহজাকে
তইঁতক চুব।
বুজিবি,
বুজিবি সিদিনা
মকৰাজালত লাগি থকা এলাহুয়ে
কটা ছালত,
কামত আহে নে নাহে?
পুৰিব
পুৰিব
কিন্তু তেজ ওলোৱা বন্ধ হ'ব।
আৰু সিদিনা
তইঁতৰ শপনিবোৰে
মোৰ কপালত
চুমা দিব।
বিচাৰি পাবি মোক
তইঁতৰেই বোকোচাত
ওঁঠ চেলেকি থকা
কণমানি শিশুটিৰ দৰে।

## অন্বেষণ

নবনীতা পাঠক
মুখ্য, প্ৰাণী বিজ্ঞান বিভাগ

সূৰ্যটোৱে মোক কোনো দিনেই ৰ'দ নিদিলে
তাকে আকাশক ক'লোঁ
আকাশে ক'লে-
তোমাৰো যে কথা।
মেঘক ক'লোঁ- অলপ বৰষুণ দিয়া
মেঘে ক'লে- তুমি কথা কবই নাজানা।
শুকান ডালত পেণ্ডুলামৰ দৰে
দুলি আছিল জলফাই ৰঙৰ কলিজা
আকাশে গুলিৰে বিন্ধাই দিলে
তেজেৰে ৰঙীন হৈ উঠিল
মোৰ নতুন প্ৰভাত।





Scanned with CamScanner

কাব্য কাননৰ বহু ৰঙীন ফুলৰ মাথোঁ এটি এটি পাহি আনিছোঁ কৰণি ভৰাই।
- সম্পাদক

উচ্চতৰ মাধ্যমিক দ্বিতীয় বৰ্ষ (বিজ্ঞান) শাখাৰ মিজানুৰ ৰহমানৰ
'প্ৰেম নো কি?'



প্ৰেম মাৰনাস্ত্ৰবিহীন যুঁজ
দুই হৃদয়ৰ।
প্ৰেম মাদক দ্ৰব্য
প্ৰেম সৰ্প দংশন।

স্নাতক দ্বিতীয় বৰ্ষৰ উৎপল কলিতাৰ
'প্ৰেমাশ্ৰু'



জুৰিৰ পাৰৰ কদমজোপাত
খুন্দা খাই দক্ষিনৰ বা-ই
এতিয়াও জুৰিটিত পাউকটিৰ দৰে
ঢৌ তোলে,
কেৱল তুমিহে নাই।

স্নাতক দ্বিতীয় বৰ্ষ (কলা) ৰ ছফিউৰ ৰহমানৰ
'ভাৰতমাতা'



পৰাধীনতাৰ শিকলি ছিণ্ডি
গান্ধী, আজাদ, কুশলে মুক্ত কৰা
মাতৃৰ চকুলো মচিবলৈ
আগবাহি আহা যুৱকৰ দল।

স্নাতক দ্বিতীয় বৰ্ষৰ সুৰুজ জামাল হুছাইনৰ
'প্ৰেমিক'
আকাশৰ নীলিমাত
পথাৰৰ শ্যামলিমাত
চৰাইৰ কণ্ঠত
প্ৰতিটো স্বৰ আৰু ব্যঞ্জনৰ্ণত
দেখা পাওঁ তোমাৰেই প্ৰতিচ্ছবি।

স্নাতক দ্বিতীয় বৰ্ষ (কলা) ৰ আব্দুল মালেকৰ
'পোহৰৰ বাট'
তেজেৰে ৰাঙলি কৰিছোঁ দুহাত
প্ৰায়চিত্ত বিচাৰোঁ দি আত্ম বলিদান
দেখুৱাব কোনে মোক পোহৰৰ বাট।

স্নাতক দ্বিতীয় বৰ্ষৰ মুকুল সাহা ৰ
'দুটোপাল চকুলো'



অন্তৰবেদনাৰ বহিঃপ্ৰকাশ
দুটোপাল চকুলো মোৰ
টিলাৰ নোৱাৰিলোঁ তোমাক
মোৰ মনতো পাতলিল।

স্নাতক দ্বিতীয় বৰ্ষৰ সজ্জাদ হুছাইন ৰ
'প্ৰেমৰ স্তৱক'
মোৰ বুকুৰ মাজত আছে কেৱল
সোমোৱাৰ বাট
সন্তৰ্পণে সোমাই আহা
অন্ত হওক মোৰ ব্যাকুল প্ৰতীক্ষাৰ।

উচ্চতৰ মাধ্যমিক দ্বিতীয় বৰ্ষ (কলা) ৰ
ৰেজাউল হক আল-আমান ৰ
'আশ্ৰয়'



পৰাজিত ক্লান্ত-ভগ্ন হৃদয় মোৰ
বিচাৰে তোমাতে আশ্ৰয়।

ছাহাদুল ইছলাম ৰ
'জীৱন'
হিংসাৰ দাবানল নিৰ্বাপিত কৰা
ছটিয়াই শান্তিজল,
ক্ষণভংগুৰ যে এই মানৱ জীৱন।

স্নাতক দ্বিতীয় বৰ্ষ (কলা) ৰ ছহিদুল ইছলাম বৰা ৰ
'এধানি মৰম'
স্বাৰ্থান্ধৰ প্ৰতাৰণাৰ উপহাৰ
নালাগে মোক,
লাগে মাথোঁ এধানি মৰম।

স্নাতক দ্বিতীয় বৰ্ষৰ মোঃ আব্দুল কুদ্দুছ ৰ
'এটি গভীৰ নিশা'
ঘোপমৰা আন্ধাৰ নিশা
জোনাকী পৰুৱাৰ মেলাত বহি থাঁহনিত
কেৱল তুমি আৰু মই
আকাশৰ তৰা সেখোঁ আহা।

উচ্চতৰ মাধ্যমিক প্ৰথম বৰ্ষৰ আশ্বাদুল হক ৰ
'হৃদয়ৰ মৰম'
পখিলা হৈ তোমাৰ স'তে
উৰিবৰ মন
গোলাপৰ সুবাস আৰু হাঁহি
হ'বৰ মন।



Scanned with CamScanner

স্নাতক ৩ য় বৰ্ষৰ মফিজুল হক ৰ

**'একুৰা জুই'**

তুমি একুৰা জুই
তোমাৰ আলিংগনৰ দাগ
মোৰ কলিজাত
ওৰে জীৱন থাকিব বই

স্নাতক তৃতীয়বৰ্ষৰ ফকৰুল ইছলাম ৰ

**'তেজেৰে ৰাঙলী ধৰা'**

তোমাৰ আই মোৰো আই
আমি দুয়ো ভাই,
পোহৰ বিচাৰি ব'লা
আমি যাওঁ আগুৱাই।



উচ্চতৰ মাধ্যমিক দ্বিতীয়বৰ্ষ (কলা) ৰ মহিদুল ইছলাম ৰ

**'প্ৰিয়তমা'**

যেন তুমিয়েই মই, ময়েই তুমি
এয়া মোৰ অন্তৰাত্মাৰ দাবী
প্ৰিয়া, মই তোমাৰেই প্ৰতিচ্ছবি।

স্নাতক প্ৰথম বৰ্ষ (কলা) ৰ কাৰ্তিক ঠাকুৰীয়া ৰ

**'অসম'**

লাচিতৰ দেশত বয় কিয় আজি
তেজৰ নদী
সবে মিলি গঢ়ো আহা
সোনৰ অসম খনি।



স্নাতক দ্বিতীয় বৰ্ষৰ ৰবিকুল ইছলাম ৰ

**'শিহৰণ'**

তোমাৰ আলিংগনত শিহৰিত হই
হেৰুৱাম জীৱনৰ ছন্দ,
হৃদ স্পন্দন স্তব্ধ হ'ব
হে মৃত্যু! তুমিয়েই দিবা মহানন্দ।

স্নাতক দ্বিতীয় বৰ্ষ (কলা) ৰ ৰীতা ৰায় ৰ

**'শ্বহীদ'** *(জিন্টু গগৈৰ সোঁৱৰণত)*

শত্ৰুক বধি ঢলি পৰিলা
তুষাৰ গিৰিৰ চূড়াত
হে বীৰ শ্বহীদ!
সহস্ৰবাৰ প্ৰণামো তোমাৰ



ওওওওওওও

স্নাতক প্ৰথম বৰ্ষৰ কল্পনা তালুকদাৰ ৰ

**'আই জননী'**

আইৰ চকুলো নহয় এয়া
সন্তানৰ ৰঙা তেজ
নেকান্দিবি আই
জাগিছে লাচিতৰ সন্তান।



স্নাতক ৩ য় বৰ্ষ (বিজ্ঞান) ৰ জিয়াউৰ ৰহমান ৰ

**'প্ৰেম মোৰ নাম'**

আকাশতকৈ বিশাল মই
সাগৰতকৈও গভীৰ,
সকলৰ বাসিন্দা মই
পবিত্ৰ আৰু অমৰ।

স্নাতক দ্বিতীয় বৰ্ষৰ সঞ্জীৱ চৌধুৰী ৰ

**'প্ৰিয়া মিলন'**

'জীৱন নদীৰ দুটি পাৰ'
'মৰম নদীৰ গাভৰু ঘাট'
'মিঠা মিঠা লগনত'
'হিয়া দিয়া নিয়া'
তোমাৰ মোৰ 'প্ৰেম জনমে জনমে'।

স্নাতক দ্বিতীয় বৰ্ষ (ভূগোল) ৰ জুলফিকাৰ আলী আহমেদ ৰ

**'সন্ধান'**

মৰীচিকা তুমি মোৰ জীৱন পথত
ওচৰতে থাকিও তুমি, ইমান দূৰত।

স্নাতক দ্বিতীয় বৰ্ষ (কলা) ৰ সেতাউল কৰিম আল- আমান ৰ

**'শান্তনা'**

সুখৰ লগৰি 'অনেক আছে
দুখৰ লগৰি নাই
দুখৰ সময়ত কলিজা মিলালে
শান্তনা সবে পায়।

স্নাতক দ্বিতীয় বৰ্ষৰ ৰফিকুল ইছলাম ৰ

**'সংৰক্ষিত'**

বিদীৰ্ণ কৰি মোৰ বক্ষ
গৰ্ভত সিঁচি দিয়া শইচৰ বীজ
মোৰ দেহা তোমাৰ বাবেই সংৰক্ষিত
আঁতৰি গৈছে নিষ্ঠুৰ প্লাৱন।



ঘঘঘঘঘঘ



Scanned with CamScanner

## স্মৃতি

শ্ৰী জোন্ পাঠক
স্নাতক চবৰ্ষ

স্মৃতিৰ ঢৌৰ খুন্দাত
চুৰ্ণ-বিচুৰ্ণ হয় মোৰ
কোমল হিয়া।
হে পাহৰনি'
তোমাৰ উমাল পৰশত
মই নিৰৱ হ'ব বিচাৰোঁ
তলসৰা বকুলৰ দৰে।

## মৰমীক বিচাৰি

নুৰ হামিদ
স্নাতক দ্বিতীয় বৰ্ষ

তাৰিখ ক্ৰমত জাপি জাপি
সযতনে লুকুৱাই ৰখা
তোমাৰ প্ৰেম পত্ৰৰ টোপোলাটো
যোৱাটো বান পানীৰ পৰা
ৰখা কৰিবলৈ উলিয়াই চালোঁ
নিগনিয়ে কুটি-কুটি জালিকা উলিয়াইছে
তথাপিও মই আশাহত হোৱা নাই।
কাৰন কলগছৰ ভেলত ওপঙি
আছোঁ মই।

## নতুন জীৱন

আজগৰ আলী
উঃ মাঃ দ্বিতীয় বৰ্ষ

তোমাৰ হৃদয়ৰ পৰশ পাই
মোৰ জীৱনৰ দুৰ্বাৰ গতি
স্তব্ধ হৈ গ'ল।
মোৰ হৃদয়-বীণাত বাজি উঠিল
এক নতুন সুৰ।
মোৰ দৰেই তোমাৰনে বাৰু
তিয়া কেৱল উজাগৰী নিশা?

## "সেমেকা অনুভৱ"

হিমাংশু ঠাকুৰীয়া
স্নাতক দ্বিতীয় বৰ্ষ

কাইলৈৰ পৰা মই হয়তো তোমাৰ কাষত নাথাকিম। তোমাৰ হৃদয়ৰ ঠিকনাও হয়তো মই নাযানিম। মোক তুমি ক্ষমা কৰিবা, জীৱনত মই দিয়া মিছা আশাবোৰৰ কাৰণে। জীৱনৰ এটি শেষ প্ৰতিশ্ৰুতিও মই ৰক্ষা কৰিব নোৱাৰিলোঁ। ভাবিছোঁ এতিয়া আৰু ভুল নকৰোঁ, ভাবিছোঁ এতিয়া আৰু ভুল নকৰোঁ, ভালপোৱাৰ পিছৰ যাতনাবোৰ মই ৰন্ধ্ৰে-ৰন্ধ্ৰে উপলব্ধি কৰিছোঁ। উপলব্ধিৰ যাতনাবোৰ যে দিনে-দিনে বাঢ়িব ধৰিছে। এতিয়া আৰু তুমি আমনি নকৰিবা মধুৰ মিলনৰ সংজ্ঞা বিচাৰি। পাহৰি যোৱানা আমি যে সেই প্ৰাচীন নিৰৱ শিল টুকুৰাক সাক্ষী কৰিছিলো। নদীৰ সিপাৰৰ নিসংগতাবোৰত এৰি অহা আধা কোৱা কথাবোৰ এতিয়া আৰু মনলৈ নানিবা। মই আগতেই জানিছিলো অহাদিনবোৰত মই তোমাৰ কাষত নাথাকিম। সেয়া এতিয়া আৰু তোমাৰ অনুভূতিক কেতিয়াও আঘাত নকৰো...।।



# [illegible]

যতীন্দ্ৰ নাথ তালুকদাৰ,
জ্যেষ্ঠ প্ৰৱক্তা, পৰিসংখ্যা বিভাগ।

(উৎসৰ্গা: মোক বুজিও নুবুজা, চকুপানী দেখিও নেদেখা মোৰ কবিতাৰ অনুৰাগী পাঠকলৈ)

মোৰ কবিতাৰ পাতলিত
কিছুদিনৰে পৰা
এডাল কাশীলা সাপ
বগৰা বাই ফুৰিছে।
সাপডালে বিভিন্ন সময়ত
বিভিন্ন ৰূপ লয়
কেতিয়াবা নীলাভ আকাশৰ দৰে
অথবা জোনালী নিশাৰ দৰে
নিৰুপমাৰ বেশেৰে কেতিয়াবা
আহি উষ্ণ চুম্বন দিয়াৰ পৰত
অথবা নাভিমণ্ডলৰ দুয়োকাষে খেপিয়াই
তৰালি চোৱাৰ সময়ত
মই স্বগতি কৰোঁ - গীতাৰ আমোঘ স্তোত্ৰ।
দেৱদাৰু ডালৰ দৰেও কেতিয়াবা
ভিতিত মেৰিয়াই ধৰাৰ পৰত
মনলৈ আহে কলকাতাৰ ধনঞ্জয় চেটাৰ্জীৰ কথা
সেয়েহে সাপটোৰ সতে
প্ৰায়েই মই সহবাস কৰোঁ।
কেতিয়াবা দোভাগ নিশা
সাপটোৱে বগৰা বাই আহি উচুপে
ফেকুঁৰাৰ পৰৱৰ্তী ক্ষণত চোকাত আওজাই
অনৰ্গল কৈ যায় চে গুৱেভাৰা, নাজিম হিকমত
অথবা ভাস্কো- পাপাৰ কবিতা।
তাৰ অনৰ্গল বাক্যবাণত প্ৰায়েই
কন্ধ হৈ পৰোঁ। মূক হৈ যাও অস্তিত্বৰ কথা
উৰিয়লি লোহোৰা মূলুকত
সেয়েহে ওঁঠত ওঁঠ অথবা জিভাৰ (তাৰ) সুণীয়া
আস্বাদান মোৰ বাবে উত্তম বুলি বিবেচনা কৰোঁ।
বোধকৰো সাপটোৰ বাবেও।

১৯৯০ চনৰ ১৫ মাৰ্চত কলকাতাৰ 'ছউথ কলকাতা এপাৰ্টমেণ্ট' ত হেতাল পাৰেখ নামৰ ১৪ বছৰীয়া নাবালিকাক ধৰ্ষণ কৰি হত্যাকৰাৰ অভিযোগত অভিযুক্ত লোকজন।

# মৰমী মোৰ জীৱনৰ লগৰী

ৰমেন পাঠক
উঃ মাঃ দ্বিতীয় বৰ্ষ (কলা)



মনত পৰে তোমালৈ মোৰ
অকলশৰে যেতিয়া থাকো।
সপোন আৰু দিঠকক
একাকাৰ কৰি
তুমি যেতিয়া সৰ্ন্তপনে
মোৰ মনৰ চোতালত
ভৰি দিয়া,

মই আনন্দত মতলীয়া হওঁ।
তোমাৰ সতে পিঞ্জিৰাবদ্ধ
হ'বলৈ মোৰ কি যে হাবিয়াস।

खेलोगे तुम अगर फूल से,
तो सुगन्ध पा जाओगे।
खेलोगे तुम अगर धूल से
तो गन्दे बन जाओगे।
- श्री सोहनलाल द्विवेदी।

सूरज की किरणों से सीखो जगना और जगाना
लता और पेड़ों से सीखो, सबको गले लगाना।
वर्षा की बूंदों से सीखो सबसे प्रेम बढ़ाना,
मेंहदी से सीखो सब ही पर अपना रंग जमाना।
श्रीनाथ सिंह।

# সম্পাদকীয় প্রতিবেদন

# ও

# অন্যান্য



## প্ৰতিবেদন

### বিমলা প্ৰসাদ চলিহা মহাবিদ্যালয় ছাত্ৰ একতা সভাৰ উপ-সভাপতিৰ বছৰেকীয়া প্ৰতিবেদন-



প্ৰতিবেদনৰ পাতনিতে অসমৰ বীৰ শ্বহীদ সকলৰ পবিত্ৰ আত্মাক মই শ্ৰদ্ধাৰে সুঁৱৰিছোঁ। ২০০২-২০০৩ বৰ্ষটোৰ নিৰ্বাচনত বিনা প্ৰতিদ্বন্দ্বিতাৰে উপ-সভাপতি ৰূপে নিৰ্বাচিত কৰি ছাত্ৰ-ছাত্ৰীসকলক নেতৃত্ব দিয়াৰ লগতে এই মহান অনুষ্ঠানটোক সেৱা কৰাৰ সুযোগকণ দিয়াৰ বাবে সমূহ সতীৰ্থ, বন্ধু-বান্ধৱী আৰু ছাত্ৰ-ছাত্ৰী সকললৈ মোৰ কৃতজ্ঞতা জ্ঞাপন কৰিলোঁ।

বিভিন্ন সমস্যাৰে জৰ্জৰিত মহাবিদ্যালয়খনৰ সমস্যা সমূহ সমাধানৰ বাবে যত্নৰ ত্ৰুটি কৰা নাছিলোঁ যদিও বিভিন্ন কাৰণত বিশেষকৈ আৰ্থিক কাৰণত সমস্যা সমূহ সমস্যা হৈয়ে ৰ'ল।

১৯৭২ চনতে স্থাপিত হোৱা মহাবিদ্যালয়খনত এতিয়া স্থায়ী মূল তোৰণ নোহোৱাটো বৰ পৰিতাপৰ বিষয়। প্ৰয়োজনীয় শ্ৰেণীকোঠাৰ অভাৱ, জিৰণি কোঠা, গ্ৰন্থাগাৰত প্ৰয়োজনীয় কিতাপ পত্ৰৰ অভাৱ, ছাত্ৰ-ছাত্ৰীৰ বাবে প্ৰয়োজনীয় প্ৰস্ৰাৱগাৰ, শৌচাগাৰৰ অভাৱ, খোৱা পানীৰ অভাৱ আদি একুৰি সমস্যাৰে মহাবিদ্যালয়খন জৰ্জৰিত।

উপ-সভাপতিৰ গুৰু দায়িত্ব পালন কৰি মই কিমানদূৰ সফল হ'ব পাৰিছোঁ তাত সন্দেহৰ অৱকাশ আছে। তথাপি বিভিন্ন কাৰ্য্যসূচীবোৰ চলাই নিয়াত যথাসাধ্য সহযোগিতা আগবঢ়াইছিলোঁ। মোৰ কাৰ্য্যকালৰ প্ৰতিটো পদক্ষেপতে আন্তৰিকতাৰে দিহা-পৰামৰ্শ আগবঢ়োৱা মহাবিদ্যালয়ৰ ভাৰপ্ৰাপ্ত অধ্যক্ষ মহোদয়লৈ মই আন্তৰিক শ্ৰদ্ধা জ্ঞাপন কৰিছোঁ। লগতে আমাৰ প্ৰতিটো কাৰ্য্যসূচীতে আগভাগ লৈ আমাক সহায় কৰা 'ছাত্ৰ আৰু শিক্ষকৰ অৱসৰ বিনোদন কেন্দ্ৰ'ৰ বিষয় ববীয়া, সদস্য তথা শিক্ষাগুৰু সকললৈ মোৰ আন্তৰিক শ্ৰদ্ধা যাচিছোঁ। শেষত সমূহ ছাত্ৰ-ছাত্ৰী, বন্ধু-বান্ধৱী, সতীৰ্থ তথা মহাবিদ্যালয়খনৰ উন্নতিৰ কামনাৰে-

জয়তু বি. প্ৰ. চ. মহাবিদ্যালয়

বিজয় ভৰালী

উপ-সভাপতি, বি. প্ৰ. চ. ম. ছাত্ৰ একতা সভা।

## সম্পাদকীয় প্ৰতিবেদন

### সাধাৰণ সম্পাদকৰ বাৰ্ষিক প্ৰতিবেদনঃ



*ঃশিক্ষা জীৱনৰ বৃত্তি স্বৰূপঃ*

*আলোকৰ সন্ধান বিচাৰি সুদীৰ্ঘ ৩১ বছৰ পূৰ্বে যি সময়ত নগৰবেৰা শিক্ষা-দীক্ষা আৰ্থিক, যোগাযোগ সৰ্ব দিশত পিছপৰা আছিল, তেনে এক সময়ত যি সকল মহান দূৰদৰ্শী, ত্যাগী, শিক্ষানুৰাগী, সমাজ সেৱক সকলে দিনে-নিশাই দেশৰ জনগণৰ উন্নতি, শান্তি আৰু প্ৰগতিৰ বাবে বহুমুখী সপোন দেখি ১৯৭২ চনত বিমলা প্ৰসাদ চলিহা মহাবিদ্যালয় স্থাপন কৰি জনগণৰ সৰ্বাংগীন উন্নতিৰ বাট মুকলি কৰিছিল প্ৰতিবেদনৰ পাতনিতে সেইসকলৰ মৃত্যু বৰণ কৰা সকলক শ্ৰদ্ধাৰে সুঁৱৰিছোঁ লগতে শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰিছোঁ আৰু জীৱিত সকলৰ দীৰ্ঘায়ু তথা মঙ্গল কামনা কৰিলোঁ। লগতে অনুষ্ঠানটিক চিৰকৰা কৰি চিৰ বিদায় লোৱা দেৱ প্ৰসাদ শইকীয়া ছাৰৰ বিদেহী আত্মাৰ চিৰশান্তি কামনা কৰিছোঁ।*

*মহাবিদ্যালয়ৰ সক্ৰিয় সহযোগী প্ৰয়াত শাহ আলম ছাৰ আৰু উচ্চ বৰ্গৰ কেৰাণী শ্ৰী সুবোধ কলিতা দেৱ দুয়োকে স্মৰণ কৰাৰ লগতে শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰিছোঁ। মোক সাধাৰণ সম্পাদকৰূপে নিৰ্বাচিত কৰাৰ ক্ষেত্ৰত সক্ৰিয় সহযোগিতা আগবঢ়োৱা ছাত্ৰ-ছাত্ৰী সকলৰ ওচৰত মই ঋণী।*

*কাৰ্য্যভাৰ গ্ৰহণ কৰি আমি পালন কৰা অনুষ্ঠানবোৰ হ'ল ক্ৰমেঃ-*

*<u>মহাবিদ্যালয় সপ্তাহঃ</u>- এইবেলি ৩০ জানুৱাৰীৰ পৰা ৫ ফেব্ৰু: লৈ সপ্তাহযোৱা কাৰ্য্যসূচীৰে ধুম-ধামেৰে মহাবিদ্যালয় সপ্তাহ পালন কৰা হয়। সপ্তাহৰ পতাকা উত্তোলন কৰে মাননীয় ভাৰপ্ৰাপ্ত অধ্যক্ষ বিনোদ বৰণ দাস দেৱে লগতে খেল-ধেমালী উদ্বোধন কৰে অসমীয়া বিভাগৰ অধ্যাপক শ্যামাচৰণ ঠাকুৰীয়া ছাৰে তাৰ পাছত ক্ৰমাগত ভাৱে বিভিন্ন বিভাগৰ প্ৰতিযোগিতাৰ মাজেৰে মহাবিদ্যালয় সপ্তাহ সুচাৰু ৰূপে পালন কৰা হয়। সাংস্কৃতিক বিভাগৰ সম্পাদকৰ পদ খালী আছিল যদিও সেই বিভাগৰ প্ৰতিযোগিতাবোৰ সুকলমেই পৰিচালনা কৰা হৈছিল।*

৬ ফেব্ৰু/০৩ তাৰিখে খেল পথাৰত মুকলি মঞ্চ পাতি তিতাবৰী চৌধুৰী বিজয়ী সকলক তেওঁৰ হাতৰ বাবে বটা প্ৰদান কৰা পদ্ধতিয়ে সকলোৰে প্ৰশংসা লাভ কৰে।

সৰস্বতী পূজাঃ- প্ৰতি বছৰৰ দৰে এইবেলিও ৭ ফেব্ৰুৱাৰী ০৩ ইং তাৰিখে শ্ৰী শ্ৰী সৰস্বতী পূজা পালন কৰা হয়। নিয়মীয়া পূজা পদ্ধতিৰে ৯ বজাত প্ৰতিমা বিসৰ্জনৰ মাজেৰে এই অনুষ্ঠানৰ সামৰণি মৰা হয়।

নৱাগত আদৰণি সভাঃ- মহাবিদ্যালয়ৰ আটাইতকৈ আকাংক্ষিত অন্যতম আকৰ্ষণীয় অনুষ্ঠান হ'ল নৱাগত আদৰণি সভা। এই অনুষ্ঠান নতুন পুৰণিৰ মিলনৰ অনুষ্ঠান। এইবেলিও ৩০/৮/০৩ ইং তাৰিখে নিয়মমতে বিভিন্ন কাৰ্যসূচীৰে উলহ-মালহেৰে এই অনুষ্ঠান পতা হয়। সাধাৰণ সম্পাদক হিচাপে নতুন ছাত্ৰ ছাত্ৰীক মহাবিদ্যালয় সম্বন্ধে অৱগত কৰি আনুষ্ঠানিক ভাৱে স্বাগতম জনাওঁ।

শিক্ষক দিৱসঃ- মহাবিদ্যালয়ৰ পৰম্পৰা অনুযায়ী এইবাৰো গুৰুৰ সন্মানৰ বাবে ২৩/১০/০৩ ইং তাৰিখ নিৰ্ধাৰণ কৰি প্ৰস্তুতি চলোৱা হয়। কাৰ্তিপুৰা ৮ বজাত পতাকা উত্তোলনৰ মুহূৰ্তত এক নিষ্ঠুৰ সংবাদে সকলোকে আমোদজনক আহ্বান কৰি হৈচৈ লগালে। সেয়া হ'ল মহাবিদ্যালয়ৰ যুৱতী বিভাগৰ সৰা শিক্ষয়িত্ৰী সোনা প্ৰধানৰ জীৱন নাশ দুখি আৰ্তনাদ কৰি উঠিল। এই মৰ্মান্তিক দুৰ্ঘটনাত পতিত হৈ এজন শিক্ষক লগতে উপাধ্যক্ষ আহত হয়। সেয়ে অনুষ্ঠান স্থগিত ৰাখি অধ্যক্ষ মহোদয়ৰ লগত সকলোৱে মিলি বেদনাদায়ক দুৰ্ঘটনাৰ তদন্ত কৰি দোষী সকলক শাস্তি দিবলৈ জি. এম. চি. ক অনুৰোধ কৰিবৰ বাবে আমি দাবী জনালোঁ। তাৰোপৰি সেই দিনটো অনুষ্ঠানটিৰ তথা নগৰৰ লেনদেনৰ বাবে শোকৰ দিন হিচাপে পৰিগণিত হৈছিল। তাৰ পিছত পুনৰায় ১ ডিচেম্বৰ তাৰিখে নিয়মমতে কাৰ্যসূচীৰে শিক্ষক দিৱস পালন কৰা হয়।

শোক সভাঃ- মোৰ কাৰ্যকালত কুমাৰ উকিল বৰ্মন কেৰাণী শ্ৰী প্ৰভাত কলিতা, মহাবিদ্যালয় পৰিচালনা সমিতিৰ সদস্য চিত্ৰলেখা ঠাকুৰীয়া, বিজ্ঞানৰ ছাত্ৰ, খ্যাতনামা সাহিত্যিক, গল্পকাৰ, নাট্যকাৰ ড° ভবেন্দ্ৰনাথ শইকীয়া, মহাবিদ্যালয়ৰ প্ৰাক্তন সহযোগী দিলীপ মৃত্যুবৰণ কৰা ধনজিৎ কলিতা আদি সকলৰ শোকসভা পাতি বিদেহী আত্মাৰ চিৰশান্তি কামনা কৰি শোকসন্তপ্ত পৰিয়ালক সমবেদনা জ্ঞাপন কৰা হয়।

সম্বৰ্ধনা অনুষ্ঠানঃ- মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ নৱনিৰ্বাচিত সম্পাদক সকলৰ শপত গ্ৰহণ আনুষ্ঠানিকভাৱে স্বাগতম তথা সম্বৰ্ধনা আৰু পুৰণি ছাত্ৰ একতা সভাৰ সম্পাদক সকলক বিদায় দিয়াৰ উদ্দেশ্যে ৩১ ডিচেম্বৰ ০৩ ইং তাৰিখে ছাত্ৰ আৰু শিক্ষকৰ অৱসৰ বিনোদন কেন্দ্ৰ'ৰ সহযোগত এই অনুষ্ঠান পতা হয়। এই অনুষ্ঠানে মহাবিদ্যালয়ত এক নতুন অধ্যায় তথা নতুনত্ব কঢ়িয়াই আনিছে বুলি ছাত্ৰ, ছাত্ৰী, বাইদেউ সকলে প্ৰশংসাৰ মাজেৰে মন্তব্য কৰে।

আনহে অনুষ্ঠানবোৰ হ'ল সাহিত্য দিৱস, প্ৰাক্তন ছাত্ৰ-ছাত্ৰীৰ সন্মিলন, আদি ছাত্ৰ একতা সভাই সহযোগ কৰাৰ লগতে জড়িত হোৱা অন্য অনুষ্ঠানবোৰ হ'ল সাহিত্য দিৱস, প্ৰাক্তন ছাত্ৰ-ছাত্ৰীৰ সন্মিলন, নৱাগত বক্তৃতা আলোচনা চক্ৰ, গণতন্ত্ৰ দিৱস, বিজ্ঞান শাখাৰ দ্বাৰা আয়োজিত সজাগতা শিবিৰ, শিক্ষা বিভাগৰ আলোচনা চক্ৰ / নৱাগত আদৰণি সভা তদুপৰি মহাবিদ্যালয়ত অনুষ্ঠিত অন্যান্য চেমিনাৰ আদি, শস্য, প্ৰবাহ সোপান আদিৰ উন্মোচনী অনুষ্ঠান। এই অনুষ্ঠানবোৰৰ কিছুমানত আমন্ত্ৰিত অতিথিক সম্বৰ্ধনা জনাওঁ। তদুপৰি ৰাজ্যিক ভিত্তিৰ প্ৰথম সাংস্কৃতিক সন্থা আৰু মহাবিদ্যালয়ৰ শিক্ষা সম্প্ৰসাৰণ কেন্দ্ৰৰ সহযোগত পতা ৰাজ্যিক পৰ্যায়ৰ চেমিনাৰত সহযোগ কৰোঁ লগতে উক্ত অধিবেশনৰ অভ্যৰ্থনা সমিতিৰ সদস্য হিচাপে দায়িত্ব পালন কৰোঁ।

আমাৰ কাৰ্যকালৰ সফলতা বিফলতাঃ- ছাত্ৰ একতা সভাৰ দায়িত্ব গ্ৰহণ কৰিয়েই মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীৰ উন্নতি কৰাৰ সপোন আনিছিলোঁ তাৰে কিমান খিনি সফলতা লাভ কৰিব পাৰিছোঁ সেয়া আপোনালোকৰ বিচাৰ্য। মহাবিদ্যালয়ৰ মূল গেইট, ছাত্ৰ একতা সভাৰ কাৰ্যালয়, ছাত্ৰ আবাস ইত্যাদি অভাৱবোৰ পূৰণ কৰিবৰ বাবে আমি অহৰহ চেষ্টা চলাইছিলোঁ। এই ক্ষেত্ৰত মহাবিদ্যালয় কৰ্তৃপক্ষই মহাবিদ্যালয়ৰ অৰ্ধাংশ বিল্ডিং মেৰামতি আৰু কম্পিউটাৰ প্ৰদান কৰাৰ বাবে অশেষ কৃতজ্ঞতা জ্ঞাপন কৰিলোঁ। কিছু ক্ষেত্ৰত সফলতা লাভ কৰা বুলি আমি দাবী কৰোঁ, যেনে: পৰিষ্কাৰ পৰিবেশ, লাইব্ৰেৰীৰ উন্নতি, অধাংশ বিল্ডিং মেৰামতি ইত্যাদি।

মহাবিদ্যালয়ৰ অভাৱ অভিযোগঃ- নিম্নলিখিত অভাৱবোৰে অনুষ্ঠানটোৰ বিকাশত যথেষ্টবাধাৰ সৃষ্টি কৰিছে। সেয়েহে অচিৰেই সংশ্লিষ্ট কৰ্তৃপক্ষক পূৰণৰ দাবী জনালোঁ।

১) স্থায়ী অধ্যক্ষ ২) মূল প্ৰবেশ ৩) ছাত্ৰ একতা সভাৰ স্থায়ী কাৰ্যালয় ৪) পূৰ্ণাঙ্গ প্ৰেক্ষাগৃহ আৰু ষ্টেডিয়াম ৫) ছাত্ৰ আবাসৰ ব্যৱহাৰ উপযোগী কৰণ ৬) প্ৰয়োজন অনুপাতে শিক্ষক নিযুক্তি ৭) লাইব্ৰেৰী আৰু ছাত্ৰ জীৱনী কোঠাৰ উন্নতি কৰণ। ৮) কম্পিউটাৰ চেণ্টাৰ আৰম্ভ কৰা ৯) প্ৰাথমিক অভাৱ দূৰ কৰণ (খোৱাপানী, প্ৰস্ৰাৱগাৰ, পায়খানা, বিদ্যুৎ, চাইকেল ষ্টেণ্ড আদি। ১০) বিজ্ঞান শাখা, শিক্ষা বিভাগ ও কলা বিভাগৰ বিভাগীয় সা-সঁজুলিৰ পূৰ্ণব্যৱস্থা কৰণ। লগতে মহাবিদ্যালয় চৌহদৰ পথৰ উন্নতি সাধন।

কৃতজ্ঞতা স্বীকাৰঃ- মোৰ কাৰ্যকালত শিক্ষক বাইদেউ ছাত্ৰ-ছাত্ৰী আৰু ৰাইজৰ যথেষ্ট আশিস পাইছোঁ। আটাইবে নাম উল্লেখ কৰাটো সম্ভৱ নহয় হেতুকে নাম উল্লেখ নকৰাৰ অপৰাধ স্বীকাৰ কৰিছোঁ। আপোনালোক মোৰ মানস পটত স্মৃতি হৈ ৰব। তথাপিতো মোৰ কাৰ্যকালত সৰ্বতোপ্ৰকাৰে সহায় সহযোগ কৰা পথ প্ৰদৰ্শক মাননীয় বিনোদ বৰণ দাস (ভাৰপ্ৰাপ্ত অধ্যক্ষ) দেৱক কৃতজ্ঞতা জনালোঁ।

সৰ্বশেষত আপোনালোকৰ ওচৰত মোৰ জ্ঞাত-অজ্ঞাত সকলো ভুল ত্ৰুটিৰ বাবে ক্ষমা মাগিছোঁ, লগতে এই মহান অনুষ্ঠানটিৰ বিকাশ আৰু উন্নতি কামনা কৰি প্ৰতিবেদন সামৰিলোঁ। ইতি-

জয়তু নিঃ দঃ চঃ মহাবিদ্যালয়
জয়তু নিঃ দঃ চঃ ছাত্ৰ একতা সভা।
**আব্দুচ ছামাদ আহমেদ।**
(সাধাৰণ সম্পাদক)

## প্ৰতিবেদন

### ঃসহকাৰী সাধাৰণ সম্পাদকৰ প্ৰতিবেদনঃ



সম্পাদকীয় প্ৰতিবেদনৰ আৰম্ভনিতে জাতীয় বীৰ শ্বহীদ সকললৈ শ্ৰদ্ধা নিবেদিছোঁ আৰু আন্তৰিক কৃতজ্ঞতা যাছিছোঁ; সেই সকলোলৈ যি সকলে মোক বিনা প্ৰতিদ্বন্দ্বিতাৰে বিমলা প্ৰসাদ চলিহা মহাবিদ্যালয়ৰ "ছাত্ৰ একতা সভা" ৰ ইং ২০০২-২০০৩ শিক্ষা বৰ্ষৰ সহকাৰী সাধাৰণ সম্পাদক হিচাপে সেৱা আগবঢ়াবলৈ সুযোগ দান কৰে।

সাধাৰণতে সহকাৰী সাধাৰণ সম্পাদকৰ কামৰ হেঁচা কম থাকে। তথাপিও এক মহান দায়িত্ব নিৰৱিচ্ছিন্ন ভাবে পালন কৰি যাব লাগে। ইয়াৰ উপৰিও অতিৰিক্তভাৱে বিমলা প্ৰসাদ চলিহা মহাবিদ্যালয়ৰ সাংস্কৃতিক বিভাগৰ দায়িত্বও মোৰ ওপৰত অৰ্পণ কৰা হয় আৰু তাক মই সুচাৰুৰূপে পালন কৰাৰ চেষ্টা কৰিছোঁ।

আমাৰ এই মহান অনুষ্ঠানটোত বিভিন্ন সম্প্ৰদায়ৰ ছাত্ৰ-ছাত্ৰীৰ মাজত সাংস্কৃতিক অনুষ্ঠান আদিৰ আয়োজনৰ দ্বাৰা ঐক্য সমন্বয় আৰু ভাতৃত্ববোধ গঢ়ি তোলাত ছাত্ৰ একতা সভাৰ গুৰুত্ব পূৰ্ণ দায়িত্ব আছে। কাৰ্য্যকালত বিভিন্ন প্ৰকাৰে সহায় আগবঢ়োৱাৰ বাবে বন্ধু-বান্ধৱ আৰু শিক্ষাগুৰু সকলক কৃতজ্ঞতা জ্ঞাপন কৰিছোঁ।

সদৌ শেষত অজ্ঞাতে কৰা ভুল-ভ্ৰান্তিৰ বাবে ক্ষমা বিচাৰি মোৰ প্ৰতিবেদনৰ সামৰণি মাৰিছোঁ।

জয় আই অসম

জয়তু বিমলা প্ৰসাদ চলিহা মহাবিদ্যালয়।

**শ্ৰী জয়প্ৰকাশ কলিতা**

## প্ৰতিবেদন

### ক্ৰীড়া বিভাগৰ সম্পাদকীয় প্ৰতিবেদন



প্ৰতিবেদনৰ শীৰ্ষতে মই সশ্ৰদ্ধ প্ৰণাম যাচিছোঁ শান্তিৰ শয়ণত শুই থকা বীৰ শ্বহীদ সকললৈ। ২০০২-২০০৩ ইং চনৰ বৰ্ষটোৰ বাবে মোক ক্ৰীড়া বিভাগৰ সম্পাদক ৰূপে নিৰ্বাচিত কৰাৰ কাৰণে মহাবিদ্যালয়ৰ সমূহ ছাত্ৰ-ছাত্ৰীলৈ কৃতজ্ঞতা জ্ঞাপন কৰিছোঁ। মহাবিদ্যালয়ৰ এই গুৰু দায়িত্বটো মই কিমান সফলতাৰে বহণ কৰিছোঁ সেয়া আপোনালোকৰ বিচাৰ্য্য। তথাপিও অজানিতে হৈ যোৱা ভুল-ভ্ৰান্তিৰ বাবে মই ক্ষমা প্ৰাৰ্থনা কৰিছোঁ।

জীৱনৰ প্ৰতিটো সমস্যা ক্ৰীড়াসুলভ মনোভাৱেৰে সমাধান কৰিবলৈ সমৰ্থ হোৱা মানেই হৈছে জীৱনত সফলতা অৰ্জন কৰা। খেল-ধেমালী এখন দেশ তথা জাতিৰ গৌৰৱ। খেল-ধেমালীৰ জৰিয়তে সেই গৌৰৱ ৰক্ষা কৰি দেশ তথা নিজৰ শাৰিৰীক ও মানসিক ভাৰসাম্য ৰক্ষা কৰিব পাৰি। খেল-ধেমালীক শিক্ষাৰ এটা অংগ বুলি বিবেচনা কৰি ইয়াক জনপ্ৰিয় কৰি তুলিবলৈ আজি প্ৰতিগৰাকী ছাত্ৰ-ছাত্ৰীৰ অসীম দায়িত্ব আৰু কৰ্তব্য আছে। খেলা-ধুলা বা শৰীৰ চৰ্চাৰ মূল উদ্দেশ্য বিকৃত নোহোৱাকৈ ইয়াক জনপ্ৰিয় কৰি তুলিবলৈ চৰকাৰী তথা বেচৰকাৰী প্ৰতিটো অনুষ্ঠান প্ৰতিষ্ঠান আগবাঢ়ি আহিব লাগে।

সেইফালৰ পৰা পৰ্য্যবেক্ষণ কৰিলে দেখা যায় যে আমাৰ মহাবিদ্যালয়খন বহুতো পিছ পৰি আছে। ইয়াৰ কাৰণ হ'ল ছাত্ৰ-ছাত্ৰীৰ আগ্ৰহ বা অনুশীলনৰ অভাৱ। তাৰোপৰি আৰ্থিক অনাটন, উপযুক্ত প্ৰশিক্ষণ লগতে খেলাৰ সা-সামগ্ৰীৰ অভাৱ। এই দিশত সংশ্লিষ্ট কৰ্তৃপক্ষৰ দৃষ্টি আকৰ্ষণ কৰা হ'ল।

পৰিতাপৰ বিষয় এইটো যে, মহাবিদ্যালয় সপ্তাহ পালন কৰাৰ পিছত বাকী সম্পূৰ্ণ বছৰটোত ছাত্ৰ-ছাত্ৰীক নিয়মিতভাৱে কোনো ধৰণৰ খেলা ধুলাত অংশ গ্ৰহণ কৰা দেখা নাযায়।

মোৰ কাৰ্য্যকালত ক্ৰীড়াৰ দিশত কিছু নতুনত্ব আনিবলৈ ভাবিছিলো যদিও সীমিত সময়ৰ লগতে সীমিত সা-সুবিধাৰ কাৰণে আশা বাস্তৱত ৰূপায়িত কৰিব নোৱাৰিলোঁ।

এইখিনিতে মোৰ কাৰ্যকাল চলাই নিয়াত তত্বাৱধায়ক হিচাপে আদিৰ পৰা অন্তলৈ প্ৰতিটো কাম সুচাৰুৰূপে চলোৱাত উপদেশ দিয়াৰ উপৰিও কিছুমান দিশত অগ্ৰণী ভূমিকা আৰু পথ প্ৰদৰ্শকৰ আদৰ্শেৰে মোক প্ৰেৰণা দিয়াৰ বাবে পুজনীয় মহাশয় বসন্ত কলিতা আৰু অংশুমান শইকীয়াৰ প্ৰতি মই চিৰকৃতজ্ঞ। মোক উৎসাহিত ও সহযোগ কৰা বন্ধু বান্ধৱীৰ ওচৰত মই কৃতজ্ঞ।

শেষত মহাবিদ্যালয়ৰ উজ্জ্বল ভৱিষ্যত কামনা কৰি মই মোৰ প্ৰতিবেদনৰ ইতি ৰেখা টানিলোঁ।

-ধন্যবাদ

নুৰ হামিদ

সম্পাদক ক্ৰীড়া বিভাগ



Scanned with CamScanner

## গুৰু খেল বিভাগৰ সম্পাদকৰ প্ৰতিবেদন



মোৰ প্ৰতিবেদনৰ আৰম্ভনিতে এই মহাবিদ্যালয় স্থাপন কৰাৰ ক্ষেত্ৰত যি সকলে অশেষ ত্যাগ আৰু কষ্ট স্বীকাৰ কৰি আহিছে তেখেত সকলৰ মোৰ হিয়া ভৰা ভক্তিৰ প্ৰণিপাত জনাইছোঁ। বৰ্তমান বিমলা প্ৰসাদ চলিহা মহাবিদ্যালয় অসমৰ ভিতৰত এখন লেখত লবলগীয়া শিক্ষা অনুষ্ঠান। এনেহেন শিক্ষা অনুষ্ঠান এখনত মোক বিনা প্ৰতিদ্বন্দ্বিতাৰে গুৰু খেল বিভাগৰ সম্পাদক হিচাপে নিৰ্বাচিত কৰা সমূহ ছাত্ৰ-ছাত্ৰী, বন্ধু বান্ধৱীলৈ প্ৰীতি আৰু শ্ৰদ্ধা যাচিছোঁ।

বৰ্তমান কালছোৱাত ক্ৰীড়া আধুনিক শিক্ষাৰ অন্যতম অংগ স্বৰূপ, শাৰিৰীক আৰু মানসিক উৎকৰ্ষ সাধনৰ অন্যতম মাধ্যম। আধুনিক বিশ্বৰ প্ৰতিখন উন্নয়ণশীল ৰাষ্ট্ৰই খেল-ধেমালীৰ ওপৰত যথেষ্ট গুৰুত্ব দিয়া দেখা যায়। আমাৰ অসমত পৰিবেশ আৰু অৰ্থ সমস্যাই ক্ৰীড়া জগতখনক ক্ৰমশঃ গ্ৰাস কৰি আহিছে। আমি ইয়াৰ জ্বলন্ত প্ৰতিচ্ছবি আমাৰ স্কুল কলেজৰ খেলুৱৈ বিলাকৰ মাজত লক্ষ্য কৰিছোঁ। এই সমস্যা দূৰ কৰিব পাৰিলে ছাত্ৰ-ছাত্ৰীসকলৰ শাৰিৰীক তথা মানসিক উন্নতি হোৱাৰ উপৰিও এই মাধ্যমেদি ছাত্ৰ-ছাত্ৰীসকলৰ মাজত বিশ্ব ভাতৃত্ব, বন্ধুত্বভাৱ অধিক সুদৃঢ় হব।

সম্পাদকৰ দায়িত্ব গ্ৰহণ কৰিয়েই মই 'মহাবিদ্যালয় সপ্তাহ' উপলক্ষে আয়োজিত খেল ধেমালীবোৰ পৰিচালনা কৰিবলগীয়া হৈছিল। যি সকল ছাত্ৰ-ছাত্ৰীয়ে খেলধেমালীবোৰৰ জৰিয়তে নিজৰ প্ৰতিভা প্ৰদৰ্শন কৰিলে, সেইসকললৈ মই অভিনন্দন জ্ঞাপন কৰিছোঁ। আমাৰ ধাৰণা মহাবিদ্যালয় কৰ্তৃপক্ষই আমাৰ খেলুৱৈ ছাত্ৰ-ছাত্ৰীসকলক আৱশ্যকীয় খেলৰ সামগ্ৰীবোৰৰ যোগান ধৰিলে ভৱিষ্যতে আমাৰ মহাবিদ্যালয়ৰ পৰা ক্ৰীড়া ক্ষেত্ৰত একোজন উদীয়মান তাৰকা খেলুৱৈৰ আত্ম প্ৰকাশ ঘটিব।

মোৰ কাৰ্য্যকালছোৱাত বিভিন্ন দিশৰ পৰা দিহা-পৰামৰ্শ আগবঢ়োৱা তত্ত্বৱধায়ক অধ্যাপক মাননীয় শ্ৰীযুত বিপুল শৰ্মা বৰপূজাৰী ছাৰলৈ আৰু লগতে অন্যান্য মাননীয় শিক্ষাগুৰু তথা কৰ্মচাৰী সকললৈ যাচিছোঁ মোৰ আন্তৰিক কৃতজ্ঞতা।

শেষত মহাবিদ্যালয়ৰ উত্তৰোত্তৰ উন্নতি কামনা কৰি মোৰ প্ৰতিবেদনৰ সামৰণি মাৰিলোঁ।

জয়তু বি, প্ৰ, চ, মহাবিদ্যালয়।

**শ্ৰী অঞ্জন পাঠক।**

সম্পাদক, গুৰু খেল বিভাগ।



## লঘু খেল বিভাগৰ সম্পাদকৰ প্ৰতিবেদন



প্ৰতিবেদনৰ পাতনিতে বিমলা প্ৰসাদ চলিহা মহাবিদ্যালয়ৰ প্ৰতি থকা মোৰ শ্ৰদ্ধা জনাইছোঁ আৰু যি সকল মহান ব্যক্তিৰ অক্লান্ত শ্ৰম আৰু ত্যাগৰ বিনিময়ত এই মহৎ অনুষ্ঠান গঢ়ি উঠিছে তেওঁলোকলৈ মই মোৰ শ্ৰদ্ধা নিবেদন কৰিছোঁ।

ইংৰাজী ২০০২-২০০৩ চনত বিমলা প্ৰসাদ চলিহা মহাবিদ্যালয়ৰ দৰে এখন গৌৰৱমণ্ডিত শিক্ষানুষ্ঠানৰ সেৱা আগবঢ়াবলৈ সুবিধা দি মোক লঘু খেল বিভাগৰ সম্পাদক ৰূপে মনোনীত কৰাৰ বাবে মহাবিদ্যালয়ৰ সমূহ ছাত্ৰ-ছাত্ৰীৰ ওচৰত মই চিৰ কৃতজ্ঞ।

শপত গ্ৰহণ তথা দায়িত্বভাৰ পোৱাৰ পিছতেই অইন অইন বছৰৰ দৰে সাত দিনীয়া কাৰ্যসূচীৰে 'মহাবিদ্যালয় সপ্তাহ' চলাবলগীয়া হৈছিল। প্ৰতিযোগিতাবোৰ নিয়াৰিকৈ চলাই নিয়াত পথ প্ৰদৰ্শক আৰু প্ৰেৰণাদায়ক হিচাপে মোক সৰ্বতো প্ৰকাৰে দিহা পৰামৰ্শৰে সহায় আগবঢ়াইছিল তত্ত্বাবধায়ক মাননীয় অধ্যাপক আমজাদ হুচাইন ছাৰে।

মহাবিদ্যালয়ৰ সমস্যা সমূহ আঁতৰ কৰা সন্দৰ্ভত সচেষ্ট হৈয়ো পুঁজিৰ অভাৱত সমাধান কৰিব নোৱাৰিলোঁ।

পৰিশেষত মই মোৰ অজ্ঞাত ভুল ত্ৰুটিৰ বাবে ক্ষমা বিচাৰি মোৰ প্ৰতিবেদন সামৰিলোঁ।

জয়তু বি, প্ৰ, চলিহা মহাবিদ্যালয়।

জয়তু বি, প্ৰ, চলিহা মহাবিদ্যালয় ছাত্ৰ একতা সভা

**সনজাৰ হুছেইন**



Scanned with CamScanner

## প্ৰতিবেদন

### তৰ্ক আৰু আলোচনাচক্ৰ বিভাগৰ সম্পাদকীয় প্ৰতিবেদন



প্ৰতিবেদনৰ আৰম্ভনিতে মাতৃভূমিৰ হকে কলিজাৰ কেঁচা তেজ ঢালি ত্যাগৰ শলিতা জ্বলোৱা সকলৰ প্ৰতি সশ্ৰদ্ধ প্ৰণাম নিবেদিলোঁ।

২০০২-০৩ চনৰ ছাত্ৰ একতা সভাৰ নিৰ্বাচনৰ মাজেৰে ছাত্ৰ-ছাত্ৰীৰ আহ্বানক আওকাণ কৰিব নোৱাৰি মই তৰ্ক আৰু আলোচনা চক্ৰ সম্পাদকৰ দায়িত্ব গ্ৰহণ কৰিছিলোঁ। এই নিৰ্বাচনত মোক যিসকল ছাত্ৰ-ছাত্ৰীয়ে সক্ৰিয়ভাৱে সহযোগ কৰিলে তেওঁলোকৰ ওচৰত মই চিৰকৃতজ্ঞ।

শপত গ্ৰহণ কৰি দায়িত্বভাৰ লোৱাৰ পিছতেই 'মহাবিদ্যালয়' সপ্তাহ চলাবলগীয়া হৈছিল। এই ক্ষেত্ৰত দিহা পৰামৰ্শ দিছিল তত্ত্বাৱধায়ক মাননীয় অধ্যাপক আবু বক্কৰ ছিদ্দিক ছাৰে। ইয়াৰ বাবে মই তেখেতলৈ মোৰ শ্ৰদ্ধা ও ভক্তি নিবেদন কৰিলোঁ।

মহাবিদ্যালয়ৰ অভাৱ আৰু তাক আঁতৰ কৰা সন্দৰ্ভত বহুখিনি সচেষ্ট হৈছিলোঁ যদিও সংশ্লিষ্ট কৰ্তৃপক্ষৰ পৰা ইতিবাচক সঁহাৰি পোৱা নাছিলোঁ। যাৰ ফলত এই ক্ষেত্ৰত সফলকাম হব নোৱাৰিলোঁ। মোৰ কাৰ্য্যকাল চলাই নিয়াত বিভিন্ন প্ৰকাৰে সহযোগ আগবঢ়োৱা সকলৰ ওচৰত মই কৃতজ্ঞ।

শেষত মহাবিদ্যালয়ৰ সৰ্ব্বাঙ্গীন উন্নতি কামনাৰে মোৰ অজ্ঞাত ও অনিচ্ছাকৃত ভাৱে হোৱা ত্ৰুটিৰ ক্ষমা বিচাৰি মোৰ প্ৰতিবেদন সামৰিলোঁ।

নুৰ মহম্মদ আলী আহমেদ।
সম্পাদক, তৰ্ক আৰু আলোচনাচক্ৰ বিভাগ।

◎ ◎ ◎ ◎

## প্ৰতিবেদন

### সাহিত্য বিভাগৰ সম্পাদকীয় প্ৰতিবেদন



পাতনিতে বিমলা প্ৰসাদ চলিহা মহাবিদ্যালয় ছাত্ৰ একতা সভাৰ সাহিত্য বিভাগৰ সম্পাদক হিচাপে বিনা প্ৰতিদ্বন্দ্বিতাৰে নিৰ্বাচিত কৰি এই মহান অনুষ্ঠানটোক সেৱা কৰাৰ সুযোগ দিয়া বাবে মহাবিদ্যালয়ৰ সমূহ ছাত্ৰ-ছাত্ৰীক মই আন্তৰিক ধন্যবাদ আৰু কৃতজ্ঞতা জনালোঁ।

মহাবিদ্যালয় সমাৰোহত বিভিন্ন কাৰ্য্যসূচী হাতত লৈছিলোঁ যদিও বিত্তীয় নাটনিৰ বাবে কিছুমান দিশত চকু দিও আঁতৰাই আনিব লগা হৈছিল। তথাপিও সকলো সমস্যাক আঁতৰাই মোৰ বিভাগৰ তত্ত্বাৱধায়ক অধ্যাপক মাননীয় শ্ৰীযুত অপূৰ্ব ঠাকুৰীয়া ছাৰৰ দিহা সু পৰামৰ্শৰে মহাবিদ্যালয় সপ্তাহৰ কাৰ্য্যসূচীবোৰ সুচাৰুৰূপে চলাই নিছিলোঁ। ছাত্ৰ-ছাত্ৰী আৰু শিক্ষাগুৰু সকলেও মোলৈ যথেষ্ট সহায় সহযোগিতাৰ হাত আগবঢ়াইছিল। মোৰ প্ৰতিটো কামত সহায় সহযোগ আগবঢ়োৱা সকলো শিক্ষক -শিক্ষয়িত্ৰীক মোৰ শ্ৰদ্ধা জ্ঞাপন কৰিছোঁ আৰু সমূহ ছাত্ৰ-ছাত্ৰীলৈ আন্তৰিক মৰম জ্ঞাপন কৰি মোৰ প্ৰতিবেদন সামৰিলোঁ।

জয়তু বিঃ প্ৰঃ চলিহা মহাবিদ্যালয়
ছাত্ৰ একতা সভা
সুৰুজ জামাল হুচাইন
সম্পাদক, সাহিত্য বিভাগ



Scanned with CamScanner

## সমাজ সেৱা বিভাগ



প্ৰতিবেদনৰ প্ৰাৰম্ভতে শ্ৰদ্ধা নিবেদিছোঁ, অসমৰ অস্তিত্ব ৰক্ষাৰ নিমিত্তে প্ৰাণ আহুতি দিয়া শ্বহীদ সকললৈ।

পাৰ হৈ যোৱা ২০০২-০৩ বৰ্ষৰ বাবে মোক ছাত্ৰ একতা সভাৰ সমাজ সেৱা বিভাগৰ সম্পাদক পদৰ বাবে বিপুল ভোটৰ ব্যৱধানত নিৰ্বাচিত কৰা ছাত্ৰ-ছাত্ৰী, বন্ধু-বান্ধৱীৰ ওচৰত মই চিৰ কৃতজ্ঞ তথা ঋণী থাকিম। মোক নিৰ্বাচিত কৰাৰ ক্ষেত্ৰত সক্ৰিয়ভাৱে সহযোগ কৰা তথা অক্লান্ত পৰিশ্ৰম কৰা বন্ধু-বান্ধৱীৰ প্ৰতি মই কৃতজ্ঞ।

শপত গ্ৰহণ তথা দায়িত্ব পোৱাৰ পিছতেই আমাৰ চলাবলগীয়া হৈছিল 'মহাবিদ্যালয় সপ্তাহ'। মাত্ৰ এদিন সময় পাইছিলোঁ কাম কৰিবৰ বাবে, তথাপিও ৰৱসুণ পৰাৰ বাবে মই কামবোৰ নিয়াৰিকৈ তথা মোৰ মনঃপুতভাৱে কৰিব পৰা নাছিলোঁ। তাৰ বাবে মই নিজেই দুঃখিত।

মোক নিৰ্বাচিত কৰি যিসকল ছাত্ৰ-ছাত্ৰীয়ে মোলৈ মৰম আৰু সহানুভূতি দেখুৱাইছিল, সেই ছাত্ৰ-ছাত্ৰীসকলৰ বৃহৎ স্বাৰ্থত তথা কলেজৰ উন্নতি সাধন কৰাৰ অৰ্থে মই বহুত কিবা কিবি কৰিব পাৰিম বুলি যি আশা কৰিছিলোঁ সেই আশাবোৰ বাস্তৱত পৰিণত কৰাৰ পথত প্ৰধান বাধাৰ প্ৰাচীৰ আছিল 'অৰ্থ সংকট'।

'মহাবিদ্যালয় সপ্তাহ'ত সমাজসেৱা প্ৰতিযোগিতা আৰু 'ড্ৰেশচন' প্ৰতিযোগিতা অনুষ্ঠিত কৰিবলৈ সক্ষম হৈছিলোঁ। এই প্ৰতিযোগিতাত অংশ লোৱা প্ৰতিযোগী ছাত্ৰ-ছাত্ৰীসকললৈ মোৰ হিয়া ভৰা ওলগ যাছিছোঁ। এই ছেগতে প্ৰতিযোগিতা সমূহ পৰিচালনা কৰাত আৰু আগবঢ়াই নিয়াত সৰ্বতোপ্ৰকাৰে সহায় আগবঢ়োৱা মাননীয় অধ্যাপক শ্ৰীযুত প্ৰভাত চক্ৰৱৰ্তী ছাৰ, অধ্যাপক শ্ৰীযুত উপেন সাহা ছাৰ অধ্যাপক সূৰ্য্য কলিতা ছাৰলৈ মই কৃতজ্ঞতা জনাইছোঁ।

আমাৰ কাৰ্য্যকালত যিসকল Bharat Scout & Guide তথা N.S.S. Voluntier য়ে কলেজৰ উন্নতিৰ হকে সেচ্ছাসেৱক হিচাপে কাম কৰিছিল তেখেত সকললৈ মোৰ আন্তৰিক কৃতজ্ঞতা জনাইছোঁ।

মোৰ দায়িত্ব আৰু কাৰ্যভাৰ সুচাৰুৰূপে চলাই নিয়াত মোক প্ৰেৰণা দিয়া মাননীয় অধ্যাপক শ্ৰীযুত তপন গোস্বামী ছাৰ (বিভাগীয় তত্বাৱধায়ক) ৰ ওচৰত মই ঋণী আৰু চিৰ কৃতজ্ঞ। তদুপৰি নিৰ্মল কলিতা ছাৰ আৰু আতোৱাৰ ৰহমান ছাৰৰ প্ৰতিও মই কৃতজ্ঞ। দায়িত্বভাৰ চলাই নিয়াৰ ক্ষেত্ৰত অজানিতে কৰা ভুলৰ বাবে মই ক্ষমা বিচাৰিছোঁ।

শেষত মহাবিদ্যালয়ৰ সৰ্বাংগীন উন্নতি কামনা কৰি ও নৱগঠিত 'ছাত্ৰ একতা সভা'ৰ সদস্যসকললৈ অভিনন্দন জনাই প্ৰতিবেদন সামৰিলোঁ।

ধন্যবাদেৰে-
আয়ুব আলী খান।

প্ৰতিবেদন

## ছাত্ৰ জিৰণী কোঠা সম্পাদকৰ প্ৰতিবেদন

প্ৰতিবেদনৰ আৰম্ভণিতে অসমী আইৰ হকে প্ৰাণাহুতি দিয়া বীৰ শ্বহীদলৈ মোৰ সহস্ৰ প্ৰণাম আৰু শ্ৰদ্ধা জ্ঞাপন কৰিলোঁ।
সম্পাদকীয় প্ৰতিবেদনৰ আৰম্ভণিতে যি সকল ব্যক্তিৰ অশেষ কষ্ট আৰু ত্যাগৰ বিনিময়ত নগৰবেৰা অঞ্চলৰ বুকুত আমাৰ অতি মৰমৰ, অতি চেনেহৰ, উক্ত শিক্ষানুষ্ঠান বি.প্ৰ.চ. মহাবিদ্যালয়খনে জন্ম লাভ কৰিলে তেখেত সকললৈ মোৰ সশ্ৰদ্ধ প্ৰণাম জ্ঞাপন কৰিছোঁ লগতে প্ৰতিষ্ঠা আৰু পৰিচালনাৰ লগত বিশেষভাৱে জড়িত থকা কিছুমান ব্যক্তি, যিসকল এতিয়া আমাৰ মাজত নাই তেখেতসকলৰ স্বৰ্গগত আত্মাৰ চিৰশান্তি কামনা কৰিলোঁ।



২০০২-০৩ ইং চনত বি.প্ৰ.চ. মহাবিদ্যালয় ছাত্ৰ একতা সভাৰ ছাত্ৰ জিৰণি কোঠা বিভাগৰ সম্পাদক হিচাপে নিৰ্বাচিত হোৱাত যিসকল ছাত্ৰ-ছাত্ৰী তথা বন্ধু-বান্ধৱীয়ে অক্লান্ত পৰিশ্ৰম কৰিলে তেওঁলোকলৈ মোৰ আন্তৰিক অভিনন্দন জ্ঞাপন কৰিছোঁ। মহাবিদ্যালয় তথা ছাত্ৰ-ছাত্ৰীৰ কল্যাণৰ বাবে আগন্তুক বছৰবোৰতো উপযুক্ত তথা অহৰ্তা সম্পন্ন ব্যক্তিক ছাত্ৰ একতা সভালৈ নিৰ্বাচিত কৰাৰ বাবে নৱাগত সকললৈ বিনম্ৰ অনুৰোধ থাকিল।

মোৰ কাৰ্যকালত বিভাগীয় তত্বাৱধায়ক মাননীয় যতীন্দ্ৰ নাথ তালুকদাৰ ছাৰে যি বহুমূলীয়া উপদেশ দি সহায় কৰিছিল তাৰ বাবে ছাৰলৈ মই কৃতজ্ঞতা জনালোঁ। অধ্যক্ষ মহোদয়লৈ মোৰ বিনম্ৰ অনুৰোধ যাতে ছাত্ৰ জিৰণী কোঠাটো ছাত্ৰৰ কাৰণে আকৰ্ষনীয় কৰি তোলে। মোৰ কাৰ্যকালত ডেস্ক বেঞ্চৰ ব্যৱস্থা কৰা হৈছিল কিন্তু সেইখিনি উন্নত নহয়। এই ক্ষেত্ৰত কৰ্তৃপক্ষৰ দৃষ্টি আকৰ্ষণ কৰিলোঁ।

বি.প্ৰ.চ. মহাবিদ্যালয়ৰ সৰ্বাঙ্গীন উন্নতিৰ কামনাৰে প্ৰতিবেদন সামৰিলোঁ।.

জয়তু বি.প্ৰ.চ. মহাবিদ্যালয় ছাত্ৰ একতা সভা
মোঃ জাকৰ আলী আহমেদ,
সম্পাদক, ছাত্ৰ জিৰণী কোঠা।



Scanned with CamScanner



## ছাত্ৰী জিৰণি কোঠাৰ সম্পাদিকাৰ প্ৰতিবেদন

প্ৰতিবেদনৰ আৰম্ভণিতে যি সকল মহান ব্যক্তিৰ অক্লান্ত চেষ্টা আৰু আগৰ বিনিময়ত আমাৰ এই মহাবিদ্যালয়ৰ জন্ম হল তেওঁলোকলৈ মোৰ আন্তৰিক শ্ৰদ্ধা আৰু কৃতজ্ঞতা জ্ঞাপন কৰিলোঁ।

বিমলা প্ৰসাদ চলিহা মহাবিদ্যালয়ৰ ২০০২-০৩ বৰ্ষৰ ছাত্ৰ একতা সভাৰ ছাত্ৰী জিৰনী কোঠাৰ সম্পদিকা হিচাপে মোক বিনা প্ৰতিদ্বন্দ্বিতাৰে নিৰ্বাচিত হবলৈ সুযোগ দিয়া বাবে মই মহাবিদ্যালয়ৰ সমুহ ছাত্ৰ-ছাত্ৰী তথা মোৰ বন্ধু-বান্ধৱীক আন্তৰিক কৃতজ্ঞতা ও ধন্যবাদ জ্ঞাপন কৰিছোঁ।

ছাত্ৰী জিৰণি কোঠাৰ সম্পাদিকাৰ দায়িত্বভাৰ গ্ৰহণ কৰি জিৰণি কোঠাটো নতুন ৰূপত সজাই তোলাৰ যি সপোন দেখিছিলোঁ তাক বাস্তবায়িত কৰিব নোৱাৰা বাবে মই বৰ দুঃখিত। ইয়াৰ বহুতো কাৰণ আছে। ইয়াৰ বাবে বি.প্ৰ.চ. মহাবিদ্যালয়ৰ ছাত্ৰীসকলে যেন মোক জগৰীয়া নকৰে। প্ৰধান অসুবিধাটো হ'ল অৰ্থৰ অভাৱ। যাৰ বাবে ছাত্ৰী জিৰণি কোঠাৰ প্ৰয়োজনীয় সকলো বস্তু সামগ্ৰী সম্পুৰ্ণ ৰূপে যোগান ধৰিব পৰা নহ'ল। দায়িত্ব লাভ কৰি মই প্ৰথম সম্মুখীন হৈছিলো মহাবিদ্যালয় সপ্তাহৰ। ছাত্ৰী জিৰণি কোঠাৰ তত্ত্বাৱধানত এই সপ্তাহত নানা ধৰণৰ আমোদজনক খেল তথা প্ৰতিযোগিতা অনুষ্ঠিত হৈ যায়। দুখৰ বিষয় যে অৰ্থৰ অসুবিধাৰ বাবে এনে কিছুমান অনুষ্ঠান পৰিচালনাৰ ক্ষেত্ৰত মই সমস্যাৰ সম্মুখীন হবলগীয়া হৈছিল। সি যি কি নহওঁক মোৰ কাৰ্য্যকালত প্ৰতিটো খোজতে বিভিন্ন প্ৰকাৰে দিহা পৰামৰ্শ দি সহায় কৰা জয়তী দাস বাইদেউ লৈ আন্তৰিক কৃতজ্ঞতা যাছিলোঁ। মোক প্ৰতিটো মুহূৰ্ততে সহায় কৰা বন্ধু বান্ধৱীলৈয়ো এই ফেগতে মোৰ আন্তৰিক কৃতজ্ঞতা জনালোঁ।

সদৌ শেষত মোৰ কাৰ্য্যকালত অজ্ঞাতে হৈ যোৱা ভুল তথা ব্যৰ্থতাৰ বাবে ক্ষমা বিচাৰি আৰু বিমলা প্ৰসাদ চলিহা মহবিদ্যালয়ৰ উন্নতি কামনা কৰি প্ৰতিবেদন সামৰিলোঁ।

মিচ্ ভুনু পাটোৱাৰী
সম্পাদিকা, ছাত্ৰী জিৰণি কোঠা।

◉ ◉ ◉ ◉ ◉

সদায় চকুৰে দেখা গছ পাতটিও
ছবিটিত ভাল হৈ পৰে,
সদায় কাণেৰে শুনা সৰু কথাটিও
গীত হ'লে প্ৰাণ টানি ধৰে। — দুৰ্গেশ্বৰ শৰ্মা।

তোমালোকে অন্য নাৰীৰ সন্মান ৰক্ষা কৰি চলিবা,
তোমালোকৰ নাৰীৰ সন্মান ৰক্ষিত হ'ব। তোমালোকৰ পিতৃ-মাতৃৰ
লগত সদ্ব্যৱহাৰ কৰিবা, তোমালোকৰ সন্তানেও তোমালোকৰ
লগত সদ্ব্যৱহাৰ কৰিব। — হজৰত মহম্মদ (ছাঃ)



## ভাৰত চন্দ্ৰ পাঠক সোঁৱৰণ সমিতি

*বিমলা প্ৰসাদ চলিহা মহাবিদ্যালয়, নগাঁৱবেৰা।*

স্থাপনা বৰ্ষ - ১৯৯৮ ইং

নগাঁৱবেৰাৰ বিশিষ্ট নাগৰিক তথা সু-সাহিত্যিক প্ৰয়াত ভাৰত চন্দ্ৰ পাঠকৰ স্মৃতি ৰক্ষাৰ্থে তেখেতৰ পৰিয়ালৰ দ্বাৰা প্ৰদত্ত ধনৰাশিৰে এটি স্থায়ী পুঁজি গঠন কৰি উক্ত ধনৰ লভ্যাংশেৰে বিমলা প্ৰসাদ চলিহা মহাবিদ্যালয়ৰ মেধাবী তথা উচ্চতৰ মাধ্যমিক চূড়ান্ত পৰীক্ষাত অসমীয়া বিষয়ত সৰ্বাধিক নম্বৰ প্ৰাপ্ত ছাত্ৰ-ছাত্ৰীক উপযুক্ত স্মাৰক বটা ও প্ৰমাণপত্ৰ প্ৰদান, বৃহত্তৰ নগাঁৱবেৰা অঞ্চলৰ মহাবিদ্যালয় ও উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰী সকলৰ মাজত সাহিত্য বিষয়ক বিভিন্ন প্ৰতিযোগিতা অনুষ্ঠিত কৰি ছাত্ৰ-ছাত্ৰীসকলৰ প্ৰতিভা বিকাশত সহায় কৰাৰ মূল উদ্দেশ্যেৰে ১৯৯৮ চনত মহাবিদ্যালয়ৰ তদানীন্তন অধ্যক্ষক সভাপতি ৰূপে লৈ গঠিত হয় "ভাৰত চন্দ্ৰ পাঠক" সোঁৱৰণ সমিতি। সমিতিৰ দ্বাৰা বৰ্তমান বৰ্ষলৈকে নিম্ন লিখিত ছাত্ৰ-ছাত্ৰী সকলক বটা প্ৰদান কৰা হৈছে।

| বৰ্ষ | বটা প্ৰাপ্ত / প্ৰাপ্তা সকল | অসমীয়া বিষয়ত প্ৰাপ্ত নম্বৰ |
|---|---|---|
| ১৯৯৮ | কবিতা কলিতা, আজমল হক | ৮০ % |
| ১৯৯৯ | অলকা দাস | ৮১ % |
| ২০০০ | মোজাম্মেল হুচেইন | ৭১ % |
| ২০০১ | ছইদুল ইছলাম | ৭৪ % |
| ২০০২ | প্ৰাঞ্জল কলিতা | ৭৮ % |
| ২০০৩ | খয়িৰুল ইছলাম | ৬৯ % |
| ২০০৪ | কিশোৰ বৰুৱা (প্ৰদান কৰা হব) | ৮২ % |

দীপ্তিৰেখা পাঠক
শ্বাহজামাল মোল্লা
যুটীয়া সম্পাদক

## সাহিত্য কানন

*১৯৯৫ চনৰ ২৫ আগষ্ট তাৰিখে অসমীয়া বিভাগৰ উদ্যোগত মহাবিদ্যালয়ৰ প্ৰতিষ্ঠাপক প্ৰয়াত অধ্যক্ষ দেৱ প্ৰসাদ শইকীয়াৰ অধ্যক্ষতাত অনুষ্ঠিত সভাৰ সিদ্ধান্ত মৰ্মে মহাবিদ্যালয়ত সাহিত্য চৰ্চাৰ এক বাতাবৰণ গঢ়ি তোলাৰ মূল উদ্দেশ্যেৰে গঠিত হয় সাহিত্য কানন।*

*সাহিত্য কাননৰ দ্বাৰা প্ৰতি বছৰে আয়োজিত হয়- বিভিন্ন প্ৰতিযোগিতা, আলোচনা চক্ৰ, প্ৰয়াত অধ্যক্ষ দেৱপ্ৰসাদ শইকীয়াৰ মৃত্যু দিৱস ৯ অক্টোবৰত সাহিত্য দিৱস, 'কবিতা আবেলি' আদি অনুষ্ঠান। কাননৰ মুখপত্ৰৰ নাম 'প্ৰতীতি' (হাতেলিখা) প্ৰাচীৰ পত্ৰিকাৰ নাম 'প্ৰবাহ'। প্ৰতীতিৰ শেহতীয়া সংখ্যা দীপ্তি ৰেখা পাঠকৰ সম্পাদনাত প্ৰকাশৰ অপেক্ষাত আছে। প্ৰবাহৰ তত্বাৱধানত আছে অধ্যাপক প্ৰভাত চক্ৰৱৰ্তী।*



*সাহিত্যৰ এই মজলিচলৈ শিক্ষক-শিক্ষয়িত্ৰী আৰু ছাত্ৰ-ছাত্ৰী সকলক সাদৰ আমন্ত্ৰণ জনোৱা হ'ল।*

*শ্বাহজামাল মোল্লা*
*সম্পাদক, সাহিত্য কানন।*

## English Literary Forum

English Literary Forum of B.P.Chaliha College was Constituted in 2002 with a view to promote the study of literature among the students and teachers who are interested to persue this objective in English. Prof. Hrushikesh Singh the founder secretary of this forum has been extending its activities over the years by holding different litetary activities from time to time both inside and outside the College. All the faculty members of English Deptt. along with the students are the members of this forum. The English literary Forum is striving hard to bring out a magazine called "CUPID" shortly. The goal of this forum shall be realised if it is rightly appriciated by the students and teachers alike.

*Nirmal Ch. Bhoi.*
President

*H. Singh.*
Secretary

? প্ৰথম অসমীয়া মহিলা আলোচনী খনৰ নাম কি? উঃ ঘৰ জেউতি
? প্ৰথম অসমীয়া মহিলা সাংবাদিক কোন? উঃ মনিমা বৰুৱা
সংগ্ৰহ: ৰূপম কলিতা

# RESULT OF THE COLLEGE WEEK, SESSION 2002-03

## ATHLETICS (Boys)

**100 Metres Race:**

1st Ganesh Malakar. H.S. 1st yr.
2nd Gautam Medhi. T.D.C 1st yr.
3rd Mohidul Islam. H.S. 1st yr.

**200 Metres Race:**

1st Alis Hasan Muktarul Haque. T.D.C. 1st yr.
2nd Mohidul Islam. H.S. 1st yr.
3rd Nazar Ali. T.D.C. 1st yr.

**400 Metres Race:**

1st Fakar Uddin Ahmed. T.D.C. 3rd yr.
2nd Baharul Islam Khan. H.S. 1st yr.
3rd Mohidul Islam. H.S. 1st yr.

**800 Metres Race:**

1st Alis Hasan Muktarul Haque. T.D.C. 1st yr.
2nd Amzad Ali Ahmed. T.D.C 3rd yr.
3rd Rofiqul Islam. T.D.C. 1st yr.

**1000 Metres Race:**

1st Amzad Ali Ahmed. T.D.C. 3rd yr.
2nd Alis Hasan Muktarul Haque. T.D.C. 1st yr.
3rd Sanjab Hussain. T.D.C. 1st yr.
Ayub Ali Khan. T.D.C. 1st yr.

**Discus Throw (Boys)**

1st Amzad Ali Ahmed. T.D.C. 3rd yr.
2nd Muktarul Haque. T.D.C. 1st yr.
3rd Nazrul Islam. T.D.C. 1st yr.

**Shot put (Girls)**

1st Kakali Basumatary. H.S. 1st yr.
2nd Moina Medhi. T.D.C. 1st yr.
3rd Rashida Khatun. T.D.C 1st yr.

**100 Metres Race:**

1st Juri Medhi. H.S. 2nd yr.
2nd Bhunu Patowary. T.D.C. 1st yr.
3rd Rashida Khatun. T.D.C. 1st yr.
Juri Moni Das. T.D.C. 1st yr.

**200 Metres Race:**

1st Rashida Khatun. T.D.C. 1st yr.
2nd Moina Medhi. T.D.C. 1st yr.
3rd Mazida Khatun. H.S. 1st yr.
Bhunu Patowary. T.D.C. 1st yr.

**Kitna Chahiye Kitna:**

1st Ramisa Ahmed. T.D.C. 2nd yr.
Rousana Ahmed. H.S. 2nd yr.
2nd Mazida Ahmed. H.S. 1st yr.

**Pukhuri Par:**

1st Shilpa Das. T.D.C. 2nd yr.
Rofida Begum. T.D.C. 2nd yr.
2nd Bhunu Patowary. T.D.C. 1st yr.

**Long Jump:**

1st Mazida Khatun. H.S. 1st yr.
2nd Rashida Ahmed. T.D.C. 1st yr.
3rd Bhunu Patowary. T.D.C. 1st yr.

## Major Games

**(Foot Ball)**

Champion H.S. 1st yr.
Runnersup T.D.C. 1st yr.
Best foot baller. **Utpal Das.** H.S. 1st yr.

**Cricket:**

Champion. T.D.C. 2nd yr.
Runnersup. H.S. 2nd yr.
Best Cricketer. **Bhaskar Das.** T.D.C. 2nd yr.

## Minor Games

**(Volley Bal)**

Chapion. T.D.C. 2nd yr.
Runner sup. T.D.C. 3rd yr.
**Best Player.** **Rezaul Haque.** T.D.C. 2nd yr.

**Badminton (Boys Singles)**

1st Shahanur Ahmed. T.D.C. 2nd yr.
2nd Amzad Ali Ahmed. T.D.C 3rd yr.
3rd Nicolus Ahmed. T.D.C. 1st yr.

**Badminton (Girls Singles)**

1st Pompy Patowary. T.D.C. 2nd yr.
2nd Bhunu Patowary. T.D.C. 1st yr.
3rd Juri Moni Das. T.D.C. 1st yr.

**Badminton (Boys Doubles)**

1st Nicolus Ahmed. T.D.C. 1st yr.
Dombarudhar Das. H.S. 1st yr.
2nd Ferdous Ahmed. H.S. 2nd yr.
Shahanur Ahmed. H.S. 2nd yr.
3rd Sanjab Hussain. T.D.C. 1st yr.
Ayub Ali Khan. T.D.C. 1st yr.

**Badminton (Girls) Doubles**

1st Rashida Begum. T.D.C. 1st yr.
Ramisha Khatun. T.D.C. 3rd yr.
2nd Mazida Khatun. H.S. 1st yr.
Hussniwara Khatun. H.S. 1st yr.
3rd Pompy Patowary. T.D.C. 2nd yr.
Bhunu Patowary. T.D.C. 1st yr.

## Debate and Symposium.

**Quiz Competition**

1st Hafizur Rahman. T.D.C. 2nd yr.
Rafijul Alom. T.D.C. 3rd yr.
Akmal Haque. H.S. 1st yr.
2nd Iman Ali. H.S. 2nd yr.
Roushan Ali Ahmed. B.Sc. 3rd yr.
Fakar Uddin Ahmed. B.Sc. 3rd yr.



Scanned with CamScanner

3rd Hitesh Das. T.D.C. 2nd yr.
Sahanur Ahmed. T.D.C. 2nd yr.
Bedanta Bikash Kalita. H.S. 1st yr.

**Self Choosed Speech**

1st Rupam Kalita. T.D.C. 2nd yr.
2nd Nipu Kalita. T.D.C. 1st yr.
3rd Laila Begum. T.D.C. 3rd yr.

**Extempore Speech.**

1st Rupam Kalita. T.D.C. 2nd yr.
2nd Hafizur Rahman. T.D.C. 3rd yr.
3rd Ripunjoy Kalita. T.D.C. 1st yr.

**Debate (Assamese)**

1st Nipu Kalita. T.D.C. 1st yr.
2nd Hitesh Das. T.D.C. 2nd yr.
3rd Laila Begum. T.D.C. 3rd yr.

**Symposium (Assamese)**

1st Rupam Kalita. T.D.C. 2nd yr.
2nd Ayub Ali Khan. T.D.C. 1st yr.
3rd Nipu Kalita. T.D.C. 1st yr.

**Debate (English)**

1st Rabiul Hussain. T.D.C. 2nd yr.
2nd Akbar Hussain. T.D.C.2nd yr.
3rd Hafizur Rahman. T.D.C. 3rd yr.

**Best Competitor :** ***Rupam Kalita.*** T.D.C. 2nd yr.

**Girls Common Room**

**Carrom (Singles)**

1st Kakali Saha. T.D.C. 2nd yr.
2nd Jonali Thakuria. T.D.C. 3rd yr.

**Memory Test**

1st Sangita Das. T.D.C. 2nd yr.
2nd Sumana Paul. H.S. 1st yr.

**Carrom (Doubles)**.

1st Shipra Saha. T.D.C. 3rd yr.
2nd Kakali Saha. T.D.C. 2nd yr.

**Embroidary**

1st Anjuma Begum. T.D.C. 2nd yr.
2nd Rupali Saha. H.S. 2nd yr.
3rd Sila Das. T.D.C. 3rd yr.

**Ludo**

1st Sila Das. T.D.C. 3rd yr.
2nd Laila Begum. T.D.C. 3rd yr.

**Chess**

**Champion:** Rufida Begum. T.D.C. 3rd yr.
**Runnersup:** Shipra Das. T.D.C. 3rd yr.

**Pitha Making**

1st Juri Medhi. H.S. 2nd yr.
2nd Pompy Patowary. T.D.C. 2nd yr.
3rd Shila Das. T.D.C. 3rd yr.
Ajanta Das. H.S. 2nd yr.

**Literary**

**(Assamese Poem Recition)**

1st Ripunjay Kalita. T.D.C. 1st yr.
2nd Akbar Hussain. T.D.C. 3rd yr.
3rd Sumana Paul. H.S. 1st (Sc.)

**English Poem Recitation**

1st Rupam Kalita. T.D.C. 2nd yr.
2nd Abdus Samad. T.D.C. 1st yr.
3rd Ramisa Khatun. T.D.C. 3rd yr.
Intaz Ali. H.S. 2nd yr.

**Assamese Short Story Writting (On The Spot)**

1st Laila Begum. T.D.C. 2nd yr.
2nd Rupam Kalita. T.D.C. 2nd yr.
3rd Hitesh Das. T.D.C. 2nd yr.

**Assamese Poem Writting (On The Spot)**

1st Sanjib Kalita. T.D.C. 2nd yr.
2nd Ayub Ali Khan. T.D.C. 1st yr.
3rd Rupam Kalita. T.D.C. 2nd yr.

**Dialogue**

1st Sanjib Choudhuri. T.D.C. 1st yr.
2nd Laila Begum. T.D.C. 2nd yr.
3rd Ramisha Khatun. T.D.C. 3rd yr.

**English Poem Writting**

1st Intaz Ali. H.S. 2nd yr.
2nd Abu Shama Ahmed. H.S. 1st yr.
3rd Ashad Ali. T.D.C. 1st yr.

**Spot Short Story Writting**

1st Laila Begum. T.D.C. 3rd yr.
2nd Juri Moni Das. T.D.C. 2nd yr.
3rd Hitesh Das. T.D.C. 2nd yr.

**Spot Poem Writting**

1st Rupam Kalita. T.D.C. 2nd yr.
2nd Laila Begum. T.D.C. 3rd yr.
3rd Ramisha Khatun. T.D.C. 3rd yr.

**Cultural**

**Jyoti Sangeet**

1st Bhunu Patowary. T.D.C. 1st yr.
2nd Akbar Hussain.
3rd Bishwajit Mandol.

**Bhupendra Sangeet**

1st Shahanur Hussain.
2nd Monowar Hussain.
3rd Rupam Kalita. T.D.C. 2nd yr.

**Bargeet**

1st Ramen Pathak.
2nd Jurimoni Das.
3rd Surabhi Hazarika. T.D.C. 1st yr.

**Modern Song**

1st Ramen Pathak.
2nd Jurimoni Das.
3rd (i) Surabhi Hajarika. T.D.C. 1st yr.
(ii) Ganesh Malakar. T.D.C. 1st yr.

**Rabha Sangeet**
1st Jurimoni Das.
2nd Ramen Pathak.
3rd Surabhi Hazarika.

**Lokageet**
1st Jurimoni Das.
2nd Ramen Pathak.
Fakaruddin Ahmed.
3rd Akbar Hussain.

**Bihu Nritya**
1st Giriza Pathak.
2nd Smita Das.
3rd Akbar Hussain.

**Jikir & Jari**
1st Surabhi Hazarika. (Team)
2nd Akbar Hussain. (Team)
3rd Fakaruddin Ali Ahmed. (Team)

**Mukhabhinoy**
1st Akbar Hussain. (Act - Dokani)
2nd Sanjib Sowdhary. (Act - Servant).
3rd Diganta Bora. (Act - Bihu Nasoni).

**Bihu Geet**
1st Ramen Pathak.
2nd Surabhi Hazarika.
3rd Sanjib Choudhury.

**Ban Geet**
1st Ramen Pathak.
2nd Shahanur Hussain.
3rd Sanjib Sowdhary.

**Hindi Geet**
1st Sangita Das.
2nd Fakaruddin Ahmed.
3rd Jakir Hussain.

**Ekanka Nat**
1st Sendur. (Surabhi Hazarika).
2nd Abelir kabita. (Abdus Samad Ahmed).

**Best Singer:** Ramen Pathak.
**Best Actor:** Sadil Raza Ahmed. (Abelir Kabita. Act - Mantu)
**Best Actress:** Surabhi Hazarika. (Sendur. Act - Boary)

**শোক**

ডঃ ভবেন্দ্ৰ নাথ শইকীয়া, নিৰ্মলপ্ৰভা বৰদলৈ, সুৰবালা বৰদলৈ, ভবেন বৰুৱা, ইন্দিৰা মিৰি, বোমা বিস্ফোৰণত নিহত ধেমাজীৰ শিশু আৰু অন্যান্য সকলোৰ মৃত্যুত আমি মৰ্মাহত।
মৃতকৰ বিদেহী আত্মাৰ চিৰশান্তি কামনা কৰিলোঁ।

সম্পাদনা সমিতি

**বৰ্তমানলৈকে প্ৰকাশিত আলোচনীসমূহৰ সম্পাদক আৰু তত্বাৱধায়ক সকল**

| আলোচনী সংখ্যা | প্ৰকাশ পোৱা বছৰ | সম্পাদক | শিক্ষক তত্বাৱধায়ক |
|---|---|---|---|
| ১ম | ১৯৭৭-৭৮ | মহানন্দ মেধি | বীৰেন্দ্ৰ কুমাৰ দাস |
| ২য় | ১৯৭৮-৭৯ | মহঃ বাজল আমিন | এম. হবিব উল্লাহ |
| ৩য় | ১৯৮৩-৮৪ | দীপেন্দ্ৰ পাঠক, মহঃ খবিউল হুছেইন | অজিত কুমাৰ বৰা |
| ৪ৰ্থ | ১৯৮৭-৮৮ | সুৰেন্দ্ৰ তালুকদাৰ, কমলেশ দাস | |
| ৫ম | ১৯৯০-৯১ | সৌৰভ ভাগৱতী | বীৰেন্দ্ৰ কুমাৰ দাস, এম. হবিব উল্লাহ |
| ৬ষ্ঠ | ১৯৯২-৯৩ | মঃ নাজিম আহমেদ, মঃ আইনাল হক | নগেন্দ্ৰ নাৰায়ণ দেৱান, ডঃ এ. বাসাৰ |
| ৭ম | ১৯৯৭-৯৮ | মিতিশ নন্দিতা | নগেন্দ্ৰ নাৰায়ণ দেৱান |
| ৮ম | ২০০০-০১ | ভৈৰৱ ঠাকুৰীয়া | নগেন্দ্ৰ নাৰায়ণ দেৱান |
| ৯ম | ২০০২-০৩ | গৌতম মেধী | শাহজামাল মোল্লা |



Scanned with CamScanner

# RESULTS OF HIGHER SECONDARY (ARTS/SCIENCE) FINAL EXAMINATION
## B.P.CHALIHA COLLEGE: NAGARBERA

| Year | Stream | Total No.of Candidates Appeared | 1st Division * | Letter | 1st | Total | 2nd Divn. | 3rd Divn. | Simple, Certain, Compt. | Total Passed | Passed% College | Passed% Council |
|---|---|---|---|---|---|---|---|---|---|---|---|---|
| 2000 | Science | 41 | 0 | 1 | 3 | 3 | 22 | 6 | -- | 31 | 76.60 | 58.90 |
| | Arts | 141 | – | – | 1 | 1 | 20 | 38 | -- | 59 | 41.84 | 42.55 |
| 2001 | Science | 34 | -- | -- | -- | -- | 13 | 5 | -- | 52 | 52.00 | 53.03 |
| | Arts | 188 | -- | -- | 6 | 6 | 36 | 77 | -- | 118 | 62.76 | 48.86 |
| 2002 | Science | 46 | – | – | 4 | 4 | 15 | 4 | -- | 23 | 50.00 | 58.61 |
| | Arts | 151 | -- | 1 | 5 | 5 | 41 | 46 | -- | 92 | 60.92 | 45.98 |
| 2003 | Science | 45 | – | – | 1 | 1 | 14 | 13 | -- | 28 | 62.20 | 63.94 |
| | Arts | 125 | – | 1 | 3 | 3 | 24 | 43 | -- | 70 | 56.00 | 46.44 |

# RESULTS Of T.D.C PART -II (ARTS/SCIENCE) EXAMINATION
## B.P.CHALIHA COLLEGE: NAGARBERA

| Year | Stream | Major Course | | | | | | General Course | | | | | | | |
|---|---|---|---|---|---|---|---|---|---|---|---|---|---|---|---|
| | | Total appread | 1st class | 2nd class | Simple Pass | Total Passed | Pass % | Total appread | 1st Divn | 2nd Divn. | Simple pass | Total passed | Pass % | College | University |
| 1999 | Science | 1 | — | - | - | 0 | 0 | 7 | - | 2 | 3 | 5 | 71.42 | 62.5 | 67.78 |
| | Arts | 82 | 1 | 59 | 12 | 72 | 87.5 | 15 | - | 2 | 12 | 14 | 93.3 | 76.78 | 63.63 |
| 2000 | Science | 6 | - | 4 | - | 4 | 66.6 | 23 | - | 10 | 7 | 17 | 73.91 | 72.41 | 68.05 |
| | Arts | 79 | 3 | 51 | 11 | 65 | 82.27 | 11 | - | 3 | 6 | 9 | 81.8 | 82.22 | 60.67 |
| 2001 | Science | 3 | 51 | - | - | - | 0 | 16 | - | 5 | 9 | 14 | 87.5 | 73.41 | 65.34 |
| | Arts | 82 | - | 55 | 12 | 67 | 81.7 | 5 | - | 1 | 4 | 5 | 100 | 77.4 | 63.43 |
| 2002 | Science | 2 | - | 1 | 1 | 2 | 100 | 11 | - | 5 | 4 | 9 | 81.8 | 84.6 | 72.35 |
| | Arts | 90 | 1 | 50 | 10 | 62 | 71.76 | 5 | - | - | 3 | 3 | 60 | 68.88 | 66.69 |
| 2003 | Science | 5 | - | 3 | - | 3 | 60 | 13 | - | 9 | 3 | 12 | 92.30 | 83.33 | 71.63 |
| | Arts | 84 | - | 51 | 14 | 65 | 77.38 | 12 | - | - | 4 | 4 | 33.33 | 71.87 | 64.36 |



Scanned with CamScanner

# STAFF OF B.P.CHALIHA COLLEGE, NAGARBERA

Principal : Vacant.

Vice Principal & Principal i/c : Sri N.B.Das



## FACULTY MEMBERS

**Department of Assamese**

1. Mr.N. N.Dewan, HOD
2. Mrs. D. R. Pathak.
3. Mr. S. C. Thakuria
4. Mr.S. Z. Mollah



**Department of English**

1. Mrs. Kalyani Das, HOD
2. Mr. Nirmal Ch. Bhoi
3. Mr. Hrushikesh Singh
4. Mr. Abdul Jubbar
5. Mr. Arun Kr. Sarkar



**Department of Arabic**

1. Dr. Abdul Majeed, HOD
2. Mr. Abdus Salam.
3. Mr. Korban Ali Ahmed.



**Department of Economics**

1. Mr. N. B. Das, HOD
2. Mr. Utsabananda Das.
3. Mr. Nirmal Ch. Kalita.
4. Mrs. Firoza Ahmed.
5. Mr. Anshuman Saikia.



**Department of Pol. Science**

1. Mr. D.K. Das, HOD
2. Mrs. N. Nahar. Begum.
3. Mr. Abdul Hakim.



4. Mr. Noor Alam.
5. Mr. Upen Saha.



**Department of History**

1. Mr. B. S. Barpujari, HOD
2. Mr. Kushal Dutta.
3. Mr. Basanta Kalita.



**Department of Education**

1. Mrs. G. Thakuria, HOD
2. Dr. B. Bhushan Panda.
3. Mr. Amzad Hussain.
4. Mrs. Bhumija Barman.
5. Mr. Binoy Krishna Medhi.



**Department of Geography**

1. Mr. Umesh Ch. Das, HOD
2. Dr. Bharat Kalita.
3. Dr. Neel Kamal Bordaloi.
4. Mr. Dulal Debnath.
5. Mrs. Anita Keot.
6. Mr. Bishnu Ram Talukdar.



**Department of Mathematics**

1. Mr. N. B. Chetri, HOD
2. Mr. Nipul Saikia.
3. Mr. Tiken Ch. Patowary.
4. Mr. Atowar Rahman.



**Department of Statistics**

1. Mr. P. Chakraborty, HOD
2. Mr. J. N. Talukdar.



**Department of Physics**

1. Mr. Biren Borah, HOD
2. Mr. Abu Bakkar Siddique.
3. Mr. Kasher Ali Ahmed.
4. Mr. Sukumar Dewan.



**Department of Chemistry**

1. Mr. Biplab Nag, HOD
2. Dr. A. Bashar.
3. Mr. Dhiresh Chakraborty.
4. Mr. Dinesh Kalita.



**Department of Botany**

1. Mr. N. A. Haque, HOD
2. Mr. Surya Kalita.
3. Mr. Ranendra Kr. Das.
4. Vacant



**Department of Zoology**

1. Miss. N. Pathak, HOD
2. Mr. Hemen Patowary.
3. Mrs. Chitralekha Devi.
4. Mr. Tapan Goswami.



Scanned with CamScanner

## LIBRARARY STAFF



1. Mr. D. Talukdar, Librarian.
2. Mr. S. Pathak, Asstt. Librn.
3. Mr. J. Goswami, Lib. Asstt.
4. Mrs. L. Medhi, Lib. Bearer.
5. Mr. R. Kalita, Lib. Bearer.

## OFFICE STAFF



1. Mr. N. Kalita, Head Asstt.
2. Mr. B. Thakuria, L.D.A.
3. Mr. S. Kalita, L.D.A.
4. Mr. N. Pathak, L.D.A.



5. Miss. K. Kakati, L.D.A.
6. Mr. A. Das, Office Bearer
7. Mr. K. Pathak do.
8. Mr. D. Kalita do.
9. Mr. S. Pathak, (Night Chowkidar)
10. Mr. S. Manda., (Night Chowkidar)
11. Mr. Samsul Haque, do.
13. Mr. Bijoy. Medhi, do.

## LABORATORY STAFF



1. Mr. J. Thakuria. Lab. Asit.
2. Mr. D. Kalita, Lab. Bearer



3. Mr. D. Pathak. do
4. Mr. K. Pathak. do
5. Mr. Brajen Kalita do
6. Mr. K. Islam Lab. Bearer
7. Mr. Prafulla Kalita do
8. Mr. Sidananda Das do
9. Mr. Robin Kalita do
10. Mr. Kumud. Kalita do
11. Mr. Tirtha Nr. Pathak do
12. Mr. Mahendra. Kalita do

## SCIENCE FORUM
### B.P.Chaliha College, Nagarbera

A Science Forum has been constituted in 2003 with Mr. N.A.Haque as President and Mr. D.C. Kalita as Secretary of the forum. The Objectives of the forum are as follows:

*1. To enhance the quality of Science Teaching.*
*2. To modernization of the Science Teaching.*
*3. To extend the Science Mentality among the common people.*
*4. To aware everyone to check the environmental degradation.*
*5. To engage the teacher-student community in the green tree plantation, medicinal tree plantation as well as to uplift the self financial resource of the college etc.*

We solicit all the people having scientific temperament and cordial supports and kind cooperation, so that we may attain our goal of mission.

With Thanks.

**Mr. D.C.Kalita**
*Secretary,*
*Science Forum, B.P.C.College.*



## POLITICAL SCIENCE STUDY CENTRE
### B.P.Chaliha College, Nagarbera

A Forum in the Deptt. of Political Science has been constituted under the Presidentship of Mr. Noor Alam in the year 2003. Presently Mr. D.K.Das has been acting as President of the Forum.

*The main objectives of the Forum are-*

- To provide the current knowledge of Political Development to the students.
- Arrangement of Seminar, Workshop, Quiz & Lecture Competitions etc. both inside and out side the college.
- Make survey, arrange training programmes for the Panchayat Representatives, Self-Help Groups and Volutary Organisation and NGO's.

The Forum seeks cooperation of all concern.

**Noor Alam**



THE END

Scanned with CamScanner

# কৃতজ্ঞতাৰ শৰাই

## বিমলা প্ৰসাদ চলিহা মহাবিদ্যালয় আলোচনীৰ

## নবম সংখ্যাটি প্ৰকাশৰ

## ক্ষেত্ৰত বিভিন্ন ধৰণে সহায় সহযোগ কৰা-

সমৰ্ঘি থংখুৰা, ত্ৰিবাচক পুগ্‌পেন্থি (থাইলেণ্ড), গোপীনাথ দাস
(বিধায়ক), আব্দুছ ছামাদ আলী (প্ৰাক্তন
অধ্যাপক), উৎসৱানন্দ দাস,
আব্দুল হাকিম,
ডঃ আব্দুল মজিদ,
ডঃ বিভূতি ভূষণ গণ্ডা,
আব্দুছ ছালাম, নূৰ আলম,
ডঃ আব্দুল বাসাৰ, শ্যামাচৰণ
ঠাকুৰীয়া, নিৰ্মল চন্দ্ৰ কলিতা,
দীনেশ কলিতা, ধীৰেশ চক্ৰৱৰ্তী, বসন্ত
কলিতা, ধীৰেণ তালুকদাৰ, নৃপেন
কলিতা, সত্যজিৎ কলিতা, ৰাজীৱ কলিতা,
ৰূপম কলিতা, বাপন সাহা, ছাজাহান আহমেদ,
চান মহম্মদ, কদম আলী, লেখক-লেখিকা সকল,
ছাত্ৰ আৰু শিক্ষকৰ অৱসৰ বিনোদন কেন্দ্ৰ, ছাত্ৰ একতা
সভাৰ বিষয় ববীয়া সকল
আৰু
দিহা পৰামৰ্শ ও উৎসাহ যোগোৱা মহাবিদ্যালয়ৰ শিক্ষক মণ্ডলী,
সমূহ কৰ্মচাৰী বৃন্দ ও সমূহ ছাত্ৰ-ছাত্ৰীক আন্তৰিক কৃতজ্ঞতা জ্ঞাপন
কৰিলোঁ।

সম্পাদনা সমিতি

### এটি বিশেষ ঘোষণা

লেখনিৰ মৌলিকতা বিচাৰত সম্পাদনা সমিতিয়ে যথেষ্ট সতৰ্কতা অৱলম্বন কৰিছে। তথাপিও কোনো লেখকৰ লেখনি যদি আনৰ নকল বুলি প্ৰমাণিত হয়; তেন্তে কৰ্তৃপক্ষই কঠোৰ শাস্তিৰ ব্যৱস্থা কৰিব।

এই সম্পৰ্কে কোনো আইনী সমস্যাৰ সৃষ্টি হ'লে নকল কৰোঁতাই নিজেই তাৰ সন্মুখীন হ'ব লাগিব।

সম্পাদনা সমিতি।

Scanned with CamScanner




Printed at: M/S APOLLO OFFSET SERVICES, NAGARBERA, Ph. 03623-245027, 245037

Scanned with CamScanner